২।১৪

All Rights Reserved by the Editor.

বিবিধ প্ৰবন্ধাৱলী।

2138

# সাহিত্য-সংগ্ৰহ।

শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা।

An approved Text Book for the High and Middle Schools of Assam.

All rights reserved by the Editor

# সাহিত্য-সংগ্ৰহ।

## (গদ্য আৰু পদ্য)

২৫২৯/প্ৰা:
৯.১.৯৯

শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা আৰু ৺পানীন্দ্ৰনাথ গগৈ দ্বাৰা

সংগৃহীত।

৭ম, তাঙ্গৰণ।

সাহিত্যিক জীৱন বৃত্তিধাৰী

শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা

সম্পাদিত।

লীলা-এজেন্সিৰপৰা প্ৰকাশিত।

তেজপুৰ,

১৮৪৭ শক।

৭৮
১৯২৫

বেচ, ১৷৹ ছমহা মাথোন

২৫২ন/অঃ

গুৱাহাটী নিউ প্রেছত—
শ্রীদুতিৰাম মেধিৰ দ্বাৰা ছপা হল।

# উছৰ্গা।

যি জনে জয়েজয়ে
আমাৰ বাল্যহিয়াত
উচ্চ সহিত্যৰ গুটী পচাইছিল,
সেই
উত্তৰলক্ষীম্‌পুৰ মজ্ঝলীয়া ছাত্ৰবৃত্তি পঢ়াশালিৰ
ভূতপূৰ্ব্ব প্ৰধান পণ্ডিত

৺নীলকান্ত তালুকদাৰ

শিক্ষাগুৰুদেৱৰ স্মৃতি উদ্দেশে
এই
সাহিত্য-সংগ্ৰহ-শৰাই
সভক্তিৰে
আগবঢ়োৱা হল।

---

**সংগ্ৰাহকদ্বয়।**

# পাতনি ।

দেশী ভাষাৰ মজলীয়া থাপৰ পঢ়াশালিৰ শ্ৰেণীৰ পাঠ্যৰ উপযুক্ত সাহিত্য-পুথিৰ অভাৱ দেখি বহুপুৰুষাৰ্থে "সাহিত্য-সংগ্ৰহ" নামেৰে এই পুথিখনি যুগুত কৰা হল। ইয়াক "এণ্ট্ৰেঞ্চ কোচ"ৰ আহিৰে গোটোৱা হৈছে। অসমীয়া ভাষাৰ আলোচনী আৰু অন্যান্য কাকতাদিত আজিলৈকে লৰাৰ পাঠ্যৰ উপযোগী যিবিলাক প্ৰবন্ধ ওলাইছে, তাৰ ভিতৰত কিছুমান বাছনি-প্ৰবন্ধ আৰু অন্যান্য উপায়েৰে গোটোৱা কিছুমান সাৰুৱা পাঠ মাথোন এই পুথিত সন্নিবিষ্ট হৈছে। এই পুথি যাৰ নিমিত্তে যুগুত কৰা হৈছে, ই যাতে তাৰ উপকাৰ সাধিব পাৰে, সেই বিষয়ত বিশেষকৈ মনোযোগ দিয়া গৈছে, আৰু বেলেগ বেলেগ লিখকৰ বেলেগ বেলেগ ৰচনা-প্ৰণালী একে ঠাইতে মুঠবান্ধি দিয়াৰ কাৰণে ইয়াৰপৰা লৰাই বিবিধ ৰচনাৰ আৰ্হি লব পাৰিব বুলি আশা কৰা হৈছে। আমি ধন আৰু যশস্যাৰ আশাৰে এই পুথি যুগুত কৰা নাই, আৰু তেনে আশা কৰাও যে বিড়ম্বনা মাথোন তাক কোৱাই বাহুল্য;—"অসমীয়া ভাষাত উপযুক্ত সাহিত্য-পুথি নাই" এই দুৰ্ণাম গুচাবৰ অভিপ্ৰায়ে হে আমি এই কামত হাত দিছোহঁক। এই পুথিখনি সাধাৰণৰ দ্বাৰা পৰিগৃহীত হলেই আমাৰ যত্ন সফল মানিম, আৰু ভৱিষ্যতে ইয়াৰ বহুত উন্নতি সাধিবলৈ আগ বাঢ়িম। অলমতি বিস্তৰেণ,—

---

উত্তৰ-লক্ষীমপুৰ,
১৮১৫ শক।

গোটাওঁতা,
শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা।
শ্ৰীপাণীন্দ্ৰনাথ গগৈ।

# দ্বিতীয় তাঙ্গৰণৰ কথা ।

এইবাৰ আগৰ ভালেমান দোষ সংশোধন কৰি কিতাপৰ উপকাৰিতা বঢ়োৱা গৈছে । আৱশ্যক মতে ঠায়ে-ঠায়ে বঢ়া-টুটাও ঘটিছে । পদ্য ভাগত অমিত্ৰাক্ষৰ ছন্দৰ কবিতা এটি বঢ়াই দিবলৈ গদ্য ভাগৰ এটি প্ৰবন্ধ আঁতৰাই থোৱা হল ।

তেজপুৰ,<br>আহিন, ১৮২৫ শক । } সম্পাদক

---

# তৃতীয় তাঙ্গৰণৰ কথা ।

এই তাঙ্গৰণত নতুন প্ৰেছ-আইন অনুসৰি কিছুমান লৰচৰ ঘটিছে। তদুপৰি, আগৰ আখৰ-জোঁটনি দোষ, ব্যাকৰণবিভ্ৰাট, ভাব আৰু বাক্যৰ জোঁট আদি য'ত যি খুঁত ৰৈছিল তাক পাৰ্য্যমানে গুচোৱা গৈছে ।

তেজপুৰ,<br>শাওণ, ১৮৩৩ শক । } সম্পাদক

---

# চতুৰ্থ তাঙ্গৰণৰ কথা ।

এইবাৰ আখৰ-জোটনিৰ যৎসামান্য দোষ মাথোন গুচোৱা হল ; তাত বাজে আন একো লৰচৰ ঘটোৱা নাই । আৰু, ছপাৰ উন্নতিৰলগতে আকাৰো আগতকৈ ডাঙৰ কৰি কিতাপখন আগতকৈ অধিক লাগতিয়াল কৰা গৈছে ।

তেজপুৰ,<br>জেঠ, ১৮৩৫ শক । } সম্পাদক ।

---

## পঞ্চম তাঙ্গৰণৰ কথা ।

যোৱাবাৰৰ ছপা-ভুল শুধৰোৱাৰ উপৰি এইবাৰ ঠায়ে-ঠায়ে কিছু-মান বাক্য পোনাই দি পুথিৰ উপকাৰিতা বঢ়োৱা গৈছে ।

তেজপুৰ, } সম্পাদক ।
ৰহাগ, ১৮৩৮ শক ।

---

## ষষ্ঠ তাঙ্গৰণৰ কথা ।

এইবাৰ আগৰ ভালেমান ভুল-ভ্ৰান্তি সংশোধন কৰা হৈছে । তদুপৰি, কিতাপৰ ভিতৰ ভাগত ঠায়ে-ঠায়ে বাক্যৰ লৰচৰ ঘটাই ভাব আৰু ভাষা আগতকৈ প্ৰাঞ্জল কৰা গৈছে । কাগজৰ ভাও অতিপাতকৈ চৰি উঠাত কিতাপৰ বেচ আদমহীয়া এটা বঢ়াব লগা হল ।

তেজপুৰ, } সম্পাদক ।
আঘোণ, ১৮৪৩ শক ।

---

## সপ্তম তাঙ্গৰণৰ কথা ।

বিদেশত ছপোৱাৰ বাবে ইয়াৰ আগৰ তাঙ্গৰণত ৰৈ যোৱা ভালে-মান ছপা-ভুল শুধৰাই দি এই তাঙ্গৰণ আগতকৈ নিভাঁজ কৰিবলৈ প্ৰয়াস পোৱা গৈছে । তাৰোপৰি, কিতাপখন উপস্থিত সময়ৰ ঠাইত উঠা কৰিবৰ উদ্দেশে নতুনকৈ ২টা গদ্য আৰু ৪টা পদ্য পাঠ লগায় দিয়া গৈছে ; আৰু এটা পদ্য পাঠ সলাই দিয়া হৈছে । গতিকে কিতা-পৰ কলেৱৰ আগতকৈ বাঢ়ি উঠিল ; সেই হেতুকে ইয়াৰ বেচো সিকি এটা বঢ়াবলগীয়া হল । এই তাঙ্গৰণ স্বদেশত নিভাঁজকৈ ছপাওঁতে আমাৰ উঠি-অহা সাহিত্যিক গুৱাহাটীৰ শ্ৰীমান মাধৱচন্দ্ৰ বৰুৱা বোপাদেৱে বিবিধ বিষয়ে বিস্তৰ সহায় কৰিছে ; সেই বাবে আমি তেওঁক নথৈ শলাগ লৈছোঁ ।

তেজপুৰ, } সম্পাদক ।
পুহ, ১৮৪৭ শক ।

# সূচী।

—:*:—

## (গদ্যভাগ।)


| বিষয়। | লিখক। | পিঠি। |
|---|---|---|
| আনন্দৰাম বৰুৱা | ৺লম্বোদৰ বৰা বি-এল্ | ১ |
| প্ৰেম | শ্ৰীযুত আনন্দচন্দ্ৰ গুপ্ত | ৯ |
| জীৱন-যুদ্ধ | শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা বি-এ, | ১২ |
| উন্নতি | শ্ৰীযুত শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৬ |
| মানবজাতিৰ সভ্যতা | শ্ৰীযুত কনকলাল বৰুৱা বি-এল | ২২ |
| ভয় আৰু ভক্তি | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ৩৬ |
| আত্ম-সংযম | শ্ৰীযুত বেণুধৰ ৰাজখোৱা বি-এ, | ৪৫ |
| সহানুভূতি | শ্ৰীযুত কনকলাল বৰুৱা বি-এল, | ৪৯ |
| অৰ্থব্যৱহাৰ | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ৫৩ |
| জাতীয় প্ৰেম | ৺পানীন্দ্ৰনাথ গগৈ | ৫৮ |
| আত্ম-শিক্ষা | ৺ঘনশ্যাম বৰুৱা বি-এল, | ৬১ |
| জয়মতী কুঁৱৰী আৰু শাঙ্গি গদাপাণি | ৺ৰত্নেশ্বৰ মহন্ত | ৭৪ |
| আমাৰ বৰ্ত্তমান অৱস্থা | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ৮০ |
| চেতনপ্ৰাণী আৰু উদ্ভিদৰ প্ৰাৰ্থক্য কি ? | শ্ৰীযুত ৰজনীকান্ত বৰদলৈ বি-এ, | ৮৪ |
| জাতীয় ভাব | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ৯৩ |
| ভবিষ্য জ্ঞান | ৺সত্যনাথ বৰা বি-এল্, | ১০১ |
| কালিদাস আৰু শকুন্তলা | ৺লম্বোদৰ বৰা বি-এল | ১০৪ |

| বিষয়। | লিখক। | পিঠি। |
|---|---|---|
| প্ৰাণীতত্ব | শ্ৰীযুত কনকলাল বৰুৱা বি-এল, | ১০৭ |
| আগৰ দিন | ৺গুণাভিৰাম বৰুৱা | ১১৭ |
| মিলন-মহিমা | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১২১ |
| মনুষ্যৰ আদি অৱস্থা | হেমচন্দ্ৰ বৰুৱা | ১২৪ |
| ক্ষমা | শ্ৰীযুত আনন্দচন্দ্ৰ গুপ্ত | ১২৬ |
| বৰৈ তুৱলীয়া পানী-ফুকনৰ বীৰত্ব | অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-এল, | ১৩১ |
| আশা | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৪২ |


( পদ্যভাগ। )


| | | |
|---|---|---|
| বাগ্দেবী-বন্দনা | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৪৬ |
| প্ৰহ্লাদ চৰিত্ৰ | ৺শঙ্কৰদেৱ | ১৪৭ |
| উষা | শ্ৰীযু পদ্মনাথ গোহাঞি বৰুৱা | ১৪৯ |
| দ্ৰৌপদিৰ বিলাপ | ৺ৰাম সৰস্বতী | ১৫২ |
| বস্তি | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৫৪ |
| হৰমোহন | ৺শঙ্কৰদেৱ | ১৫৬ |
| বিজুলী | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৫৮ |
| প্ৰাৰ্থনা | ৺মাধৱদেৱ | ১৬০ |
| চেতনা | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৬১ |
| পুৱা | শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী | ১৬৪ |
| গুহাত | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৬৬ |
| সুখ-গীত | শ্ৰীযুত চন্দ্ৰকুমাৰ গুপ্ত | ১৬৮ |
| কৰ্ত্তব্য | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৬৯ |
| জীৱন-সঙ্গীত | শ্ৰীযুত আনন্দচন্দ্ৰ গুপ্ত | ১৭১ |

| | | |
|---|---|---|
| ধুমুহা | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৭৩ |
| নৱবৰ্ষ | শ্ৰীযুত আনন্দচন্দ্ৰ গুপ্ত | ১৭৫ |
| নীৰৱে | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৭৮ |
| আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্ৰা | শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী | ১৮০ |
| কবি-প্ৰাণ | অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-এল, | ১৮২ |
| অনুতাপ | শ্ৰীযুত বেণুধৰ ৰাজখোৱা বি-এ, | ১৮৩ |
| সাংসাৰিক লীলা | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৮৬ |
| উলাহ | ৺সত্যনাথ বৰা বি-এল | ১৮৯ |
| মিলন-মহত্ব | শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা | ১৯০ |

আসাম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ ২৭।৫।২৭ নং ৩৬৬৮

# সাহিত্য-সংগ্ৰহ।

## আনন্দৰাম বৰুৱা।

### পাতনি।

যেতিয়া প্ৰায় গোটেইখন পৃথিৱী অজ্ঞান-আন্ধাৰৰ কলা ঢাকনীৰে ঢাকি থৈছিল, যেতিয়া প্ৰায় সকলো মানুহে উলঙ্গবেশে পৰ্ব্বতৰ গাঁতত বাস কৰি হাবিৰ পহু, পানীৰ মাছ আৰু গছৰ ফল-মূল খাই জীৱন ধাৰণ কৰিছিল, তেতিয়াও এই পুণ্যভূমি ভাৰতবৰ্ষ জ্ঞানৰ পোহৰেৰে ভোটাতৰাৰ দৰে জিলিকি আছিল। জগতে যেতিয়া আন্ধাৰ ৰাতিৰ কোলাত অচেতন হৈ টোপনি গৈছিল, ভাৰতে তেতিয়া জ্ঞানৰ ৰ'দকাঁচলি লৈ নানা সজ চৰ্চ্চালৈ আগ বাঢ়িছিল। প্ৰায় সকলো দেশে যেতিয়া দিগ্বিদিক নেদেখি খেপিয়াই ফুৰিছিল, ভাৰতে তেতিয়া বিজ্ঞানৰ দূৰবীণ লগাই নানা তত্ত্ব উলিয়াব পাৰিছিল। প্ৰথম ধৰ্ম্ম-চৰ্চ্চা হয় ভাৰতত; দৰ্শনশাস্ত্ৰৰ আলোচনা হয় পোন-প্ৰথমে ভাৰতত; ভাৰত বিধাতাৰ জ্যেষ্ঠ পুত্ৰ। গণিত আৰু জ্যোতিষ, কাব্য আৰু অলঙ্কাৰ, ছন্দ আৰু ব্যাকৰণ, বিজ্ঞান আৰু দৰ্শন সকলো বিষয়তে হিন্দুজাতি আন সকলো জাতিতকৈ আগ। যেতিয়া হিন্দুৱে ধনুৰ্ব্বিদ্যাৰে, আগ্নেয় অস্ত্ৰেৰে দেশ-বিদেশত দিগ্বিজয় কৰিছিল, তেতিয়া পৃথিবীৰ কেইটা জাতিয়ে

জুইৰে ভাত ৰান্ধি খাব জানিছিল ? যেতিয়া হিন্দুজাতিয়ে ডাঙৰ নগৰ আৰু ডাঙৰ ৰাজ্য পাতিছিল, তেতিয়া কেইটা জাতিয়ে ঘৰ সাজিবলৈ শিকিছিল ? যেতিয়া হিন্দুৰ সভ্যতা-জখলাত উঠি মধ্যাহ্ন সূৰ্য্যৰ দৰে দীপ্তিমান্ হৈছিল, তেতিয়া সভ্যজাতি কেইটা আছিল ? ব্যাস আৰু বাল্মীকি, কালিদাস আৰু ভৱভূতি এনে কবি পৃথিবীত কেইজনা ? পবিত্ৰ আৰ্য্য ঋষিসকলৰ দৰে পৃথিবীত কেইজনা মানুহ যোগ আৰু তত্ত্ব-বিদ্যাত কৃতকাৰ্য্য হব পাৰিছে ? বশিষ্ঠ, জনক, নাৰদৰ দৰে মহাপুৰুষ পৃথিবীত কেইজনা ? সীতা, সাবিত্ৰী আৰু দময়ন্তীৰ দৰে তিৰোতা জগতত কিমান ? ভীষ্ম, দ্ৰোণ, কৰ্ণ, অৰ্জ্জুনৰ নিচিনা বীৰ পৃথিবীত কিমান ? শ্ৰীকৃষ্ণৰ নিচিনা ৰাজনৈতিক মহাপুৰুষ ক'ত উপ-জিছে ? বুদ্ধ, চৈতন্য আৰু শঙ্কৰাচাৰ্য্যৰ নিচিনা ধৰ্ম্মবীৰ আন ঠাইত কেইজনা ?

কিন্তু, ভাৰতৰ আজি সেই দিন নাই ; ই আজি পৰাধীন, অসভ্য, অজ্ঞান, অনাদৃত। সেই মহাবীৰ ক্ষত্ৰিয়সকল নাই ; সেই তপোধন ঋষিসকল নাই ; সেই কবি, সেই ধৰ্ম্মবীৰ, সেই ৰাজনৈতিক পুৰুষ আজি নাই। আগৰ উদ্যম, একতা, জাতীয় গৌৰৱ নাই। হিমালয় আছে, তপস্যা নাই ; গঙ্গা-সৰস্বতী আছে, বেদধ্বনি নাই ; ব্ৰাহ্মণ আছে, ব্ৰ-গুণ নাই। আগৰ সভ্যতা, আগৰ আচাৰ-ব্যৱহাৰ, আগৰ নীতি-নিয়ম উৎসাহ প্ৰায় একেবাৰেই নাই। ভাৰতত আছে আজি মাত্ৰ পাপ, তাপ ৰোগ, শোক আৰু দুৰ্ভিক্ষ। ভাৰত আজি প্ৰায় ৰসাতল। চন্দ্ৰ-সূৰ্য্য-ইন্দ্ৰ বংশৰ ঘোৰ অভিমানী বংশধৰসকলে পৰৰ সেৱা কৰি চাউল মুকলি কৰিছে। ভাৰতৰ শিক্ষাগুৰু ব্ৰাহ্মণ জাতিয়ে আজি আনৰপৰা শাস্ত্ৰ বুজি লৈছে। আৰু, বিধৰ্ম্মীৰপৰা শাস্ত্ৰজ্ঞানৰ নিদৰ্শন-পত্ৰ পাই নিজক কৃতাৰ্থ আৰু গৌৰৱশালী মানিছে। নৈতিক বলৰ লগতে হিন্দুজাতিৰ প্ৰায়

সকলো ওখ ভাব লোপ পাইছে, ভাৰতৰ গৌৰৱ-সূৰ্য্য মাৰ গৈছে, ভাগ্য-লক্ষ্মীয়ে সাগৰত বুৰ মাৰিছে।

কিন্তু, যিমান দিন জগতত চন্দ্ৰ-দিবাকৰ থাকিব, সিমান দিন ভাৰতৰ আগৰ গৌৰৱৰ চিন্ একেবাৰেই নাযায়। যেতিয়ালৈকে হিন্দুৰ শ্ৰুতি আৰু স্মৃতি আছে, কাব্য আৰু অলঙ্কাৰ আছে, ব্যাকৰণ আৰু অভিধান আছে, তেতিয়ালৈকে ভাৰতৰ আগৰ গৌৰৱ হ্ৰাস পালেও লোপ নাপায়। যেতিয়ালৈকে জগতত ভাল বস্তুৰ আদৰ থাকিব, তেতিয়ালৈকে সংস্কৃত ভাষা আৰু সংস্কৃত সাহিত্যে জগতত ওখ আসন লাভ কৰিব। সংস্কৃত ভাষা, সংস্কৃত সাহিত্য হিন্দুজাতিৰ কীৰ্ত্তিস্তম্ভ। পতিত ভাৰতক উদ্ধাৰ কৰাৰ এই ভাষাই, এই সাহিত্যাই ঘাই উপায়। এই সাহিত্যৰ দ্বাৰাই আজি হিন্দুজাতিৰ চিনাকি আৰু সন্মান। ইয়ে মৃত হিন্দুজাতিৰ সঞ্জীবনী। নিলগৰ ৰং-চং দেখি আজি ভাৰতে ভোল গৈছে, নিজকে নিজে ঘিণাইছে ; কিন্তু যিবিলাক হিন্দুৱে সংস্কৃত সাহিত্য মথি পূৰ্ব্বপুৰুষ-সকলৰ কাম আৰু মহত্ত্বৰ কথা চৰ্চ্চা কৰে, তেওঁলোকৰ শৰীৰৰ শিৰে শিৰে তপত তেজ ববলৈ ধৰে আৰু মন নতুন উছাহেৰে উত্‌ত্ৰাৱল হৈ উঠে। কিন্তু, আজিকালি সকলো বিষয়তে ধনৰ যোগাৰ ; যি বিষয়ৰপৰা ধনলাভ হয় তাকে সকলোৱে চৰ্চ্চা কৰে। সংস্কৃত টান ভাষা, তাৰ-পৰা ধনলাভো প্ৰায় নহয় ; গতিকে অধিক ভাগ হিন্দুৱে নিজৰ পৱিত্ৰ, দেৱভাষা অনাদৰ কৰি অৰ্থকৰী ভাষাৰ সেৱক হৈ পৰিছে। সেই মহাপুৰুষসকল ধন্য, যি সকলে এই দিনত সংস্কৃত সাহিত্যৰ উন্নতিৰ নিমিত্তে পুৰুষাৰ্থ কৰে। সেই সকল মহাপুৰুষৰ ভিতৰত স্বৰ্গীয় আনন্দ-ৰামৰ দৰে একান্ত মনেৰে সংস্কৃতৰ উন্নতিৰ নিমিত্তে কেৱে জীৱন উছৰ্গা কৰা নাই। অলপদিনৰ ভিতৰতে কোনো লোকে আনন্দৰামৰ দৰে সংস্কৃত-সাগৰ মথি অমূল্য ৰত্ন উলিয়াই জগতক মোহিত কৰিব

পৰা নাই । তেওঁৰ জীৱন হিন্দুমাত্ৰৰে—বিদ্যানুৰাগী মাত্ৰৰে—চৰ্চ্চা আৰু আদৰৰ বস্তু । আনন্দৰাম ভাৰতৰ আচল বন্ধু ।

আনন্দৰাম বৰুৱা অসমৰো আচল বন্ধু । অসম অতি পুৰণি ৰাজ্য ; অতীজৰেপৰা আৰ্য্য হিন্দুসকলে এই দেশত বাস কৰিছে । মহাভাৰত, পুৰাণ আদি পুৰণি পুথিত এই দেশৰ নাম পোৱা যায় । বশিষ্ঠ আদি ঋষিয়ে এই দেশত তপস্যা কৰিছিল । অসম দেৱ-দেৱীৰ মন্দিৰেৰে ভৰা । ইয়াত পৰশুৰাম-কুণ্ড আদি তীৰ্থ আছে । ইয়াত কৌণ্ডিলা, শোণিতপুৰ, কামৰূপ, মণিপুৰ, হিড়িম্বপুৰ, জয়ন্তা আদি কৰি প্ৰাচীন ৰাজ্য আছিল । অসম পুৰণি ঐতিহাসিক ঘটনাৰে পূৰ্ণ । ইয়াৰ বহুত ঠাইতে পুৰণি নগৰৰ চিন্, দেৱালয়ৰ ভগ্নাৱশেষ, শিলৰ মূৰ্ত্তি, শিলৰ ঘৰ আৰু শিলৰ ওপৰত কটা আখৰ আছে । এই বিলাকৰপৰা জানিব পাৰি যে, অসম আগেয়ে এখন সভ্য আৰু উন্নত দেশ আছিল ; বিশেষকৈ ইয়াত পূৰ্ব্বে সংস্কৃতৰ বৰ চৰ্চ্চা হৈছিল । ইয়াত অনেক অগাধ পণ্ডিতৰ জন্ম হৈছিল । যোগিনীতন্ত্ৰ, ৰত্নমালা ব্যাকৰণ আদি ভালেমান ভাল সংস্কৃত পুথি অসমীয়া পণ্ডিতে লিখিছিল । শঙ্কৰদেৱ, পুৰুষোত্তমঠাকুৰ, অনন্তকন্দলিৰ নিচিনা মহাপুৰুষসকল এতিয়া লোপ পালে । অৱশ্যে, অকল পুৰণি বস্তুৰেই অসমীয়াই সভ্যতা আৰু উন্নতিৰ খট্খটিত বৰকৈ আগ বাঢ়িব নোৱাৰে । আমাৰ পুৰণি সভ্যতা, পুৰণি ভাষা আৰু পুৰণি ভাববিলাক এই কালৰ নিমিত্তে সম্পূৰ্ণ নহয় । আমাক ইংৰাজী সভ্যতা, ইংৰাজী ভাষা আৰু ইংৰাজী ভাবো লাগে । দুইৰো সাৰ সাৰ অংশ বাছি লব পাৰিলেহে আমাৰ উন্নতি সম্পূৰ্ণাঙ্গ হব । ন-পুৰণি দুয়োকো মিহলাব লাগে, দুইৰো সামঞ্জস্য হব লাগে । নহলে, আমাৰ জাতীয় জীৱনৰ শ্ৰীবৃদ্ধি হব নোৱাৰে ; ই বৰ গুৰুতৰ কাম । এই বিষয়ত আমাক আহি লাগে ;

পথ দেখাওঁতা নেতা লাগে। আনন্দৰাম বৰুৱা অসমীয়াৰ আৰ্হি, পথ দেখাওঁতা--নতুন আৰু পুৰণিৰ সামঞ্জস্য লগোৱাৰ জ্বলন্ত দৃষ্টান্ত। অসমীয়াৰ ভিতৰত প্ৰথম বি-এ তেওঁ, প্ৰথম বিলাতলৈ যাওঁতা তেওঁ, প্ৰথম চিভিলিয়ান, প্ৰথম বাৰিষ্টাৰ, প্ৰথম ডিষ্ট্ৰীক্ট্ মাজিষ্ট্ৰেট তেওঁ,--আজি কালিৰ এক মাথোন অগাধ্ সংস্কৃত পণ্ডিত তেওঁ,—এক মাথোন প্ৰথম শ্ৰেণীৰ গ্ৰন্থকাৰ তেওঁ। অসমীয়াৰ ভিতৰত যদি কোনোৱে বৰ মন দি কিতাপ পঢ়িবলৈ শিকিছিল, তেওঁ আনন্দৰাম; যদি কোনোৱে একেবাৰে লক্ষ্মী আৰু সৰস্বতী দুইৰো বৰপুত্ৰ হব পাৰিছে তেওঁ আনন্দৰাম। যদি কোনো অসমীয়াই জ্ঞান-চৰ্চ্চা আৰু কাম-চৰ্চ্চা দুইতো একেবাৰেই কৃতকাৰ্য্য হব পাৰিছে, তেওঁ কেৱল আনন্দ-ৰাম। এলেহুৱা আৰু নিৰুৎসাহী অসমীয়াৰ মাজত আনন্দৰাম জ্বলন্ত উৎসাহ; অধ্যৱসায় আৰু স্বাধীন ভাবৰ অৱতাৰ। এজনা মানুহতে ইমানবোৰ গুণ কোন্ অসমীয়াৰ আছে? আনন্দৰামৰ আসন লব পাৰে এনে অসমীয়া এতিয়া ক'ত? আন্ধাৰ অসম-আকাশত তেওঁ উজ্জ্বল তৰা আছিল। তেওঁৰ কাম, তেওঁৰ উৎসাহ, তেওঁৰ পৰিশ্ৰম, তেওঁৰ আকাঙ্ক্ষা, তেওঁৰ মনৰ তেজ সকলো অসমীয়াৰে অনুকৰণৰ বস্তু। অসমীয়াই তেওঁৰ জীৱন বৰ আদৰ আৰু মনোযোগেৰে চৰ্চ্চা কৰিব লগীয়া। চন্দ্ৰত কলঙ্কৰ দৰে আনন্দৰামৰ জীৱনতো যদি কিবা দোষ আছে, তাৰপৰাও আমি বহুত উপদেশ পাব পাৰোঁহঁক। তেওঁ আমাৰ আৰ্হি,--পথ দেখাওঁতা,--জাতীয় উন্নতিৰ নেতা। অসমীয়াৰ বল নাই, সাহ নাই, নেতা নাই, পদে-পদে পৰাজয়। তেন্তে অসমৰ উন্নতি নাই নে কি? অসমীয়াৰ জাতীয় জীৱন নহব নে কি? অসমীয়াই জাতীয় উন্নতি লাভ কৰিব নোৱাৰে নে কি?—ভয় নাই, কৰ্ম্মবীৰৰ তেজ, সাহ আৰু উৎসাহেৰে জাতীয় কৰ্ম্মক্ষেত্ৰলৈ ওলোৱাঁ,—

জাতীয় পতাকা আনন্দেৰে আকাশত উৰাই দিয়া । তাত ডাঙ্গৰ ডাঙ্গৰ সোনোৱালী আখৰেৰে লিখি লোৱাঁ,—"আনন্দৰাম বৰুৱা; আমাৰ উন্নতি অনিৰ্ব্বাৰ্য্য।" জীয়াই থাকোঁতে তেওঁ যি ফল আৰ্জ্জিব নোৱাৰিলে, সেই ফল আজি তেওঁৰ দৃষ্টান্তই লাভ কৰোক ।

সকলো প্ৰকাৰ উপদেশতকৈ জীৱনৰ দৃষ্টান্ত বেচি কাৰ্য্যকাৰক । সৎ-কাম কৰিবলৈ, ধৰমত চলিবলৈ, দেশৰ নিমিত্তে জীৱন দিবলৈ উপদেশ দি কিতাপ লিখা বা দীঘল-দীঘল বক্তৃতা দিয়া বৰ উজু কাম ; কিন্তু সেইবিলাক উপদেশ মতে কাম কৰা বৰ টান । এই কাৰণে মুখৰ উপদেশ মানুহে বৰকৈ নামানে আৰু নানা প্ৰকাৰ ওজৰ উলিয়াই সেইমতে কাম কৰিবলৈকো বৰ যতন নকৰে । কিন্তু মানুহে বাস্তৱতে যি কাম এবাৰ কৰিছে, সেই কাম টান হলেও অসাধ্য বুলি ওজৰ কৰিবলৈ বাট নাথাকে । মানুহৰ জীৱনৰ আৰ্হি অব্যৰ্থ বীজ,—সি সকলো ঠাইতে গজে । আৰ্হি-জীৱনৰ আৰ্হি নলৈ মানুহে নোৱাৰে । তুমি যদি মুখেৰে আনক এক প্ৰকাৰে কাম কৰিবলৈ উপদেশ দিয়াঁ, কিন্তু নিজে আন প্ৰকাৰে কৰাঁ, তেন্তে তোমাৰ কৰা কামহে মানুহে অনুকৰণ কৰিব । সকলো দেশ আৰু সকলো কালৰ ঘটনাবিলাক প্ৰায় একে । ইতিহাস আৰু জীৱন-চৰিত ঘুৰিব লাগিছে । সেই দুখ, সেই সুখ, সেই উন্নতি, সেই অৱনতি, সেই যুদ্ধ, সেই শান্তি, সেই ৰোগ, সেই শোক, সেই পাপ-তাপ সেই সম্পদ-বিপদ সকলো ঠাইতে সকলো কালতে ৰথৰ ঘিলাৰ দৰে ঘুৰিবই লাগিছে । এই ঘটনাচক্ৰৰ আৱৰ্ত্তবিলাক জ্বলন্ত দৃষ্টান্ত,—অব্যৰ্থ উপদেশ । ঘটনাৰপৰা ৰজা, প্ৰজা সকলোৱে উপদেশ পাব পাৰে । মেট্‌চিনিৰ মহৎ জীৱনৰ আৰ্হি কোন্ জাতিয়ে নলৈ থাকিব ? যীশুখ্ৰীষ্টই যি কাম নিজে সাধন কৰিব নোৱাৰিলে, তেওঁৰ জীৱনৰ

দৃষ্টান্তই সেই কাম সাধন কৰাইছে । তেওঁ নিজৰ গুণতে আজি ধৰ্ম্মজগতৰ এজন প্ৰতাপী বজা । সেই দৰে বুদ্ধ, নানক, চৈতন্য আপোন জীৱনৰ আহিৰ দ্বাৰাই জগতৰ শিক্ষাগুৰু, সজ জীৱনৰ দৃষ্টান্ত, উন্নতিৰ মূলমন্ত্ৰ ।

জগতৰ উপকাৰৰ নিমিত্তে সকলো ডাঙ্গৰ মানুহৰে জীৱন-চৰিত লিখি ৰখা আৱশ্যক । এটি ডাঙ্গৰ জীৱনৰ কথা হেৰালে জগতৰ পূৰাব নোৱাৰা ক্ষতি হয় । ভাৰতবৰ্ষ মহাৰত্নৰ জন্মভূমি । ব্যাস, বশিষ্ঠ, শুকদেৱ আদি ভাৰতবৰ্ষত কত কত মহাৰত্নৰ উদ্ভৱ হৈছে ; কিন্তু দুখৰ কথা, সেইসকলৰ বিশেষ বিবৰণ একো নাই । ভগবান মনুৰ জীৱন-চৰিত, ব্যাস-বাল্মীকিৰ জীৱন-চৰিত, কালিদাস-ভৱভূতিৰ জীৱন-চৰিত কি অমূল্য বস্তু হলহেঁতেন ! ভাৰতৰ মহাপুৰুষসকলৰ আচল জীৱন-চৰিত নথকাত জগতৰ মহা ক্ষতি হৈছে ।

আমাৰ অসমতো অনেক মহাপুৰুষৰ উদ্ভৱ হৈছিল, কিন্তু সেই-সকলৰ জীৱন-চৰিত প্ৰায়েই নাই । অনন্তকন্দলি, পুৰুষোত্তম ঠাকুৰ আদিৰ জীৱন-চৰিত নথকা বৰ দুৰ্ভাগ্যৰ কথা । আমাৰ ভাষাত যিবিলাক চৰিত্ৰ আৰু বংশাৱলী আছে, সেইবিলাকত বহুত ভাঁজ আৰু ৰং-চং আছে । আমাৰ বুৰঞ্জীৰো প্ৰায় সেয়ে গতি ; ইংৰাজ জাতিৰ যেনে সম্পূৰ্ণ জীৱন-চৰিত আৰু বুৰঞ্জী আছে, তেনে বোধ কৰোঁ কাৰো নাই । ইংৰাজৰ আহি লৈ আমিও জীৱন-চৰিত লিখিবলৈ আৰু পঢ়িবলৈ ধৰিব লাগে । মানুহ মাত্ৰৰে অলপ বা অধিক দোষ থাকে,—সম্পূৰ্ণ মানুহ কোনো নাই । কোনো মানুহৰ ভালেমান সদ্‌গুণ থাকিলেই বা তেওঁ কিছুমান ভাল কাম কৰিলেই তেওঁৰ জীৱন চৰিত লিখা হব পাৰে । বৰ ডাঙ্গৰ মানুহৰ আহি অতি অলপ মানুহে হে লব পাৰে । সেই কাৰণে, মজলীয়া মানুহৰো জীৱন-চৰিত থাকিব আৰু পঢ়িব লাগে। বিদেশী মানুহৰ জীৱন-চৰিতত্‌কৈ অসমীয়া মানুহৰ জীৱন চৰিত অসমীয়াৰ পক্ষে বৰ লাগতিয়াল । অসমীয়াৰ আহি

অসমীয়াই বেগেতে লব পাৰে। অসমৰ উন্নতিৰ নিমিত্তে কিছুমান অসমীয়া ডাঙ্গৰ মানুহৰ জীৱন-চৰিত প্ৰকাশ কৰা আৱশ্যক হৈছে। সেইকাৰণেই আনন্দৰাম বৰুৱাৰ জীৱন-চৰিত অসমীয়াৰ পক্ষে বিশেষ লাগতিয়াল।

কৃতজ্ঞতা মানুহৰ বৰ সজগুণ। হিন্দু বৰ কৃতজ্ঞ জাতি। পিতৃ-মাতৃ মানুহৰ বৰ উপকাৰী। পিতৃ-মাতৃ জীয়াই থাকোতে হিন্দুৱে তেওঁলোকক সাক্ষাৎ দেৱতা যেন দেখে, আৰু মৰিলেও দহা-কাজ কৰিয়ে ক্ষান্ত নহয়; তেওঁলোকৰ উপকাৰৰ সোঁৱৰণী বা নিজৰ কৃতজ্ঞতাৰ চিন্‌স্বৰূপে বছৰি-বছৰি কৰম কৰে। পিতৃ-মাতৃৰ দৰে আমি কিছুমান দেশৰ হিতকাৰী মহাপুৰুষলৈকো কৃতজ্ঞ হব লাগে। এই নিমিত্তেই আমি বছৰে-বছৰে জন্মাষ্টমী, শঙ্কৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি আদি কৰোহঁক। যেনে ধৰ্ম্ম বিষয়ত, সেইদৰে আন বিষয়তো আমাৰ বৰ হিতকাৰী মানুহ আছে। সেইসকলৰ প্ৰতিও আমি কোনো প্ৰকাৰে কৃতজ্ঞতা প্ৰকাশ কৰিব বা তেওঁলোকৰ সোঁৱৰণী ৰাখিব পাওঁহঁক। জীৱন-চৰিতেই জীৱনৰ সকলোতকৈ ঘাই সোঁৱৰণী আৰু কৃতজ্ঞতা প্ৰকাশৰ ঘাই উপায়। আনন্দৰামৰ প্ৰতিও অসমীয়া জাতি কৃতজ্ঞ হব লাগে। আৰু তেওঁৰ সোঁৱৰণীৰ নিমিত্তে তেওঁৰ জীৱন-চৰিত প্ৰকাশ কৰা আৰু পঢ়া আৱশ্যক। যি অশলাগী, যি গুণৰ আদৰ নুবুজে, সি বৰ অধম।

পিতৃ-মাতৃৰ বেয়া পুত্ৰলৈকো মৰম লাগে; গুণী হলে সীমাই নাই। আনন্দৰাম অসমৰ বৰ মৰম-বেথাৰ পুত্ৰ। তেওঁ আমাৰ আপোন। তেওঁক আমি মৰমতে এৰিব নোৱাৰোঁ। অসমীয়াৰ ভিতৰত আজিলৈকে সেই এজনা মাথোন ডাঙ্গৰ মানুহ হৈছিল, তেওঁকো আমি অকালত হেৰুৱালোঁ! তেওঁৰ নামটিও অকালতে লুমাব নে কি? তেওঁক আমি পাহৰিব লাগে নে কি? তেওঁৰ মহৎ জীৱনৰ দৃষ্টান্তে অসমীয়াৰ ভিতৰত আৰু আনন্দৰাম স্ৰজিব নোৱাৰে নে কি?

# প্ৰেম ।

—:*:—

প্ৰেমত মুগ্ধ নহয় কোন ? লৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলো প্ৰেমত ভোল, মোহিত । বনৰ চৰাই, হাবিৰ পহু, পানীৰ মাছ পৰ্য্যন্ত প্ৰেমত মুগ্ধ । আকাশৰ গ্ৰহ-নক্ষত্ৰ আৰু পৃথিৱী-পটৰ উদ্ভিজ্জ চিত্ৰবিলাকেও প্ৰেমৰ মহিমা ঘোষণা কৰিছে । স্বৰ্গ, মৰ্ত্ত্য, পাতালত প্ৰেম ; জল, স্থল, আকাশত প্ৰেম ; চেতন, অচেতন, উদ্ভিদ পদাৰ্থত প্ৰেম ; গোটেই বিশ্বব্ৰহ্মাণ্ডত প্ৰেম । প্ৰেম নোহোৱা হলে পৃথিৱী মৰুভূমি, মৰিশালি যেন হলহেঁতেন । প্ৰেমে শুকান জগতক ৰসাল আৰু সুখময় কৰি থৈছে । প্ৰেমৰ সূতাৰে বান্ধ্ খাই সংসাৰথন হৈছে ; প্ৰেমে দেশত শান্তি বিৰাজ কৰাইছে । প্ৰেমত মুগ্ধ হৈয়েই ককায়েকে ভায়েকক সাৱটি ধৰি আলিঙ্গন কৰিছে ; বাই-ভনীয়ে ডিঙিত ধৰাধৰি কৰি ভালপোৱাৰ সমিধান দিছে ; এটা কথাৰে কবলৈ গলে সকলোৰে মূলত প্ৰেম বিৰাজ কৰিছে ।

ভক্ত ঈশ্বৰ-প্ৰেমত ভোল । এদিন বৃন্দাবনৰ গোপী শ্ৰীকৃষ্ণৰ ভক্তি-প্ৰেমত মতলীয়া হৈছিল । শ্ৰীকৃষ্ণৰ মোহন বেণুৰ মাত শুনিলেই সকলোৰে মন নাচি উঠিছিল ।

প্ৰেমত মুগ্ধ হৈয়েই কপিলাবস্তুৰ ৰাজকোঁৱৰে পিতৃ-মাতৃৰ আদৰ আৰু নতুনকৈ বিয়া কৰাই অনা সুন্দৰী ভাৰ্য্যাৰ বিশুদ্ধ মৰম আৰু ভক্তি বিসৰ্জ্জন কৰি, ৰাজসিংহাসন ভৰিৰে গোৰ মাৰি গহন বনলৈ গুচি গল । তেওঁৰ একো অভাৱ নাছিল । শত শত মানুহে যাৰ চৰণ সেৱা কৰিছিল, যাৰ ভোজন নহয়মানে ৰান্ধনি-চাংমাইহঁতৰ গাত তৎ নাছিল, যি দুখ কাক

বোলে নাজানিছিল, সেই সুকোমল বুদ্ধদেৱে কি এক প্ৰেমৰ আক-ৰ্ষণেৰে আকৰ্ষিত হৈ, সকলোকে অবাধে সহ্য কৰিলে । ৰাজকুমাৰ হৈ পাপী মানুহক তৰাবৰ নিমিত্তে ভিক্ষাৰীৰ দৰে ফটাকাপোৰ এডোখৰ পিন্ধি এটি ভিক্ষাপাত্ৰ লৈ দীনভাৱে জগতত প্ৰেম বিলাবলৈ, সত্য-নীতি প্ৰচাৰ কৰিবলৈ ওলাল ; "অৰ্পিম জীৱন কিম্বা গুচাম পিয়াহ" এই কথা বুকুত বান্ধি বাহিৰ হল ।

ভাৰতৰ এমূৰৰপৰা আন মূৰলৈকে তেতিয়া হিন্দুধৰ্ম্ম প্ৰচাৰিত আছিল । হিমালয়ৰপৰা কুমাৰিকালৈকে এনে এজন তেওঁৰ আদিতে বন্ধু নাছিল, যি তেওঁৰ দুখত দুখী, সুখত সুখী হৈ সুহৃদভাৱে সকলো সময়তে লগত আছিল, দু-আষাৰ কথা কৈছিল । কিন্তু, সেই ধৰ্ম্মবীৰে অসংখ্য বাধা বিঘ্নতো ভয় নাখাই, প্ৰেমৰ মোহিনী মন্ত্ৰেৰে দীক্ষিত হৈ, অচল-অটল ভাৱে জগতত নিজ মত ঘোষণা কৰিলে । এতিয়া তেওঁ মৰিও অমৰ,—কোটী কোটী মানুহৰ পূজ্য—সভ্য জগতৰ পূজ্য ।

ভাৰত-ৰত্ন বুদ্ধদেৱৰ প্ৰায় ৬০০ বছৰৰ পাচত, জুডিয়া প্ৰদেশত আৰু এজনা ধৰ্ম্মবীৰৰ প্ৰেম-বীণা বাজি উঠিছিল । সেই বীণাৰ জঙ্কাৰ শুনি এখন মহাদেশৰ মানুহৰ মন নাচি উঠিছিল ; জাকে জাকে মানুহে গৈ জুডিয়াত দোল্‌দোপ্‌-হেন্দোলদোপ্‌ লগাবলৈ ধৰিলে । সকলোৱে একেঠাৰে কাণ পাতি সেই বীণাৰ তান শুনিবলৈ ধৰিলে । সেই প্ৰেমিক সন্ন্যাসীৰ নাম যীশু (ঈশু) খ্ৰীষ্ট । তেওঁ ইউৰোপবাসীৰ পূজা আৰু আৰাধ্য দেৱতা স্বৰূপ । তেওঁৰ সৰল হৃদয়ৰ ভক্তিগান আৰু পবিত্ৰ ভাৱবিলাকে কেইবাখনো মহাদেশক মুগ্ধ কৰি থৈছে । তেওঁক যেতিয়া ইহুদীবিলাকে ক্ৰুশবিদ্ধ কৰে তেতিয়াও তেওঁৰ প্ৰেম আল্পচ পৰ্ব্বতৰ দৰে অচল-অটল আছিল ।

আজি বহুদিনৰ কথা নহয়, নবদ্বীপত এটি জোন ওলাই প্ৰেমৰ

সুধাময় কিৰণ বিতৰণ কৰি উৰিষ্যাৰ নীলাচলত মাৰ গল। তেওঁৱেই প্ৰেমৰ অৱতাৰ, ভক্তিৰ আধাৰ চৈতন্যদেৱ। তেওঁৰ প্ৰেম আৰু ভক্তিৱে গোটেইখন বঙ্গদেশ টলমল্ কৰিছিল; গোটেইখন আৰ্য্যাবৰ্ত্ত তেওঁৰ প্ৰেমত আকৃষ্ট হৈছিল। তেওঁৰ মনত কোনো জাতিৰ প্ৰতি বিদ্বেষ ভাৱ নাছিল; যাকে পাইছিল, তাকে ডিঙ্গত ধৰি প্ৰেম-গদ্‌গদ্ স্বৰে গাঢ় আলিঙ্গন কৰি হৰিনাম-ৰসামৃত পান কৰাইছিল। তেওঁৰ প্ৰেম এখনি ক্ষুদ্ৰ নৈ হৈ গোটেইখন বঙ্গদেশ ধুই অৱশেষত অপাৰ প্ৰেমসিন্ধুত পৰিছিলগৈ।

প্ৰেমানুৰাগী মহম্মদ, শঙ্কৰদেৱ, লুথাৰ, ৰামমোহন ৰায় প্ৰভৃতি ধৰ্ম্মজগতত অলেখ মহাত্মাই জন্মগ্ৰহণ কৰি পৃথিৱী উজ্জ্বল কৰি গৈছে। ৰাজনৈতিক জগততো প্ৰতাপসিংহ, মেট্‌চিনী প্ৰভৃতি শত শত মহাপুৰুষে স্বদেশ-প্ৰেম আৰু স্বজাতি-প্ৰেমৰ জ্বলন্ত দৃষ্টান্ত জগতক দেখুৱাই গৈছে। সেই সকলৰ অলৌকিক জীৱনাৱলী পাঠ কৰিলে গাৰ নোম শিয়ঁৰি উঠে। প্ৰেমৰ প্ৰগাঢ় ভাব, মহীয়সী শক্তি, নেৰানেপেৰা চেষ্টা আৰু উদ্যোগ এই সকলৰ জীৱনত জাজ্জ্বল্যমান আছিল।

প্ৰেমসাগৰত বুৰ মাৰিয়েই জগতৰ আদিকবি বাল্মীকিয়ে সৰস্বতী-প্ৰদত্ত বীণা পাই, পৃথিৱীক প্ৰেম-সূতাৰে বান্ধিবলৈ ধৰিছিল; ব্ৰাহ্মণ, চণ্ডাল, বৈশ্য, শূদ্ৰ, ৰাক্ষস প্ৰভৃতিৰ মাজত প্ৰেম সঞ্চাৰ কৰিছিল; সকলোৰে মাজত "ভাই ভাই" সম্বন্ধ স্থাপন কৰিবৰ নিমিত্তে কান্দি-কাটি ব্যাকুল হৈছিল। যি দিনা সুমধুৰ শৰতকালত হিমালয়ৰ মাধুৰ্য্য দেখিলে, সেই দিনৰপৰা তেওঁৰ জীৱনৰ পৰিৱৰ্ত্তন ঘটিল, সেই দিনৰপৰা তেওঁৰ প্ৰাণ কোটী-কোটী প্ৰাণৰ মঙ্গলৰ অৰ্থে উছৰ্গিত হল। জগতবাসীৰ মাজত প্ৰেম বিলোৱা ও ভ্ৰাতৃভাৱ সুমুৱাই তেওঁৰ জীৱনৰ ব্ৰত আছিল।

বলেৰে যি কাজ কৰিব নোৱাৰি প্ৰেমেৰে তাক কৰিব পাৰি। প্ৰেমৰ শক্তি অসীম, কাৰ্য্য অশেষ। যাৰ মন প্ৰেমত এবাৰ মতলীয়া হয়, তাৰ

আগত শত শত বাধা-বিঘিনি তৃণবত জ্ঞান হয় । প্ৰেম বহু প্ৰকাৰৰ আছে । কোনোৱে ঈশ্বৰৰ-প্ৰেমত দেহ-মন সঁপি দিয়ে ; কোনোৱে স্বদেশ আৰু স্বজাতি প্ৰেমত মুগ্ধ হৈ জীৱন বলিদান দিয়ে ; কোনোৱে বা বন্ধু-বান্ধৱৰ প্ৰেমত মোহিত হৈ তাৰ নিমিত্তেই জীৱনৰ ধাউতি বাধে, কোনোে [illegible]-বাপেক আৰু সমজুৱাৰ পৰোপকাৰৰ নিমিত্তে প্ৰেম-মত্ত হয় । প্ৰেমৰ আন এটি নাম "ভালপোৱা" । ই নাথাকিলে জগতত কোনো কাৰ্য্য সুসিদ্ধ নহয় । তুমি কোনো এটা কাম ভাল পাইছা, সেই দেখিহে তাক কৰিবলৈ ধৰিছা , সেই কামৰ নিমিত্তে প্ৰেম বা ভালপোৱা নথকা হলে কেতিয়াও নকৰা ।

প্ৰেমেৰে জগতবাসীৰ মাজত সৌহাৰ্দ্দ্যভাব সুমুৱাব পাৰি । প্ৰেমেৰে এদিন কুমাৰিকা অন্তৰীপৰপৰা ছন (?) অন্তৰীপলৈকে সকলোৰে মুখত একমন একপ্ৰাণে "জয় জগদীশ হৰে" এই সুমধুৰ ধ্বনি ধ্বনিত কৰাব পাৰি । প্ৰেমেৰে এই পৃথিৱীত স্বৰ্গৰাজ্য স্থাপন কৰিব পাৰি । * * আহাঁ, আত্মা প্ৰেমৰ চৰণত সঁপি দিওঁ । তেওঁৰ প্ৰেম-জ্যোতি আমাৰ ওপৰত প্ৰতিভাত হওক । স্বদেশ-প্ৰেম আৰু স্বজাতি-প্ৰেম পুনৰ্জ্জীৱিত হওক । আমাৰ এজনৰ প্ৰাণ শত শত জনৰ উপকাৰৰ নিমিত্তে ধাবিত হওক ।

---

# জীৱন-যুদ্ধ ।

অলপ দকৈ গমি চালে ফট্‌ফটীয়াকৈ দেখিবলৈ পোৱা যায় যে, এই সৃষ্টিখনৰ মূলতে যুদ্ধ । ঈশ্বৰৰ সৃষ্টিৰ প্ৰণালীয়েই হৈছে সংগ্ৰাম । বালি-চাহীৰপৰা গজ-হস্তীলৈকে যতবিলাক প্ৰাণী আছে, সকলোবিলাকে

প্ৰতিদিনে প্ৰতিমুহূৰ্ত্তে দোৰ্ঘোৰ সংগ্ৰাম কৰি শত্ৰু বিনাশি নিজক ৰক্ষা কৰিব লাগিছে। যি যুঁজত হাৰিছে সিয়েই ধ্বংস হৈ যাব লাগিছে, আৰু যি জয়ী হৈছে সিয়েই টিকি আছিবলৈ ধ'ৰিছে। সৃষ্টিৰ গুৰিতে কটাকটি-মৰামৰি। এটা প্ৰাণী জীয়া মানে আন এটা মৰা। যি আহাৰ আমাৰ প্ৰাণ ৰক্ষাৰ প্ৰধান উপায়, সেই আহাৰেই হৈছে এটা প্ৰাণীৰ বিনাশ আৰু এটা প্ৰাণীৰ শৰীৰৰক্ষা। মাছ মোৰ আহাৰ মানেই মাছৰ মৰণ, মোৰ জীৱন; পোক-পৰুৱা মাছৰ আহাৰ মানেই পোক-পৰুৱাৰ বিনাশ আৰু মাছৰ বিকাশ। ডাঙ্গৰ বলী পোকৰ সৰু নিৰ্ব্বলী পোক আহাৰ বুলিলেই বুজিব লাগে, বলী পোকটো জাৰলৈ নিৰ্ব্বলী পোক এটাই প্ৰাণ দিব লাগিব।

জীৱন-যুদ্ধত জয়ী হৈ থকা কালটোৱেই আমাৰ জীৱনৰ কাল। যেতিয়াই এই যুঁজত হৰা যায়, তেতিয়াই আমাৰ মৰণ। এই তুমুল যুদ্ধ আমাৰ শৰীৰৰ ভিতৰতে দুদল পৰাক্ৰমী যুঁজাৰুৰ ভিতৰত দিনে-ৰাতিয়ে অবিশ্ৰাম হব লাগিছে। তাহানি কুৰুক্ষেত্ৰৰ মহাযুদ্ধ সঞ্জয়ে দিব্যচক্ষুৰ সাহাযোৰে দেখি কণা ধৃতৰাষ্ট্ৰ ৰজাৰ আগত ডাঁৱৰ বাতৰি ডাঁৰে কৈ আছিল; আজিকালিও সহস্ৰ সহস্ৰ কুৰুক্ষেত্ৰ যুঁজতকৈ ডাঙ্গৰ আমাৰ শৰীৰৰ ভিতৰত মহা মহা সংগ্ৰাম দিব্যচক্ষুৰ সাহাযোৰে বৈজ্ঞানিক পণ্ডিত-সঞ্জয়সকলে দেখি ডাঁৱৰ বাতৰি ডাঁৰে আমি কণা-ধৃতৰাষ্ট্ৰবিলাকক পৰি-পাটিৰূপে কব লাগিছে। দূৰবীণ আৰু অনুবীণকে (দূৰবীক্ষণ আৰু অনুবীক্ষণ) আমি কলিকালৰ দিব্যচক্ষু বুলিছোঁ। চৰ্ম্মচক্ষুৰে দেখিবলৈ নোপোৱা পদাৰ্থবিলাক এই দিব্যচক্ষুৱে দেখুৱাই দিয়ে। লক্ষ লক্ষ যোজনৰ অন্তৰত থকা গ্ৰহ-উপগ্ৰহ আৰু সেইবোৰৰ আকৃতি-প্ৰকৃতি আদি ঈশ্বৰে দিয়া এইযোৰ চকুৰে তুমি নেদেখাঁ, এই দুটা চকু থাকিও ইমান দূৰৈৰ এইবিলাক বস্তুৰ সম্পৰ্কে তুমি কণা-ধৃতৰাষ্ট্ৰ; কিন্তু কলিৰ

ইউৰোপীয় ঋষিসকলে জ্ঞান-তপস্যাত পোৱা দিব্যচক্ষু দূৰবীণ লোৱাঁ, দেখিবাঁ সেইবিলাক পদাৰ্থ ফট্‌ফট্‌ কৰে তোমাৰ চকুত পৰিছে। ৰামায়ণত কুম্ভকৰ্ণই পালে-পালে জাকে-জাকে হাতী, গৰু, ম'হ, গাহৰি, ছাগলী, ভালুক, বান্দৰ জীয়াই জীয়াই গিলা, আকৌ সেইবিলাক জীয়াই জীয়াই নাকৰ বিন্ধাই কাণৰ বিন্ধাই জাকে-জাকে ওলাই অহা শুনি আমি হাঁহি সামৰিব নোৱাৰোঁ। কিন্তু কলে কোনোৱাই হঠাৎ পতিয়াবনে যে আমি সকলোৱেই সঁচাসঁচিকৈয়ে কুম্ভকৰ্ণৰ আজোককাক। কলে আচৰিত হবাঁ, কুম্ভকৰ্ণৰ নাকে কাণেমুখে জন্তুবোৰ সোমাওঁতে কুম্ভকৰ্ণই যি হওক গম্ পাইছিল আৰু নাকৰ-কাণৰ বিন্ধাত সুৰ্‌সুৰ্‌-সাৰ্‌সাৰ্‌ কৰিছিল, কিন্তু আমি আজোককাকহঁতে প্ৰতি মুহূৰ্ত্ততে লাখে-লাখে অৰ্ব্বুদে-অৰ্ব্বুদে সেইবিলাকতকৈও ভয়ানক জন্তু গিলিব লাগিছোঁ, আৰু সেইবোৰ আমাৰ নাকৰ-কাণৰ বিন্ধাই দি জাকে জাকে ওলাব লাগিছে সোমাব লাগিছে, তেও আমাৰ গমেই নাই। আমি কুম্ভকৰ্ণৰ আজোককাক নহওঁ কি? তুমি খাবলৈ লোৱা (নেচেকা পানীৰ কথা নকওঁৱেই) চেকা পানী গিলাচৰপৰা সৰহ নালাগে এটোপা পানী অণুবীণৰে সৈতে চোৱাঁচোন কি দেখা,—দেখিবা কি বিকটাকাৰ ভয়ানক জন্তুবিলাক তুমি পানীৰে সৈতে খাবলৈ লৈছা! আকৌ, সেই জন্তুবিলাকৰ ভিতৰতে কি ভয়ানক মৰাকটা, খোৱাখুই হব লাগিছে চোৱাঁচোন; ডাঙ্গৰটোৱে সৰুটোক গিলিছে, সৰুটোৱে আকৌ তাতকৈ সৰুটোক গিলিছে; আৰু সেই বাবেই সিহঁতৰ ভিতৰত কি ভীষণ সংগ্ৰাম হব লাগিছে। পুৰাণত লিখা আছে, জড়ভৰতে খোজত পৰুৱা মৰে বুলি মাটিত ভৰি দিবলৈ ঠাই নাপাই ডেও দি দি ফুৰিছিল; এতিয়াও আমি বেচকৈ কব পাৰোঁ যে, অণুবীণ এটাৰে নিৰামহীয়া খোৱাসকলক তেওঁবিলাকে খাবলৈ লোৱা পানী পৰীক্ষা কৰি দেখুৱাই দিব লাগে, তেওঁবিলাকে খাবলৈ পানী বিচাৰি নাপাব।

আৰু পানী কিয়, বতাহৰ লগত, উশাহ-নিশাহৰ লগত আমাৰ পেটলৈ ইমান জন্তু যায় যে, একেবেলিয়েই উশাহ লবলৈ নেৰিলে আৰু উপায় নাই।

বৈজ্ঞানিক পণ্ডিতসকলে অণুবীক্ষণ যন্ত্ৰেৰে পৰীক্ষা কৰি এই তত্ত্ব উলিয়াইছে যে, আমাৰ জীৱনটো আমাৰ দেহৰ ভিতৰৰ দুদল যুঁজাৰু সৈন্যৰ হৰা-জিকাৰ ওপৰত নিৰ্ভৰ কৰিছে। তেওঁবিলাকে কয় যে, আমাৰ তেজৰ বৰণ যদিও ৰঙা যেন দেখি, বাস্তবিকপক্ষতে ৰঙা নহয়, বগা। অলেখ ক্ষুদ্ৰাতিক্ষুদ্ৰ ৰঙা পৰমাণু বগা তেজৰ ওপৰত ওপঙি ফুৰে দেখিহে আমি তাক ৰঙা দেখোঁ। এই পৰমাণুবোৰ জড় পদাৰ্থ নহয়, চেতনা থকা জীবাণু। এই পৰমাণুবিলাক বৰ পৰাক্ৰমী আৰু যুদ্ধবিদ্যাবিশাৰদ। ইহঁত অস্ত্ৰশস্ত্ৰ লৈ দিনে-ৰাতিয়ে যুঁজৰ নিমিত্তে সাজু থাকে। ইহঁতক ইংৰাজীত "ফগ চাইট্" বোলে। ইহঁতে আমাৰ জীৱনটো ৰক্ষা কৰিবৰ নিমিত্তে অবিশ্ৰাম আমাৰ দেহ-দুৰ্গৰ চাৰিওফালে পহৰা দি থাকে। আমাৰ জীৱনৰ বৈৰী আৰু এদল জীবাণু আছে, ইহঁতৰ নাম "মাইক্ৰোব"; এই হিংস্ৰুক খলবিলাকে আমাক কেনেকৈ বিনাশ কৰিব তাৰে সদায় চেলু চাই থাকে, কিন্তু আমাৰ হিতকাঙ্ক্ষী পৰম বন্ধু সিদল জীবাণুৰ প্ৰতাপত সফলমনোৰথ হব নোৱাৰে। আমাৰ দেহ-দুৰ্গৰ কোনো এঠাইত এই দলে আহি আক্ৰমণ কৰিলেই সিদল আহি ইহঁতে সৈতে তয়াময়া যুদ্ধ পাতি দিয়েহি। আমাৰ ফলীয়াবিলাক জিকিলেই আমাৰ ৰাজ্য ৰক্ষা, হাৰিলেই আমাৰ পতন। আমাৰ শৰীৰ সুস্থ আৰু সবল থাকিলে আমাৰ বন্ধু জীৱাণুবিলাকো সবল আৰু পৰাক্ৰমী হৈ থাকে; কোনো কাৰণত আমাৰ শৰীৰ দুৰ্ব্বল হলে সিহঁতো কিছু পৰিমাণে দুৰ্ব্বল হৈ যায়; এনে সুবিধাৰ সময়ত আমৰ বৈৰী জীবাণুবিলাকে আক্ৰমণ কৰি মিত্ৰ-দলক হৰুৱাই আমাক নানা উৎকট ৰোগত পেলায়; অৱশেষত সিহঁতৰ

বল অতিশয় বৃদ্ধি হলে আমাৰ বন্ধুবিলাকে আৰু আমাক ৰাখিব নোৱাৰি আমাৰ লগতে আপোন প্ৰাণো বিসৰ্জ্জন দিয়ে। আমাৰ বন্ধু জীৱাণু-বিলাকৰ বাসস্থান আমাৰ তেজ, আৰু শত্ৰুবোৰৰ বাসস্থান আমাৰ শৰীৰৰ চাৰিওফালৰ বায়ু। শত্ৰু জীৱাণুবিলাকে আক্ৰমণ কৰিবৰ কালত এটা দুটাকৈ আহি আক্ৰমণ নকৰে; কোটীয়ে-কোটীয়ে, অৰ্ব্বুদে-অৰ্ব্বুদে আহি ঠাই জুৰি পৰি লাগেহি। শৰীৰৰ যে কোনো অংশ গেলে বা পচে তাৰ কাৰণ এই শত্ৰু জীৱাণুবিলাকেই; ইহঁতে খাই খাই তেনে কৰে। জীৱন-যুদ্ধৰ বিষয়ে কবলগীয়া ইমানবিলাক কথা আছে যে, এই ক্ষুদ্ৰ প্ৰবন্ধত তাৰ নাম নামমাত্ৰ কোৱা হৈছে মাথোন।

---

# উন্নতি।

—:*:—

প্ৰাণীজগতত মানুহৰ নিচেই আদি অৱস্থাৰপৰা ওপৰলৈ যিমান সূক্ষ্ম-দৃষ্টিৰে চোৱা যায়, সিমান ফট্‌ফটীয়াকৈ দেখা যায় যে মানুহে জন্মৰেপৰা সংসাৰৰ সকলো বিষয়তে ক্ৰমোন্নতি সাধি আহিছে। এই উন্নতিৰ লক্ষণ ক্ৰমে উৎকৰ্ষপ্ৰাপ্ত হৈ যদিও সময়ত মানুহৰ স্বকীয় শক্তি অনুযায়ী বিশেষত্বত পৰিণত হয়, তথাপি নিচেই আদিতে ই সকলোৰে জীৱনত একেদৰে বিকাশ পায়। মানুহৰ অন্তৰত জ্ঞানৰ মূল সঞ্চাৰ হোৱাৰ পূৰ্ব্বে মানুহ আৰু ইতৰ জন্তুৰ ভিতৰত এই উন্নতি-লক্ষণৰ পাৰ্থক্য অতি কম। ক্ৰমে মানৱাত্মাৰ সেই জ্ঞান-বীজৰপৰা উৎপন্ন হোৱা বুদ্ধি-শক্তি যিমান বাঢ়ি আহে, মানুহৰ আৰু ইতৰ জন্তুৰ উন্নতি-লক্ষণৰ পাৰ্থক্যও সিমান বহল হৈ যায়; আৰু তাৰ লগে লগে সেই জ্ঞানমূলোদ্ভূত বুদ্ধি আৰ

ক্ষমতা গুণেৰে বিভূষিত মানুহ প্ৰাণী জ্ঞানশূন্য আৰু বুদ্ধি-ক্ষমতাৰ অভাৱযুক্ত ইতৰ জন্তুৰপৰা ওপৰলৈ ক্ৰমাৎ আঁতৰ হৈ উধায়, আৰু ইতৰ জন্তুৱে তাৰ নিৰূপিত সীমা অতিক্ৰম কৰিব নোৱাৰি আগৰ ঠাইতে পৰি থাকে। মানুহ আৰু ইতৰ জন্তুৰ উন্নতি-লক্ষণ আদি অৱস্থাত সম্পূৰ্ণৰূপে স্বাভাৱিক আৰু দুইৰো মাজত সেই লক্ষণৰ পাৰ্থক্য অতি কম হলেও, ইতৰ জন্তুৰ স্বাভাৱিক বৃত্তিৰ উন্নতি সীমাবদ্ধ, কিন্তু মানুহ প্ৰাণীৰ সেই বৃত্তিৰ উন্নতি অনন্ত। গতিকে, ইতৰ জন্তুৰ হবলগীয়া উন্নতিয়ে নিৰূপিত সীমা পাৰ হব নোৱাৰে, কিন্তু মানুহৰ হবলগীয়া উন্নতি সীমাবদ্ধ নহয় কাৰণে সি অনন্ত গতিৰে বাঢ়ি গৈ থাকে। এই প্ৰবন্ধত ইতৰ জন্তুৰ স্বাভাৱিক বৃত্তি আৰু উন্নতি সম্বন্ধে বিচাৰ নকৰি মানৱাত্মাৰ উন্নতিৰ অনন্ত গতিৰ বিষয়ে মাথোন আলচ কৰা হৈছে।

অনন্ত পৰমাত্মাৰ কলাবিকাশ মানৱাত্মাও অমৰণ, অভগন আৰু অনন্ত। এই আত্মা যেনে অনন্ত ইয়াৰ উন্নতিৰ গতিও তেনে অনন্ত। গতিকে, যিবিলাক বিষয়ৰ উন্নতিয়ে অনন্ত আত্মাৰ অনন্ত উন্নতি সাধনত যোগ বা বল দিয়ে সেইবিলাক বিষয়ৰ উন্নতিও অনন্ত। প্ৰাণ ৰক্ষা কৰিবলৈ যি দৰে মানুহৰ পাঁচ ইন্দ্ৰিয়, আৰু সেই পাঁচ ইন্দ্ৰিয়ৰ সৰু সৰু অঙ্গ-প্ৰত্যঙ্গাদিয়েও ভাগৰ কাম ভাগে ভাগে কৰিব লাগে, সেই দৰে এই অনন্ত আত্মাৰ উন্নতি সাধিবলৈকো মানুহে আপোনাৰ মঙ্গলাৰ্থে কৰ্ত্তব্য পালন কৰাৰেপৰা সমাজ স্বজাতি আৰু জগতৰ মঙ্গলাৰ্থে আত্মোৎসৰ্গ কৰালৈকে যতবোৰ বিষয় লেখত পৰে সেই আটাইবোৰ বিষয়ৰ উন্নতিৰে যোগদান আৱশ্যক ; আৰু ওপৰত কোৱা নিয়মে সেইবিলাক উন্নতিৰ গতিও অনন্ত। যেনে' আমি প্ৰথমে কথা কবলৈ শিকোঁতে "বা" "দে" "কাকা" "দেতা" প্ৰভৃতি আধাফুটা বচনভঙ্গীৰ সামান্য একোটা অংশৰপৰা আৰম্ভ কৰি ক্ৰমে মনোভাৱ

কথমপি ফুটাৰ পৰা, তাৰপৰা মাৰ্জ্জিত আৰু ৰং-লগা কথা কব পৰা, তাৰপৰা বৈয়াকৰণ নিয়মৰ অধীনে থাকি অৰ্থযুক্ত দিঘলীয়া বৰ্ত্তৃতা দিয়া প্ৰভৃতি কথা কোৱাৰ উচ্চ অৱস্থা লাভ কৰোঁহঁক। তাৰ পাচত, সেই মুখেৰে কোৱা কথা লিখা-ভাষালৈ পৰিণত কৰি তাৰ উন্নতিৰ অৰ্থে বহুকাল চেষ্টা কৰাৰ পাচত, যদি আকৌ পূৰ্ব্বে কথা কবলৈ শিকা অৱস্থালৈ উলটি চাওঁহক, তেতিয়া আমি যে সেই প্ৰথমাৱস্থাৰ পৰা কিমান ওঁ ওখৰ হৈ ওপৰলৈ উঠিলোঁ তালৈ চালে আচৰিত হব লগাত পৰিম। অথচ, সিমানতো সেই উন্নতিৰ সমুখৰ ফালে চাই পঠিয়ালে তাৰ অন্ত নেদেখোঁ। ভাষাৰ সৃষ্টিৰেপৰা তাৰ বৰ্ত্তমান উন্নত অৱস্থালৈকে কোনোবাই কোনো ভাষাৰ উন্নতিৰ অন্ত দেখা পাইছে নে? সেইদৰেই দেখা যায় যে, সকলো শিক্ষাৰে আৰম্ভণৰ আদি আছে, কিন্তু তাৰ উন্নতিৰ অন্ত নাই! উন্নতিৰ অন্ত নাই, তথাপি সেই অনন্ত উন্নতি পথত অনন্ত গতি ধৰিবলৈ কি যে এক অদৃশ্য অনন্ত শক্তিয়ে আমাক মুহূৰ্ত্তে মুহূৰ্ত্তে উত্তেজিত কৰিব লাগিছে, আমি সেই উত্তেজনাত উত্তেজিত হৈ অনন্ত কালৰ নিমিত্তে সেই মহাব্ৰতৰ ব্ৰতী হৈছোহঁক!

ওপৰত কোৱা হৈছে যে, মানবাত্মাৰ অনন্ত উন্নতি সাধিবলৈ জীৱনৰ সকলো বিষয়ৰে উন্নতিৰ যোগদান আৱশ্যক, কিম্বা সেই সকলো বিষয়ৰ উন্নতিকে সেই অনন্ত পথত গতি ধৰাব লাগে। সেই 'সকলো' শব্দে যিমানবোৰ বিষয় সামৰে, সেইবোৰৰ ভিতৰত শাৰীৰিক বল-বীৰ্য্যাদি দৈহিক উন্নতি, বুদ্ধিমত্তাদি মানসিক উন্নতি আৰু ধৰ্ম্ম জ্ঞানাদি আধ্যাত্মিক উন্নতি এই কেইটাই প্ৰধান, অথবা এই তিনি প্ৰকাৰ উন্নতিয়েই জীৱনৰ সকলো বিষয়ৰ উন্নতিকে সামৰে। এতেকে, এই তিনি প্ৰকাৰ উন্নতিৰ গতি স্থিৰ থাকিলেই মানবাত্মাৰ অনন্ত উন্নতি সাধিত হয়।

একেখন হাতৰ পঞ্চাঙ্গুলিৰ দৰে একেটা জীৱনৰ এই তিনি প্ৰকাৰ উন্নতিয়েও পৰস্পৰে কাৰ্য্যত সহায় কৰে। শাৰীৰিক বলবীৰ্য্যাদি দৈহিক উন্নতিৰ প্ৰতি আওহেলাত বুদ্ধিমত্তাদি মনোবৃত্তিবিলাক দুৰ্ব্বল হয়, গতিকে তাৰ উন্নতি ক্ৰমে নিস্তেজ হবলৈ ধৰে; আৰু সেই মনোবৃত্তিৰ উন্নতিৰ উৎকৰ্ষ নাসাধিলে ধৰ্ম্মজ্ঞানাদি আধ্যাত্মিক উন্নতিত ব্যাঘাত জন্মে। আন কথাৰে কবলৈ গলে, যদ্যপি মানসিক উন্নতি দৈহিক উন্নতিৰ সহায়-সাপেক্ষ, তাৰ উন্নতিৰ অভাৱ হলে অকল দৈহিক উন্নতিৰ বলেৰে আধ্যাত্মিক উন্নতি কৰা অসম্ভৱ। সেই কাৰণে, এই তিনি প্ৰকাৰ উন্নতিৰ ভিতৰত বুদ্ধিমত্তাদি মানসিক উন্নতিক প্ৰথম বা উত্তম স্থান দিয়া যায়। কিন্তু, যি দৰে সৃষ্টি, স্থিতি আৰু প্ৰলয় এই তিনটি শক্তি বিভিন্ন শক্তি নহয়, একেটি শক্তিৰে বিভিন্ন বিকাশ মাথোন, সেইদৰেই দৈহিক, মানসিক আৰু আধ্যাত্মিক উন্নতিও একেটা অনন্ত উন্নতিৰ তিনটা বিভিন্ন মূৰ্ত্তি মাথোন। সাৰ কথা, যিজনে এই অসীম জগতৰ অনন্ত উন্নতিৰ আৰ্হি লৈ ওপৰোক্ত তিনিপ্ৰকাৰ উন্নতিৰ আটাইকেইওটা অটুট ৰাখি, মানৱাত্মাৰ উন্নতিৰ অনন্ত গতিত সৰ্ব্বতিকাল স্থিৰ ভাৱে গতি কৰিব পাৰে, তেওঁৱেই দৈহিক কাৰ্য্যক্ষেত্ৰ পাৰ হৈ গৈ স্মৃতি-গগণত অনন্তকাল ভোটা-তৰাৰ দৰে জিলিকি থাকে; আৰু যি লোকে পাপৰ প্ৰলোভনত পৰি সেই তিনি প্ৰকাৰ উন্নতি অটুট ৰাখিব নোৱাৰাৰ ফলত, উন্নতিৰ অনন্ত গতিত স্থিৰ ভাৱে আগুৱাব নোৱাৰে, সেই লোকৰ আত্মা উন্নত মানৱ দেহা এৰাৰ পাচত পাহৰণৰ তল পৰে, নাইবা হীনতৰ জন্মৰ যন্ত্ৰণা ভোগ কৰিব লগীয়া হয়।

ওপৰত কোৱা হৈছে যে, আত্মা যেনে অনন্ত, তাৰ উন্নতিৰো তেনে অনন্ত গতি। সেই অনন্ত উন্নতিত যিবোৰ বিষয়ৰ উন্নতিয়ে যোগদান কৰে সেইবোৰৰ গতিও অনন্ত। পিচে এই অনন্ত

উন্নতিৰ অনন্ত গতিৰ কোনো নিৰ্দ্ধাৰিত লক্ষ্যস্থল নাই নে ? এই অনন্ত উন্নতিৰ কাৰ্য্যগঠনৰ নিমিত্তে কোনো নিৰ্দ্দিষ্ট আদৰ্শ নাই নে ?—অৱশ্যে আছে। সেই অনন্ত গতিৰ লক্ষ্যস্থল অনন্ত ধ্ৰুবতৰা অনন্তকাল অবিচলিত ভাৱে দীপ্তিমান হৈ আছে ; সেই অনন্ত উন্নতিৰ কাৰ্য্যগঠনৰ নিৰ্দ্দিষ্ট আদৰ্শ ক্ৰমে উচ্চৰপৰা উচ্চতৰ আৰু উচ্চতৰৰপৰা উচ্চতম অৱস্থা প্ৰাপ্ত হৈ মানুহৰ পৰিমাৰ্জ্জিত চিত্তপটত সৰ্ব্বতিকাল অচল-অটলভাৱে জিলিকিব লাগিছে। যি অদৃশ্য অনন্ত শক্তিয়ে উন্নতিৰ অনন্ত পথত গতি ধৰিবলৈ আমাক প্ৰতি মূহুৰ্ত্তে উত্তেজিত কৰিব লাগিছে আৰু নিজেও সেই উত্তেজনাতে উত্তেজিত হৈ অনন্ত কালৰ নিমিত্তে সেই মহাব্ৰতৰ ব্ৰতী হৈছে, সেই অদৃশ্য শক্তিয়েই এই অনন্ত উন্নতিৰ অনন্ত গতিৰ অদ্বিতীয় লক্ষ্যস্থল ; এই কথাৰ সত্যতা সমৰ্থন কৰিবলৈ গূঢ় শাস্ত্ৰৰ নিগূঢ় তত্ত্ব বিচাৰ কৰিবৰ সকাম নাই, সেই অদৃশ্য শক্তিৰেই সৃষ্ট এখনি স্বাভবিক চানেকী পৰীক্ষা কৰিলেই একৰ কাৰ্য্য দেখি ক্ৰমাৎ অপৰৰ কাৰণৰ নিৰ্ণয় কৰিব পৰা যাব। যেনে, সৃষ্টিৰক্ষাৰ এটি প্ৰধান উপাদান পানীৰ আধাৰ সাগৰৰ কাৰ্য্য কি ?—অনন্তকাল সৃষ্টিৰ অনন্ত উন্নতি সাধন কৰা। যেনে, সাগৰে সৃষ্টিৰ মঙ্গলাৰ্থে আপোনাৰ অঙ্গ ক্ষয় কৰি বাষ্পৰূপে আকাশলৈ উঠি মেঘ হয় ; তাৰ পাচে সি বৃষ্টিৰূপে পুনৰ তললৈ নামি শস্যশালিনী ধৰাৰ অশেষ উন্নতি সাধন কৰে, আৰু নৈবোৰকো সৃষ্টিৰ উন্নতি সাধন কাৰ্য্যলৈ ধাবিত কৰায়। কিন্তু, পৃথিৱীৰ অশেষ উন্নতি সাধন কৰা সেই নদীবিলাকে অবিৰাম গতি ধৰি কলৈ যায় ? সেইবিলাকৰ অন্ত ক'ত ?—সেই নদীবিলাকে আকৌ আপোনাৰ জন্মদাতা পিতৃ সাগৰকে লক্ষ্য কৰি অবিশ্ৰান্ত গৈ থাকে, আৰু অন্তত সেই সাগৰতে মিলি পুনৰ পূৰ্ব্বৱত অনন্তকাল সৃষ্টিৰ অনন্ত উন্নতিৰ সাধনত নিযুক্ত হয়। মানৱাত্মায়ো

ঠিক সেইদৰেই অনন্ত উন্নতিৰ অনন্ত গতিও এক অদৃশ্য অনন্ত শক্তিক লক্ষ্য কৰি অবিৰাম গতি কৰে, আৰু অন্তত সেই শক্তিতে লয় হৈ পুনৰ অনন্তকাল অনন্ত উন্নতিৰ সাধনাত নিযুক্ত হয়।

মানুহে প্ৰথমতে আপোনাৰ চৌপাশে থকা অনেক সমপ্ৰকৃতিৰ বস্তু দেখি তাৰপৰা অতি উৎকৃষ্ট গুণবিশিষ্ট আৰু সম্পূৰ্ণৰূপে দোষ-বিৰহিত এটি চিত্তাদৰ্শ সৃষ্টি কৰি লৈ তদনুযায়ী উন্নতি-কাৰ্য্যত আগ বাঢ়ে। অনেক উন্নত বেলেগ বেলেগ লোকৰ দ্বাৰাই সৃষ্ট সেই চিত্তা-দৰ্শ সম্পূৰ্ণৰূপে আয়ত্ত্ব কৰাৰ পাচত, মানুহৰ মনত পুনৰ এক উচ্চ-তৰ চিত্তাদৰ্শ জন্মে; সেই উচ্চতৰ চিত্তাদৰ্শৰ সৃষ্টি আৰু তাৰ ওপৰতো অধিকাৰ হোৱাৰ পাচত, তাতোকৈ এক উচ্চতৰ চিত্তাদৰ্শৰ স্বাভাৱিক সৃষ্টি হয়। এইদৰেই, অনন্তকাল উচ্চৰপৰা উচ্চতৰ, তাৰপৰা উচ্চতৰ এনে ক্ৰমোন্নতিৰে চিত্তাদৰ্শ, উন্নতি-গতিয়ে তাৰ অতি উচ্চতম অৱস্থাক লক্ষ্য কৰি অবিৰাম গতি কৰে। সৰ্ব্বগুণেৰে বিভূষিত, সম্পূৰ্ণৰূপে দোষবিৰহিত, জগতৰ সৃষ্টি-স্থিতি প্ৰলয়ৰ বিধানকাৰী অদ্বিতীয় অদৃশ্য অনন্ত শক্তিয়েই মানুহৰ সেই উচ্চতম চিত্তাদৰ্শ। এই উচ্চতম চিত্তা-দৰ্শ লাভ কৰিব পাৰিলেই মানৱাত্মাই সেই অনন্ত শক্তিতে লয় গৈ অনন্তকাল অনন্ত-উন্নতি-সাধনৰূপ মহাব্ৰতৰ ব্ৰতী হয়।

# মানৱ জাতিৰ সভ্যতা।

মানুহ আৰু পশুবিলাকৰ ভিতৰত এটা বৰ ডাঙৰ প্ৰভেদ এই যে, মানুহ উন্নতিশীল জীৱ, কিন্তু পশুবোৰ তেনে নহয়। এই প্ৰভেদৰ বাবেই মানুহ যিমান অসভ্য হওক, পশুবিলাকতকৈ বহুত শ্ৰেষ্ঠ। চৰায়ে বাহ সাজে, বিবৰে তাৰ গঁড়াল সাজে, মৌ-বৰলে সিহঁতৰ চাক বান্ধে; চৰাইৰ বাহ, বিবৰৰ গঁড়াল, মৌ-বৰলৰ চাক আদিবেপৰা এক নিয়মে সজা হৈ আহিছে। এহেজাৰ বছৰৰ আগেয়ে কাউৰীয়ে যেনেকৈ বাহ সাজিছিল, এতিয়াও সেই দৰেই সাজিছে; কিন্তু এশ বছৰৰ আগেয়ে মানুহে যেনেকৈ ঘৰ সাজিছিল এতিয়া তেনেকৈ নাসাজে। চৰাইৰ বাহ, বিবৰৰ গঁড়াল আৰু মৌ-বৰলৰ চাকৰ কালৰ গতিত একো উন্নতি নহৈ আদিম অৱস্থাতে আছে; কিন্তু যি মানুহে প্ৰথমে আদিম অৱস্থাত বাঁহপাতৰ পঁজাঘৰ সাজিছিল, সিহঁতৰ সন্ততিবিলাকে আজি-কালি প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা সাজিছে। ইয়াৰ দ্বাৰাই বুজা যায়, মানৱজাতি উন্নতিশীল, কিন্তু পশুবিলাকৰ উন্নতি নাই। স্বভাৱৰ-পৰা যিবিলাক শক্তি পাইছে তাৰ লগে লগে নিজ বুদ্ধিৰ বলত আন আন উপায় উলিয়াই মানুহ আন জীৱবোৰতকৈ শ্ৰেষ্ঠ হৈছে। কোনো জন্তুৱে মানুহৰ নিচিনাকৈ কাপোৰ বৈ পিন্ধিব পৰা নাই, খাদ্য ৰান্ধি খাব জনা নাই, আন আন জন্তু পুহিব জনা নাই। কিন্তু, মানুহে এনে-কুৱা বহুত জীৱনোপায় উলিয়াই জগতত সভ্য হৈছে। যিবিলাকে সৰহকৈ এনেকুৱা স্বাধীন উপায় উলিয়াব পাৰিছে, সিবিলাকেই সিমান সভ্য হৈছে। যেয়ে পৰা নাই, সেয়ে সিমান অসভ্য আৰু বৰ্ব্বৰ হৈ আছে। মানুহৰ মাজত সভ্যতাৰ তাৰতম্যৰ মূল এয়ে। এই প্ৰভেদৰ কাৰণেই কোনোৱে গছৰ ছাল পিন্ধিছে, কোনোৱে মখ্‌মল্‌ পিন্ধিছে; কোনোৱে

বাঁহৰ চুঙাত পানী খাইছে, কোনোৱে সোণ-ৰূপৰ পাত্ৰত আহাৰ কৰিছে! কোনোৱে টিঙ্গিৰি ব্যৱহাৰ কৰিছে, কোনোৱে "দিয়াছলাই" ব্যৱহাৰ কৰিছে। কোনোৱে কল-গছৰ ভূৰ বান্ধি নৈ পাৰ হৈছে, কোনোৱে ভাপ-নাৱেৰে সাগৰৰ ওপৰেদি অহা-যোৱা কৰিছে।

স্বাধীন উপায়বিলাক উলিওৱাৰ পৰা শক্তি মানুহৰ প্ৰকৃতিগত বা স্বভাৱৰপৰা পোৱা নহয়। কাৰণ, যি ঠাইত আগেয়ে অসভ্যই বাস কৰিছিল, সেই ঠাই পাচত এক সভ্য জাতিৰ থকাঠাই হৈছে; আৰু যি দেশ আগেয়ে সভ্যতাৰ আদি ঠাই আছিল, সেই দেশ পাছত অসভ্য মানুহৰ বাসস্থান হৈছে। তেনেহলে মানুহৰ সভ্যতাৰ উন্নতিৰ যাই নিয়ম কি? কি কাৰণে বেলেগ বেলেগ জাতিবোৰ সভ্যতাৰ বেলেগ বেলেগ থাপত উঠিব পাৰিছে?

পাশ্চাত্য পণ্ডিতসকলৰ বহুতে কয়, প্ৰাণীজগতৰ ক্ৰমিক অভিব্যক্তিৰ যি নিয়ম, সেই নিয়মেই মানৱজাতিৰ সভ্যতাতো খাটিছে। যোগ্যৰ উন্নতি, অযোগ্যৰ অধঃপাত, পূৰ্ব্বপুৰুষৰ গুণ বা বিশেষত্বৰ অধিকাৰ প্ৰভৃতি ডাঙ্গৰ ডাঙ্গৰ নিয়মবোৰৰ দ্বাৰাই পৃথিবীৰ জাতিবিলাক অসভ্য অৱস্থাৰপৰা সভ্য অৱস্থালৈ উঠিছে। অভিব্যক্তিবাদীবিলাকে কয়, জীৱনৰক্ষাৰ নিমিত্তে হোৱা যুঁজলৈ সাজু হবৰ কাৰণে মানুহে নানা উপায়-কৌশল উদ্ভাৱন কৰে; সেইবিলাক অৰ্জ্জা উপায় আৰু কৌশল এক পুৰুষৰপৰা আন পুৰুষে অধিকাৰ কৰে, আৰু চৰিত্ৰত সেইবোৰ শক্তি পোত খাই ৰয়। এইদৰে যি জাতিয়েই সুবিধাজনক নানা উপায় বা কৌশল উলিয়াই পাচলৈও সাঁচি থৈ গৈছে, সেই জাতিয়েই সভ্য বুলি জগতত গণ্য হৈছে। যিবিলাকে এই জীৱনৰক্ষাৰ যুঁজত যোগ্যতা দেখুৱাব পৰা নাই, সেইবিলাকেই প্ৰাকৃতিক নিয়মানুসাৰে পিচলৈ হুঁহকিছে। সেইবিলাক জাতিয়েই অসভ্য বুলি পৃথিবীত গণ্য হৈছে।

এই মতানুসাৰে মানুহে যুদ্ধবিগ্ৰহ, অত্যাচাৰ, কুসংস্কাৰ, দুৰ্ভিক্ষ প্ৰভৃতিৰ মাজে দি গৈ উন্নতিৰ জখলাত ভৰি দিব পাৰিছে। যিবিলাক মানুহে এইবিলাক অসুবিধা অতিক্ৰম কৰিব পৰা নাই, সিহঁতৰ উন্নতিত বহুত প্ৰতিবন্ধক হৈছে। এই নিয়মে যদি সচাঁসাচকৈয়ে মানৱজাতিৰ ক্ৰমোন্নতি ঘটিছে, তেনেহলে মানৱজাতিৰ অৱনতি হবৰ প্ৰায় আশঙ্কা নাই। কাৰণ, প্ৰাকৃতিক নিৰ্ব্বাচন প্ৰভৃতি অভিব্যক্তিৰ নিয়মবোৰৰ দ্বাৰাই সমাজৰ অৱনতিজনক অঙ্গবিলাক লোপ পাই, সমাজ কেৱল উন্নতিৰ বাটেৰেহে যাব। কিন্তু, এইটি সাধাৰণ নিয়ম নে? এই প্ৰশ্নৰ উত্তৰত আমি কওঁ, নহয়। জগতৰ বুৰঞ্জী মেলি চোৱাঁ, আধুনিক সময়ৰ জাতি-বোৰৰ সভ্যতাৰ অৱস্থালৈ এবাৰ মন কৰি চোৱাঁ, দেখিবাঁ অভিব্যক্তিৰ নিয়মানুসাৰে উন্নতি নহৈ বহুত জাতিৰ সভ্যতাৰ অৱস্থাই লৰচৰ কৰিব নোৱাৰা হৈ আছে। এইবিলাক জাতিৰ সভ্যতাৰ প্ৰাণ নাই; সেই নিমিত্তে সি বাঢ়িব নোৱাৰে। অভিবক্তিবাদীবিলাকৰ মতে সভ্যজাতিয়ে বহুদিনৰ ক্ৰমোন্নতিৰ মূৰত সভ্য অৱস্থাত উপস্থিত হৈছে। অসভ্য জাতিৰ কেতিয়াও এনেকুৱা ক্ৰমোন্নতি হোৱা নাই, সেইদেখি অসভ্য অৱস্থা গুচা নাই। কিন্তু, সেই বুলি ইংৰাজ জাতিক আমি আগৰেপৰা উন্নতিৰ বাটেৰেহে অহা পুৰণি জাতি, আৰু হিন্দু, চীন, গ্ৰীক, ৰোমান প্ৰভৃতি জাতিক কোনো কালে উন্নতিৰ বাটত ভৰি নিদিয়া আদিম অৱস্থাৰ জাতি বুলিম নে? বুৰঞ্জীয়ে কয়, যি সময়ত পুৰণি হিন্দুবিলাকে, চীন-বিলাকে, গ্ৰীকবিলাকে, ৰোমানবিলাকে, মিচৰীবিলাকে ডাঙৰ ডাঙৰ বৈজ্ঞানিক আৰু কঠিন দাৰ্শনিক প্ৰশ্নবিলাকৰ সিদ্ধান্ত বিচৰাত নিযুক্ত আছিল, যি সময়ত সেই সেই জাতিবিলাকে কৃষি, বাণিজ্য, শিল্প প্ৰভৃতিৰ উন্নতি কৰিছিল, যি সময়ত আৰ্য্যাবৰ্ত্তত পৰাক্ৰমী হিন্দু ৰজাবিলাকে অসংখ্য ডাঙৰ ডাঙৰ নগৰ আৰু ৰাজ্য পাতিছিল, চীনবিলাকে প্ৰকাণ্ড

গড়েৰে গোটেইখন চীন দেশ বেৰি পেলাইছিল, মিচৰত পিৰামীড সজা হৈছিল, বেবিলনৰ নাম গোটেই এচিয়াত বিখ্যাত হৈ উঠিছিল, এথেন্স, থিবচ, মৰ্ম্মৰ শিলৰ মূৰ্ত্তি আৰু অট্টালিকাৰে পৰিপূৰ্ণ আছিল; টাইবৰৰ পাৰত পৰাক্ৰমী ৰোমানবিলাকৰ ৰাজধানী ইউৰোপৰ শ্ৰেষ্ঠ মানুহবিলাকৰ থকা ঠাই হৈ উঠিছিল, সেই সময়ত আধুনিক সভ্য জাতি ইংৰাজ, জৰ্ম্মান, ফৰাচী, মাৰ্কিণ প্ৰভৃতিৰ পূৰ্ব্বপুৰুষবিলাকে হাবিত বাঁহপাতৰ ঘৰ সাজি বাস কৰিছিল, গছৰ ছাল পিন্ধিছিল; শিল আৰু গছৰ পূজা কৰিছিল! অভিব্যক্তিৰ মতে যদি উন্নতিৰ বাটত উঠা জাতিৰ প্ৰাকৃতিক নিয়মানুসাৰে ক্ৰমিক উন্নতিত বাজে অৱনতি নহয়, তেনেহলে হিন্দু, চীন, মিচৰীয়, গ্ৰীক্ আৰু ৰোমান সভ্যতাৰ আনুধিক অৱস্থা এনে কিয়?

অভিব্যক্তিবাদীবিলাকে ইয়াৰ ভাল উত্তৰ দিব নোৱাৰে। আৰু, আন এদল মানুহে কয় যে, মানুহসমাজৰ সৃষ্টি হোৱাৰ পাচত, সেই সমাজৰ কিছুমান নিয়ম গঢ়া হয়; কালক্ৰমত সেই নিয়মবিলাক সমাজৰ গাত ইমান দকৈ পোত্ খায় যে, সিহঁতক সমাজৰ শৰীৰৰপৰা বাজ কৰা টান হৈ উঠে। সমাজে সেই অনাৱশ্যকীয়, অথচ এৰিব নোৱাৰা নিয়মবিলাকৰ বাবে নতুন লাগতিয়াল সমাজৰ হিতকৰ নিয়ম নকৈ সুমুৱাই লব নোৱাৰে. সেই দেখি সমাজৰ সভ্যতাৰ উন্নতিৰ বাট বন্ধ হয় সেই সভ্যতাৰ প্ৰাণ নোহোৱা হয়। ভাবি চালে ঘাইকৈ ভাৰতবৰ্ষতে এই নিয়মটি সুন্দৰকৈ খাটিছে যেন অনুমান হয়। হিন্দুসমাজৰ কিছুমান পুৰণি নিৰ্জীৱ কুটিল নিয়ম ডিঙ্গিত বান্ধি লৈ আধুনিক সময়ৰ হিন্দুবিলাকে সমাজক নতুন আৰু আৱশ্যকীয় সাজ পিন্ধাব পৰা নাই। সেই পুৰণি নিয়মবোৰ যিমান পুৰণি হৈছে সিমান সিহঁত মেৰপাকখাই-ধৰা কুসংস্কাৰ হৈ সমাজৰ মানুহৰ মনক ঢাকি তান ন পোহৰ ন বতাহ একোকে ঠুটিয়াব নোৱাৰা কৰিছে। কিন্তু, যদিও হিন্দুসমাজৰ এনেকুৱা সঙ্কীৰ্ণ আৰু ৰক্ষণশীল

অৱস্থা হৈছে, তথাপি তাত নতুন সংস্কাৰ নোসোমোৱাকৈ থকা নাই। হিন্দু ৰাজত্ব শেষ হবৰ পৰাই নানা বিদেশী জাতিয়ে আহি ভাৰতবৰ্ষ আক্ৰমণ কৰিছে। কোনোৱে এই দেশৰ ধন-ৰত্ন সকলোকে যিমান পাৰে লুটি লৈ নিজ দেশলৈ উলটি গৈছে, কোনোৱে আকৌ নতুন ৰাজ্য পাতি ভাৰতবৰ্ষতে ৰাজত্ব কৰিছে। অতি প্ৰাচীন কালৰপৰা ভাৰতত বিদেশীৰ প্ৰভুত্ব চলি আহিছে। ইমান দিন বিদেশীৰ প্ৰভুত্বৰ তলত যে হিন্দুসমাজৰ অলপো গঢ়-গতি লৰা নাই, এনে নহয়। ৰাজ-নৈতিক বিপ্লৱবোৰৰ লগে লগে একোটা ভয়ানক সামাজিক বিপ্লৱ হৈ উঠে; তাতে সমাজৰ বহুত লৰচৰ হয়। তাৰ ওপৰত আকৌ ভাৰতবৰ্ষৰ ভিতৰতে নানা নতুন ধৰ্ম্মৰ সৃষ্টি হৈ দেশত ধৰ্ম্মবিপ্লৱ হৈছে। হিন্দুসমাজৰ ৰক্ষণশীল প্ৰকৃতি নোহোৱা হলে ভাৰতবৰ্ষত যিমান ৰাজবিপ্লৱ আৰু ধৰ্ম্মবিপ্লৱ হৈছে, এইবোৰৰ দ্বাৰাই ইমান দিনে হিন্দুসমাজৰ গঢ় যে একেবাৰেই লৰিলহেঁতেন, এনে অনুমান হয়।

তেনহলে দেখা গল, সমাজৰ লৰচৰ কৰিব নোৱাৰা অৱস্থা হৈ তাত নতুন উন্নতি সোমোৱাৰ বাট মাৰ যোৱাৰ বাবেই মানৱজাতিৰ সভ্যতাৰ অৱনতি হৈছে এনে নহয়, বুৰঞ্জী চালে জানিব পৰা যায় যে, পৃথিবীৰ সমাজবিলাকৰ বহুতৰ অকল উন্নতিৰ বাট বন্ধ হৈয়েই থকা নাই; বহুত সমাজে উন্নত অৱস্থাৰপৰা নামি একেবাৰে তললৈ গৈছে। দৰাচলত সমাজবোৰৰ গতিৰ ফালে অলপ মন কৰিলেই এনে বোধ হয় যে, কালৰ গতিত প্ৰত্যেক সমাজৰে উত্থান, উন্নতি আৰু অধঃপাত হব লাগিছে। পৃথিবী বহুত উন্নত সভ্যতাৰ সমাধি ঠাই। বহুতে সমাজৰ সভ্যতাক কাল্পনিক চৰাই ফেনিক্সৰে তুলনা কৰে। এনে প্ৰবাদ আছে যে, এটা ফেনিক্স চৰাই বহুত দিন জীয়াই থাকি পাচত মৰিলে তাৰ শৰীৰৰ যি অৱশেষ থাকে, তাৰেপৰা আৰু এটি নতুন ফেনিক্সৰ

সৃষ্টি হয়। সেই ফেনিকটোও সেইদৰে মৰি আৰু এটা নতুন ফেনিকৰ জনম লোৱায়। সেই দৰে এক সভ্যতা মৰি তাৰ ঠাইত আৰু ন সভ্যতা এটাৰ সৃষ্টি হয়। পৃথিবীত এই দৰে কত সমাজ সভ্যতাৰ জখলাত ভৰি দি ওপৰলৈ উঠিল, কালক্রমত আকৌ তললৈ নামিল; কতবাৰ জ্ঞান, দর্শন, বাণিজ্য, শিল্পৰ উন্নতি হৈ আকৌ তাৰ অধোগতি হৈছে। যি জাতিয়ে এসময়ত পিৰামীড্ সাজিব পাৰিছিল; কলোচচ্ গঢ়িব পাৰিছিল, পর্ব্বতৰ শিল কাটি ডোখৰ ডোখৰ কৰিছিল, সাগৰত সেতু বান্ধিছিল, সেই জাতি আজি অৰ্দ্ধসভ্য বা অসভ্য বুলি পৃথিবীত গণ্য হৈছে! এতিয়া সেই জাতিৰ মানুহবোৰে সিহঁতৰ পূর্ব্বপুৰুষবিলাকৰ কীর্ত্তিৰ চিনবোৰ দেখি তথা মানি তেওঁলোক দেৱশক্তিসম্পন্ন আছিল বুলি অনুমান কৰে।

মানৱজাতিৰ সভ্যতাৰ উন্নতি আৰু অৱনতিৰ নিয়ম তেনেহলে কি? আমি ওপৰত আলোচনা কৰাৰপৰা দেখিছোঁ যে, সমাজৰ উন্নতি বা অৱনতি সমাজৰ ভিতৰৰ মানুহবিলাকৰ স্বাভাৱিক গুণ বা দোষৰ কাৰণে নহয়; আৰু দেখিছোঁ বহির্জ্জগতৰ কাৰ্য্য, যেনে থকা-ঠাইৰ গুণ বা দোষৰ বাবে জাতি সভ্য বা অসভ্য নহয়। কালৰ গতিত মানুহৰ সমাজে বহুত অৱস্থা পায়। সেই সেই অৱস্থাৰ সমাজত এক প্রকাৰৰ ৰীতি, নীতি, বিশ্বাস, ভাষা, নিয়ম, অনুষ্ঠান প্রভৃতি সৃষ্টি হয়। সমাজৰ সেইবিলাক অঙ্গৰ কোনোটিৰ কোনো বিশেষ অৱস্থাৰ বাবে সমাজৰ উন্নতি বা অৱনতি হৈ থাকে। সেই বিশেষ অৱস্থাবিলাক কেনে তাক ক্রমে বিচাৰ কৰা যাব।

আমি আগেয়েই উল্লেখ কৰিছোঁ যে, অভিব্যক্তিৰ নিয়মবিলাকৰ দ্বাৰাই সমাজৰ উন্নতি হোৱা দেখুৱাব পাৰিলেও সমাজৰ উন্নতিৰ গতিৰোধ বা অৱনতিৰ কাৰণ নির্দ্দেশ কৰিবলৈ অভিব্যক্তিবাদীবিলাক

অপাৰগ। বাস্তৱিক অভিব্যক্তিৰ নিয়ম অনুসাৰেই মানুহে বেলেগ বেলেগ জীৱন এৰি সামাজিক জীৱন নিৰ্ব্বাহ কৰে; সেই নিয়মবোৰৰ মতেই সমাজৰ অৱস্থা সহজ গুচি বিষম হয়। বিষম শব্দৰ দ্বাৰাই ইয়াত কুটিল আৰু মেৰ-পাক-খোৱা বুজুৱা গৈছে। সমাজ স্থাপিত হোৱাৰ আগেয়ে প্ৰত্যেক মানুহ বেলেগ হৈ আছিল। পিচে, কাৰ্য্যৰ গতিত মানুহবিলাকে দেখিলে যে, বেলেগ বেলেগ ভাৱে জীৱনযাত্ৰা নিৰ্ব্বাহ নকৰি বহুত একেলগে মিলি থাকিলে নানা ফালে নানা সুবিধা হয়। অনুমান হয়, মানুহবিলাকৰ মাজত যুদ্ধ-বিগ্ৰহ আৰু প্ৰতিদ্বন্দ্বিতা থকাৰপৰাই এই একেলগে থকা ভাব মানুহৰ মনত উপজিল। সেই সুবিধাবিলাক পাবৰ কাৰণে পাচত বহুত পৰিয়াল গোট খাই সিহঁতৰ মাজতে এক সমাজ গঢ়িলে। অভিব্যক্তিৰ নিয়মানুসাৰে অনিশ্চিত, অসংলগ্ন, সহজ আৰু একাকাৰ অৱস্থাৰপৰা সমাজ লাহে লাহে নিৰূপিত সামঞ্জস্য থকা আৰু সন্ধিযুক্ত বিষমাৱস্থালৈ যাবলৈ ধৰিলে। তেতিয়া সমাজত বেলেগ কৰ্ম্মবিভাগ হবলৈ ধৰিলে। কৰ্ম্মবিভাগ, বহুত মানুহৰ সম্মিলন, পৰস্পৰৰ সাহায্যৰ দ্বাৰাই সমাজ ক্ৰমে উন্নতিৰ বাটত আগ বাঢ়িবলৈ ধৰিলে। এই সম্মিলনৰ লগত আৰু দুটি গুণ থকাত সমাজে সোনকালে উন্নতি লাভ কৰিলে। সেই গুণ দুটিৰ এটি সাম্যভাৱ, আনটি স্বাধীনতা। সমাজৰ সকলো মানুহ সমান, সকলোৰে সমান অধিকাৰ, এয়ে সাম্যভাৱ। সমাজৰ কোনো মানুহ কাৰো দাস নহয়, কোনো মানুহে কিছুমান স্বাভাৱিক গুণ অধিকাৰ কৰি আন মানুহৰ ওপৰত ৰাজত্ব কৰিব নোৱাৰে; মূল কথা, সমাজত কাৰো আগত কোনোৱে মূৰ দোঁৱাব নালাগে, এয়ে স্বাধীনতা। এই তিনটা অঙ্গ সমাজত থাকিলে সমাজ সভ্য হৈ থাকে, সেই গুণকেইটা আঁতৰিলে সমাজৰ উন্নতিৰ গতিৰোধ হৈ সি তললৈ নামি আহে। সমাজত সম্মিলন আৰু পৰস্পৰ সহানুভূতি থাকিলে

মানুহৰ অৱস্থা উন্নত হয়, আটাইবিলাক মানুহে লগ লাগি সমাজৰ উন্নতিৰ কাৰণে পৰিশ্ৰম কৰিলে সিহঁতে সভ্য নাম পায়। সম্মিলন আৰু ঐক্য নহৈ সমাজত বিবাদ আৰু যুদ্ধ-বিগ্ৰহ হলে সমাজৰ অৱনতি হয়। মানুহ-বিলাকে বিবাদত লিপ্ত থাকি সমাজৰ উন্নতিৰ কাৰণে পৰিশ্ৰম কৰিব নোৱাৰে। পৰস্পৰ বিবাদ আঁতৰিলেই আকৌ সমাজৰ উন্নতি হবলৈ ধৰে। বুৰঞ্জী চালে ইয়াৰ বহুত উদাহৰণ পোৱা যায়। প্ৰাচীন কালত এথেন্স আৰু স্পাৰ্টাৰ মাজত যি যুদ্ধ-বিগ্ৰহ হৈছিল, তাৰ নিমিত্তে বহুত দিন গ্ৰীচত সভ্যতাৰ উন্নতি নহৈ আগৰ সভ্যতাও লোপ পাবলৈ আৰম্ভ কৰিছিল। এনেতে, মেচিডন ক্ষমতাই বৃদ্ধি পাই যেতিয়া গোটেইখন গ্ৰীচ্ অধিকাৰ কৰিলে, তেতিয়া এথেন্স, স্পাৰ্টাৰ পৰস্পৰ বিবাদ নোহোৱা হল। মেচিডনৰ অধীনত গ্ৰীক্ জাতি আকৌ উন্নত হৈ উঠিল। ইংলণ্ডত জৰ্ম্মানৰ অধিকাৰ হোৱাৰ আগেয়ে সেই দেশৰ বেলেগ বেলেগ সম্প্ৰদায়বোৰৰ মাজত অনৈক্য আছিল; ডেন্স্‌বিলাকে চেক্সনবিলাকেৰে বিবাদ কৰিছিল। প্ৰথম উইলিয়মে ৰাজত্ব কৰাৰ সময়ৰপৰাই সেই বিবাদৰ অন্ত পৰিল। এঙ্গল, চেক্সন, জুট, ডেন প্ৰভৃতি বেলেগ বেলেগ জাতিবিলাক নৰ্ম্মাণ ৰাজত্বৰ তলত গোট খাই এটা জাতি হল; সেই জাতিৰ মাজত সম্মিলন হবলৈ ধৰিলে। ইংৰাজ জাতিৰ সভ্যতাৰ সূত্ৰপাত তেতিয়াৰে পৰাই হয়। আধুনিক সময়ত ভাৰতবৰ্ষতো এইদৰে ইংৰাজ ৰাজত্বৰ অধীনত সম্প্ৰদায়বিলাকৰ মাজত বিবাদ গুচিবলৈ আৰম্ভ হৈছে। এনে এটা দিন আহিব, যেতিয়া ভাৰতবৰ্ষৰ সমাজত সম্মিলন হব, ভাৰতবৰ্ষত আকৌ সভ্যতাৰ উন্নতি হব। মানুহৰ মাজত সম্মিলন ওপজোৱাৰ এটা ঘাই উপায় বাণিজ্য। বাণিজ্যত সংলিপ্ত থকা মানুহ বিলাকে অকল সুবিধা আৰু স্বাৰ্থৰ বাবে পৰস্পৰৰ মাজত সদ্ভাৱ ৰাখে এনে নহয়, বাণিজ্যৰ কাৰণে নানা দেশত ফুৰি মানুহবিলাকৰ মন মুকলি

হয়, কুসংস্কাৰৰ নিচিনা কুঁৱলী আঁতৰাত মন ফৰকাল হয় । কুসংস্কাৰ সকলো ৰকম বিবাদ আৰু অনৈক্যৰ মূল । সি আঁতৰিলে কন্দল-কাৰণ নোহোৱা হয় । তেতিয়া মানুহৰ মাজত সম্মিলন হবলৈ ধৰে । ধৰ্ম্মৰ জৰীৰে বান্ধ্ খায়ো বহুত মানুহে পৰস্পৰৰ মাজত সদ্ভাৱ ৰাখে । কিন্তু কালত সেই ধৰ্ম্মানুৰাগ ঠেক হৈ গলে, সমাজত বিপৰীত ভাৱ হৈ উঠে ; পৰস্পৰৰ মাজত সদ্ভাৱৰ পৰিৱৰ্ত্তে সমাজত কন্দল তেতিয়া আৰু বাঢ়ে ।

সাম্যভাৱ আৰু স্বাধীনতাৰ বিষয় একে ঠাইতে আলচ কৰিব পাৰি । আগেয়েই কোৱা হৈছে, অভিব্যক্তিৰ নিয়ম অনুসাৰে সমাজে সহজাৱস্থাৰপৰা কুটিলাৱস্থালৈ যায় । সমাজত কৰ্ম্মবিভাগ হৈ পৰে । অৰ্থাৎ, বেলেগ বেলেগ কামৰ নিমিত্তে বেলেগ বেলেগ মানুহ নিযুক্ত হয় । মানুহবিলাকৰ মাজত পৰস্পৰৰ ওপৰত বেচিকৈ নিৰ্ভৰ কৰা আৱশ্যক হৈ উঠে । প্ৰাণীৰ অভিব্যক্তিত যেনেকৈ অঙ্গহীন পিণ্ডাকাৰ জীৱৰপৰা সন্ধিযুক্ত নানা অঙ্গ-প্ৰত্যঙ্গ থকা জীৱ হৈছে, সমাজৰ অভিব্যক্তিতো সেইৰূপ সমাজত প্ৰথমে মানুহবিলাকে নিজে নিজে আপোনাৰ সকলোবিলাক আৱশ্যকীয় কাম সাধি লয়, ইটোৱে সিটোৰ কাৰ্য্যত সহায়তা নকৰে ; পাচত কাম বিলাকৰ বেলেগ বেলেগ ভাগ হৈ প্ৰত্যেক ভাগৰ কাৰণে বেলেগ বেলেগ শ্ৰেণীৰ মানুহ লগোৱা হয় । তেতিয়া সমাজৰ অঙ্গ হয় । প্ৰাণীৰ যিমান উন্নতি হয় সিমান অঙ্গ বাঢ়ি এটা অঙ্গৰ অৱস্থাৰ ওপৰত আনবিলাকৰ অৱস্থা নিৰ্ভৰ কৰে, সিমান অঙ্গবিলাক সিহঁতৰ আৱশ্যকীয় হৈ উঠে । সমাজৰো সেই দৰে নানা অঙ্গ বাঢ়ি অৱশেষত সমাজৰ জীৱনৰ কাৰণে প্ৰত্যেক অঙ্গ আৱশ্যকীয় হৈ উঠে । কিন্তু সমাজৰ এই অভিব্যক্তিৰ গতিত এটা বিপদ উপস্থিত হবৰ আশঙ্কা সদায় হয় ; আৰু আগৰেপৰা সাৱধান নহলে সেই বিপদ যথাৰ্থই ঘটি সমাজক লাও-ভুলোৱা কৰে । সেই বিপদটি, সমাজত সামঞ্জস্য ভাব বিনাশ ।

কিন্তু, কেনে কাৰ্য্যৰ গতিত পৰি এই বিপদৰ আশঙ্কা উপস্থিত হয় ? আমি জানো, সমাজৰ আদিম অৱস্থাত মানুহৰ মাজত প্ৰত্যেক পৰিয়ালেই একোটা সমাজ হৈ পৰে। পৰিয়ালৰ বয়সিয়াল, মান্য মানুহটিয়েই আনবিলাক পৰিয়ালভুক্ত মানুহৰ ওপৰত কৰ্তৃত্ব চলায়। এই পাৰিবাৰিক শাসনৰ ( Patriarchal Government ) পাচত, প্ৰত্যেক পৰিয়ালৰ তেনেকুৱা মুখ্য মানুহবিলাকৰ মাজৰপৰা এজনক বাছি সকলোৱে দলপতি কৰি লোৱা হয়; কালক্ৰমত সেই দলপতিবিলাকে ৰজা নাম পায়। ইংৰাজবিলাকৰ পূৰ্ব্বপুৰুষ চেক্সনবিলাক যেতিয়া জৰ্ম্মেনিত আছিল, সেই সময়ত সিহঁতৰ সমাজত কোনো বিশেষ দলপতি বা ৰজা নাছিল। বহুত পৰিয়াল একে ঠাইতে লগ লাগি পৰস্পৰৰ ভিতৰত সহানুভূতি আৰু সদ্ভাৱ ৰাখি আছিল মাথোন। কেতিয়াবা যুদ্ধৰ সময়ত মুখিয়াল মানুহবিলাকৰ মাজৰপৰা এজনক বাছি সিহঁতৰ দলপতি কৰি লোৱা হৈছিল। ব্ৰিটন আক্ৰমণ কৰিবৰ সময়ত সেইদৰে বেলেগ বেলেগ দলে বেলেগ বেলেগ দলপতি বাছি লৈছিল। কালক্ৰমত সেই বেলেগ বেলেগ দলপতিবিলাকে ৰজা হৈ বেলেগ বেলেগ ৰাজ্য পাতিলে। ইষ্ট্ এংগ্লীয়া, মাৰ্চিয়া প্ৰভৃতি সপ্তৰাজ্যৰ তেতিয়াই সৃষ্টি হয়। অৱশেষত সেই সৰু সৰু ৰাজ্যবিলাকৰ পৰস্পৰৰ মাজত যুদ্ধ-বিগ্ৰহ হৈ সিহঁত দুৰ্ব্বল হোৱাত আটাইবোৰ ৰজ্যে পৰাক্ৰমী ওৱেচেক্স্ ৰাজ্যৰ তললৈ আহিল। তেতিয়া ওৱেচেক্স্ ৰাজ্য ডাঙ্গৰ হ'ল, ওৱেষ্ট চেক্সন ৰজাবিলাকৰ ক্ষমতা বাঢ়িল। ৰজাৰ যিমান ক্ষমতা বাঢ়ি যায়, সিমান ৰজা আৰু প্ৰজাৰ মাজত প্ৰভেদ বহল হয়। অৱশেষত ৰজাৰ ক্ষমতা স্বেচ্ছাচাৰী হৈ উঠে, ৰাজ্যত অত্যাচাৰ হবলৈ ধৰে, এজন ৰজাৰ সুখৰ কাৰণে হেজাৰ হেজাৰ মানুহে খাটিব লাগে; হেজাৰ হেজাৰ মানুহে ৰাজসিংহাসনৰ আগত দীঘল হৈ পৰি থাকেহি অকল সেয়ে নহয়; ৰজাৰ ওচৰত কিছুমান বিশ্বাসী বন্ধু থাকে, সিহঁতক

ৰজাই আদৰ কৰি বিষয়-সম্পত্তি দি ডাঙৰ মানুহ কৰে; সিহঁতেই দেশত উপাধি পোৱা ডাঙৰীয়া বুলি বিখ্যাত হৈ উঠে। সেইবিলাক ডাঙৰীয়াৰ সুখৰ নিমিত্তে আকৌ বহুত মানুহে খাটিব লাগে। এইদৰে দেশত এফালে একশ্ৰেণী কুলীন ডাঙৰীয়াৰ সৃষ্টি হয়, আন ফালে একশ্ৰেণী দাসব্যৱসায়ী মানুহৰ আৰম্ভ হয়। ইয়াৰ দ্বাৰাই সমাজত সাম্যভাৱ নোহোৱা হৈ পৰে। যেতিয়া এনেকুৱা কুলীন প্ৰথা দেশত বৰকৈ চলিবলৈ ধৰে, যেতিয়া ডাঙৰীয়াবিলাক ওপৰলৈ উঠে আৰু সাধাৰণ মানুহবিলাকে দাসত্বৰ শিকলি পিন্ধে, যেতিয়া ৰজাৰ ক্ষমতাৰ আৰু ইচ্ছাৰ একো প্ৰতিবন্ধক নাথাকে, তেতিয়া সমাজে এক ভয়লগা গঢ় লয়, দেশত সাম্যভাৱৰ পৰিবৰ্ত্তে দাসত্বৰ বান্ধ্ দিনে দিনে টান হবলৈ ধৰে, জাতীয় সভ্যতা সমাজৰ এনেকুৱা অৱস্থাৰ বাবে ক্ৰমে পিচলৈ হুঁহকিবলৈ আৰম্ভ কৰে।

এই গল সমাজৰ ৰাজনৈতিক স্বাধীনতাৰ কথা। মানুহৰ ধৰ্ম্মবিষয়ে সাম্যভাৱ নহলে দেশীয় সভ্যতাৰ অৱস্থা আৰু বেয়া হয়। ওপৰত দেখুৱা মতে সমাজত যেনেকৈ এদল কুলীন ডাঙৰীয়াৰ সৃষ্টি হয়, সেইদৰে ধৰ্ম্মযাজকবিলাকো সমাজৰ অভিব্যক্তিত সাধাৰণ মানুহৰপৰা বহুত দূৰৈত গৈ পৰে। নিজ সুবিধাৰ নিমিত্তে ধৰ্ম্মযাজকবিলাকে নানা নিয়ম-প্ৰণালী কৰি সমাজত সিহঁতৰ শ্ৰেষ্ঠত্ব ভালকৈ থাপি লয়। সিহঁতে যি বিধি দিয়ে তাক লঙ্ঘন কৰিলে সাধাৰণ মানুহবোৰ সমাজচ্যুত হয়। আধ্যাত্মিক স্বাধীনতা নাপাবৰ কাৰণে নীচ শ্ৰেণীৰ মানুহবোৰৰ শিক্ষা নিষিদ্ধ বুলি সিবিলাকে নিয়ম কৰে। এই ৰকমে সমাজত ধৰ্ম্মবিষয়ে সাম্যভাৱ আৰু স্বাধীনতা নোহোৱা হয় আৰু ক্ৰমে দেশীয় সভ্যতাও তললৈ নামে।

সমাজত এনেকুৱা সম্মিলন, সাম্যভাৱ আৰু স্বাধীনতা নোহোৱাৰ কাৰণেই যে জাতীয় সভ্যতাৰ উন্নতিৰ গতিৰোধ হৈ শেষত সি ধ্বংস

পাইছে তাৰ বহুত উদাহৰণ দেখুৱাব পৰা যায়। পৃথিৱীত যিবিলাক পুৰণি জাতিৰ সভ্যতা লোপ পাইছে, সেইবিলাকৰ অৱনতিৰ কাৰণ বিচাৰি চালেই এই কথাৰ সত্যতা ভালকৈ বুজিব পৰা হব। হিন্দু সমাজৰ বহুত অনিষ্টকৰ ভিতৰুৱা পৰিবৰ্ত্তন হোৱাৰ বাবেই যে হিন্দু সভ্যতাৰ অধোগতি হল, তাক হিন্দু মাত্ৰেই জানে। পুৰণি ভাৰতবৰ্ষৰ বুৰঞ্জী পঢ়োঁতাসকলে দেখিছে যে, প্ৰায় মহাভাৰতৰ সময়ৰপৰাই ভাৰতবৰ্ষত সম্মিলন নাই। তেতিয়াৰপৰা পৃথ্বিৰাজৰ সময়লৈ ভাৰতবৰ্ষত নানা সৰু সৰু ৰাজ্য হৈ পৰস্পৰৰ মাজত বিবাদ আৰু অনৈক্য চলি আহিছিল। সেই অনৈক্যৰ ফলত ভাৰতবৰ্ষত মছলমানৰ ৰাজত্ব হল; হিন্দু গৌৰৱ, হিন্দু স্বাধীনতা আৰু সভ্যতাৰ মূৰত কুঠাৰৰ ঘা পৰিল। ভাৰতবৰ্ষত অকল সম্মিলনৰ অভাৱৰ নিমিত্তেই হিন্দু সভ্যতাৰ অৱনতি হোৱা নাই, বহুদিনৰ আগৰপৰা হিন্দু সমাজৰপৰা সাম্যভাব আৰু স্বাধীনতাই বিদায় লৈছে। শেষত ৰজাৰ ক্ষমতা স্বেচ্ছাচাৰী হৈ উঠিল, ৰজা-প্ৰজাৰ মাজত স্বৰ্গ-মৰ্ত্তৰ প্ৰভেদ হল, ব্ৰাহ্মণবিলাকৰ ক্ষমতা বঢ়াত সিহঁতে নানা উপায়েৰে নিজৰ প্ৰাধান্য স্থাপন কৰিলে। ব্ৰাহ্মণ-পূজা আৰু দেৱ-পূজা প্ৰায় একে হৈ পৰিল; টান নিয়মবিলাকৰ নিমিত্তে নিচকুলীয়া মানুহবোৰ নানা স্বত্বৰপৰা বঞ্চিত হল, সাধাৰণ মানুহৰ আধ্যাত্মিক স্বাধীনতা নোহোৱা হল। তেতিয়া হিন্দু সভ্যতাবো শোচনীয় অৱস্থা হৈ পৰিল। ভাৰতবৰ্ষৰ নিচিনা ইংলণ্ডতো এসময়ত সমাজত সম্মিলন, সাম্যভাব আৰু স্বাধীনতা লাহে লাহে কমি গৈছিল হয়, কিন্তু সৌভাগ্যক্ৰমে কিছুমান কাৰ্য্যৰ গতিত ইংলণ্ডীয় সভ্যতাৰ অৱস্থা বেয়া হবলৈ নাপালে, বৰং তাৰ উন্নতিৰ বাট মুকলি হল। আগেয়ে কোৱা হৈছে যে, ইংলণ্ডতো দেশীয় সমাজত অনৈক্য গুচি নৰ্ম্মাণ আৰু এঞ্জে-ভাইন ফৈদৰ ৰজাবিলাকৰ ৰাজত্বৰ সময়ত মানুহবোৰৰ মাজত

সম্মিলন হবলৈ ধৰিলে। কিন্তু সম্মিলন হোৱাতো, সমাজৰ সাম্যভাব আৰু স্বাধীনতা নথকাৰ বাবে ইংৰাজবিলাকৰ জাতীয় সভ্যতাৰ উন্নতিয়ে বহুতদিন প্ৰতিবন্ধক পাই আছিল। সমাজত সাম্যভাব থকাৰ প্ৰথম চেষ্টাত ৰজাৰ স্বেচ্ছাচাৰী ক্ষমতাক দমাবলৈ কাৰবাৰ হৈছিল। বেৰণ-বিলাকে এই কাৰ্য্যত সাধাৰণ মানুহৰ নেতৃত্ব কৰিছিল। ৰজাক দমা-বলৈ চেষ্টা কৰোঁতে দেশত সমৰাগ্নি জ্বলি উঠিল; বহুত ৰক্তপাতৰ ফলত মেগ্নাকাৰ্টা সাধাৰণ মানুহবিলাকে পালে। ইংলণ্ডীয় সমাজত সাম্যভাব আৰু স্বাধীনতা স্থাপনৰ এয়ে প্ৰথম খোজ। সেই সময়ৰ পৰাই ইংৰাজ প্ৰজাবিলাকৰ ৰাজ্যৰ ওপৰত ক্ষমতা দিনে দিনে বাঢ়িবলৈ ধৰিলে। মেগ্নাকাৰ্টাৰ প্ৰায় ৪৫০ বছৰৰ পাচত স্বেচ্ছাচাৰিতাৰ বাবে প্ৰথম চাৰ্লচৰ শিৰচ্ছেদ কৰি ইংলণ্ডীয় প্ৰজাবিলাকে ৰজাৰ ওপৰত সিহঁতৰ প্ৰভুত্বৰ সম্পূৰ্ণ চিনাকি দিয়ে। কিন্তু অকল ৰজাৰ ক্ষমতা খৰ্ব্ব কৰাৰপৰা একো ফললাভ নহল। ৰজাৰ অপৰিসীম ক্ষমতাৰ পৰিবৰ্ত্তে ফিউডেল নিয়মৰ গুণত বেৰণবিলাকৰ ক্ষমতা দিনে দিনে বৃদ্ধি পাবলৈ ধৰিলে। ৰজাৰ বিপক্ষে অস্ত্ৰ ধৰোঁতে সাধাৰণ মানুহ আৰু বেৰণবিলাকে একেলগে গোট খাইছিল হয়, কিন্তু যেতিয়া ৰজা প্ৰজাৰ হাতৰ তলতীয়া হল, তেতিয়া সাধাৰণ মানুহবোৰে বেৰণবিলাকৰ অপৰিমিত ক্ষমতা খৰ্ব্ব কৰিবলৈ কাৰবাৰ কৰিলে। ফিউডেল নিয়মৰ দ্বাৰাই বেৰণবিলাকৰ মাটিত থকা ৰায়তবোৰে বেৰণৰ দাসত্ব কৰিছিল। ক্ৰমে ইংৰাজ জাতিৰ মানুহবিলাকৰ মনত যিমান স্বাধীন ভাৱৰ উদয় হবলৈ [illegible] বেৰণৰ ৰায়তবিলাকে দাসত্বৰ শিকলি চিঙিবলৈ নানা উপায় উলিয়াবলৈ কাৰবাৰ কৰিলে। শেষত বেৰণবিলাকৰ অত্যাচাৰ অসহ্য হোৱাত দ্বিতীয় ৰিচাৰ্ডৰ সময়ত ইংলণ্ডৰ সাধাৰণ মানুহৰ বিদ্ৰোহানল উপস্থিত হয়। ইংলণ্ডৰ বুৰঞ্জীত এই বিদ্ৰোহৰ নাম কৃষক-বিদ্ৰোহ।

কৃষক-বিদ্ৰোহ ইংৰাজ সমাজলৈ সাম্যভাব আৰু স্বাধীনতা আনিবৰ উদ্দেশ্যত আৰু এটি প্ৰধান উদ্যম। এই উদ্যমৰ পাচত ইউৰোপত শিক্ষা, সমাজ, ধৰ্ম্ম, শাসন-প্ৰণালী এই সকলোৱে এক নতুন গঢ় লৈ এক নতুন যুগ আৰম্ভ কৰে। ইউৰোপীয় বুৰঞ্জীত এই যুগৰ নাম (Renaiscence period) নবাভ্যুদয় কাল। এই যুগৰ প্ৰাৰম্ভতে ইংলণ্ড, অক্সফৰ্ড, কেম্ব্ৰিজ প্ৰভৃতি ঠাইত ইউনিভাৰ্চিটি বা বিশ্ববিদ্যালয়বোৰ স্থাপিত হয় আৰু কেথলিক ধৰ্ম্মৰ পৰিবৰ্ত্তে প্ৰটেষ্টাণ্ট ধৰ্ম্ম ইংলণ্ডত চলিবলৈ ধৰে। ইউনিভাৰ্চিটিবোৰৰ দ্বাৰাই ফিউডেল নিয়মৰ গুণত লোপ পোৱা সমাজৰ সাম্যভাব আৰু স্বাধীনতাক আকৌ উদ্ধাৰ কৰা হল। বিদ্যালয়বিলাকত বৰ মানুহ সৰু মানুহৰ মাজত ভেদাভেদ নথকাৰ বাবে দেশত কৌলীন্যৰ হেঁচা অনেক পৰিমানে লঘু হল। সিকালে কেথলিক ধৰ্ম্মৰ অৱনতিৰ লগে লগে অৰ্থলোভী ধৰ্ম্মযাজকবোৰৰ প্ৰাধান্যও নোহোৱা হল। সাধাৰণ মানুহৰ আধ্যাত্মিক স্বাধীনতা হল। তেতিয়াৰে পৰা আজিলৈকে ইংলণ্ডীয় বুৰঞ্জীয়ে আমাক কেৱল ইংলণ্ডীয় সমাজত সম্মিলন, সাম্যভাব আৰু স্বাধীনতাৰ উন্নতিৰ কথাহে দেখুৱাইছে। ২৫২৯/খ:

ইংলণ্ডীয় সমাজৰ এই সাম্যভাৱ যে কালত নোহোৱা হব, চোছিয়েলিষ্ট নামে এদল মানুহে এনে বিশ্বাস কৰে। তেওঁলোকে কয় যে, সম্প্ৰতি একালে যেনেকৈ কিছুমান মানুহৰ খুব সৰহ ধন-সম্পত্ত হৈছে, আনকালে তেনেকৈ কিছুমান মানুহ একেবাৰেই নিঃকিন হৈছে। ইংলণ্ডত মানুহৰ সম্পত্তিৰ এনেকুৱা অসামঞ্জস্য হোৱাৰপৰা সমাজৰ অৱস্থা বেয়া হব আৰু তাৰ ফলত জাতীয় সভ্যতাৰ অৱনতি হব, এনে কথা তেওঁবিলাকৰ মুখে শুনিবলৈ পোৱা যায়। আজিকালি মাৰ্কিণদেশৰ সমাজত শুধ থাপৰ সম্মিলন, সাম্যভাৱ আৰু স্বাধীনতা থকাৰ নিমিত্তে বিখ্যাত হেনৰি জৰ্জ্জ নামে এজন আমেৰিকান অৰ্থনীতিজ্ঞ চোছিয়েলিষ্টৰপৰা জানিব পৰা যায়

যে, বৰ্ত্তমান সময়ত আমেৰিকানো ইংলণ্ডৰ নিচিনা মানুহৰ মাজত সম্পত্তিৰ যি অসামঞ্জস্য হৈছে তাৰ দ্বাৰাই কালত মাৰ্কিণ জাতিৰ সমাজৰ অৱস্থা বেয়া হৈ দেশী সভ্যতাৰ অধোগতি হবৰ সম্ভাৱনা আছে।

---

# ভয় আৰু ভক্তি।

——০ঃ*ঃ০——

ভয় আৰু ভক্তি ঠিক যেন একে উপকৰণৰ দ্বাৰাই গঠিত হৈ একে মূলৰপৰা একেলগে উৎপন্ন হোৱা দুটি অভিন্ন বস্তু। দুয়োটিৰ বাহ্যিক গঢ়গতি আৰু কৰ্ম্মফলৰ এনে সাদৃশ্য বৰ্ত্তমান যে, সূক্ষ্ম অনুসন্ধানশূন্য প্ৰথম দৃষ্টিত কোনো এটিৰ অস্তিত্ব উপলব্ধি কৰোতে ভ্ৰম-প্ৰমাদত পৰিব লগা হয়। তাৰ পাচত তাৰ প্ৰকৃত তত্ত্ব উপলব্ধি কৰাৰ সময়ত, প্ৰথমে কাৰ্য্য দেখি কাৰণৰ অনুমান কৰা যায়; তাৰ পাচে কাৰণ জানি আচল আন্তৰিক বৃত্তিৰ চিন্ ধৰা যায়। অসীম ক্ষমতাপন্ন আৰু অশেষ গুণবিশিষ্ট দুজন মানুহৰ সন্মুখত ক্ৰমে এটা নিঃকিন আৰু এটি সৰল ভক্তৰ মুখাকৃতিৰ সাময়িক অৱস্থা, অঙ্গ-প্ৰত্যঙ্গাদি আৰু পঞ্চেন্দ্ৰিয়ৰ পৰিচালনা ইত্যাদিলৈ চাই প্ৰথম দৃষ্টিত ভয় নে ভক্তি কোনো এটিৰ স্বকীয়া চিন্ অনুমান কৰা টান। তাৰ পাচে, তত্ত্বভেদী সূক্ষ্মদৃষ্টিৰে দুইৰো কাৰ্য্য আৰু কাৰণৰ সামঞ্জস্য ঘটাই হে ভয় নে ভক্তি তাক ঠাৱৰাব পাৰি। কিন্তু, ভয় আৰু ভক্তিৰ বিকাশত বাহ্যিক যেনে কি সাদৃশ্য থাওক, দুয়োটিৰ আভ্যন্তৰিক প্ৰকৃতি সম্পূৰ্ণে স্বকীয়া কাৰণসম্ভূত। বেলেগ-বেলেগ কাৰণানুযায়ী বেলেগ-বেলেগ গুণবিশিষ্ট এই দুটি প্ৰবৃত্তিৰ কাৰ্য্যফল পৰীক্ষা কৰি চালে ভয় আৰু ভক্তি মানুহৰ দুটি বিপৰীত মনোভাব বুলিহে ঠাৱৰাব পাৰি।

ভয়ে মানুহৰ প্ৰশস্ত হিয়া চাপ খুৱায়, মনৰ অৱস্থা বিকৃত কৰে, আৰু অঙ্গ-প্ৰত্যঙ্গাদি আৰু পঞ্চেন্দ্ৰিয়ৰ স্বাধীন ভাব বিলোপ কৰে; ভক্তিয়ে মানুহৰ সংকীৰ্ণ হিয়া প্ৰশস্ত কৰে, মনৰ অৱস্থা উন্নত কৰে আৰু অঙ্গ-প্ৰত্যঙ্গাদি আৰু পঞ্চেন্দ্ৰিয়ৰ স্বাধীন ভাব মাৰ্জ্জিত আৰু সবল কৰে। মানুহৰ ভক্তিৰ উপকাৰিতাৰ বিষয়ে আলচ কৰাই এই প্ৰবন্ধৰ মুখ্য উদ্দেশ্য; তাৰ লগে-লগে ভয়ৰ অপকাৰিতাৰে সৈতে তাৰ কি প্ৰকাৰ সম্বন্ধ, সেই বিষয় অলপ উনুকিউৱা হব খাথোন।

আমাতকৈ যি শ্ৰেষ্ঠ, যাৰ সেই শ্ৰেষ্ঠতাৰ দ্বাৰা আমি উপকৃত হওঁ, যাৰ সেই শ্ৰেষ্ঠতাক আমি সৰলান্তঃকৰণেৰে শলাগোঁ, আৰু যাৰ শ্ৰেষ্ঠতাৰ প্ৰতি আমাৰ অন্তৰত আদৰ আৰু অনুৰাগ ওপজে, তেওঁৱেই আমাৰ ভক্তিৰ পাত্ৰ, তেওঁৰ প্ৰতি স্বভাৱতে আমাৰ অন্তৰত ভক্তিভাৱৰ উদয় হয়। আমাতকৈ যি বেচি ক্ষমতাশালী আৰু যাৰ সেই ক্ষমতাৰ দ্বাৰা আমাৰ অনিষ্টৰ আশঙ্কা থকাতো, কিম্বা তাৰ প্ৰতি আমাৰ ঘৃণা হলেও তাৰ প্ৰতিকাৰ কৰিবলৈ আমাৰ শক্তিৰ নাটনি, সিয়ে আমাৰ ভয়ৰ কাৰণ, তাৰ প্ৰতি আমাৰ অন্তৰত স্বভাৱতে ভয় উপস্থিত হয়। ভক্তিৰ বিশেষ গুণ এই যে, ই অপকৃষ্ট মানুহক উৎকৃষ্টৰ অনুগামী কৰে, আৰু তাৰ দ্বাৰা মানুহৰ পাৰিবাৰিক আৰু সামাজিক বান্ধ দৃঢ় কৰি মানুহক উন্নতিৰ পথত আগুৱাবলৈ শক্তিবান কৰে। কিন্তু, ভয়ে চোৰৰ দৰে অপকৃষ্ট মানুহৰ অন্তৰত গোপনে প্ৰবেশ কৰি তাৰ মনৰপৰা উৎকৃষ্টৰ অনুগমন প্ৰবৃত্তি অপহৰণ কৰে, আৰু তাৰ ঠাইত ঘৃণা স্থাপন কৰি মানুহৰ পাৰিবাৰিক আৰু সামাজিক বান্ধ ঢিলা কৰে, আৰু উন্নতিৰ পথত এটা প্ৰকাণ্ড প্ৰতিবন্ধক হৈ থিয় দিয়ে।

ওপৰৰ কথা কেইফাকিৰ পাক মুকলি কৰি চোৱা যাওক যে, মানুহৰ ভক্তিৰ পাত্ৰ কোন্, বা কাৰ প্ৰতি ভক্তিৰ উদয় হয় বা হোৱা

উচিত ; আৰু তাৰ লগে লগে কি সূত্ৰে ভয়ৰ যোগ থাকে । মানুহৰ জন্মৰেপৰা মৃত্যুলৈকে সমস্ত ঐহিক জীৱন ভাগে ভাগে পৰীক্ষা কৰি চালে দেখা যায় যে, ঘাইকৈ (১) পিতৃ-মাতৃ, (২) শিক্ষা-গুৰু, (৩) সমাজ-গুৰু আৰু (৪) সেই সকলোৰে মূল, সকলোৰে স্ৰজন, পালন আৰু উদ্ধাৰ কৰোঁতা সৰ্ব্বশক্তিমান পৰমেশ্বৰেই প্ৰকৃত ভক্তিৰ পাত্ৰ । মানুহৰ ঐহিক জীৱনত ইবিলাকৰ প্ৰতি সৰল ভক্তি চিৰকাল অবিচলিতৰূপে থিতাপি হলেহে মানুহে সংসাৰ-যাত্ৰাত দুৰূহ জীৱন-সেতু নিৰাপদে বগাই দুৰ্ল্লভ মানৱ-জীৱনৰ সাংসাৰিক কৰ্ত্তব্য সাধন কৰিব পাৰে ; আন পাকে, সুদৃঢ় নাহৰ কাঠত ঘুণে ধৰাৰ দৰে, মানুহৰ অন্তৰত সেই ভক্তিৰ লগে লগে ভয়-ঘুণে থিতা ললেই মানুহে জীৱন-সাঁকোৰ দৃঢ়তাৰ ওপৰত সন্দেহ মানি, মন-প্ৰাণ আৰু শৰীৰৰ অস্থিৰতাৰ ফলত, তাৰপৰা পিছলি পৰি ইহজনমৰ কৰ্ত্তব্য সাধনৰপৰা আপুনি বিমুখ হয় । কথা কেইফাঁকি আৰু মুকলি কৰাৰ উদ্দেশ্যে ওপৰত কোৱা ভক্তিৰ পাত্ৰসকলৰ বিষয়ে তলত ভিন্ ভিন্নকৈ বিচাৰ কৰা গল ।

(১) পিতৃ-মাতৃৰ প্ৰতি ভক্তি ।—মানুহে জন্মগ্ৰহণ কৰিয়েই প্ৰথমে জন্মদাতৃ মাতৃ আৰু জন্মদাতা পিতৃ এই দুজনা আদি-গুৰুৰ হাতত পৰে, আৰু অতি শিশু অৱস্থাত জ্ঞানবীজ ফুটি ওলাওঁতেই জয়ে-জয়ে এই দুজনাৰ শ্ৰেষ্ঠতা দেখিবলৈ পায় । এই শ্ৰেষ্ঠতাৰপৰা মানুহে যি উপকাৰ লাভ কৰে, সেয়ে মনুষ্য-জীৱনত উপকাৰৰ প্ৰথম আৰম্ভণ ; আৰু সেই শ্ৰেষ্ঠতাৰ স্বাভাৱিক অনুগামী হোৱাই আদিশিক্ষা । সেই কাৰণে, পিতৃ-মাতৃ মানুহৰ আদি-গুৰু,—প্ৰথম ভক্তিৰ পাত্ৰ । কিন্তু, যি শিশু অৱস্থাত মানুহ পিতৃ-মাতৃৰ বুকত থাকে, সেই অৱস্থাত মানুহৰ অন্তৰত ভক্তি ভাবৰ উদয় হোৱাটো প্ৰায় অসম্ভৱ, বা ভক্তি নো কি শিশুৱে তেতিয়া নুবুজে । নিচেই আদি বা শিশু অৱস্থাত মানুহ নিতান্ত অজ্ঞ থাকে ;

আৰু অজ্ঞ অৱস্থাত ভক্তিতকৈ ভয়ৰ প্ৰভুত্ব মানুহৰ ওপৰত প্ৰবল। সেই কাৰণে, লৰাক সেই অজ্ঞ অৱস্থাত সজ শিক্ষা দিওঁতে আৰু সৎকাৰ্য্য কৰিবলৈ বাধ্য কৰোঁতে, পিতৃ-মাতৃয়ে অতি সাৱধানে আগ-পিচ চাই চলা উচিত। অনেকে লৰাক উগ্ৰদণ্ড দি আৰু কৰ্কশ বচনাদিৰে সৈতে ভয় প্ৰদৰ্শন কৰি বশ কৰিবলৈ মন কৰে। কিন্তু, তাৰ দ্বাৰা সেই পিতৃ-মাতৃয়ে লৰাৰ উপকাৰ কৰিবলৈ চাওঁতে অশেষ অপকাৰ সাধন কৰে মাথোন; আৰু ফাঁকি, প্ৰৱঞ্চন, অসত্যতা প্ৰভৃতি পাপ-কাঁইট পুতি তাৰ ভৱিষ্যত উন্নতিৰ পথ দুৰ্গম কৰি তোলে। ওপৰত কোৱা হৈছে যে, ভয়ে মানুহৰ অন্তৰত চোৰৰ বৃত্তি অৱলম্বন কৰিহে প্ৰৱেশ কৰে। এতেকে, ভয়-চোৰো যে সাধাৰণ চোৰ-ডকাইতৰ ঠগ, ডকাইত, ফাঁকি, প্ৰৱঞ্চনা অসত্যতা প্ৰভৃতি পাপ প্ৰলেপনৰ দ্বাৰা কলুষিত তাক কোৱা বাহুল্য মাথোন। লৰাক অসৎ পথৰপৰা আঁতৰাই ৰাখিবৰ অভিপ্ৰায়ে উগ্ৰদণ্ড বা কৰ্কশ বচন প্ৰয়োগ কৰা মাত্ৰকে ভকতবৎসল ভয়ে আপোনাৰ প্ৰিয়শিষ্য লৰাক নিজৰ অঙ্গৰ ফাঁকি বা অসত্যতা ঢাকনীৰে ঢাকি ধৰি ৰক্ষা কৰে; লৰায়ো ভয়-প্ৰভুৰ সেই কল্পিত উপকাৰত পৰম উপকৃত হৈ তাৰ একান্ত ভক্ত হৈ পৰে। ক্ৰমাৎ এনে অভ্যাস দৃঢ় হৈ লৰাৰ কোমল অন্তৰত সি স্বাভাৱিক প্ৰবৃত্তিৰ দৰে থিত লয়, আৰু এই দৰেই পৰম বন্ধু পিতৃ-মাতৃয়েই আপুনি আপোনাৰ সন্তানৰ প্ৰতি মহাশত্ৰুৰ কাৰ্য্য কৰে। সেই কাৰণে, নিচেই কুমলীয়া বয়সত লৰাৰ অন্তৰত ভক্তি-ভাবৰ উদয় হোৱাটো প্ৰায় অসম্ভৱ হলেও, সেই সময়ত যাতে ভয়ে প্ৰৱেশ কৰিবলৈ ছেগ নাপায়, সেই বিষয়ত পিতৃ মাতৃ সতৰ্ক থকা উচিত। পাচত শিক্ষকৰ শিক্ষাৰ গুণত জ্ঞান-বুদ্ধি লাভৰ লগে লগে লৰাই ভক্তিৰ মোল বুজা হলে সেই জ্ঞানেই লৰাক আদিগুৰু প্ৰথম ভক্তিৰ পাত্ৰ পিতৃ মাতৃৰ প্ৰকৃত চিনাকি দিয়ে। তাৰ পাচে, শিকি-বুজি গৃহ-ধৰ্ম্মত প্ৰৱেশ কৰা

মাত্ৰকে, সেই ধৰ্ম্ম ৰক্ষাৰ নিমিত্তেও সকলোৰে শীৰ্ষস্থানীয় পিতৃ-মাতৃক বিশেষৰূপে ভক্তি কৰিবলৈ মানুহ বাধ্য হয়। নহলে, পাৰিবাৰিক বান্ধোনৰ মূল-মোচোৰাটি ঢিলা হৈ গৃহধৰ্ম্ম নষ্ট পায়; আৰু তাৰ ফল স্বৰূপ সংসাৰযাত্ৰাত মানুহে বিষময় ফল ভুগিব লগাত পৰে। অনেকে লৰাকালত উপভোগ কৰা উপকাৰ স্মৰণ কৰি পিতৃ-মাতৃক বৃদ্ধাৱস্থাত সেৱা-শুশ্ৰূষা কৰা বা সেই উপকাৰৰ প্ৰত্যুপকাৰৰ কৰাকেই আপোনাৰ কৰ্ত্তব্য সাধন কৰা ভাবি নিশ্চিন্ত হয়। কিন্তু, প্ৰকৃতে সিমানতে সিবিলাকৰ পিতৃ-মাতৃৰ প্ৰতি কৰ্ত্তব্যৰ পূৰ্ণ সাধন নহয়,—উপকাৰীৰ উপকাৰ স্বীকাৰ কৰা বা প্ৰত্যুপকাৰ কৰাক কৃতজ্ঞতাৰ চিন্ মাথোন বুলিব পাৰি। এই কৃতজ্ঞতা অধমে উত্তমৰ ওচৰত, উত্তমে অধমৰ ওচৰত, বা উপকৃত মাত্ৰেই উপকাৰীক দেখাবলৈ বাধ্য; ইয়াৰ লগে লগে হৃদয়ৰ সৰল ভক্তিৰ যোগ নাথাকিলে কেতিয়াও পিতৃ-মাতৃৰ প্ৰতি কৰ্ত্তব্য সাধন কৰা নহয়! কিন্তু, পৃথিবীত এনে নৰাধমো আছে, যি পৰম পূজনীয় পিতৃ-মাতৃৰ প্ৰতি সামান্য কৃতজ্ঞতাফেৰি দেখাবলৈকো অস্বীকাৰ কৰিব পাৰে! তেনে নৰাধমক মানুহৰ শাৰীত ঠাই দিব নোৱাৰা গতিকে, মানুহৰ ভক্তি বিষয়ক উচ্চতম আলোচনাৰ লগত তাৰ পাশৱ প্ৰকৃতিৰ বিষয়ে বহলাই আলচ কৰা নহল।

(২) শিক্ষা-গুৰুৰ প্ৰতি ভক্তি।—অতি শিশু অৱস্থাত পিতৃ-মাতৃৰ বুকত থকাৰ কালত মানুহৰ অন্তৰত ভক্তি ভাবৰ উদয় হোৱাটো অসম্ভৱ বা সেই সময়ত ভক্তি নো কি লৰাই নুবুজে। গতিকে, সেই অৱস্থাৰ পাচতে মানুহে শিক্ষকৰ সাহায্য লব লগাত পৰে। বিশেষ, শিক্ষক আৰু শিক্ষাৰ অভাৱ হলে মানুহে মনুষ্যত্ব লাভ কৰাটোৱেই এক প্ৰকাৰ অসম্ভৱ। অলপ দকৈ গমি চালে ফটফটীয়াকৈ দেখা যাব যে, মনুষ্য জীৱনৰ মূলতে শিক্ষক; আৰু জন্মৰেপৰা মৃত্যুলৈকে মানুহে কোনো নে কোনো

প্ৰকাৰৰ শিক্ষকৰ শিক্ষা পাবই লাগিছে। যি জ্ঞানৰ পোহৰত আমি নিজকে নিজে চিনিব পাৰোঁ, আত্ম-হৃদয়ত থকা ভক্তি নো কি তাক বুজিব পাৰোঁ, সেই জ্ঞানদাতা শিক্ষাগুৰু যে আমাৰ পৰম ভক্তিৰ পাত্ৰ তাক কোৱা বাহুল্য মাথোন। বিশেষ, শিক্ষকৰ প্ৰতি ভক্তিৰ অভাৱ হলে সেই শিক্ষকৰ শিক্ষাই বা জ্ঞানদানে প্ৰকৃত গুণ দিব নোৱাৰে। শিক্ষাগুৰুৰ দৰেই আৰু এবিধ গুৰু আছে। সেই বিধ দীক্ষাগুৰু বা ধৰ্ম্মগুৰু নামে অভিহিত। সিবিলাকে আমাক ঈশ্বৰ সম্বন্ধীয় ধৰ্ম্মজ্ঞান দিয়ে, ঈশ্বৰৰ চৰণত আমাৰ মঙ্গল কামনা কৰে, আৰু অধৰ্ম্মাচৰণৰ দ্বাৰা যাতে আমি ঈশ্বৰৰ ওচৰত দণ্ডনীয় নহওঁ তাৰ নিমিত্তে যত্নবান থাকে। সিবিলাক ধৰ্ম্মৰ পৱিত্ৰ ভাবত আমাতকৈ শ্ৰেষ্ঠ, আৰু সেই শ্ৰেষ্ঠতাৰ দ্বাৰা ইহকাল-পৰকালৰ নিমিত্তে আমি পৰম উপকৃত হওঁ। সেই কাৰণে, সিবিলাক আমাৰ বিশেষ ভক্তিৰ পাত্ৰ। শিক্ষকৰ শিক্ষাৰ সময়তো মানুহে সম্পূৰ্ণকৈ ভয়ৰ হাত এৰাব নোৱাৰে। বৰঞ্চ, কোনো কোনো শিক্ষকৰ কঠোৰ আচৰণে লৰাৰ অন্তৰত ভয়ৰ প্ৰাদুৰ্ভাৱ বেচি হে কৰে। শনিয়ে ছলি-বলৈ ছিদ্ৰ বিচৰাৰ দৰে ভয়েও সেই সময়ত মানুহৰ অন্তৰত প্ৰৱেশ কৰিবলৈ ছেগ বিচাৰে, আৰু এবাৰ কোনো প্ৰকাৰে প্ৰৱেশ কৰি অন্তৰত থিতপব পাৰিলেই সি শিক্ষকৰ প্ৰতি বিৰক্তি আৰু ঘৃণাৰ ভাব জন্মাই দি, সেই ছাত্ৰ বা শিষ্যৰ ওপৰত নিজৰ আধিপত্য বিস্তাৰ কৰে; আৰু কঠোৰ আচৰণৰ শিক্ষকে পাচত কমোৱাতুলাৰ দৰে কোমল হৈয়ো সেই শিষ্যক ভয়-দানৱৰ গৰাহৰপৰা উদ্ধাৰ কৰিব নোৱাৰাত পৰে। সেই কাৰণে, শিক্ষকসকলেও পিতৃ-মাতৃৰ নিচিনাকৈ ভয়-শনিক নিলগাই ৰাখিবলৈ সততে সতৰ্ক থকা উচিত। মূল কথা, শিক্ষকে এই কথা মনত ৰাখি চলা উচিত যে, স্নেহ আৰু কোমল আচৰণৰ দ্বাৰা নিজৰ শিষ্যৰ অন্তৰত সজ শিক্ষা সজ জ্ঞান আদি যি দৰে সহজে থাপিব পাৰি, উগ্ৰ মূৰ্ত্তি আৰু

কঠোৰ আৱৰণৰ দ্বাৰা সেইদৰে সজ্জশিক্ষা সজ্জ্ঞান আদিৰ প্ৰৱেশৰ দুৱাৰ বন্ধ কৰি অসদভিপ্ৰায় বিলাকৰ নিমিত্তে মুকলি কৰা যায় । আন পক্ষে, লৰাই আপোন গুৰুৰ প্ৰতি হৃদয়ৰ সৰল ভক্তিৰ বলত তেওঁৰ সৰল শিক্ষাৰ গুণেৰে বিভূষিত হৈ যি দৰে সকলোৰে ওচৰত সমাদৃত হয়, ভয়ৰ সঙ্গতিত তাৰ নানা প্ৰকাৰ পাপ-প্ৰলেপনৰ দ্বাৰা কলুষিত হৈ সেইদৰে সকলোৰে ওচৰত ঘৃণাৰ পাত্ৰ হয় ।

(৩) সমাজৰ-গুৰুৰ প্ৰতি ভক্তি ।—পৰিয়াল বান্ধনীৰ যিদৰে পিতৃ-মাতৃস্নেহ মূল-মোচোৰা, সমাজ-গুৰুসকলকো সেইদৰে সমাজ বান্ধনীৰ ঘাই বান্ধ বুলিব লাগে । পিতৃ-মাতৃৰ প্ৰতি ভক্তিৰ অভাৱ হলে গৃহধৰ্ম্মৰ যেনে দুৰৱস্থা, সমাজ-গুৰুৰ প্ৰতি ভক্তিৰ নাটনি পৰিলেও সমাজৰ তেনে শোচনীয় অৱস্থা । কিয়নো সমাজ আৰু পৰিয়াল সকলো প্ৰকাৰে একে ; কিম্বা একে আষাৰে কবলৈ হলে, সমাজ পৰিয়ালৰে এখন ডাঙ্গৰ চিত্ৰ মাথোন । যিবিলাকে নিজৰ বিদ্যা-বুদ্ধিৰ বলত ধৰ্ম্ম, বিজ্ঞান, নীতি, দৰ্শন, পুৰাণ, সাহিত্যাদিৰ অভিজ্ঞতাৰে সৈতে সমাজৰ শিক্ষাৰ নিমিত্তে অশেষ পৰিশ্ৰম স্বীকাৰ কৰে সিবিলাকেই প্ৰকৃত সমাজ-শিক্ষক, সমাজ-গুৰু । সিবিলাক বিদ্যা, বুদ্ধি, ধৰ্ম্ম, নীতি, দৰ্শন, পুৰাণ, সাহিত্যাদিৰ অভিজ্ঞতাৰে সৈতে আমাতকৈ শ্ৰেষ্ঠ, আৰু এই শ্ৰেষ্ঠতাৰ দ্বাৰা আমি আমাৰ সমাজৰ উন্নতি সাধনাদি কৰ্য্যত বিশেষকৈ উপকৃত হওঁ ; গতিকে সেই সমাজ-গুৰু সকল আমাৰ ভক্তিৰ পাত্ৰ । শিক্ষকৰ প্ৰতি ভক্তি নাথাকিলে যেনেকৈ সেই শিক্ষকৰ শিক্ষাই গুণ নিদিয়ে, সমাজ-গুৰুসকলৰ প্ৰতি ভক্তিৰ অভাৱ হলেও তেনেকৈ তেওঁলোকৰ শ্ৰেষ্ঠতাৰ দ্বাৰা আমি উপকৃত হব নোৱাৰোঁ । যদি সমাজ-গুৰুৰ প্ৰতি ভক্তিৰ অভাৱ থকাতো আমি সমাজৰ কঠিন নীতিৰ দ্বাৰা কোনো নে কোনো ৰূপে সিবিলাকৰ শ্ৰেষ্ঠতা

মানিবলৈ বাধ্য হওঁ, তেন্তে তেতিয়া আমাৰ অন্তৰত সিবিলাকৰ প্ৰতি ভক্তিৰ ঠাইত ভয়ে বাহ লয়, আৰু ওপৰত কোৱাৰ দৰে সি আপোনাৰ প্ৰভুত্ব বিস্তাৰ কৰে। এই সম্বন্ধে বিস্তাৰিত কাৰণ দৰ্শাই বিশেষৰূপে আলচ নকৰিলেও সমাজৰ অধৰ্ম্ম, অনীতি, ব্যাভিচাৰ প্ৰভৃতি গুৰু পাপবোৰেই ইয়াৰ জ্বলন্ত প্ৰমাণ। ওপৰত কোৱা পিতৃ-মাতৃ আৰু শিক্ষা-গুৰুৰ নিচিনাকৈ এই সমাজ-গুৰুসকল ভয়-চোৰৰ নিমিত্তে সততে সংর্ক নহলেও, তাৰপ্ৰতি আওকণীয়া হোৱা উচিত নহয়। কিয়নো, ভক্তিয়ে মানুহক যেনে সহজে সজ পথানুগামী কৰে, ভয়ে অলপ ছিদ্ৰ পালেই সেইদৰে ততালিকে কুপথগামী কৰে।

ইয়াত বাজেও এনে ভালেমান লোক আছে যিবিলাকৰ শ্ৰেষ্ঠতাৰ দ্বাৰা আমি উপকৃত হওঁ, বা সেই উপকাৰৰ প্ৰাৰ্থী হবলৈ আমাক অৱস্থাই বাধ্য কৰে। সেই বিলাকৰ ভিতৰত উচ্চপদস্থ বা ওপৰৱালা লোকো এবিধ তেওঁবিলাকো আমাৰ ভক্তিৰ পাত্ৰ। কিয়নো, সিবিলাকৰ প্ৰতি ভয় কৰাৰপৰা আমাৰ যিমান অপকাৰ হয়, ভক্তিৰ দ্বাৰা তাৰ শতগুণ অধিক উপকাৰ লাভ কৰিব পাৰি। এই কথা ৰাজঘৰীয়া বিষয়ৰ কোনো বিভাগৰ কোনো কৰ্ম্মচাৰীৰ অভিজ্ঞতা থকা লোক মাত্ৰেই মুক্তকণ্ঠে স্বীকাৰ কৰিব। মূল কথা, এই সংসাৰৰ যতে-ততে ভক্তিৰ উপকাৰ আৰু ভয়ৰ অপকাৰ; ভক্তিৰ দ্বাৰা জয় আৰু ভয়ৰ দ্বাৰা পৰাজয়।

সামৰণিত কব লাগে যে, সকলোৰে উপৰি, সকলোকে স্ৰজন, পালন আৰু উদ্ধাৰ কৰোতা সৰ্ব্বমঙ্গলময় পৰমেশ্বৰৰ প্ৰতি অচলা ভক্তিয়েই মনুষ্য হৃদয়ত সৰ্ব্বোৎকৃষ্ট সাৰ পদাৰ্থ। ওপৰত পিতৃ-মাতৃ, শিক্ষা-গুৰু, দীক্ষা-গুৰু, সমাজ-গুৰু আৰু অন্যান্য গুৰুজন সকলোৰে শ্ৰেষ্ঠতাৰ বিষয়ে ভাগে ভাগে বিচাৰ কৰা গল, আৰু সেই শ্ৰেষ্ঠতাৰ দ্বাৰা আমি কি প্ৰকাৰে উপকৃত হওঁ তাকো তাৰ লগে লগে উনুকিউৱা হল। কিন্তু, সেই

# আত্মসংযম ।

——:*:——

আত্মসংযম সাহসৰ এটি ৰূপান্তৰ মাথোন। ইয়াক স্বভাৱৰ এটি প্ৰধান অঙ্গ বুলিলেও বুলিব পাৰি। এই কথা লৈয়েই মহাকবি চেক্স-পিয়ৰে কৈছে, "আগ-পিচ গুণি যি কাৰ্য্য কৰে, তেওঁকেই মানুহ বোলে।" এই গুণটিৰ দ্বাৰা মানুহ আৰু পশুৰ বিভিন্নতা জনা যায়। এই গুণ নাথাকিলে কতো যথাৰ্থ মনুষ্যত্ব থাকিব নোৱাৰে।

আত্মসংযম সকলো ধৰ্ম্মৰ মূলস্বৰূপ। কোনো কাৰ্য্যলৈ ঢাল খাব খোজা মনৰ গতিক যদি ভেটা মোকোলাই দিয়া যায়, তেন্তে সেই দিনাৰেপৰা মানুহে ভাল-বেয়া কামৰ স্বাধীনতা লাভ কৰিবলৈ অসমৰ্থ হয়, মানুহ জীৱন-সোঁতত উটি যায়, আৰু তেতিয়াই মনৰ একেবাৰে গোলাম হৈ পৰে।

ন্যায়-অন্যায় বছা বিবেকৰ অধীন হৈ মানুহে পশু গুচি মানুহ হব খুজিলে মনৰ বেগক বাধা দিব পাৰিব লাগে। ইয়াক কেৱল আত্মসংযম গুণেহে সাধিব পাৰি। আত্মসংযম গুণে শাৰীৰিক আৰু মানসিক জীৱনক বেলেগ কৰি দিয়ে। ইয়েই মানুহৰ স্বভাৱ গঠনৰ প্ৰধান উপায়।

"যি বলাৰে ৰাজ্য দখল কৰে, তেওঁ প্ৰশংসনীয় নহয়, কিন্তু যি নিজৰ মনক দমন কৰিব পাৰে, তেওঁৰেই হে প্ৰশংসাৰ যোগ্য।" এই বিধৰ বলী মানুহে শিক্ষাৰ বলত নিজৰ ভাব আৰু কাৰ্য্যক সদায় দমন কৰিব পাৰে। যিবিলাক ইচ্ছাই সমাজক তললৈ নিয়ে আৰু যাক নদমালে

পাপৰ সংখ্যা বাঢ়ি সমাজ কলুষিত হয়, তাক মানুহে পুৰুষাৰ্থ কৰি এৰিব লাগে। আত্মশিক্ষা, আত্মসন্মান, আত্মসংযমেই হে মানুহক মনুষ্যত্ব শিকায়। সদায় এইবিলাক গুণলৈ চকু ৰাখি কাম কৰিলে অন্তঃকৰণ আৰু মন বিশুদ্ধ হয়, আৰু স্বভাৱ পৰিমিতাচাৰৰ ওপৰত লাহে লাহে থিৰ হয়।

স্বভাৱৰ আচল ধৰণী অভ্যাস ; আৰু মনটোক ভাল পোনে যাবলৈ দিলে মন দয়াশীল ৰজা হয়, আৰু বেয়া পোনে যাবলৈ দিলে অত্যাচাৰী ৰজা হৈ পৰে। ইচ্ছা কৰিলেই আমি সু-চৰিত্ৰৰ উপৰীয়া ৰজা আৰু প্ৰলোভনৰ তলতীয়া গোলাম হব পাৰোঁ। মনেই আমাক ভাল বাটলৈ নিবও পাৰে, বেয়া বাটৰ খালত পেলাবও পাৰে। সাৱধানে শিক্ষা কৰিলেই অভ্যাস গঠিত হয়। বিবেকৰ অধীন হবলৈ শিক্ষা কৰিলে কিমান ভাল কাম কৰিব পাৰি, তাক শুনি আচৰিত হব লাগে। সকলো কথাৰে মূল শিক্ষা ; ইয়াৰ বলত মানুহ যে সহজে সাহসী, ধৈৰ্য্যশীল আৰু পৰোপকাৰৰ নিমিত্তে নিজ প্ৰাণ পৰ্য্যন্ত দিবলৈও কুণ্ঠিত নোহোৱা হয়, এনেকুৱা উদাহৰণ বহুত আছে। যুদ্ধৰ সময়ত, কিম্বা সাগৰত যাওঁতে কোনো কোনো মহাবিপদৰ সময়ত তেনেকুৱা শিক্ষিত মানুহে যথাৰ্থ সাহস আৰু বীৰত্বৰ শলাগ লব লগীয়া উদাহৰণ দেখুৱায়।

নৈতিক শিক্ষা স্বভাৱ গঠনৰ নিমিত্তে কম পৰাক্ৰমী নহয়। ই নহলে জীৱন সুচাৰুৰূপে অতিবাহিত কৰিবলৈ আৰু একো উপায় নাই আত্ম-সন্মান, বিবেকিতা আৰু কৰ্ত্তব্য পালন এই কেইটি গুণ ইয়াৰ ওপৰতে নিৰ্ভৰ কৰে। আত্মাৱলম্বী আত্মদমনকাৰী মানুহ শিক্ষাৰ অধীনত থাকে, শিক্ষা যিমান সুচাৰুৰূপে সম্পন্ন হয়, তেওঁৰ নৈতিক স্বভাৱো সিমান ভাল হয়। নিজৰ আকাঙ্ক্ষাক শিক্ষা দিব লাগে। আৰু এই পৃথিবীৰ লোভক সৰ্ব্বোত্তম শক্তিৰ তলতীয়া কৰিব লাগে। বিবেকক

বিবেকৰ কথা শুনা কৰিব লাগে ; নহলে সেইবিলাক মনোগতিৰ বশবৰ্ত্তী হৈ পৰিব ।

হাৰবাৰ্ট স্পেনচাৰে কৈছে, "আত্মসংযম কৰিব পৰা মানুহেই হে সু-আহিৰ মানুহ । মনৰ বা প্ৰবল ইচ্ছাৰ বলত লৰচৰ নোহোৱা আত্মশাসন-কাৰী মানুহে নিজক তুলাচালনীৰে জুখিব পাৰে ।"

নৈতিক শিক্ষাৰ প্ৰথম আৰু আচল ঠাই হৈছে নিজৰ ঘৰ, তাৰ পাচত পঢ়াশালি, শেহত এই জগত । কামেই জীৱনৰ প্ৰধান বিদ্যালয় । আৰু মানুহে যিহকে কৰক নকৰক অভ্যাসেৰে সৈতে কামৰ সম্বন্ধ আছেই আছে ।

আদিতে নিজৰ ঘৰত শিক্ষা নহলে ভাল শিক্ষাৰ আশা কৰিব নোৱাৰি । যিবিলাক অভিভাবকে লৰাক অশিক্ষিত ভাৱে ডাঙ্গৰ হবলৈ দিয়ে, তেওঁবিলাকৰ ধিক্কাৰ ! আৰু তেওঁবিলাকৰ কুলকো ধিক্কাৰ ! যতে শিক্ষা অতি ভাল হয়, আৰু যতে শিকিলেও শিকাৰ গুণ ধৰে, সেয়েই শিক্ষাৰ উত্তম ঠাই না ঘৰ । নৈতিক শিক্ষাই প্ৰকৃতিৰ নিয়মৰ অনুবৰ্ত্তী হৈ কাৰ্য্য কৰে । এই শিক্ষাৰ দ্বাৰাই যিবিলাক মানুহে জীৱনক কু-অভ্যাসৰ তলতীয়া নকৰাকৈ কাম কৰিব পাৰে, তেওঁৰপৰাইহে নিজৰ সমাজৰ আৰু দেশৰ উপকাৰ সাধিত হয় ।

গৃহস্থালী শিক্ষাৰ গুৰুত্ব বিষয়ে চিম্মেল পেনিক্স চাহাবে লিখা মৈষণীয়েকৰ "জীৱন চৰিতত" এটি প্ৰকৃত ঘটনা সুন্দৰৰূপে তলত লিখাৰ দৰে বৰ্ণিত আছে ;— "কোনো এজন ভদ্ৰলোকৰ তিৰোতাই গিৰিয়েকৰে সৈতে ইংলণ্ড আৰু আন মহা প্ৰদেশৰ বহুত পগলা ফাটেক চাই ইয়াকে জানিব পাৰিলে যে, যিবিলাকে সৰুতে শিক্ষা নাপাইছিল আৰু মনৰ প্ৰবল গতিয়ে কোনো বন্ধুৰ বাধা নাপাইছিল প্ৰায় তেনেকুৱা মানুহ হে ফাটেকত আছিল । কিন্তু, যিবিলাক সৰহীয়া পৰিয়াল থকা ঘৰৰ মানুহ, আৰু

যিবিলাকক সৰুৰেপৰা সুশিক্ষিত কৰা হৈছিল, তেনেকুৱা মানুহ অতি কম পৰিমাণে হে পগলা হোৱা দেখা গৈছিল।" যদিও নৈতিক স্বভাৱ বহুত পৰিমাণে গৃহস্থালী শিক্ষা আৰু বাল্য শিক্ষাৰ ওপৰতে নিৰ্ভৰ কৰে, আত্মসংযমৰ সহায়েৰে প্ৰত্যেক মানুহে ইচ্ছানুসাৰে মনুষ্যত্ব লাভ কৰিব পাৰে। এজন পাৰদৰ্শী পণ্ডিতে কৈছে যে, "লেটীন" আৰু "গ্ৰীক" ভাষা যেনেকৈ শিকিব পাৰি, অভ্যাস আৰু শিক্ষাকো সেই দৰেই পাৰি।

বিদ্যোত্তম জন্‌চন চাহাবে, যদিও সৰুৰেপৰা নিজে সদায় আমনজিনকৈ থাকে, তথাপি কৈ গৈছে, "মানুহৰ মন বেয়া লগা বা ভাল লগা তেওঁৰ নিজৰ ইচ্ছাৰ ওপৰতে বহুত পৰিমাণে নিৰ্ভৰ কৰে।" আমি নিজক ধৈৰ্য্যশীল আৰু সন্তোষী হবলৈ শিকাব পাৰোঁ আৰু অসুখীয়া হবলৈও শিকাব পাৰোঁ। আমি যত্ন কৰি মহা বিপদৰ বাটত টান ভেটা মাৰিবও পাৰোঁ, আৰু বাট মোকলাই দি সৰুসুৰা বিপদকো আনি গিলিধৰা কৰিব পাৰোঁ। এতিয়া জানিব পাৰিছোঁ যে, আমি নিজক ভাললৈও ঢাল খুৱাব পাৰোঁ, আৰু বেয়ালৈও কটীয়া কৰিব পাৰোঁ। সকলোকে আনন্দ মনেৰে চোৱা আৰু জীৱনক আশান্বিত কৰা অভ্যাসকো আন আন অভ্যাসৰ দৰে আমি চিৰকলীয়া কৰিব পাৰোঁ। "কোনো ঘটনাৰ ভাল ভাললৈহে চোৱা অভ্যাসটি বছৰি লাখ টকাতকৈও মূল্যবান।" জ্ঞানী জন্‌চন চাহাবে কোৱা এই কথাটি আমি নহয় বুলিব নোৱাৰোঁ।

প্ৰকৃত আত্মশিক্ষা আৰু আত্মদমন এই গুণ দুটিয়েই ধাৰ্ম্মীক মানুহৰ প্ৰধান অঙ্গ। মানুহ ধীৰ আৰু চাৰিওফালে চকু ফুৰুৱা হব লাগে। বেয়াক উকলিয়াই ভালক গিলিব লাগে। জীৱনৰ সজ বাটত আগ বাঢ়ি যাব লাগে। বিবেকৰ বশীভূত হব লাগে। বিপদক হেঁচা দিব লাগে আৰু আপদত সাহ আৰু ধৈৰ্য্যেৰে থাকিব লাগে। আধ্যাত্মিক বলেৰে পাৰ্থিৱ পাপ-সমূহক যুদ্ধত জিনিব লাগে। হৃদয়ত ধৰ্ম্মগছজুপিক তললৈ শিপা

মেলিবলৈ দিব লাগে ; আৰু কৰ্ত্তব্য কাৰ্য্যত ভাগৰ হব নালাগে। এইবিলাক উপদেশ মতে চলিব পাৰিলে, নিজৰ জীৱনত পৃথিবীকে স্বৰ্গ বুলি ভাবিবা।

---

# সহানুভূতি।

—— ঃ০ঃ——

লোকৰ মনৰ ভাবেৰে আমাৰ মনৰ ভাবৰ ঐক্যই সহানুভূতিৰ মূল আমাৰ চাৰিওফালে য'তে আমাৰ মনৰ প্ৰতিবিম্ব দেখোঁ, তাৰে সৈতে আমি মিলোঁ, তাকে সহানুভূতি দেখুৱাওঁ। ইয়াকে কৰা মানুহৰ লক্ষণ।

এই সহানুভূতিৰ বলত আমাৰ মানুহৰ সমাজ স্থাপিত হৈছে, পৰিয়ালৰ মাজত মিল আৰু একেজাতি মানুহৰ ভিতৰত ঐক্য ভাৱ। অকল যে আমি আনক সহানুভূতি দেখুৱাবলৈ ব্যগ্ৰ এনে নহয় ; আমাৰ অন্তৰে আনৰ সহানুভূতি সদাই বিচাৰে। যেয়ে আমাক সহানুভূতি দেখুৱায় তাকে ভাল পাওঁ, সেয়ে আমাৰ বন্ধু ; যেয়ে নেদেখুৱায় তাকে ভাল নাপাওঁ, তাৰে সৈতেই আমাৰ মতভেদ আৰু বিবাদ।

নিচেই কম বয়সৰপৰাই মানুহৰ মনত সহানুভূতি গুটি সিচা হয়। কেঁচুৱা লৰাই লোকে হাঁহিলে হঁহা আৰু কান্দিব খুজিলে ফেঁকুৰিবলৈ ধৰাই তাৰ প্ৰথমাবস্থা। পিচে, ক্ৰমে এই বৃত্তিৰ বিকাশ হয়। বহুত মানুহে একে ঠাইতে গোটখাই একেটা ভাব প্ৰকাশ কৰিলে আমাৰ মনেও সেই ভাবকে প্ৰকাশ কৰে। বেজাৰকৈ মন মাৰি থকা লৰা এটাক ৰঙিয়াল আন লৰা কিছুমানৰ মাজলৈ আনিলে, তাৰ মুখৰপৰা

ৰজিয়াল লৰাবিলাকক সহানুভূতি দেখুৱায়। সহানুভূতিৰ ই প্ৰথম অৱস্থা ।

কিন্তু, আনৰ ভাবেৰে আমাৰ ভাব মিলিলেই সহানুভূতি সম্পূৰ্ণ নহয়। লোকৰ মনত কি হব লাগে, তাক চাবলৈ আমাৰ মনেই দাপোনৰ স্বৰূপ। কোন সময়ত আনৰ মনত কোন্ ভাবৰ উদয় হয়, তাক সেই সময়ৰ আমাৰ মনৰ ভাবৰে সৈতে ৰিজালেই জানিব পাৰোঁ। কথাটো অলপ বিশদৰূপে বুজোৱা যাওক। যেনে, কোনো এটি মানুহ দুখত পৰিলে তেওঁৰ ভাব কেনে হয় তাক আমি সেই দুখত পৰিলে আমাৰ মনৰ ভাব কেনেকুৱা হয় তাৰে সৈতে মিলালেই সহজে বুজিব পাৰোঁ ; সেই মানুহটিৰ দুখত আমি দুখ অনুভৱ কৰিব পাৰোঁ, আৰু সুখত সুখ অনুভৱ কৰোঁ। লোকৰ দুখ বা সুখ দেখি তাক অনুভৱ কৰিলেই, সেই অনুসাৰে কাৰ্য্য কৰিবলৈ আমাৰ ইচ্ছা হয় ; অৰ্থাৎ দুখ দেখিলে সেই দুখ গুচাবলৈ যত্ন কৰিবলৈ আমাৰ প্ৰবৃত্তি জন্মে। সেয়েই সহানুভূতিৰ সম্পূৰ্ণাৱস্থা। দুখীয়াৰ দুখ দেখি যি সহানুভূতি হয়, তাৰে পূৰ্ণাৱস্থাৰ নাম দাক্ষিণ্যভাৱ ।

সহানুভূতিপূৰ্ণ মন কেনে সাঁচত ঢলা হব লাগে ?—প্ৰথমতে, আমাৰ মন এনেকুৱা হব লাগে যেন লোকৰ অলপ দুখ বা সুখ দেখিলেই আমাৰ মনো তুল্যভাবযুক্ত হয়। দ্বিতীয়তে, আমি লোকৰ মুখ বা আকৃতি দেখিয়েই তেওঁলোকৰ মনৰ ভাব কেনে তাক বুজিব পাৰিব লাগে। শেহত লোকৰ কোন্ অৱস্থাত আমাৰ মনৰ ভাব কেনে হব পাৰে, তাক কল্পনা কৰিব পৰা শক্তি থাকিব লাগে। মনত বেঁকা ভাব থকা মানুহৰ সহানুভূতি কম। সেই দেখি হিংসুক মানুহে সহানুভূতি দেখুৱাব নোৱাৰে।

লোকৰ সুখত আমাৰ যি সহানুভূতি হয়, দুখত তাতকৈ অনেক গুণে বেচি হয়। যি সহানুভূতি দেখুৱায় তাতকৈ যাক দেখুউৱা হয় তাৰ মনত বেচি ৰং লাগে। উমলি থকা সৰু লৰাটিৰ ধেমালিত ডাঙ্গৰে যোগ

দিলে বা আন কোনো ৰকমে তাৰ খেমালিত সহানুভূতি দেখুৱালে সি আনন্দত বিভোৰ হয়; দুখীয়াৰ দুখত আনে সহানুভূতি দেখুৱালে, দুখ কমে। সহানুভূতি পালে আমি অলপ বং পাওঁ এনে নহয়, সহানুভূতিৰ দ্বাৰা আমাৰ ধাৰণাবিলাক দৃঢ়ীভূত হয়। এটা লৰাই কোনো এটা কামত কৃতকাৰ্য্য হব পাৰিলে তাৰ নিজৰ শক্তিৰ সি যি ধাৰণা কৰিব পাৰিব, আন মানুহে তাক কৃতকাৰ্য্য হোৱা দেখি প্ৰশংসা কৰিলে সেই ধাৰণাশক্তি গধুৰ হব।

পৰস্পৰ সহানুভূতিৰ এই এটা লক্ষণ যে, যাক আমি সহানুভূতি দেখুৱাওঁ, সি আমাক ঘূৰি সহানুভূতি নেদেখুৱালে, তাৰ প্ৰতি আমাৰ সহানুভূতি নাথাকে। সেই বাবেই যাক আমি আপোনপেটীয়া মানুহ বোলোঁ, তেনে মানুহে কেতিয়াও লোকৰপৰা সহানুভূতি পাবলৈ আশা কৰিব নোৱাৰে। বন্ধু-বান্ধৱৰ দুখ-সুখত সহানুভূতি প্ৰকাশ কৰোঁ। দ্বিতীয়তঃ, আমি এটা বা দুটাৰ প্ৰতি সহানুভূতি নেদেখুৱাই সহানুভূতিৰ ক্ষেত্ৰ বহল কৰোঁ। কোনো জাতীয় অনুষ্ঠান এটিৰ প্ৰতি আমাৰ যি সহানুভূতি হয়, সেয়েই এই বিধৰ।

এতিয়া কেনে অৱস্থাত আমাৰ সহানুভূতি জন্মিব পাৰে তাকে দেখা যাওক। পৰস্পৰ সহানুভূতি হব লাগিলে, দুয়ো পক্ষৰ মেজাজ, মনৰ ভাব ঐক্য হব লাগে, আৰু দুয়োপক্ষৰ মাজত ঘনিষ্ঠতা হব লাগে। সহানুভূতিতকৈ দয়া অলপ বেচি। দুখত পৰা, নিঃসহায় মানুহলৈ আমাৰ কোমল মৰমভাব এটি ওপজে, সেয়ে দয়া। দয়া সহানুভূতিৰ এবিধ বলী অৱস্থা; অৰ্থাৎ সহানুভূতি বাঢ়িলে বা গাঢ় হলে দয়াত পৰিণত হয়। এনেকুৱা সহানুভূতি দেখুৱাত সদাই আনন্দৰ চিন থাকে।

আমি আগেয়ে কৈছোঁ যে, কম বয়সৰপৰাই লৰাৰ মনত সহানুভূতিৰ উদ্ৰেক হয়। ডাৰউইনে কৈছে, তেওঁৰ ছমহীয়া লৰা এটিয়ে তাৰ

মাথোন ভগন কৰিব লাগে । মানুহ যিমানেই ডাঙ্গৰ হওক, আপোনাৰ বৈষয়িক সম্পত্তিৰ আপুনি চাওঁতা হোৱা কেতিয়াও সামান্য লোকৰ কৰ্ম্ম বুলি ভাবিব নালাগে । যিবিলাকে আপোনাৰ সম্পত্তিৰ পৰ্য্যবেক্ষণৰ ভাৰ আপুনি লবলৈ মন নকৰে, সিবিলাকে কোনো কাৰ্য্যকাৰক নিযুক্ত কৰিবৰ সময়ত উপযুক্ত লোক বাছোঁতে বহুত কষ্ট পায়, আৰু সময়ানুসাৰে সেই কৰ্ম্মকাৰকো পৰিবৰ্ত্তন কৰিব লগাত পৰে । নহলে, বহুদিনৰ পুৰণি হৈ সেই কৰ্ম্মকাৰকে বিষয় অধিকাৰীৰ মন বুজি লয়, আৰু শেহত গৰাকীৰ সৰ্ব্বনাশ কৰি স্বাৰ্থ সিদ্ধি কৰে ।

খোৱা-লোৱা আদি কাৰ্য্যত অধিক ভগন হলে পিন্ধন-উৰণ আদিত সেই অনুসৰি কম ব্যয় কৰিব লাগে । সেই দৰেই কোনো এফালে অধিক ভগন কৰিলে, আন ফালে সেই অনুসৰি ব্যয় কমাবলৈ চাব লাগে । নহলে, চাৰিওফালে একে সময়তে হাতৰ মুঠি মুকলি কৰি দিলে অতি সোনকালে উছন যোৱাৰ আশঙ্কা ।

যদি ঋণগ্ৰস্ত হোৱা যায়, তেন্তে সেই ঋণ ক্ৰমে ক্ৰমে হে পৰিশোধ কৰা যুগুত । হঠাৎ সম্পূৰ্ণকৈ ঋণমুক্ত হবৰ অভিপ্ৰায়ে বিষয়াদি সম্পত্তি হস্তান্তৰ কৰিবলৈ বিচাৰিলে বিশেষ ক্ষতিগ্ৰস্ত হোৱা যায় । ক্ৰমিক পৰিশোধৰ আৰু এটি মহৎ গুণ এই যে, তাৰ দ্বাৰা সকলো বিষয়ৰ ব্যয়তে চকু ৰাখি চলোঁতে অৱশেষত মিতব্যয়িতাৰ অ[illegible]াস লাভ কৰা যায় । কিন্তু, হঠাৎ একেবাৰে ঋণমুক্ত হলে পুনৰায [illegible]নত পৰি পুনঃ ঋণগ্ৰস্ত হোৱাৰ আশঙ্কা থাকে । ঋণমুক্ত হব[illegible]া মানুহে অলপ ব্যয়তো হাতৰ মুঠি টানি ধৰা নিন্দনীয় নহয় । অতি সামান্য হলেও, ব্যয় সম্পৰ্কে সততে চোকাদৃষ্টি ৰখা উচিত । অলপ লাভ বা আৰ্জনৰ নিমিত্তে হেৰাথৰি খাই ফুৰা সামান্য লোকৰ কৰ্ম্ম হলেও, অলপ ব্যয়ৰ নিমিত্তে কাতৰ হোৱাটো তেনে সামান্য মানুহৰ ধৰ্ম্ম বুলিব নোৱাৰি । নিত্য

কৰ্ম্মত ব্যয় বঢ়াব লগীয়া হলে বিশেষকৈ ভাবি চোৱা উচিত। কিন্তু, বিশেষ লাগতিয়াল কাৰ্য্যত হাতৰ মুঠি অলপ ঢিলাই দিয়াটো বেয়া নহয়; কিয়নো, তেনে কাৰ্য্যৰ খৰচত বৰকৈ টানি ধৰিলে মান ৰক্ষা নপৰে আৰু লোকে নিন্দা ৰটে।

অতুল ঐশ্বৰ্য্যৰ গৰাকী হোৱাৰপৰাও বিশেষ একো লাভ নাই; বৰঞ্চ সেই ঐশ্বৰ্য্যৰ ৰখীয়া হৈ সময়ত সন্তাপ পাবলৈ হে আছে, আৰু তাৰ বাবে অনেক উচ্চ বিষয়ত মনোযোগ দিবলৈ অৱকাশ নোহোৱা হয়। অতুল ঐশ্বৰ্য্যৰ অধিকাৰী বুলি অভিমান কৰাটো কেৱল মূৰ্খৰহে কাম। মানুহৰ সাংসাৰিক বিপদলৈ চাই, আপদৰ কালত তৰিবৰ কাৰণ অৰ্থ সঞ্চিত ৰখা যুক্তিযুক্ত যেন দেখা যায় হয়, কিন্তু কেৱল অৰ্থৰ বাবেই যে সৰহভাগ মানুহ বিপদত পৰিছে বা বিপদৰপৰা উদ্ধাৰ পাইছে এই কথাও ঠাৱৰকৈ কব পৰা নাযায়।

মইবৰ ভাব দেখাবলৈ বিস্তৰ অৰ্থৰ অধিকাৰী হবৰ নিমিত্তে আকাঙ্ক্ষা কৰাও নিতান্ত অনুচিত। ন্যায় পথত থাকি যি অলপ আৰ্জন কৰা যায়, তাতেই পৰিতুষ্ট থাকিব লাগে, আৰু সমুচিত দান-ভগন কৰিবলৈ বিমুখ হব নালাগে। কিন্তু, সাংসাৰিক মানুহে অৰ্থোপাৰ্জ্জনৰ ফালে একেবাৰে [illegible]ওকণীয়া হলেও [illegible]সিদ্ধি নহয়; সেই কাৰণে নিজৰ আৰু অন্যৰ উপকাৰৰ নিমিত্তে ন্যায় পথত থাকি অৰ্থোপাৰ্জ্জন কৰা কেতিয়াও নিন্দনীয় বুলিব নোৱাৰি। হঠাৎ একেবাৰে বা অতি শীঘ্ৰে সঙ্গতিপন্ন হবলৈ বিতত্ হোৱাও নিতান্ত অন্যায়। কিয়নো, ধৰ্ম্মৰ ফালে পিঠি দি কোনোৱেই ঐশ্বৰ্য্যশালী হব নোৱাৰে; অথচ তেনে দৰে সঙ্গতিপন্ন হবলৈ বিতত্ হলে ধৰ্ম্ম ৰক্ষা পৰাটো টান হয়।

সঙ্গতিপন্ন হোৱাৰ সকলো প্ৰকাৰ উপায়ৰ ভিতৰত মিতব্যয়িতাৰ অভ্যাসেই সকলোতকৈ শ্ৰেয়ঃ। কিন্তু, এই উপায়ো সম্পূৰ্ণৰূপে দোষশূন্য

নহয় ; ইয়াৰ দ্বাৰা দানধৰ্ম্মত আৰু নিতান্ত দীন-দৰিদ্ৰ লোকৰ প্ৰতি দয়া প্ৰদৰ্শনত ব্যাঘাত জন্মাৰ আশঙ্কা থাকে ।

কৃষি কাৰ্য্যতো বিস্তৰ লাভ আছে, আৰু সেই কাৰ্য্যত হাত দিলে অতি সোণকালে সৌভাগ্যৰ উদয় হোৱাৰ সম্ভৱ । কৃষি কাৰ্য্যৰ দ্বাৰা সঙ্গতিপন্ন হবলৈ যত্ন কৰাত, অন্যায়-অধৰ্ম্মৰ লেশমাত্ৰও নাই ; অথচ যথেষ্ট মূলধন লৈ এই কাৰ্য্যত হাত দিলে আশাতীত লাভ কৰিব পাৰি ।

বাণিজ্য ব্যৱসায়ো অৰ্থোপাৰ্জ্জনৰ এটি প্ৰধান উপায়, আৰু ইয়াতো কোনো দোষ থকা দেখা নাযায় । বিশেষতঃ, পৰিশ্ৰম স্বীকাৰ কৰি, সকলোৰে ওচৰত সজ ব্যৱহাৰৰে চলি সেই কাৰ্য্য চলাব পাৰিলে তাত বিস্তৰ লাভ আছে । কিন্তু, কোনো ব্যৱসায় এদনীয়া কৰি নিজেই সেই বিষয়ৰ লাভালাভৰ সৰ্ব্বাধিকাৰী হবলৈ চোৱাটো কেতিয়াও সজ বুলিব নোৱাৰি । অনেক লোকে লগ লাগি কৰা কাৰবাৰতো বিস্তৰ লাভ আছে । বিশেষ, সমজুৱাবিলাকৰ ভিতৰত অন্যায়ৰূপে কোনেও কাকো প্ৰৱঞ্চনা কৰিবলৈ চেষ্টা নাৰাখিলে এনে কাৰবাৰ সবাতোকৈ উত্তম ।

কোনো নতুন কাৰবাৰৰ নতুন উপায় উদ্ভাৱন কৰি লব পাৰিলে তাৰপৰাও অতি সহজে সৌভাগ্যৰ উদয় হয় । বিশেষ, সময়ৰ গতি বুজি উত্তম ছেগ মতে সেই উপায় উদ্ভাৱন কৰিব পাৰিলে, নিতান্ত নিঃকিন আৰু দৰিদ্ৰ মানুহো সোনকালে আঢ্যৱন্ত হব পাৰে । যি ব্যৱসায়ত লাভ হোৱাটো ঠাৱৰ, তাত লাভ সততে অধিক নহয় ; আৰু যি ব্যৱসায়ত বিস্তৰ লাভৰ আশা থাকে, তাত সমূলঞ্চে হানি হোৱাৰো আশঙ্কা । এতেকে, যি কাৰবাৰত হানি হলেও মূলৰ ক্ষতি নহয় বা এবাৰৰ ক্ষতি আন বাৰত পূৰাব পাৰি, তেনে কাৰবাৰত হাত দিয়াহে যুগুত ।

ৰজাঘৰীয়া বিষয় বাবৰ বলেৰেও অনেকক সঙ্গতিপন্ন হোৱা দেখা যায় ; কিন্তু খাটনি ধৰি বা অযথা উপাসা কৰি আনৰ অনুগ্ৰহৰ বলেৰে

সঙ্গতিপন্ন হবলৈ বাঞ্ছা কৰাটো উন্নত আৰু তেজীমনা মানুহৰ কাৰ্য্য নহয়। বিশেষ, সততে সহজ পথত থাকি ৰজা, বা উপৰীয়াজন, কিম্বা গুৰুজনৰ মন যোগোৱা নিচেই সহজ কাম নহয়। গতিকে, তেনে বিষয়ৰ মৰমত সিবিলাকক সততে তুষ্ট ৰাখিবলৈ চাওঁতে নীতিৰ সীমা পাৰ হোৱা-টোও অসম্ভৱ নহয়। এনে অনেক মানুহ আছে, যিবিলাকে পৰৰ মৰণকালত বিষয়-সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ আশাৰে তাৰ সাংসাৰিক কাৰ্য্যত যোগ দিয়ে। এইবিধৰ মানুহক ওপৰৰ বিধতকৈও নীচ প্ৰকৃতিৰ বুলি ধৰিব লগীয়া। বাস্তৱতে, সততে পৰৰ ওপৰত ভাৰসা কৰা আৰু পৰৰ ভাগ্যৰ লগতে হৰিভৰ দি সংসাৰযাত্ৰী হোৱাটো জ্ঞানী লোকৰ পক্ষে নিতান্ত অসহনীয়।

যিবিলাকে অৰ্থোপাৰ্জ্জন সম্পৰ্কে নিতান্ত উদাসীন ভাব দেখায়, সিবিলাকৰ কথাও সিমান বিশ্বাসৰ যোগ্য নহয়। কিয়নো, সেইবিলাকে হয়তো অনেকবাৰ অৰ্থোপাৰ্জ্জনৰ অসৎ চেষ্টাত বিফলমনোৰথ হৈ, অন্তত সেই আশা মনৰপৰা আঁতৰ কৰি আওকণীয়া ভাও জুৰি আপোনাৰ মনক আপুনি প্ৰবোধ দিয়ে মাথোন।

কোনো বিষয়তে কৃপণ বা সৎকৰ্ম্ম সাধনত ব্যয় কৰিবলৈ কুণ্ঠিত হব নালাগে। কিয়নো, অৰ্থ চিৰকলীয়া নহয়; বৰঞ্চ সেই অৰ্থৰ অনেক শত্ৰু আছে। কোনো সময়ত হয়তো সেই অৰ্থ হাতৰ মুঠিতে হেৰায়। যেতিয়ালৈকে সি আছে, আত্মসন্তোগ আৰু দান-ধৰ্ম্মাদিৰ দ্বাৰা তাৰ সাৰ্থক কৰি লব লাগে। কিয়নো, মৃত্যুৰ সময়ত সেই অৰ্থ লগৰ লগৰীয়া নহয়। মৃত্যুৰ পাচত সেই বহু যত্নোপাৰ্জ্জিত অৰ্থ কোনোবা উত্তৰাধিকাৰীৰ হাতত পৰিব, বা আন কোনো কাৰ্য্যত নিয়োজিত হব। কিন্তু, তাৰ দ্বাৰা যে সেই অৰ্থৰ সদ্ব্যৱহাৰ হব এনে কথাও ঠাৱৰকৈ কব নোৱাৰি। কিয়নো, যদি উত্তৰাধিকাৰী নিচেই কোমল বয়সীয়া হয়, বা তাৰ মতি-গতি

অসৎ হয়, বা প্ৰথৰ নহয়, তেন্তে সেই অৰ্থ কিছুমান দুষ্ট আৰু অসৎ চৰিত্ৰৰ লোকে লগলাগি ক্ষয় কৰিব। তাৰোপৰি কোনো সৎকাৰ্য্যত নিয়োজিত হলেও যে সেই অৰ্থৰ সাৰ্থকতা মানি নিশ্চিন্ত হব পাৰি এনেও নহয় ; নিজৰ অনুপস্থিতিত সেই অৰ্থৰ সমুচিত তত্ত্বাৱধান লওঁতালৈ আশা কৰাও এক প্ৰকাৰ বিড়ম্বনা মাথোন ।

---

# জাতীয় প্ৰেম ।

জাতীয় প্ৰেম জাতীয় উন্নতিৰ ধৰণী স্বৰূপ। অমুক জাতি উন্নত হৈছে বুলিলে বুজিব লাগিব, সিবিলাকৰ জাতীয় প্ৰেম আছে, সিবিলাকে স্বজাতিৰ অৰ্থে আত্মোৎসৰ্গ কৰিব জানে। ইংৰাজ জাতি পৃথিবীৰ সপ্তাংশৰ অধীশ্বৰ ; ইংৰাজ-গৌৰৱ পৃথিবীময় ৰাষ্ট্ৰ ; ইয়াৰ ঘাই কাৰণ ইংৰাজৰ অকৃত্ৰিম জাতীয় প্ৰীতি, ইংৰাজৰ আসাধাৰণ আত্মত্যাগ। পাঠকসকলৰ অৱগতিৰ অৰ্থে ইংৰাজ জাতিৰ বুৰঞ্জীৰপৰা সিবিলাকৰ অদ্ভুত জাতীয় প্ৰেমৰ উদাহৰণ দিয়া গল। পোন-প্ৰথমে সুবিখ্যাত ইষ্ট-ইণ্ডিয়া কোম্পানী বেপাৰ কৰিবৰ অৰ্থে হে ভাৰতবৰ্ষলৈ আহিছিল। তেতিয়া তেওঁলোকৰ একো ৰাজকীয় ক্ষমতা নাছিল, তেতিয়া সিবিলাক সাধাৰণ সদাগৰ মাথোন। সেই কালত ৰাজলক্ষ্মীয়ে মোগল বংশৰ অঙ্ক শোভা কৰি আছিল, মোগল ৰাজদণ্ডৰ ওচৰত গোটেই ভাৰত তলমূৰ হৈ ৰৈছিল ; আজি যি ব্ৰিটিচ-সিংহৰ গোজৰণিত ভাৰত তল-ওপৰ, কালত সেই জাতি মোগল সম্ৰাটৰ অনুগ্ৰহপ্ৰাৰ্থী মাথোন আছিল ! কালৰ কি বিচিত্ৰ গতি !!

জাহাঙ্গীৰ বাদ্‌ছাহৰ পাচত তেওঁৰ পুত্ৰ চাহজাহান বাদ্‌ছাহ দিল্লীৰ ৰজপাটত বহে। ইংৰাজৰ সৌভাগ্যৰ কাৰণেই হওক, নাইবা আন কাৰণেই হওক, সেই সময়ত চাহজাহান বাদ্‌ছাহৰ জীয়েক এগৰাকীক জুইয়ে পোৰে; ডাক্তৰ বৌটন চাহাবে বৰ পুৰুষাৰ্থেৰে চিকিৎসা কৰি সম্ৰাট-কন্যা প্ৰাণ ৰাখে। তাতে বাদ্‌ছাহে উক্ত ডাক্তৰৰ প্ৰতি সন্তুষ্ট হৈ তেওঁক উপযুক্ত বঁটা দিবলৈ খোজাত তেওঁ নিজ স্বাৰ্থলৈ হাবিয়াষ নকৰি জাতি-সাধাৰণৰ উপকাৰ মাথোন চিন্তি, যাতে কোম্পানীয়ে বিনা কৰে নিৰাপদে ব্যৱসায় কৰিব পাৰে সম্ৰাটস্ত তেনে প্ৰাৰ্থনা মাথোন জনায়, আৰু সম্ৰাটেও দ্বিৰুক্তি নকৰি তেওঁৰ প্ৰাৰ্থনা পূৰণ কৰে। তাৰ পাচত হামিল্টন নামেৰে আন এজনা ইংৰাজ ডাক্তৰ ফেৰোকৃছাত সম্ৰাটৰ স্নেহভাজন হয়; তেওঁ জাতীয় গৌৰৱকে শ্ৰেষ্ঠ মানি আপোন স্বাৰ্থলৈ পিঠি দি সম্ৰাটৰপৰা কোম্পানীৰ হকে কিছুমান ক্ষমতা খুজি লয়। চোৱাঁ পাঠক, ইংৰাজ জাতিৰ কেনে অত্যদ্ভুত জাতীয় চেনেহ, আৰু কেনে অসাধাৰণ আত্মত্যাগ। এই দুজনা ইংৰাজে সম্ৰাটৰপৰা স্থানীয় বৃত্তি, নাইবা ভূ-সম্পত্তি লোৱা হলে তাৰ দ্বাৰা পুত্ৰ-পৌত্ৰাদি ক্ৰমে মহাসুখে সংসাৰযাত্ৰা নিৰ্ব্বাহ কৰিব পাৰিলেহেঁতেন। কিন্তু এই স্বাৰ্থৰ কথাই সিবিলাকৰ হৃদয়ত এবাৰো নেখেলালে! ইংৰাজৰ বুৰঞ্জীত, ইংৰাজৰ মাজত এনে অলেখ উত্তম দৃষ্টান্ত দেখিবলৈ পোৱা যায়, কিন্তু বাহুল্যৰ ভয়ত সেইবিলাকৰ উল্লেখ কৰা নগল। যি জাতিৰ এনে গভীৰ জাতীয় প্ৰেম সেই জাতিৰ বহুল উন্নতি একো বিচিত্ৰ নহয়।

বৰ পৰিতাপ আৰু বৰ লাজৰ কথা যে, ভাৰতবাসীয়ে জাতীয় প্ৰেমৰ মৰ্য্যাদা নাজানে, জাতীয় উন্নতিৰ অৰ্থে স্বাৰ্থত্যাগৰ ক্ষমতা ভাৰতবাসীৰ নাই। প্ৰমাণ দি কব পাৰি যে, ভাৰতবাসীৰ জাতীয় প্ৰেম নাই, ভাৰত-বাসীৰ স্বাৰ্থত্যাগ নাই। ভাৰতবাসীৰ জাতীয় প্ৰীতি নথকাৰ কাৰণেই

পাপাত্মা জয়সিংহে বিধৰ্ম্মীৰ হাতত স্বধৰ্ম্মীৰ স্বাধীনতা লোপ হোৱা দেখিও আনন্দত নৃত্য কৰি উঠিছিল; ব্ৰাহ্মণ পাৰিষদৰ চাতুৰ্য্যজালত শঠ-শিৰোমণি বখতিয়াৰ খিলিজিয়ে নিৰ্ব্বিৰোধে বঙ্গদেশ জয় কৰিবলৈ সক্ষম হৈছিল; কুলাঙ্গাৰ বদনচন্দ্ৰ বৰফুকনে কালসৰ্প স্বৰূপ মানক মাতি আনি অসম দেশ থাস্তাং কৰালে আৰু চিৰকালৰ নিমিত্তে অসমৰ স্বাধীনতাৰত্নও হেৰুৱালে! জাতীয় প্ৰেমৰ অভাৱতে ভাৰতৰ জাতীয় উন্নতি ঘনঘটাচ্ছন্ন —ভাৰতৰ জগদ্বিখ্যাত গৌৰৱ-সূৰ্য্য অস্ত গল।

পুৰণি আৰ্য্য হিন্দুসকলৰো যে জাতীয় প্ৰেম নাছিল আমি তেনেকৈ কোৱা নাই। তেও যে আজি ভালেমান দিন হল, হিন্দুবিলাকে জাতীয় প্ৰেম হেৰুৱাইছে তাত সংশয় ৰাখিব নোৱাৰি। বোধ কৰোঁ, যেতিয়া জাতিভেদ ঘটিল, যেতিয়া ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ চাৰিও জাতি নিজ নিজ স্বাৰ্থত অন্ধীভূত হৈ পৰিল, তেতিয়াই হিন্দুৰ জাতীয় প্ৰেম বোলাঁ, মানসিক উন্নতি বোলাঁ ,একতা বোলাঁ, সকলো লোপ পালে। ব্ৰাহ্মণ সৰ্ব্বেসৰ্ব্বা,—সকলো ক্ষমতা ব্ৰাহ্মণৰ স্বকীয়া হল। ক্ষত্ৰিয়ে ৰাজকীয় শক্তি পালে— বিদেশীয় শত্ৰুৰপৰা ৰাজ্য ৰক্ষা, দুষ্টৰ দমন আৰু শিষ্টৰ পালন ক্ষত্ৰিয়ৰ কৰ্ত্তব্য নিৰ্দ্ধাৰণ হল; বৈশ্যৰ ভাগত পৰিল বেহা, কৃষি আদি ব্যৱসায়; আৰু শূদ্ৰই পালে ওপৰত লিখা তিনি জাতিৰ পদসেৱা। নিজ নিজ স্বাৰ্থৰ নিমিত্তে ব্ৰাহ্মণ-ক্ষত্ৰিয়ৰ মাজত ভালেমান কন্দল হৈ গল। শেহত ব্ৰাহ্মণৰ অত্যাচাৰ সহিব নোৱাৰি ক্ষত্ৰিয় ৰাজকোঁৱৰ মহাত্মা বুদ্ধদেৱে জগতত সাম্যভাৱ ঘোষণা কৰিলে; তাতে আকৌ ধৰ্ম্মভেদ ঘটিল। ধৰ্ম্মভেদ আৰু জাতিভেদৰ সোঁতত পৰি হিন্দু জাতিয়ে চিৰকালৰ নিমিত্তে জাতীয় প্ৰেমৰ গভীৰ অৰ্থ পাহৰি গল!

# আত্মশিক্ষা ।

—০✱০—

মানুহ হলেই দোষ-গুণ দুইৰো ভাগী হব লাগে। এজন জ্ঞানী লোকে লিখি গৈছে, "মানুহৰ কীৰ্ত্তি কেতিয়াও ভ্ৰমত নপৰাটো নহয়, এবাৰ এটা ভ্ৰমত পৰি পুনৰায় সেই ভ্ৰমত নপৰাটো হে।" আমাৰ ঋষিসকলৰ "মুনীনাঞ্চ মতিভ্ৰমঃ" এই সাৰগৰ্ভ কথাষাৰো তাৰেই প্ৰমাণ মাত্ৰ। আমাৰ বুদ্ধিশক্তি যে অনেক কথালৈ অনাটন তাৰ প্ৰমাণ পদে পদে পোৱা যায়। কিন্তু, যদিও আমাৰ বল-বুদ্ধি সকলো অলপ, তথাপি আমাৰ নিজৰ ভ্ৰম দেখিবৰ জোখাৰে জ্ঞান আমাৰ আছে। এনেকৈ কওঁতে পাঠকে নাভাবিব যে, আমি সকলো কথাৰে দোষ-গুণ বুজিব পাৰোঁ; যথাৰ্থতে সেইটি নহয় বুলি অলপ ওপৰতে উনুকিউৱা হৈছে। আমাৰ ভ্ৰম দেখিবৰ জোখাৰে জ্ঞান আমাৰ আছে, এই কথাৰ মানে এই যে, সেই অলপ জ্ঞানেৰে দেখিব পৰা দোষেই আমাৰ অনেক থাকে। নিজেই ভাল বুলিব নোৱাৰা কামকে আমি কিমান কৰোঁ, আৰু নকৰাকৈ আমাৰ কেইটা দিন যায়, অলপ গমি চালেই পাঠকে বুজিব পাৰিব। আমি যতবোৰ বেয়া কাম কৰোঁ তাৰ প্ৰায় সকলোকে বেয়া বুলি জানো, তেও ইন্দ্ৰিয়ভোগত লুব্ধ হৈ বা ৰিপুৰ বশ হৈ ঘূৰি ঘূৰি আকৌ তাকে কৰোঁ। পূৰ্ব্বে বেয়া বুলি নজনা আৰু মনে-চিতে ভাল বুলি ভবা, পৰিশেষত বেয়া প্ৰমাণিত হোৱা কাৰ্য্যও অকস্মাৎ এটি-দুটি ওলাব পাৰে; কিন্তু আমাৰ দোষ যে অধিকাংশই পাচৰ শ্ৰেণীৰ অতি কম হে, তাক বোধ হয় কোনেও অস্বীকাৰ নকৰে। কাৰ্য্যৰ দোষ-গুণ পূৰ্ব্বে বুজিয়েই বা নুবুজাকৈয়ে

যেনেকৈ হওক আমি এটা নকৰিব লগা কাম কৰি যেতিয়া নিজৰ ভ্ৰম নিজে দেখিবলৈ পাওঁ, তেতিয়া অনেক সময়ত আমাৰ মনত বৰ বেয়া লাগে । বিশেষকৈ, জানি-শুনি নাযাব লগা বাটে যোৱাটো হল বুলি জানিব পাৰিলে সময়ে সময়ে মনত অতি কষ্ট হয় । তেতিয়া মনত "কিয় এই কাম কৰিলোঁ, কিয় অমুকটো নকৰিলোঁ, তাকে কৰা হলে মোৰ এনে হবলৈ নাপায়" ইত্যাদি ভাব আহিবলৈ ধৰে, আৰু "এনে কাম ভৱিষ্যতলৈ নকৰোঁ" এনে এটি সঙ্কল্প কৰিবৰো মনে মনে ইচ্ছা হয়, বা নকৰোঁ বুলি খোলাখুলিকৈ কৈ পেলোৱাই হয় ।

পাঠক, তুমি যদি এনে অৱস্থাত কেতিয়াবা পৰিছিলা আৰু এনে সঙ্কল্প কেতিয়াবা কৰিছিলা, তেনেহলে বুজিব পাৰিবা, একোটা আপুনি কৰা কামেনো আমাক কেনে অনুতাপত পেলায় । তেতিয়া তোমাৰ মনত এনেবিলাক ভাব নাহে নে "মোৰ কিবা এইটো কথা বেয়া বুলি জনা নাছিল নে ? সিদিনাও দেখোন অমুক সময়ত অমুক ঠাইত ঠিক এনেবোৰ কামকে কৰিছিলোঁ, সেই দিনাও দেখোন মোৰ ঠিক এনে এনে অনিষ্টই হৈছিল ; তেনেহলে কিয় মই ঘূৰি তাকে কৰিলোঁ, কিয় আকৌ সেই ভ্ৰমতে পৰিলোঁ । ঠিক ভ্ৰমত পৰা নপৰাটো নিজৰ ইচ্ছা আৰু চেষ্টাৰ কথা ; ভাল-বেয়া জানিলেই নহয়, ভাল-বেয়া জানি কাৰ্য্যও সেই অনুসাৰে কৰিব লাগে । বুজিলোঁ, ময়ে মোক বাট দেখুৱাই নুফু-ৰালে আনে ফুৰাব নোৱাৰে । লোকে অধিক কৰিলে ভাল কিটো বেয়া কিটো দেখুৱাই দিলে ; ভালটো কৰা বা বেয়াটো কৰাত মোৰহে অধি-কাৰ ; মই নকৰো বুলিলে লোকে বলেৰে কিমান কৰাব ? ময়েহে মোৰ কৰ্ম্মৰ নিমিত্তে দায়ী ; বেয়া কৰিলেও ময়ে হে ভুগিব লাগে, ভাল কৰিলেও মোৰেহে সন্তোষ । নিশ্চয় আজিৰপৰা এনে কাম নকৰোঁ ।" এইৰূপে প্ৰথমে নিজৰ দোষ দেখা যায় আৰু তালৈ ঘিণ হয় ; দ্বিতীয়তঃ,

তাৰ বাবে অনুতাপ কৰা হয়; তৃতীয়তঃ, ঘূৰি সেই দোষ নকৰিবলৈ প্ৰতিজ্ঞা কৰা হয়। এই প্ৰতিজ্ঞাই আত্মশিক্ষাৰ সঙ্কল্প। নিজৰ দোষ দেখি আৰু সেই দোষ নিৰ্ম্মূল কৰাৰ নিজেই গৰাকী বুলি বুজি, তাক গুচাবলৈ নিজকে নিজে শিকোৱাই,—মুঠতে যতে লোকৰ হাত নাই তেনে এটা কথাত আপোনাকে আপুনি শিক্ষা দিয়াই আত্মশিক্ষা।

ভাল হবৰ সকলোৰে মন যায়, আত্মশিক্ষা নকৰিলে যে ভাল হোৱাটো ৰ্ৰৰ টান এই কথাও প্ৰায় সকলোৱে বুজে। গতিকে, আত্ম-শিক্ষা অভ্যাস কৰিবলৈ অনেকৰ মন যায়। কিন্তু, শিক্ষাৰ গতি-গোত্ৰ নুবুজাৰপৰা শিক্ষাটি সুসম্পন্ন অলপ লোকৰ হে হয়।

আত্মশিক্ষাৰ উদ্দেশ্য কেৱল সাংসাৰিক ঐশ্বৰ্য্যাই হব নালাগে। অলপ ভাবি চালেই ধৰিব পাৰি যে আত্মাৰ সুদ্ধিয়েই হে ঈশ্বৰৰ ইচ্ছা, আৰু তাকে কৰিব পাৰিলে হে আমাৰ নিজৰ মনত নিৰ্ম্মল সন্তোষ লাগে। কোনোৱে ভুল কৰি সাংসাৰিক ঐশ্বৰ্য্যকে আত্মশিক্ষাৰ পৰীক্ষা বুলি ভাবে। সংসাৰী কথাত জয় নহলেই আত্মশিক্ষাৰ পৰীক্ষা নিয়মিতৰূপে হোৱা নাই বুলি ঠিৰাং কৰাটো উচিত নহয়। সাংসাৰিক ঐশ্বৰ্য্য যে বেয়া এইটো কথা আমি কোৱা নাই, কিন্তু অকল তালৈকেহে আত্মশিক্ষা লাগে বুলি ভাবিলে আত্মশিক্ষা নহয়,—এইটিহে কৈছোঁ। সংসাৰত সমৃদ্ধি-শালী হবলৈ অনেক উপায় কৰিব পাৰি, ধন-বস্তু পৰিশ্ৰম কৰিও কৰিব পাৰি। সেই কাৰণে, ধনবস্তু হোৱাই যদি আত্মশিক্ষাৰ উদ্দেশ্য হয়, তেনেহলে জঘন্য কাম কৰিবলৈকো সময়ে সময়ে মন যাব। সেই কাৰণে এই বিধৰ শিক্ষাক আত্মশিক্ষা বুলিব নোৱাৰি। আত্মশিক্ষাৰ উদ্দেশ্য হৈছে আত্মাক উন্নত কৰা, অধৰ্ম্ম এৰি ধৰ্ম্ম বাটে যোৱা, পৰমেশ্বৰৰ ইচ্ছা সম্পাদন কৰা। এই নিমিত্তেই পৰিণামদৰ্শিতাও ইয়াত নিয়মিতৰূপে হে থাটে, অধিককৈ খটাবলৈ গলে লাভ নহৈ হানি হে হয়। পৰিণাম-

দৰ্শিতাই ভাল-বেয়া কি তাকে দেখুৱাই দিব পাৰে, তাতকৈ বেচি কৰিব নোৱাৰে। আৰু আত্মশিক্ষাৰ গোটেইটো ভাৰ পৰিণামদৰ্শিতাকে দিলে উপকাৰ নহৈ অপকাৰ হে হয়। পৰিণামদৰ্শিতাৰ বলত ৰাজসম্মানো পাব পাৰিব পাৰা, জগতকো জয় কৰিব পাৰা, কিন্তু যথাৰ্থ সজ কাম কৰি, সজ কাম কৰাৰ ফল স্বৰূপ যিটো নিৰ্ম্মল সন্তোষ আমি লভোহঁক সেই সন্তোষ এনে চুটিঠেঙ্গীয়া আত্মশিক্ষাৰপৰা হব নোৱাৰে; দুৰ্দ্দান্ত মনক পৰমেশ্বৰৰ চৰণে নদমালে দমাওঁতা নাই। সেই কাৰণে ঈশ্বৰত ভক্তি কৰি তেওঁৰ চৰণতে মতি থৈ, আত্মশিক্ষাত এখোজ-দোখোজকৈ আগ বাঢ়িব লাগে। আমাক সজ পথত প্ৰবৰ্ত্তাবলৈ, আমাৰ মনক সজ কামত ৰাখিবলৈ ঈশ্বৰক প্ৰাৰ্থনা কৰাত আত্মশিক্ষাৰ বৰ সহায় হয়। প্ৰাৰ্থনা কিন্তু জিভা-লৰাই নাম ললেই আৰু দীঘল হৈ সেৱা কৰিলেই নহয়; মনে-প্ৰাণে প্ৰাৰ্থিত বস্তু আকাঙ্ক্ষা কৰিব লাগে, আৰু ঈশ্বৰৰ চৰণত চিত্ত উছৰ্গি দি অকপটে ভিক্ষা মাগিব লাগে। ঈশ্বৰৰ অগোচৰ একো নাই; তোমাৰ কিমান ভক্তি আৰু তেওঁক খোজা বস্তু পাবলৈ তোমাৰ ইচ্ছা কিমান প্ৰবল তাক ঈশ্বৰে বেচকৈ বুজে। কপটতা মানুহতে কৰিব নাপায়, ঈশ্বৰক স্তুতি কৰোঁতে কপটতা ৰখা কি জঘন্য কথা তাক মন কৰি চোৱাঁচোন।

আত্মশিক্ষাত আৰু এটি দোষ অনেকে কৰে। আত্মশিক্ষা আৰম্ভ হওঁতেই বা অলপ মাথোন হওঁতেই অনেকৰ আত্মবিশ্বাস এটি জন্মে। অৰ্থাৎ, নিজৰ দোষ দেখি মনত এই যে ভাববিলাক হয়, তাতে সেই ভাব অনুযায়ী কাম কৰি কিছু দিন চলিয়েই অনেকে বহুত হল বুলি ভাবে আৰু তাৰপৰা আগবাঢ়িব নোখোজে বা নোৱাৰে। তাতে অনেকৰ বিশ্বাস হয় যে, জানিব লগা জনা আৰু কৰিব লগা কৰা হল; ভাবে, ইমান কথা কোনে গুণিছে, বা ইমান কাম কোনে কৰিছে। তেওঁবিলাকৰ নিচিনা কত

কত মানুহে নিজৰ দোষকে দেখিবলৈ পোৱা নাই, দেখিও কন্তই এৰিব পৰা নাই। এনেবোৰ ভাব কৰি দোষেৰেই ভৰা জগত এখনি মনতে কল্পনা কৰি লৈ নিজে যি ফেৰা কৰিলে তাতে আনন্দত বিভোৰ হৈ আত্মশিক্ষাৰ উচ্চ শিখাত উঠিলগৈ বুলি ভাবে। অৰ্থাৎ, নিজৰ উন্নতি দেখিয়েই হক বা লোকৰ হীনতা দেখিয়েই হক, কিম্বা দুয়ো কাৰণৰ ভাব গোট খায়েই হক, মনত এটা অতিৰিক্ত আনন্দ বা অহঙ্কাৰ জন্মি আত্মশিক্ষাৰ বাটত ভেঁটা দিয়ে। লোকক হীন যেন দেখাই যদি এই আনন্দৰ কাৰণ হয়, তেনেহলে সি যে এটা ডাঙ্গৰ দোষ তাক কোৱাৰে আৱশ্যক নাই। কিয়নো, সি এবিধ দম্ভ, আৰু মনত দম্ভ ৰাখি আত্মশিক্ষা কৰিব খোজা বিড়ম্বনা মাথোন। তদ্রূপৰি এনে কথাত দম্ভ কৰাও কাঠচিতীয়াৰ চিন্ নহয়নে ? যদি হয়, এইটি যেনে ঘৃণাৰ যোগ্য সিটিও তেনে ঘৃণাৰ যোগ্য। লোকৰ হীনতাৰে সৈতে সম্পৰ্ক নৰখাকৈ নিজৰ উন্নতি অনুমান কৰিয়েই মনত এটি সন্তোষ জন্মে; কাৰণ, নিজৰ ভাল হলে মনত ভাল লাগে, ই স্বাভাৱিক কথা। কিন্তু বৰ প্ৰবল হলে আনন্দই হানিৰ পথলৈহে নিয়ে। সেই গুণে এই বিষয়তো আনন্দক সীমা এৰি যাবলৈ দিলে সি খালত হে পেলায় গৈ। আৰু নিয়মমতে চালে ইয়াত অকল আনন্দ হোৱা উচিত নহয়। আনন্দ কৰিবৰ বিশেষ কথা নো কি ? তোমাৰ এটি দোষ আছিল তাকে দেখিলাঁ বা দেখি এৰিলাঁ। তুমি জানিবা এটা বাঘৰ মুখত পৰিছাগৈ, গম পাই প্ৰাণ ৰাখি পলালাঁ বা তাক মাৰি তোমাৰ জীৱন ৰাখিলাঁ। তেতিয়া তোমাৰ মনত কি ভাব আছে ? সেই বিপদলৈ মনত পৰি হাতে-ভৰিয়ে নকঁপেনে ? পাচতো সেই বিপদ মনত পৰিলে গা জিকাৰ খাই নুঠেনে ? কোনো এটা কু-অভ্যাস বা অসৎ স্বভাৱৰ হাত সাৰিলেও আমাৰ মনত ঠিক তেনে ভাব হে হব লাগে; তাত যি ফেৰা আনন্দ হয়, তাক যোৱা বিপদৰ ভয়ঙ্কৰ মূৰ্ত্তি দেখুৱাই দমাই ৰাখিব লাগে; নহলে বাঘৰ আগত

ছাগে ঢেও দিয়াৰ দৰেহে হয় । আনন্দত মতলীয়া হলে বা বিপদক দেখিবলৈ পোৱাৰ বাবেই তালৈ অশ্ৰদ্ধা হলে বিপদে মেৰাই ধৰিবলৈ বেচি চল হে পায় ।

আৰু এটা কথা । তুমি জানিবা এটা লৰা পঢ়াব লগা হৈছে । তেতিয়া তুমি সেই লৰাই কিমান শিকিছে, আৰু সম্প্ৰতি তাক কি শিকাব লগা হৈছে এই কথা জানি নোলোৱাঁ নে ? আত্মশিক্ষা অভ্যাস কৰিবলৈকো প্ৰথমে আত্মপৰীক্ষা কৰিব লাগে ; নিজৰ দোষ-গুণ সোপাকে ভালকৈ বুজি লব লাগে । ইয়াক কৰিবলৈ যাওঁতে কিন্তু আমি বিশেষ সতৰ্ক হব লাগে ; কিয়নো, আমাৰ স্বভাৱেই এই যে, নিজৰ দোষবোৰ ভালকৈ নেদেখোঁ ; আৰু অনেক সময়ত আমি অলপ দেখিয়েই সন্তুষ্ট হওঁ । নিজৰ গাত ঘা এডোখৰ হলে যেনেকৈ আমি লিৰিকি-বিদাৰি থাকিবলৈ বেয়া নাপাওঁ, পচি গলেও ধুই-পখালি যতনেৰে ঢাকি থওঁ, আৰু লোকে যিমান বিশ্ৰী দেখে আমি সিমান নেদেখোঁ ; কু-আচাৰ, কু-অভ্যাস আদি মনৰ ঘাকো আমি সেই দৰেই ঢাকি থবৰ চেষ্টা কৰোঁ আৰু নিজে তাৰ কদৰ্য্যতা ভালকৈ নেদেখোঁ, তাৰে সৈতেই উমলি থাকোঁ । কিছুমান দোষক দোষ বুলি ভাবিবলৈকো ভাল নাপাওঁ ; কিছুমান আকৌ দোষ বুলি জানো আৰু গুচাবৰ ইচ্ছাও কৰোঁ। কিন্তু তাৰ পৰিমাণ কি তাক ভালকৈ গমি নাচাওঁ, অলপ দেখিয়েই গোটেইটো দেখিলোঁ বুলি ভাবি সন্তুষ্ট থাকোঁ । এইবিলাক আত্মশিক্ষাৰ বিঘিনি । যথাৰ্থ আত্মশিক্ষা কৰিব খুজিলে নিজলৈ যি ফেৰা পক্ষপাতী ভাব থাকে তাক প্ৰথমে নিৰ্ম্মূল কৰি লব লাগে । অলপ কাম কৰি বহুত কৰিলোঁ যেন ভাবি আত্মগৌৰৱ কৰিবলৈ সৰহ জ্ঞান নালাগে, আৰু কৰাটো জ্ঞানীৰ লক্ষণ নহয় । পক্ষপাতী ভাব নিৰ্ম্মূল কৰিব নোৱাৰামানে এনে আত্মগৌৰৱ কৰিবলৈকো মন কোঁচ নাখাব, আত্মশিক্ষাও অলপ হে

হব। সেই কাৰণে আকৌ কওঁ, সেই পক্ষপাতী ভাব গুচাই নিজৰ দোষ-গুণৰ আচল অৱস্থা আৰু পৰিমাণ সুন্দৰকৈ বিচাৰ কৰিবলৈ অলপো লাজ নাপাবাঁ। এই কথাত যিমান দকৈ গুণিব পাৰি সিমান ভাল; ওপৰে ওপৰে চাই অলপ গুণিয়েই এৰি দিয়াটো আত্মবঞ্চনা মাথোন। তোমাৰ ইচ্ছা কি? বাস্তৱিকে ভাল হোৱাটো নে লোকক ভাল দেখুৱাটো? যদি ভিতৰি ভাল নহৈ বাহিৰে ভাল দেখুৱাটো হে তোমাৰ মন হয়, তেনেহলে জানিবাঁ সেই আশা কেতিয়াও পূৰণ নহয়; তোমাৰ আন আন দোষৰ লগত সি আৰু এটা দোষ যোগ হে হব। পিতলক সোণ বুলি এবাৰ দুবাৰ বেছিব পাৰিব পাৰাঁ; এদিন অৱশ্যে তাৰ আচল গুণ প্ৰকাশ পাব; তেতিয়া বেছোঁতাক হে নিলগতে ছেই ছেই কৰিব, পিতলক আৰু সোণ নোবোলে। এতেকে, তুমি যদি বাস্তৱিকতে ভাল হব খোজাঁ, তেন্তে তুমি আচলতে গুচাবলগীয়া কি কি দোষ তোমাৰ আছে তাক বেচকৈ জানিবলৈ চেষ্টা কৰাত অলপো ক্ৰুটী নকৰিবাঁ। সদাই মনত ৰাখিবা যে, তুমি যেন আপোনাকে আপুনি বঞ্চনা নকৰা। যেতিয়া জানিবাঁ যে, তুমি তোমাত নিজে সঁচা আছাঁ আৰু তোমাতে ঢাকিবলৈ তোমাৰ অলপো মন নাযায়, যেতিয়া জানিবাঁ যে দেখিবলৈ পোৱা সকলো দোষকে গুচাবৰ নিমিত্তে প্ৰাণপণে চেষ্টা কৰা যে অতি আৱশ্যক এইটি কথাও তোমাৰ মনত বেচকৈ ধাৰণা হৈছে, তেতিয়া দেখিবা কু-নীতিয়ে আৰু তোমাক ভুলাবলৈ সাহ নাপায়! কু-ৰীতি, কু-অভ্যাসে ভেজা লবলৈ ঠাই নাপাই আপোনা আপুনি পলাবলৈ ধৰিব। কিন্তু, যেতিয়ালৈকে মনত এইটি ঠিক কৰি বহুৱাই লব নোৱাৰাঁ যে, আত্মশিক্ষাই নিজৰ উন্নতিৰ প্ৰধান উপায় আৰু আত্মশিক্ষা অভ্যাস কৰিবলৈ নিজে নিজৰ দোষ-গুণ সম্পূৰ্ণৰূপে বুজি লব লাগে, তেতিয়ালৈকে আত্মশিক্ষাৰ বৰ শ্ৰীবৃদ্ধি হব নোৱাৰে।

নিজৰ উন্নতি সাধন কৰিবলৈ পূৰা মন হৈও আৰু অকপটে আত্ম-শিক্ষা কৰিবৰ ইচ্ছা কৰিও অভ্যাস কৰিবৰ নিয়ম ভালকৈ নজনাৰপৰা আত্মশিক্ষাৰ সকলো চেষ্টা নিষ্ফল হয় । এই বিধৰ সাধাৰণ দোষ এটা এই যে, আমাৰ দোষ-গুণৰ মূল কাৰণটো নিবিচাৰি কেতিয়াবা কেতিয়াবা ওপৰে ওপৰে মিছাতে খপিয়াই ফুৰোঁ । আমি ভাবোঁ যে, আমাৰ কাৰ্য্যবিলাকৰ ইটোৰে সিটোৰে একো সম্পৰ্ক নাই । এনে আত্মবিচাৰ সূক্ষ্ম বুলিব নোৱাৰি । ভাল আত্ম-শিক্ষা হবলৈ আত্মবিচাৰ সূক্ষ্ম হব লাগে, অৰ্থাৎ সকলোবোৰ দোষ গুণক চপাই অনা হব লাগে । আমি যি যি কাম কৰোঁহঁক সেইবিলাক কণাৰ দলি নহয়, সকলোবোৰৰে কৰ্ত্তা একো-একোজন হে, আৰু এটা এটা ৰিপুৰ বা এটা এটা সদ্‌গুণৰ ফলস্বৰূপ বহুত বহুত কাম এক এক শ্ৰেণীত পৰে । সেই কাৰণে, আমাৰ দোষ-গুণৰ বিচাৰ কৰোঁতে আমাৰ কোন কামৰ কি কাৰণ সেইটি ভালকৈ বিবেচনা কৰি ঠিক কৰিব লাগে । তোমাৰ জানিবা এটা বেয়া স্বভাৱ আছে, তাৰেপৰা এদিন এটা বেয়া কাম কৰিলা । যেনে, তোমাৰ খঙাল স্বভাৱৰ গুণে আজি এজনক টান কথা কৈ বেজাৰ দিলা ; পাচত মনত অনুতাপ পালা, মনে মনে ভাবিলা এনে কাম আৰু নকৰোঁ । আন এদিন আকৌ অলপ বেলেগ অৱস্থাত আন এজনক তাকে কৰিলা, সেইবাৰো সেই ভাবেই আহিল । এইৰূপে প্ৰতিবাৰেই একোটা বেয়া কাম কৰিছা বুলিও জানিলা, বাৰে বাৰে মনত ধিক্কাৰো লাগিল, বাৰে বাৰে পুনৰায় নকৰোঁ বুলিও ভাবিলা, প্ৰতিবাৰেই কি কি অৱস্থাত সেই কাম কৰা হৈছিল তাক মনত ৰাখিলা, আৰু পুনৰায় সেই অৱস্থা কেতিয়া পৰেহি, আত্মশিক্ষাৰ প্ৰমাণ কৰিবলৈ সেই সময়লৈ বাট চাই থাকিলা ; অৰ্থাৎ একেটা দোষৰেপৰা ভিন্ন ভিন্ন অৱস্থাত যি যি বেলেগ কাম কৰিলা তাৰ একো একোটাক বেলেগ বেলেগ একোটা দোষ বুলি ভাবি এটা এটা

কাৰ গুচাবলৈ ঠিক কৰি থলোঁ, আৰু সেই সময়ত মনত যি বেজাৰ লাগিল তাৰপৰা স্থিৰ কৰিলোঁ যে এইবাৰ দোষ সংশোধন নহৈ নোৱাৰে। আছিল তেনে এক কামৰ পাল; আগৰ মনৰ কষ্ট আৰু সঙ্কল্প মনত থাকিল যদি ভালেই হল, দোষটি নকৰিলোঁ, মনত সন্তোষ পালোঁ। যদি নাথাকিল আকৌ সেই দোষকে কৰি সেই কষ্টকে ভোগ কৰিলোঁ। তাৰ বাহিৰেও এই দুই সময়ৰ ভিতৰতে মূল দোষটিৰপৰা কতবোৰ একে শ্ৰেণীৰে দোষ কৰিলা ঠিক নাই, এইদৰে মূল দোষটি উলিয়াই নোলোৱাৰ বাবেই দোষৰ সংখ্যা সৰহ হৈ আটাইবোৰ মনত ৰখোৱা বৰ টান হয় আৰু যথাৰ্থতে একেটা বস্তুকে শ-ঠাইত দেখাৰ কাৰণেই শ-টা বুলি ধাৰ্য্য কৰাৰ নিচিনা হয়; গতিকে আমাৰ পৰিশ্ৰমো অনেক গুণে বাঢ়ে, কামো নিসিজে। এই নিয়মেৰে আত্মশিক্ষা কৰিলে আত্মশিক্ষাই গা কৰিব নোৱাৰে। গছজোপা থাকেমানে বহুৰত গুটি লাগিয়েই থাকিব; বাৰে বাৰে গুটি ছিঙ্গি কিমান তত পাবা? কিন্তু এবাৰ গুৰি কাটি দিলে গুটিৰ ওচৰলৈ নোযোৱা-কৈয়ে তোমাৰ অভীষ্ট সিদ্ধি হব। সকলো গৰ্হিত কামৰো গুৰিটো বিচাৰি লৈ তাতে কুঠাৰ লগাব লাগে, তেহে আত্মশিক্ষা নিয়মমতে হব। আমি যেইসেই এটা বেয়া কাম কৰিলে তাক কৰাত নো ঈশ্বৰৰ কোন আজ্ঞা লঙ্ঘন হল সেইটো চাব লাগে, আৰু সেই আজ্ঞা বুজিবলৈ আৰু পালন কৰিবলৈ উপায় চিন্তিব লাগে। ইয়াকে কৰিলেই দোষৰ গুৰিতেই কুঠাৰ দিয়া হব, এক এক শ্ৰেণীৰ বেয়া কাম লোপ পাবলৈ বাধ্য হব। এতেকে, আত্মশিক্ষা অভ্যাস কৰোঁতে আমাৰ কামবিলাক এটা এটাকৈ নধৰি সেইবিলাকৰ মূলসূত্ৰ কি তাক বিচাৰি উলিয়াই লব লাগ; আৰু কিমান দিনৰ মূৰত একেটা বেয়া কামকে ঘূৰাই কৰিলোঁ বা তাক কৰি-বলৈ প্ৰলোভন কি পৰিমাণে বাঢ়িল বা টুটিল ইয়াক নাচাই, ঘাই ৰিপুৰ শক্তি কিমান বাঢ়িছে বা টুটিছে তাক হে চাব লাগে। আদি পুৰি কেইটাক

টিপা মাৰি ধৰিব পাৰিলে আৰু সিহঁতক উকাবলৈ নিদি নষ্ট কৰিবৰ চেষ্টা কৰিলেহে আত্মশিক্ষা নিয়মমতে হব পাৰে, উন্নতিও চিৰস্থায়ী হব পাৰে। ইয়াক কৰাৰ এটা প্ৰধান উপায়,—যি দোষৰ বিপক্ষ যিটো গুণ, তাৰ চৰ্চ্চা কৰা। কোনো দোষৰ বিৰোধী গুণটো বঢ়াব পাৰিলে দোষ কমিবই লাগিব। সঁচা কবলৈ শিকিলেই মিছা নকবলৈ শিকা হব; ক্ষমা শিকিলেই ক্ৰোধ যাব। পৰিশ্ৰম কৰিবলৈ শিকিলেই এলাহ যাব। একোটা বস্তুতে একে বিধৰ দোষ আৰু গুণ দুইটা ৰব নোৱাৰে। বগা বেঁচ কৰামানে কলা কমিব। আমাৰ কাৰ্য্যবিলাকৰো সেইদৰে সিহঁতক ভালৈ আনিব খোজামানে বেয়া গুণ কমি যাব। অকল বেয়াকে নকৰোঁ বুলি থাকিলে নহয়—ভাল কৰিম বুলি প্ৰতিজ্ঞা কৰিব লাগে আৰু সেই অনুসাৰে কৰিবও লাগে।

ইয়াক কৰিবৰ এটা প্ৰধান উপায়,—কোনো এটা দোষ কৰিবলৈ প্ৰলোভনৰ যিবিলাক স্থল থাকে তাক এৰা। এটা বেয়া স্বভাৱ থাকিলে তাক গুচাবলৈ যি ঠাইত বা যি সঙ্গত সেই স্বভাৱৰ কাৰ্য্য হব পাৰে তাক এৰি, য'ত তেনে কাৰ্য্য হব নোৱাৰে তেনে ঠাই বা সঙ্গ বিচাৰি ললে সুবিধা নহবনে? যদি নিজৰ কৰ্ত্তব্য নকৰাটো তুমি পাপ বুলি জানিছা, আৰু তুমি তোমাৰ কৰ্ত্তব্য নকৰাৰ বাবে তোমাৰ মনত আত্মনিন্দা আৰু কৰ্ত্তব্য কৰিবলৈ শিকা তোমাৰ ইচ্ছা হৈছে, তেন্তে যি মানুহৰ নিজ কৰ্ত্তব্য অৱহেলা কৰা দস্তুৰ আছে সেই মানুহৰ লগ এৰি, যি মানুহে নিজ কৰ্ত্তব্য কৰাকে এটা সুখ বুলি মানে তেনে মানুহৰ লগ লোৱা তোমাৰ এটা উত্তম উপায় নহব নে? ধোঁৱাত থলে সোণো এলেন্দুৱা হয়, আৰু সোণৰ লগত কাঁচেও উজ্জ্বল বৰণ ধৰে, এই কথা গমি চালেই আমি কোৱা কথাৰ প্ৰমাণ হয়; নিজৰ মনক উন্নত কৰিলেই ইয়াক কৰিবলৈকো ইচ্ছা হব। হাতেৰে ভাঙ্গি কুঁৱলী গুচাব নোৱাৰি, কিন্তু অলপ ওপৰলৈ উঠিলেই কুঁৱলী

তলত পৰি থাকিব, তোমাক চুবকে নোৱাৰে। ওখলৈ উঠিবলৈ যেনেকৈ কুৰ্বলীৰ হাত সাৰিবলৈ ইচ্ছা হব লাগে, অসৎ সঙ্গ আদি এৰিবলৈকো প্ৰথমে ইচ্ছা হব লাগে; আৰু মনক উন্নত নকৰমানে, বেয়া কামক মনে-চিতে ঘিণাবলৈ নিশিকামানে সেই ইচ্ছা নহয়।

ওপৰত কৈ অহাবোৰ পাপ গুচাবৰ উপায়, ৰোগৰ ঔষধ। অকল তাকে মনত ৰাখিলে আত্ম-শিক্ষাৰ উপায় বুলি কেৱল সেইবিলাককে মানিলে, নৰীয়াক শুদা ঔষধ খুউৱাৰ দৰে হব। ৰোগীক অকল ঔষধ খুৱালেই আৰু পথ্য নুখুৱাই থলে ৰোগৰ উপশম হোৱা টান। গাত বল-শক্তি হবলৈ পথ্য বস্তু খুৱাবও লাগে। আমাৰ বেয়া অংশ গুচা-বলৈকো ভালৰ অংশক পোহ-পাল দিলেহে সুযোগ হয়। সকলো মানুহৰে বেয়া যিমানেই থাকক ভাল গুণ কিছুমান থাকে। এই ভাল গুণৰ উন্নতিলৈকো সততে চকু থাকিব লাগে। বেয়া স্বভাৱ গুচাবলৈ যিবোৰ গুণৰ চৰ্চ্চা কৰোঁহঁক তাৰ লগতে এইবিলাক সহায় হব। পুণ্যৰ সংখ্যা যিমান বাঢ়ে, পাপৰ সংখ্যা সিমান কমিব, পাপে থাকিবলৈ ঠাই নাপাই আপোনা-আপুনি পলাব লাগিব। পাপ সৰহ হলে পুণ্যে ঘিণত আঁতৰ হয়, পুণ্য সৰহ হলে কিন্তু পাপক দংশে।

কোনো লোকৰ এটি বিশ্বাস থাকে যে, পেটত ভাল ভাব থাকিলে মুখেৰে বা বাহিৰা কামত তাক প্ৰকাশ কৰা নকৰাটো একো কথা নাই। এইটি কিন্তু ভুল; তোমাৰ মনত অনেক ভাল ভাব থাকিব পাৰে, কিন্তু সেই ভাব অনুসৰি কাম কৰিব নোৱাৰিলে থকাৰ লাভ কি? ভাল ভাব মনত থকাত বেয়া নকৰি থাকিব পাৰিব পাৰোঁ; কিন্তু ভাল কৰাটো আৰু ক'ত হব? আমি অকল বেয়া নকৰাকৈ থকাই ঈশ্বৰৰ ইচ্ছা নহয়, আমাক দিয়া শক্তিকেৰা অপব্যয় নকৰি তাৰ জোখাৰে ভাল কামো কৰিব লাগে। নিজে দুখ কৰি উপাৰ্জ্জন কৰিব লাগে, এই কথা জানিলেই

নহয়, আৰ্জ্জিবও লাগে। তদুপৰি মনৰ ভাল ভাবক কাৰ্য্যত লগালেহে তাৰ উন্নতি হয় আৰু কেনেকৈ কৰিব লাগে তাক জানি নলগালে সেই ভাব অতি শীঘ্ৰে লোপ পাবৰ সংশয় থাকে। অঙ্ক কৰাৰ নিয়মটো শিকি অঙ্ক নকৰিলে নিয়মটোকে ভালকৈ বুজাই নহয়, বুজা হলেও বেগেতে পাহৰাইক; আন কি, নিয়ম বুজি অঙ্ক কৰি কিছুদিন ভালকৈ অভ্যাস কৰিলেও, কৰিবলৈ এৰি দিলে কিছুদিনৰ পাচতে আটাইবোৰ পাহৰি পেলাওঁ, আকৌ নকৈ শিকিব লগা হয়। আত্ম-শিক্ষাৰ বিষয়তো এইটো কথাই খাটে; ভাল কি তাক জানি সেই জ্ঞানক সততে কামত লগাই থাকিলেহে জ্ঞানটো পকা হয়। আৰু তাক পোৱাৰো উপকাৰ হয়; নকৰিলে সি জ্ঞান হোৱা নোহোৱা সমান, সময়ত হাতে পোৱাত নথকাই হবগৈও পাৰে। আত্ম-শিক্ষাত মনে-গাই লাগিব লাগে, ভিতৰৰ ভাবক বাহিৰৰ কামত দেখুৱাব লাগে, দেখুৱাটো একো বেয়া কথা নহয়। বাহিৰা জগতৰ সহায়ো আমাক লাগে, আৰু নিয়মিত পৰিমাণে লোৱাও চত। ঈশ্বৰে ভুল কৰি আমাক এই জগতত স্ৰজন কৰা নাই; বাজ-ভিতৰ দুইটা মিলাই ৰাখিব পৰাই যে আমাৰো জ্ঞানৰ চিন্।

আমাৰ মনে বহিৰ্জগতৰপৰা আৰু এবিধ সহায় বিচাৰে। যেই সেই এটা কাম কৰিবলৈ হলে অমুক দিনৰপৰা বা অমুক ঠাইলৈ গলে ইয়াক কৰিবলৈ আৰম্ভ কৰিম, এনে এটা ভাব আমাৰ মনলৈ আহে। এনে ভাব আমাৰ মনৰ দুৰ্ব্বলতা হলেও সি স্বাভাৱিক। সেই কাৰণে মনে অকলৈ শকত নহৈ এনেকুৱা অলপায়া সহায়ো যিফেৰা বিচাৰে তাকো নিঘিণাই নিয়মীয়াকৈ দিয়া উচিত। মনৰ দুৰ্ব্বলতা গুচাব পৰাটো, অৰ্থাৎ এনে কথাই আত্ম-শিক্ষাত ভেটা নিদিয়াকৈ ৰাখিব পৰাটো, অতি সুন্দৰ কথা; কিন্তু যেতিয়া নোৱাৰাঁ তেতিয়া তাক বলেৰে গুচাবলৈ গলে বিষিনি হে হব পাৰে। এনে এবিধৰ সহায় মনক দিবলৈ যাওঁতে অলপ সাৱধান

হব লাগে; তাৰ গুণ বাস্তবিকে যিমান, তাতকৈ সৰহ বুলিবলৈ মনক দিব নালাগে। এনেবিলাক কথাই আমাক সোঁৱৰণী দিব পাৰে আৰু আলচা কামটি কৰিবলৈ ঠিক কৰি থোৱা সময় পালেহি বুলি মনক উৎসাহ জন্মাই দিব পাৰে, ইয়াতকৈ সৰহ একো কৰিব নোৱাৰে, আৰু ইয়াৰ অধিক পাবলৈ আশা কৰাও অনিষ্টৰ হে মূল। আমি যাওঁ বুলিলে আনে বাট দেখুৱাব পাৰে, বাট টুটাব নোৱাৰে, বাট টুটুৱাৰ গৰাকী আমিহে। কাম কৰিবলৈ সময় ভাগ কৰি থলে ঘড়ীয়ে টং টং কৰি বাজি এই সময়তে এইটো ধৰিবৰ, এইটো এৰিবৰ হল বুলি আমাক সোঁৱৰাই দি' কাৰ্য্যত উত্তম সহায় হব পাৰে; আমাৰ মন নহলে আমাক কাৰ্য্যলৈ টানি নিব নোৱাৰে। এতেকে, এই বিধৰ সহায় কিমান পটু তাক নাপাহৰি উচিত পৰিমাণে ব্যৱহাৰ কৰা একো বেয়া নহয়।

শেহত আমি ইয়াকে কওঁ যে আত্ম-শিক্ষা কৰাটো বৰ টান; কিন্তু ঢিলা কামেৰে কেইটা ভাল কাম হয়? ইয়াত শিক্ষক আৰু ছাত্ৰৰ একে জনেই; সেই কাৰণে যদি বোলাঁ, ছাত্ৰে আওপাক মাৰিব হে খোজে, আমি কব পাৰোঁ ইয়াকে যে, শিক্ষকে নো আওপাক মাৰিব নোৱাৰিব কিয়? শিক্ষক টানমুখীয়া হলে, যিটি ছাত্ৰ পাইছা তেওঁ শিক্ষকৰ বশ হবই লাগিব। সেই গুণে যদি আত্মশিক্ষা ঢিলা নহয়, সাঁতৰি সাগৰ পাৰ হোৱাৰ নিচিনা টানো নহয়; মন কৰিলেই বহুত কৰিব পাৰি।

# জয়মতী কুঁৱৰী আৰু লাঙ্গি গদাপাণি।

ষোড়শ শতিকাৰ শেহ ভাগৰপৰা সপ্তদশ শতিকাৰ প্ৰাৰম্ভলৈকে আহোম ৰাজ্যৰ ভিতৰত এটা ভয়ঙ্কৰ বিপ্লৱ হৈছিল। প্ৰায় ৮।৯ বছৰৰ ভিতৰত আহোমৰ সিংহাসনত ছজনমান ৰাজপুৰুষ বহে। এই সময়ত মন্ত্ৰীসকলে ভালকৈ ৰাজকীয় ক্ষমতাৰ বিপক্ষে মূৰ পাতি উঠিছিল। ১৫৯২ শকৰপৰা ১৬০১ শকলৈকে যি ছজনা ৰজা হয়, তাৰে চাৰিজনে মন্ত্ৰীসকলৰ কোপদৃষ্টিত পৰি অকালতে প্ৰাণ হেৰুৱায়, এজন ধিক্কাৰ-বেজাৰতে আত্মঘাতী হয়, এজন হে স্বাভাৱিকৰূপে স্বৰ্গী হয়। এওঁলোকৰ পাচত চুলিকৃফা ৰজা হয় (১৬০১ শক)। এওঁ নিচেই কটাৰীগলীয়া আৰু ল'ৰামতীয়া মানুহ আছিল দেখি এওঁক সকলোৱেই লৰা-ৰজা বুলি মাতি-ছিল। এওঁ সিংহাসনত বহিয়েই কেনেবাকৈ মন্ত্ৰীসকলৰ ষড়যন্ত্ৰত আগৰ ৰজাসকলৰ দৰে অকালতে প্ৰাণ হেৰুৱাব লাগে বুলি ভয়ত আশঙ্কিত হবলৈ ধৰিলে। আগেয়ে মন্ত্ৰীসকলৰ কুমন্ত্ৰণাত যিসকল ৰাজপুৰুষৰ অপমৃত্যু ঘটিছিল, তেওঁলোকৰ সন্তান-সন্ততিবিলাকেও সতৃষ্ণনয়নে ৰাজসিংহাসনলৈ চাই আছিল। কোনোজনে বা গোহাঞি-ডাঙ্গৰীয়াসকলৰ গাতে আউজি কাৰ্য্য সাধিছিল, কোনো কোনো গোহাঞি ডাঙ্গৰীয়াই বা আন এজন কোৱঁৰৰ খাটনিত আকৌ পতা জনক বধি আন এজনক পাতিছিল। কোনোৱে বা আকৌ সেইজনকো বধ কৰিবৰ মনেৰে আয়োজন কৰি "ই মৰিলেই মই ৰাজ্য পাম" বুলি আশাতে বন্দী হৈ আছিল। এইদৰে কেইবা ফৈদতো ৰাজসিংহাসন আকাঙ্ক্ষা কৰা কোৱঁৰসকলৰ প্ৰাচুৰ্য্য দেখি লৰা-ৰজাই পেটে পেটে পৰামৰ্শ সাজি ছলে-চক্ৰান্তে এই ৰাজপুৰুষ-

সকলৰ অঙ্গক্ষত কৰি দিবৰ ফিকিৰ পাতিলে। এতিয়া ৰজা হব পৰা ফৈদবিলাকত বহুত কোৱঁৰ আছে দেখিহে মন্ত্ৰীসকলে তেওঁলোকৰ খাটনি এৰিব নোৱাৰি এজনক বধি এজনক ৰাজ্য দিয়ে, যদি সেই কোৱঁৰবিলাক অঙ্গক্ষতাদিৰ নিমিত্তে ৰাজপদৰ অযোগ্য হৈ থাকে, তেনেহলে ৰজাৰ সিংহাসন নিষ্কণ্টক হব।—লৰা-ৰজাই ইয়াকে ভাবি গুপ্তচৰ পঠিয়াই কেইবাজনো কোৱঁৰৰ অঙ্গক্ষত কৰালে। লৰা-ৰজাৰ এই কাৰ্য্যত কেৱল ৰাজ-কোৱঁৰসকলৰ অঙ্গক্ষতহে হল এনে নহয়, বহুত ৰাজকোৱঁৰক অন্যায়-ৰূপে বধ কৰাও হৈছিল।

যি সকল ফৈদৰ পৰা আহোম ৰাজ-সিংহাসনত ৰজা হব পাৰে, তাৰ ভিতৰত তুঙ্গখুঙ্গ ফৈদৰ বৰ নাম। কোনো জনৰ বংশগৌৰৱ উল্লেখ কৰি উপহাস কৰিব লাগিলে আজিও লৰা-তিৰোতা সকলোৱে “ইঃ নেদেখিছা এখেত জানিবা তুঙ্গখুঙ্গীয়া ফৈদৰ হে” বুলি হাঁহে। লৰা-ৰজাই আন আন ফৈদৰ কঠীয়া মাৰিলে হয়, তুঙ্গখুঙ্গীয়া ফৈদৰ ফালে তেওঁ একো কৰিব নোৱাৰিলে। সেই কাৰণে তেওঁৰ মনৰ আশঙ্কা নুগুচিল। এই ফৈদৰ গোবৰ ৰজাৰ লাঙ্গি গদাপাণি এজনা বৰ বাহুবলী কোৱঁৰ আছিল। দুটা-এটা গুপ্তচৰে তেওঁৰ অন্যায় কৰক ছাৰি কাষকে চাপিব নোৱাৰে। লৰা-ৰজাই সাপ মাৰ নেগুৰত বিষ এৰা বেয়া জানি, মানুহ এজাকক এই গদাপাণিক ধৰিবৰ নিমিত্তে পাচি দিয়ে। দুটা-এটা লোকলৈ যদিও ভয় কৰা নাছিল, সৰহ মানুহ দেখি আশঙ্কা কৰি ভাৰ্য্যাৰ অনুৰোধত গদাপাণি নগা পৰ্ব্বতৰ ফালে পলাই গল।

লৰা-ৰজাই গদাপাণি কোৱঁৰক ধৰিবলৈ মানুহ পচাৰ আগেয়ে কোৱঁৰে বিয়া কৰাইছিল। বৰগোহাঞি ফৈদৰ জয়মতীয়েই এওঁৰ প্ৰধান মহিষী, আৰু আমাৰ বৰ্ত্তমান প্ৰবন্ধৰ নায়িকা। গদাপাণি পলাই যোৱাত তেওঁ লৰা-তিৰোতা এৰি গৈছিল; লৰা-ৰজাৰ লোক সকলে গদাপাণিক

মৃৰত নাপাই, তেওঁ পলোৱাৰ বাতৰি পাই লৰা-ৰজাক জনালেগৈ। লৰা-ৰজাৰ মন ভয়ত বৰ বিচলিত হল। পিচে, তেওঁ গদাপাণিক ধৰিবৰ একোটো উপায় নেদেখি তেওঁৰ ভাৰ্য্যা জয়মতীক ধৰি আনিবলৈকে সেনা পাচলে। সেনাসকলে ৰাজাজ্ঞামতে জয়মতী কুৱঁৰীক ধৰি আনিলেগৈ। জয়মতী লৰা-ৰজাৰ ওচৰ পাওঁতেই ৰজাই সুধিলে, "গিৰিয়েৰ কলৈ গল ক ?" জয়মতীয়ে ৰজাৰ প্ৰশ্নৰ একো উত্তৰ নিদিলে। কেইবা-বাৰো প্ৰশ্ন হল, জয়মতীয়ে এবাৰো মাত একেষাৰকে নামাতিলে। পিচে, লৰা-ৰজাই জয়মতীক কুকুৰাচোৱা চাওদাঙ্গক সঁপি দি কলে, "যেনেকৈ পাৰ, দণ্ড কৰিয়েই বা আন কোনো উপায়েই হক এইৰ মুখৰপৰা গদা-পাণিৰ বাতৰি উলিয়া।" কুকুৰাচোৱা চাওদাঙ্গে জয়মতী ৰজাৰ আগৰপৰা আঁতৰাই নি বৰ্ত্তমান জয়সাগৰত য'ত নাগ বহুৱাইছে, তাতে জয়মতীক বান্ধি ধৰি নানা শাস্তি কৰি গদাপাণিৰ বাতৰি সোধে। জয়-মতীয়ে নীৰৱে সকলো যন্ত্ৰণা সহি থাকিল, তথাপি নিজৰ স্বামীৰ সম্পৰ্কে এবাৰো এটি কথাকে নকলে। এদিন-দুদিনকৈ ছয়-সাত দিন সেই ঠাইতে কুকুৰাচোৱা চাওদাঙ্গে জয়মতীক শাস্তি কৰি আছে, কিন্তু বৃথাই যন্ত্ৰণামাত্ৰ দিয়া হৈছে, তাৰ একো কাৰ্য্য হোৱা নাই--জয়মতীয়ে গদাপাণিৰ কথা নকয়। নিতৌ নিতৌ চাওদাঙ্গৰ যন্ত্ৰণাত জয়মতীৰ ক্ৰন্দনধ্বনিত দশোদিশ প্ৰতিধ্বনিত হৈ উঠিল। লাহে লাহে এই কথা নগা পৰ্ব্বতত পলাই থকা গদাপাণিৰ কাণত পৰিলগৈ। নিজৰ ভাৰ্য্যাৰ যন্ত্ৰণাৰ কথা শুনি তেওঁ নগাৰ বেশ ধৰি জয়মতীক চাবলৈ আহিল। ছদ্মবেশী গদাধৰে জয়মতীক লৰা-ৰজাৰ সেনাৰ হাতত নানাবিধ যন্ত্ৰণা আৰু লাঞ্ছনা ভূঞ্জা দেখিলেহি। পিচে, এসময়ত চল চাই তেওঁ জয়মতীৰ ওচৰ চাপি, চিনাকি নিদি, এইদৰে কলে :—"হেৰ মানুহজনী, তই কেলৈ যন্ত্ৰণা ভূঞ্জি মৰিছ, গিৰিয়েৰৰ কথা কৈ নিদিয় কিয় ?" প্ৰথম বাৰ এইদৰে সোধাত জয়মতীয়ে

একো উত্তৰ নিদিলে। উত্তৰ নাপাই ছদ্মবেশী গদাধৰ আঁতৰি গল। আকৌ ৰজাৰ সেনাই জয়মতীক তাড়না কৰিবলৈ ধৰিলেহি। সকলো চায় আৰু মূৰে-কপালে হাত দি গুচি যায়। ছদ্মবেশী গদাধৰে আঁতৰৰ-পৰা একান্ত মনেৰে অতি বিষণ্ণভাৱে জয়মতীলৈ আৰু সেই যন্ত্ৰণাকাৰী-বিলাকলৈ চাই থাকে, ধৰা পৰাৰ ভয়ত একো মাতিব নোৱাৰে, মাত দিলেই চিনি পাই ৰাজকীয় সেনাই ধৰি নিব; ধৰি নিলেই সাং। কিন্তু চাওদাং আৰু সেনাবিলাক আঁতৰি যোৱাত, গদাধৰ আকৌ জয়মতীৰ ওচৰ চাপিলহি। আকৌ আগৰদৰে কোৱঁৰে জয়মতীক সুধিলেগৈ; এইবাৰো তেওঁ একো উত্তৰ নাপালে। কিন্তু, এইবাৰ জয়মতীয়ে কোৱঁ-ৰক চিনি পালে। ভাবিলে যে, যাৰ নিমিত্তে তেওঁ এনে যন্ত্ৰণালৈকো কাণ কৰা নাই আৰু নিজৰ জীৱনকো উছৰ্গা কৰিবলৈ ধৰিছে, তেওঁ নিজেই ধৰা দি এতিয়া সকলো নাশ কৰে! জয়মতীয়ে জগদীশ্বৰ আৰু স্বামীগুৰুৰ চৰণ চিন্তি, বেতৰ কোব, ডোম চোৰাত, চমটা একোতে কেৰেপ নকৰি সতীত্ব তেজেৰে তেজস্বিনী হৈ লৰা-ৰজাৰ নৰঘাতী পাষণ্ডবিলাকৰ মনত বিস্ময় জন্মায়ে থাকিল, কিন্তু গদাপাণিৰ প্ৰাণে নসলে। তেওঁ তৃতীয়বাৰ জয়-মতীৰ কাষ চাপি সুধিলেগৈ,—“মানুহজনী, তই কেলৈ ইমান যন্ত্ৰণা সৈছ, গিৰিয়েৰৰ কথা কৈ ৰক্ষা পৰ।” কুৱঁৰীৰ এইবাৰ মনত বৰ বেজাৰ আৰু বিৰকতি লাগিল। তেওঁ কৃত্ৰিম ক্ৰোধ দেখুৱাই কোৱঁৰক এইবাৰ এই উত্তৰ কৰিলে:—“মোৰ গৃহস্থৰ কথা মই নকওঁ, ইবিলা ৰ বা কি হছে? ইবিলাকক কোনে ইয়ালৈ মাতিছে? গুচিবা নাযায় কিয়?” অৰ্থাৎ, ইবিলাকক কোনে ইয়ালৈ মাতিছে? গুচিবা নাযায় কিয়?” অৰ্থাৎ, ছদ্মবেশেৰে গদাধৰে তিনিবাৰ দেখা দিছেহি! যদি কেনেবাকৈ ৰজাৰ টেকেলাই গম পায়, তেনেহলে সকলো যন্ত্ৰণা লাঞ্ছনা বৃথাই যাব; এই ভবি জয়মতীয়ে “গুচিবা নাযায় কিয়?” বুলি গদাপাণিক গুচি যাবলৈ সঙ্কেত দিলে। জয়মতীৰ কথা শুনি গদাপাণিয়ে চন্দ্ৰ-সূৰ্য্যাদি দেৱতাক

সাক্ষা কৰি কলে, "মই লুকুৱাৰপৰা আহি তিনিবাৰ দেখা দি মোৰ কথা কৈ ৰক্ষা পৰিবলৈ কওঁহি; তেও এওঁ নুশুনিলে। এতিয়া আৰু মোৰ গাত একো প্ৰত্যবায় নাই।"

গদাপাণিয়ে এইদৰে কৈ আকৌ নগা পৰ্ব্বতৰ ফালে গলগৈ। চাওদাঙ্গে ১৫।১৬ দিন ওপৰত কোৰাৰ দৰে জয়মতীক শাস্তি দিও গদাপাণিৰ বিষয়ে একোকে উলিয়াব নোৱাৰিলে। শেহত স্বামীৰ চৰণ চিন্তি জয়মতীয়ে এদিন সেই পাপাত্মাপূৰ্ণ ঘৃণনীয় সঙ্গ পৰিত্যাগ কৰি, নশ্বৰ দেহ এৰি, চিৰস্মৰণীয় কীৰ্ত্তি ৰাখি, আহোমসকলৰ নাম পৱিত্ৰ কৰি, পৃথিবীৰ নাৰীসকলক পতিপ্ৰাণতাৰ উদাহৰণ দেখুৱাই, বৈকুণ্ঠধামলৈ প্ৰয়াণ কৰি দময়ন্তী, সাবিত্ৰীৰ শাৰীত স্থান অধিকাৰ কৰিলেগৈ। জয়মতীৰ দুটি লৰা আছিল; মাকৰ মৃত্যুৰ পাচত লৰা দুটিক এনাইদেউতাকে নিলে। এই লৰা দুটিৰ জ্যেষ্ঠটিয়েই আহোম ৰজাসকলৰ গৌৰৱ স্বৰূপ স্বৰ্গদেৱ ৰুদ্ৰসিংহ।

গদাপাণি নগা পৰ্ব্বততে ছদ্মবেশেৰে থাকিল। তেওঁ নাম্‌চাং, টাব্‌লুং ইত্যাদি নগা-পৰ্ব্বতবিলাকৰ আজি ইটো টিলাত, কালিলৈ সিটো টিলাত পলাই থাকি মাজে মাজে ভৈয়ামলৈ আহি পাণ, কচু, আলু, জলকীয়া ইত্যাদি বেচি জীৱিকা মোকোলাবলৈ ধৰিলে; মাজে মাজে লৰা দুটিকো শাহুয়েকৰ তাত চাই যায়। এনে এটা প্ৰবাদ আছে, এদিন হেনো গদাপাণি টাবলুং নগা পৰ্ব্বতত থকা ভূ পাই লৰা-ৰজাৰ সেনাবিলাকে গৈ তেওঁক তাতে বেঢ়ি ধৰিলে। সেই টাবলুঙ্গত বৰ ডাঙ্গৰ ঘৰ যেন শিল এটা আছিল। গদাপাণিয়ে সেই শত্ৰুৰ হাত সাৰিবৰ অৰ্থে সেই শিলটোৰ আৰ ললেগৈ। এনেতে, অকস্মাৎ পৰ্ব্বতৰ সেই বিশাল শৈলদ্বাৰ উদ্‌ঘাটিত হল। গদাপাণি তাৰ মাজতে সোমাই থাকিল। লৰা-ৰজাৰ সেনাই তেওঁক নাপাই উলটি আহিল। এই শৈলদ্বাৰৰ প্ৰকাণ্ড শিলটোক নগাইঁতে আজিলৈকে পূজা-পাটলাদি দিয়ে। আৰু

এদিন গদাপাণিক লৰা-ৰজাৰ সেনাবিলাকে সেই পৰ্ব্বতৰ মাজতে লগ পায়। সেই দিনাৰ সম্পৰ্কেও এটি অদ্ভূত ঔপন্যাসিক প্ৰবাদ আছে। লৰা ৰজাৰ চৰবিলাকে যেতিয়া গদাপাণিক কেইওফালৰপৰা বেৰি ধৰিলে, সেই সময়ত হেনো বৰগছ এজোপাত এজনা শ্যামাঙ্গী তিৰোতাৰ আবিৰ্ভাৱ হয়। তেওঁ সেই গছৰ ডাল এটাত মাটিলৈ ভৰি ওলোমাই বহি তেওঁৰ দীঘল লহঙ্গৰ (মেখেলা) তলতে গদাপাণিক সুমাই লুকাই ৰাখি শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰিলে।

এইদৰে ঘনাই বিপদত পৰা দেখি গদাপাণিয়ে নগাপৰ্ব্বত এৰি ভটীয়াই যাবৰ মন কৰিলে। কামৰূপৰ বন্দৰ বৰফুকন গদাপাণিৰ ভিনিহিয়েক। নগা-পৰ্ব্বতৰপৰা ভটীয়াই অহাত বাটতে সলালগোহাঞিয়ে তেওঁক চিনি পাই উক্ত বন্দৰ বৰফুকনৰ ওচৰলৈ যাবৰ নিমিত্তে গদাপাণিক পৰামৰ্শ দিলে। গদাপাণিয়ে তেওঁৰ পৰামৰ্শকে সাৰোগত কৰি কামৰূপলৈ গল। তাত প্ৰথমে পোহাৰী এজনীৰ ঘৰত, পাচত ব্ৰাহ্মণ এঘৰৰ আশ্ৰয়ত, তাৰ পাচে সেই অঞ্চলৰ চান্দকুটীয়া বৰুৱাৰ ঘৰত থাকে। কিন্তু, ইয়াত থকাও আপদশূন্য যেন নাভাবি তেওঁ ৰাণীগাৱঁলৈ আঁতৰি যায়। এই ৰাণীগাৱঁত গাৰোৱনী এজনীয়ে বৰ আতৌ-পুতৌ কৰি গদাপাণিক প্ৰতিপাল কৰে। এই গাৰোৱনীয়েই কামৰূপৰ বৰ্ত্তমান ৰাণীৰজাৰ বংশৰ মূল।

লাহে লাহে লৰা-ৰজাৰ অত্যাচাৰ বেচি হল। গদাপাণি বৰ বাহুবলী আছিল; সকলোৱে তেওঁ ৰাজ্যৰ হুলস্থূলবিলাক গুচাব পাৰিব যেন ভাবি তেওঁক বিচাৰিবলৈ ধৰিলে। ইতিমধ্যত বন্দৰ বৰফুকনে ৰাণীত গদাপাণি পলাই থকা ভূ পালে। পিচে, তেওঁৰ আৰু অন্যান্য ৰজা-বিষয়াসকলৰ সাহায্যত গদাপাণিয়ে ১৬০৩ শকত আহোম ৰাজসিংহাসনত উঠি কেনেকৈ গদাধৰসিংহ নাম গ্ৰহণ কৰি অসম ৰাজ্য শাসন কৰিছিল তাক

বুৰঞ্জীপাঠক মাত্ৰেই জানে। গদাধৰসিংহ স্বৰ্গদেৱৰ পৰকাল হোৱাৰ পাচত, ৰুদ্ৰসিংহ স্বৰ্গদেৱ ৰজা হৈ, তেওঁৰ মাতৃক লৰা-ৰজাৰ সেনাবিলাকে যি ঠাইত দণ্ড কৰি কৰি বধিলে, সেই ঠাই ডোখৰৰ ঘটনা চিৰস্মৰণীয় কৰিবৰ মনেৰে, সেই ঠাই ডোখৰ মাজ কৰি জয়মতী কুৱঁৰীৰ নামে "জয়-সাগৰ" নাম দি পুখুৰী এটা খনালে; আৰু তাৰ পাৰত "জয়দৌল" নামে এটা দৌল বন্ধালে। আজিও শিৱসাগৰ জিলাত এই "জয়সাগৰ" পুখুৰী আৰু "জয়দৌল" দৌলে জয়মতী কুৱঁৰীৰ যশস্তম্ভ স্বৰূপ হৈ নানা দিগ্-বিদেশত তেওঁৰ সুৰনাৰীসুলভ সতীত্বৰ পৰিচয় দি অমৰবাঞ্ছনীয় অক্ষয় কীৰ্ত্তি ঘোষণা কৰিব লাগিছে।

---

# আমাৰ বৰ্ত্তমান অৱস্থা।

(১৮১৩ শক)

—— ০:*:০ ——

আমাৰ বৰ্ত্তমান অৱস্থাৰ পৰিৱৰ্ত্তন-সোঁতৰ দ্ৰুতগতিৰ বিষয়ে, আৰু অতীত আৰু বৰ্ত্তমান অৱস্থাৰ পাৰ্থক্য আৰু দূৰত্ব সম্পৰ্কে বহলাই নকৈ এই প্ৰবন্ধত মুঠতে কোৱা যায় যে, দুটা পুৰুষৰ ভিতৰত আমাৰ বৰ্ত্তমান অৱস্থাৰ নিচিনা পৰিৱৰ্ত্তন, এনে পাৰ্থক্য, এনে দূৰত্ব সকলো সময়তে নঘটে। আমাৰ বৰ্ত্তমান অৱস্থাৰে সৈতে ইয়াৰ ঠিক আগৰ পুৰুষৰ অৱস্থা ৰিজাই চালে দেখা যায় যে, সভ্য জগতৰ কোনো ঠাইত কেতিয়াও ১৫০০ বছৰেও এনে পৰিৱৰ্ত্তন, পাৰ্থক্য আৰু দূৰত্ব ঘটা নাই। পছিমীয়া বুৰঞ্জী মেলি চোৱাঁ দেখিবা আদি, মধ্য আৰু বৰ্ত্তমান যুগৰ ভিতৰত ১৫০০ বছৰলৈকে পৰিৱৰ্ত্তন কালৰ ব্যৱধান আছে, ৫০০ বছৰৰ কম্ ব্যৱধান

নাই। তাৰ পাচে, আদি যুগৰ শেহাৱস্থাক বৰ্ত্তমান যুগৰ প্ৰথমাৱস্থাৰে সৈতে, আৰু আদি, মধ্য, বৰ্ত্তমান তিনিও যুগৰ প্ৰথমাৱস্থাক পৰস্পৰে ৰিজাই চোৱাঁ, দেখিবাঁ কোনো সময়তে আমাৰ বৰ্ত্তমান যুগৰ প্ৰথমাৱস্থা আৰু ইয়াৰ ঠিক পূৰ্ব্ব যুগৰ শেহাৱস্থাৰ ভিতৰত ঘটা পৰিবৰ্ত্তন, পাৰ্থক্য আৰু দূৰত্বতকৈ চৰিব পৰা নাই। ইয়াৰ কাৰণ এই যে, পছিম জগতৰ কোনো যুগতে আমাৰ বৰ্ত্তমান যুগৰ দৰে হঠাৎ আৰু একেবাৰে নতুন উন্নতিৰ পোহৰ পৰা নাই। কিন্তু, পছিম জগতৰ যুগান্তৰৰ বহুল ব্যৱধান আৰু পাৰ্থক্য থাকিলেও, তিনিও যুগত একে পোহৰৰ জিলিকনি পৰিছিল।

আমাৰ বৰ্ত্তমান অৱস্থা বা বৰ্ত্তমান যুগৰ আদি আৰু ইয়াৰ ঠিক পূৰ্ব্বাৱস্থা বা পূৰ্ব্বযুগৰ শেহ অৱস্থাৰ ব্যৱধান আৰু পাৰ্থক্য বংলাই দেখুৱাবৰ নিমিত্তে, আমাৰ বুৰঞ্জীকো সেইদৰে তিনি ভাগ কৰি আদি, মধ্য আৰু বৰ্ত্তমান তিনতা যুগ পাতি লোৱা যাওক। ধৰাঁ, অতিজবেপৰা আহোম ৰাজত্বৰ আৰম্ভণলৈকে আদিযুগ; আহোম ৰাজত্বৰ প্ৰাৰম্ভৰেপৰা ইংৰাজ ৰাজত্বৰ আৰম্ভণলৈকে মধ্য যুগ; আৰু ইংৰাজ ৰাজত্ব প্ৰাৰম্ভৰপৰা বৰ্ত্তমান যুগৰ আৰম্ভণ। এতিয়া ওপৰত কোৱা পছিমীয়া যুগান্ত আৰু যুগাৰম্ভণৰ দৰে আমাৰ এই তিনিযুগৰ প্ৰত্যেকৰ যুগান্ত আৰু যুগাৰম্ভণ ৰিজাই চোৱাঁ, আমাৰ মধ্য যুগৰ শেহাৱস্থা আৰু বৰ্ত্তমান যুগৰ প্ৰথমাৱস্থাৰ পাৰ্থক্যৰ দৰে আনকিলাকত নেদেখাঁ।

ইয়াকো মানিব লাগে যে, প্ৰাকৃতিক গতিয়েই পৰিবৰ্ত্তনশীল আৰু পৰিবৰ্ত্তনেই হে উন্নতিৰ চিন। এতেকে, ওপৰত দেখুৱা পৰিবৰ্ত্তনলৈ চাই, বৰ্ত্তমান আমাৰ বহুল উন্নতি বুলি আমি স্বীকাৰ কৰিব লগা হল। বাস্তৱতে, আমাৰ বৰ্ত্তমান অৱস্থা ইয়াৰ পূৰ্ব্ববৰ্ত্তী অৱস্থাৰ বহুল উন্নতিৰ ফল। এই খিনিতে কোৱা উচিত যে, সকলো প্ৰকাৰ উন্নতিৰে মূল

দুবিধ ;— দুদিনীয়া আৰু যুগমীয়া। সেই মূলে ভৱিষ্যতে কোন বিধৰ পৰিচয় দিয়েগৈ তাক উন্নতি আৰম্ভণৰ প্ৰথম ছাতি পোহৰতে সুন্দৰকৈ চিনিব পাৰি। কথাটো আৰু অলপ ফঁহিয়াই চালে বুজা যাব যে, আমি মধ্যযুগৰ শেহভাগত অমঙ্গলীয়া আন্ধাৰত পৰি আছিলোঁ, ইংৰাজ ৰাজত্বৰ লগে লগে মাথোন পছিমীয়া উন্নতি-পোহৰৰ চমকনি পাই পুনঃ সজাগ হবলৈ কাৰবাৰ কৰিছোঁ। এতিয়া, এই পোহৰৰ প্ৰথম জেউতিত বিজ্ঞ-লোকৰ দৰে উৎসাহিত হৈ উন্নতিৰ যথাৰ্থ পথত ভৰি দিব পাৰিলেই আমাৰ উন্নতি যুগমীয়া ; আৰু আগ-নুগুণা অজ্ঞৰ দৰে পৰৰ জেউতিতে মতলীয়া হৈ, আকৌ কল্পমতীয়াৰ লগাত পৰিলেই আমাৰ উন্নতি দুদিনীয়া।

পছিমীয়া, বা আমাৰ দেশৰ সাক্ষী চালেই দেখা যাব যে, আদি, মধ্য আৰু বৰ্ত্তমান তিনিও সময় প্ৰথমাৱস্থাই সকলো পৰিবৰ্ত্তন বা উন্নতি-সোঁতৰ প্ৰথম পাক। সৃষ্টিকৰ্ত্তা পৰমেশ্বৰে জগতত অজ্ঞান আৰু পাপৰ ভাৰ গুৰু হোৱা দেখিলে, ঠাই আৰু সময়ৰ গতি বুজি যেনে ৰূপে মহা-পুৰুষসকলৰ উদ্ভৱ কৰে, ঠিক সেইৰূপে তেনে কাৰণতে সময়ৰ গতি বুজি তেওঁ যুগপৰিবৰ্ত্তন-ঘটায়। মহাপুৰুষসকলৰ জীৱন যেনে ৰূপে ভৱিষ্যত জগতৰ আহি স্বৰূপ, সেইৰূপে সকলো যুগৰে প্ৰথমাৱস্থাকো যুগপৰি-বৰ্ত্তনৰ আহি বুলিব লাগে। পাৰ্থক্য এই হে যে, মহাপুৰুষসকলৰ কাৰ্য্য অসাধাৰণ,—এজনৰ দ্বাৰা কোটীজনৰ উপকাৰ সাধিত হয় ; যুগ পৰিবৰ্ত্তনৰ কাৰ্য্য সাধাৰণ—সমজুৱা চেষ্টাৰ গুণত সামাজিক উপকাৰ সাধিত হয়। এই খিনিতে আৰু এটি কথালৈ মন কৰিব লগীয়া ; সংসাৰত পৰিয়াল-বান্ধনী, সমাজ-বান্ধনী আৰু জগত-বান্ধনীৰূপে তিনটা বৃত্ত বা সম্বন্ধ-বেৰৰ মাজত হে এটা মানুহে কেন্দ্ৰৰূপে স্থিতি কৰে ; আৰু সম্বন্ধৰ ব্যাসাৰ্দ্ধ বা দূৰত্ব অনুসাৰে হে কেন্দ্ৰস্থিত মানুহে বেলেগ-বেলেগ পৰিধিৰ অন্তৰ্গত ঠাইৰ উন্নতি বা অৱনতি কৰিব পাৰে। এতেকে, মহাপুৰুষৰ

কাৰ্য্যতকৈ যুগপৰিবৰ্ত্তনৰ কাৰ্য্যৰে সৈতে সাংসাৰিক মানুহৰ ওচৰ সম্বন্ধ। বিশেষ মহাপুৰুষৰ কাৰ্য্য অতি দুৰ্ল্লভ আৰু অভাবনীয়। সাংসাৰিক মানুহ মাত্ৰেই যাহৈকে উন্নতি-সোঁতৰ প্ৰথম পাক, বা যুগপৰিবৰ্ত্তনৰ প্ৰথম সাঁচত হে গঢ় লয়। প্ৰত্যেক যুগৰে প্ৰথমাৱস্থাত উন্নতিৰ পথ-প্ৰদৰ্শক সকলে অতৰ্কিত ভাবে সমাজৰ উপকাৰ সাধোঁতে নিজে যেনে সাঁচত উঠে, অনুবৰ্ত্তী সেই যুগৰ মধ্য বা শেহাৱস্থাৰ লোকেও ঠিক সেই সাঁচতে গঢ় লয়। পছিমীয়া আৰু আমাৰ নিজা আৰ্হিস্বৰূপ মধ্য আৰু বৰ্ত্তমান যুগৰ প্ৰত্যেকৰে প্ৰথমাৱস্থাৰ গঢ় চাই এইটো প্ৰায় স্বতঃসিদ্ধ বুলিব পৰি যে, কোনো যুগৰে প্ৰথমাৱস্থাত পৰিবৰ্ত্তনৰ গঢ় ঠিক নাথাকে, বা তাৰ কোনো বন্ধা আৰ্হি নাই। যুগপৰিবৰ্ত্তনৰ প্ৰথমাৱস্থাৰ প্ৰথম আৰ্হিৰ কাৰ্য্য কৰোঁতাই অতৰ্কিতভাবে, অথচ অতি সাৱধানে, হাতৰ কাৰ্য্য সাধি গৈ থাকে, সেই যুগৰ কোনো এক অৱস্থাত হে সেই আৰ্হি-কাৰ্য্যে গঢ় লয়গৈ। সকলো যুগৰে প্ৰথমাৱস্থাটো অতি লাগতিয়াল; আৰু সেই অনুপাতে সি জগৰীয়াও। এতেকে এনে অৱস্থাৰ পথপ্ৰদৰ্শক বা পৰিবৰ্ত্তনৰ কাৰ্য্যকৰোঁতাসকলে প্ৰতিযোগতে কিমান যে সাৱধানে ভৰি পেলাব লাগে তাক ভালকৈ ভাবি চাব লগীয়া।

আমাৰ বৰ্ত্তমান অৱস্থা যে আমাৰ বৰ্ত্তমান যুগৰ প্ৰথম অৱস্থা, এই বিষয়ে বোধ কৰোঁ বহলাই কবৰ সকাম নাই। বিশেষ আমাৰ বৰ্ত্তমান অৱস্থাত যেনে উন্নতিয়ে পোহৰ দিছে, তেনে একেবাৰে নতুন আৰু অভাবনীয় উন্নতিয়ে যে কেতিয়াও কোনো যুগতে পোহৰ দিয়া নাই, এই কথা ওপৰত উনুকিওৱা হৈছে। এতেকে, আমি জগতত বৰ্ত্তমান আন্ধাৰ চুকৰ মানুহে যে এই পোহৰৰ অপূৰ্ব্ব জেউতি আৰু দৃষ্টিৰ অপূৰ্ব্ব পৰিবৰ্ত্তন দেখিবলৈকে, ই একো আচৰিত নহয়। এতিয়া, আমাৰ মিবিলাকে এই পোহৰৰ প্ৰথম জেউতিত উধাত নহৈ, যুগপৰিবৰ্ত্তনৰ প্ৰথম

কোবাল সোঁতত উটি নগৈ, ধীৰভাৱে আৰু বিজ্ঞতাৰে সৈতে সমাজক্ষেত্ৰ সকলো প্ৰকাৰে সাকৰা কৰিবলৈ, জাতীয় উন্নতিৰ গতি খৰতৰ কৰিবলৈ পৰিষত্ত্ব হোৱাকে নিজৰ স্বাৰ্থসিদ্ধি আৰু কৰ্ত্তব্যসাধনৰ ঘাই বাট জ্ঞান কৰিব, আৰু যশস্যালৈ আওকাণ কৰি উদাৰভাৱে বৰ্ত্তমান পৰিবৰ্ত্তনৰ পচ লগাবলৈ প্ৰবৃত্ত হব, সিবিলাকৰ জীৱনেই ধন্য, সিবিলাকেই বৰ্ত্তমান সমুচিত পুৰস্কাৰৰপৰা বঞ্চিত হলেও, এই যুগৰ মধ্য বা শেষাৱস্থাত ভবিষ্য-জগতৰ পূজনীয় আৰু চিৰস্মৰণীয় হব ।

---

# চেতন প্ৰাণী আৰু উদ্ভিদৰ পাৰ্থক্য কি ?

—:*:—

পৃথিবীত যিমান বিলাক বস্তু আছে, সকলো পৰমাণুৰ সমষ্টি । এই পৰমাণুবিলাক ইমান সৰু যে, সিহঁতক বৰ-ডাঙ্গৰ অণুবীক্ষণ যন্ত্ৰেৰেও প্ৰায় দেখা নাযায় । বেজীৰ আগত যিমান টোপা তেজ ধৰে সিও হাজাৰ হাজাৰ পৰমাণুৰ হে সমষ্টি । কীটাণু নামেৰে চকুৰে মনিব নোৱৰা কেতবিলাক পোক আছে, সিহঁতো হাজাৰ হাজাৰ পৰমাণুৰে হে নিৰ্ম্মিত ।

এই পৰমাণুবিলাকে অৱস্থা আৰু কাৰ্য্যভেদে লগ লাগি বেলেগ বেলেগ বস্তুত বেলেগ বেলেগ আকৃতিৰ আৰু বেলেগ বেলেগ ক্ৰিয়াবিশিষ্ট অণুৰ সৃষ্টি কৰিছে । এই অণুবিলাক আকৌ সংযোগ, বিয়োগ, ৰূপান্তৰ ইত্যাদি ভৌতিক আৰু ৰাসায়নিক ক্ৰিয়াত লগলাগি, এটা ৰূপ এৰি আন এটা ৰূপ ধৰি সকলো বস্তুৰ সৃষ্টি কৰিছে, আৰু বেলেগ হৈ সকলো বস্তুৰে ধ্বংসও সাধন কৰিব লাগিছে । অণুৰ উৎপত্তি, বৃদ্ধি, বিকাশ ইত্যাদি গুণতেই সকলো বস্তুৰ উৎপত্তি, বৃদ্ধি, বিকাশ ইত্যাদি হব লাগিছে । আৰু ইটো অণুৰপৰা সিটো অণু বেলেগ হৈ যাব পৰা গুণতেই সকলো

বস্তুৰ ধ্বংসও সাধন হব লাগিছে। চেতন, অচেতন, উদ্ভিদ এই সকলো অণুবিলাক বস্তু আৰু পৰমাণুৰ দ্বাৰা নিৰ্ম্মিত হৈছে। সেই কাৰণে, এই বস্তুবিলাকৰ উৎপত্তি, স্থিতি, বৃদ্ধি, বিকাশ আৰু ধ্বংস বুজিলে এই বস্তু-বিলাকৰ অণুৰ উৎপত্তি, স্থিতি, বৃদ্ধি, বিকাশ আৰু ধ্বংস বুজিব লাগে। ৰাসায়নিক আৰু ভৌতিক ক্ৰিয়াত বেলেগ বেলেগ অণুৰ সংযোগেই তাৰ উৎপত্তি, বৃদ্ধি, বিকাশৰ কাৰণ, আৰু বিয়োগেই ধ্বংস আৰু উৎপত্তি বৃদ্ধিৰ কাৰণ। বিয়োগৰপৰা কেনেকৈ উৎপত্তি আৰু বৃদ্ধি হয়, সেই বিষয়ে পাচত কোৱা যাব; কিন্তু, ধ্বংস কেনেকৈ হয় সেই বিষয়ে চোৱা যাওক। গছ গজিল, সেই গছে আকৌ সেই মাটিৰ সাৰ লৈ উৎপত্তি, বৃদ্ধি, বিকাশ হবলৈ ধৰিলে।

এতিয়া দেখা গল যে, পৃথিবীৰ সকলো বস্তুৰ প্ৰলয় থাকিলেও মূল পৰমাণুৰ প্ৰলয় বা ধ্বংস নাই। ভৌতিক আৰু ৰাসায়নিক ক্ৰিয়াত সংযোগ বিয়োগ, ৰূপান্তৰ হৈ পৰমাণুৱে অণুৰ সৃষ্টি কৰে, অণুৱে আকৌ সংযোগ বিয়োগ ইত্যাদি ক্ৰিয়াত সকলো বস্তুৰে উৎপত্তি, বৃদ্ধি, বিকাশ কৰে, আৰু বিয়োগ, ৰূপান্তৰ ক্ৰিয়াত সকলো বস্তুৰে ধ্বংসও সাধন কৰে। মূলতে সকলো বস্তুৰে পৰমাণু একে। ক্ৰিয়া আৰু অৱস্থাভেদে সেই একেবিধ পৰমাণুৱেই বেলেগ বেলেগ বস্তুত বেলেগ বেলেগ ক্ৰিয়া আৰু গুণবিশিষ্ট অণুৰ স্ৰজন কৰে। উদ্ভিদ আৰু চেতন প্ৰাণীৰ শৰীৰত এই অণুবিলাকে লগ লাগি কোষ নামেৰে এই দুই শৰীৰৰ মূল কণা এটি উৎপত্তি কৰে; এইবিলাক মূল কণাৰেপৰা দুয়ো জগতৰ যিমান ওপৰ থাপলৈ উঠা যায়, সিমান কোষৰ গুণ আৰু ক্ৰিয়া বেলেগ দেখা যায়; কিন্তু দুয়ো জগতৰ যিমান তলৰ থাপলৈ নমা যায়, সিমান দুয়ো বিধ কোষৰ গুণ আৰু ক্ৰিয়াৰো মিল দেখা যায়। এই দুয়ো জগতৰ কি কি মিল আৰু কি কি অমিল আছে ইয়াৰ আলোচনা কৰাৰ আগেয়ে চোৱা যাওক এই জগতৰ কোষ কি ?

পুৰণি বৈজ্ঞানিকসকলৰ মতে কোষ "প্ৰটপ্লেজম" নামেৰে জলীয়া পদাৰ্থৰে ভৰি থকা এটি সৰু মোনা। কিন্তু, অণুৰ ধ্বংস বা ক্ষয় বুলিলে এইটো বুজিব নালাগে যে, ই একেবাৰে লোপ পায়। সংসাৰত কোনো বস্তুৰেই প্ৰলয়, বা অস্তিত্বৰ লোপ নাই, এটি ৰূপ এৰি আন এটি ৰূপ ধৰে মাথোন। বৰফ এডোখৰ আমি সকলোৱে চকুৰে দেখিবলৈ পাওঁ, আৰু তাৰ শীতলত্ব, কঠিনত্ব ইত্যাদি গুণবিলাকো স্পৰ্শেৰে জানিব পাৰোঁ; কিন্তু বৰফ গলি পানী হলে তাৰ কঠিনত্ব নাথাকে আৰু শীতলত্বও অলপ কমে। সেই বৰফ তাপত ভাপ হলে আমি আৰু বৰফ দেখিবলৈ নাপাওঁ। কিন্তু, সেই বুলিয়েই যে বৰফৰ অণু, পৰমাণু লোপ হল এনে নহয়; যি অণুবিলাকেৰে বৰফ ডোখৰ গঠিত হৈছিল, সেই অণুবিলাক তাপত বাষ্পকণা হৈ অদৃশ্য হে হল। সুযোগ পালেই সেই কণা বাষ্পবিলাক লগ লাগি আকৌ পানী হব আৰু সেই পানী শীতল হলে বৰফ হব পাৰিব। কাঠ এডাল পুৰি ছাই হলে কাঠ ডালিৰ পৰমাণুবিলাক যে লোপ পালে এনে নহয়, যি যি ভৌতিক পদাৰ্থেৰে কাঠডাল নিৰ্ম্মিত হৈছিল, সেই ভৌতিক পদাৰ্থবিলাকৰ ৰূপান্তৰ মাথোন হল। কাঠডালিৰ কেতখিনি ভৌতিক পদাৰ্থ পুৰি ধোঁৱাত পৰিণত হল। সেই ধোঁৱা বায়ুৰ লগত মিহলি হল, আৰু সেই বায়ুৰপৰাই আকৌ পৃথিবীৰ নানা তৰহৰ বস্তুৰ উৎপাদন হল। ইপিনে আকৌ কাঠডালিৰ কিছুমান ভৌতিক পদাৰ্থ ছাইত পৰিণত হল। সেই ছাই কালত মাটিৰ লগত মিহলি হৈ মাটিক সাৰুৱা কৰিলে, সেই মাটিতে আকৌ ন'কৈ গছ গজিল। আজিকালিৰ পণ্ডিতসকলে কয় যে, বাহিৰৰ আৱৰণটোকেই কোষ বোলা নাযায়; কোষ বুলিলে "প্ৰটপ্লেজম" নামেৰে জলীয় পদাৰ্থটোকে হে বুজায়। যি আৱৰণে "প্ৰটপ্লেজম"ক ঢাকি ৰাখে, সিও "প্ৰটপ্লেজম"ৰ পৰাহে উৎপত্তি হয়। এই জলীয় পদাৰ্থটিৰ ভিতৰত

জীৱাঙ্কুৰ নামেৰে কিছুমান অণু আছে, এই অণুবিলাকেই কোষৰ উৎপত্তি আৰু বৃদ্ধিৰ মূল। এই জীৱাণুটিও "প্ৰটপ্লেজ"মৰ ৰূপান্তৰ হে মাথোন।

উদ্ভিদ জগতত "প্ৰটপ্লেজম"ৰ আৱৰণ এখনি থাকে। কিন্তু চেতন প্ৰাণী-জগতত কোষৰ ঢাকোনখনি প্ৰায়েই নাথাকে। কিন্তু কোনো কোনো উদ্ভিদৰ কোষতো আৱৰণ নাথাকে আৰু কোনো কোনো চেতন প্ৰাণীৰ কোষতো আৱৰণ আছে। কাজেকাজেই দেখিবলৈ পোৱা যায় যে, উদ্ভিদৰ কোষ মাত্ৰেৰেই আৱৰণ নাই, এনে নহয়।

দুয়ো জগতৰ "প্ৰটপ্লেজম"ৰ গতি আছে। অৰ্থাৎ, "প্ৰটপ্লেজম" কেতিয়াও থিৰেৰে নাথাকে। তাৰ অৱস্থিতিৰ ঠাই লৰাই থাকে। তাৰ প্ৰমাণ সচৰাচৰ দেখা যায়। উদ্ভিদ জগতৰ কোষৰ আৱৰণখনি থকাৰ কাৰণে "প্ৰটপ্লেজম"ৰ গতি থাকিলেও কোষৰ স্থানচ্যুত নহয়; আৱৰণখনিৰ ভিতৰতে "প্ৰটপ্লেজম" ইমূৰৰপৰা সিমূৰলৈ চলি থাকে। এই গতিৰ কোনো বন্ধা নিয়ম নাই; কোষৰ বৃদ্ধিৰ আৰু উৎপত্তিৰ মূল কাৰণ উদ্ভিদ জগতত "প্ৰটপ্লেজম"ৰ এই গতিয়েই। চেতন প্ৰাণীজগতত "প্ৰটপ্লেজম"ৰ গতিৰ কাৰণেই কোষৰ উৎপত্তি আৰু বৃদ্ধি হয়। চেতন প্ৰাণীজগতৰ কোষৰ গতি থকাৰ কাৰণেই অনেক তলৰ থাপৰ চেতন প্ৰাণীয়ে নিজৰ ঠাই সলাই বেলেগ ঠাই লয়; আৰু এই দৰে সলাওঁতে যি উপাদেয় বস্তু পায়, সেই উপাদেয় বস্তু গ্ৰহণ কৰি বৃদ্ধি প্ৰাপ্ত হয়। চেতন প্ৰাণীজগতৰ প্ৰায় কোষৰে গতি-শক্তি থকাৰ বাবে, আৰু উদ্ভিদ জগতৰ কোষৰ গতি-শক্তি নথকাৰ বাবেই অনেকে কোষৰ গতি-অগতিতো উদ্ভিদ আৰু চেতন প্ৰাণীৰ মূল বেলেগ স্থিৰ কৰিছিল। কিন্তু, আজিকালি এইটোও প্ৰমাণ হৈছে যে, "জুম্পৰ" "আদৰমালতী" "ৰক্তাহাৰী পাদপ" ইত্যাদি কিছুমান উদ্ভিদৰো সামান্য গতি-শক্তি আছে। কাজেকাজেই

এই বিষয়েও উদ্ভিদ আৰু চেতন প্ৰাণীৰ মিল ওলাই পৰিছে। সাধাৰণতঃ জানিবা উদ্ভিদৰ গতি নাই, চেতন প্ৰাণী গতিবিশিষ্ট।

উদ্ভিদজগতৰ কোষৰ ভিতৰত "প্ৰটপ্লেজম", জীৱাঙ্কুৰ ইত্যাদিত বাজেও "ক্লৰফিল" নামে এবিধ পদাৰ্থ আছে। এই "ক্লৰফিলে"ই উদ্ভিদজগতক সেউজীয়া ৰং দিছে, আৰু এই বস্তুৰ গুণতেই উদ্ভিদে মাটিৰপৰা টানি লোৱা ৰস আৰু আকৰ্ষণ কৰা বায়ুৰপৰা তাৰ লাগতিয়াল বস্তু অঙ্গাৰক, পানী আৰু ক্ষাৰজান এই তিনটি পদাৰ্থ উলিয়াই লব পাৰে। সেই দেখি উদ্ভিদজগতৰ নাক, মুখ, পেট, শিৰ, নাৰী ইত্যাদি যন্ত্ৰ নাই। কোষতে এই দৰে বহিৰ্জগতৰ বস্তু মিল হৈ কোষৰ উৎপত্তি, বৃদ্ধি, বিকাশ কৰে। চেতন প্ৰাণীজগতৰ এই পদাৰ্থ টি নাই সেই কাৰণে চেতন প্ৰাণীৰ কোষে উদ্ভিদৰ দৰে কেৱল বায়ু-পানীৰেৰা বৃদ্ধি প্ৰাপ্ত হব নোৱাৰে; সংসাৰৰপৰা খাদ্য বস্তু লয়। সেই খাদ্য বস্তু মুখ, পেট ইত্যাদিৰ সহায়ত শৰীৰৰ ভিতৰলৈ যায়। তাত বিশেষ বিশেষ যন্ত্ৰপ্ৰণালীৰ সহায়ত ৰূপান্তৰ হৈ তেজত পৰিণত হয়, তেজে হে সঞ্চালিত হৈ কোষক নতুন পদাৰ্থ দিয়ে। কিন্তু, "ক্লৰফিল" বস্তু বৰ্জিত অনেক উদ্ভিদ আছে, সেইবিলাক উদ্ভিদ আকৌ "ক্লৰফিল" নোহোৱাকৈয়ে ৰক্ষিত হয়। এই দুয়ো জগতৰ কোষে উৎপত্তি আৰু বৃদ্ধি হবলৈ প্ৰথমে নিজ নিজ উপায়েৰে বহিৰ্জগতৰপৰা সিহঁতৰ উপযোগী অনুকৰণবিলাক লৈ উৎপত্তি বৃদ্ধি বিকাশ পায়। এতিয়া কোষ নো কেনেকৈ উৎপত্তি বৃদ্ধি বিকাশ পায় তাক দেখা যাওক।

প্ৰথম, দুয়োজগতৰ কোষৰ ভিতৰত থকা জলীয় পদাৰ্থটিৰ গতি আছে এই কথা পূৰ্ব্বেই কোৱা হৈছে। এই গতিৰ কাৰণেই পদাৰ্থ টিয়ে চেতন প্ৰাণীৰ শৰীৰত স্থানচ্যুত হৈ নতুন আকাৰ ধাৰণ কৰে, আৰু সময়ে সময়ে নতুন গুণবিশিষ্ট হয়। চেতন প্ৰাণীৰ শৰীৰত কোষৰ এই দৰে পৰিবৰ্ত্তন

আৰু ৰূপান্তৰ হোৱা গুণতেই তেজৰপৰা মঙহ, মঙহৰপৰা উপাস্থি, উপাস্থিৰপৰা অস্থি ইত্যাদি উৎপাদন হয়। উদ্ভিদ জগতৰ কোষৰ আৱৰণ থকাৰ নিমিত্তে "প্ৰটপ্লেজমে" পোনেই আৱৰণ ভেদ কৰি আদি কোষৰপৰা ওলাই নতুন আকাৰ আৰু নতুন গুণবিশিষ্ট হয়। এমিয়বা নামেৰে এবিধ চেতন প্ৰাণী আছে, এই চেতন প্ৰাণীতেই কোষৰ এই প্ৰকাৰ উৎপত্তি আৰু ৰূপান্তৰ দেখা যায়। উদ্ভিদজগতত যেতিয়া গছৰ পৰা পাত হয়, পাতৰপৰা ফুল হয়, ফুলৰপৰা গুটি হয়, তেতিয়া কোষে এইদৰে উৎপত্তি আৰু ৰূপান্তৰ পায়। ইয়াত বাজেও "জুম্পৰ" নামে এবিধ সৰু চকুৰে মনিব নোৱাৰা উদ্ভিদ আছে সেই উদ্ভিদৰ বৃদ্ধি বিকাশ এই নিয়মেই হয়।

দ্বিতীয়তে, দুটা আদি কোষৰ জলীয়া পদাৰ্থ সংযোগ হৈ এটি নতুন কোষৰ উৎপত্তি হয়। চেতন প্ৰাণীৰ কোষৰ আৱৰণ প্ৰায় নথকাৰ বাবে এটা কোষৰ "প্ৰটপ্লেজম" আন এটাৰ লগত মিহলি হবলৈ একো কষ্ট নাই। উদ্ভিদৰ কোষৰ ঢাকোন খনি থকাৰ নিমিত্তে "প্ৰটপ্লেজম" বেগেতে লগালগি হব নোৱাৰে। প্ৰথমে ঢাকোনখনি ফুটাই লৈ শেহত দুয়ো সংযোগ হয়, সংযোগ হলেই এই নতুনকৈ সৃজিত হোৱা কোষ বিশেষ আকাৰ আৰু গুণবিশিষ্ট হয়। উদ্ভিদ জগতত ফুলৰপৰা কেশৰৰ ৰেণু গৰ্ভকেশৰৰ ৰেণুত মিল হৈ যি বীজ হয়, এয়েই এই নিয়মৰ জাজ্বল্য প্ৰমাণ। চেতন প্ৰাণীজগতত এই নিয়ম সদায় দেখা যায়। স্ত্ৰী-বীজে পুৰুষ-বীজে সংযোগ হলেই, সন্তানৰ মূল কণাটিৰ উৎপত্তি হয়। একোটা আদি কোষ ফাটি চাৰি-পাঁচোটা নতুন কোষৰ উৎপত্তি হয়। কোষৰ ভিতৰত থকা জলীয়া পদাৰ্থটি সংসাৰৰ বাহ্যিক বস্তুৰ সংযোগত আকাৰ বৃদ্ধি হয়, আৰু আকাৰ বৃদ্ধি হলেই ফাটি উঠে। সি ফাটি ৪।৫ ভাগে বিভক্ত হয়, আৰু প্ৰত্যেক ভাগৰেপৰা নতুন নতুন একোটা কোষ

উৎপত্তি হ। "প্ৰটপ্লেজম"টি ফটাৰ পূৰ্ব্বেই কোষৰ ভিতৰত থকা জীৱাঙ্কুৰটিও ২।৫ ভাগে বিভক্ত হয়, আৰু প্ৰত্যেক খণ্ড "প্ৰটপ্লেজম"লৈকে জীৱাঙ্কুৰৰ একো একোটি কণা যায়। সেই কণা বৃদ্ধি, বিকাশ হলে আকৌ সেইবিলাক কোষৰেপৰা সেই প্ৰণালীতেই নতুন নতুন কোষ ওপজে। উদ্ভিদ জগতৰ কোষ বেছি ভাগ এনেকৈ উৎপত্তি, বৃদ্ধি, বিকাশ পায়। চেতন প্ৰাণীজগতৰ কোষে এই নিয়মে বৃদ্ধি, বিকাশ, উৎপত্তি প্ৰায়েই নাপায়। সেই কাৰণে, উদ্ভিদজগতত গছৰ ডাল-মূল কাটি আনি ৰুই ও তাৰেপৰা নতুন এজোপা গছৰ সৃষ্টি হয়; চেতন প্ৰানীজগতত কোনো বস্তুৰ শৰীৰ কাটি পেলালে নতুন প্ৰাণী সৃজিত হোৱা দূৰৈত থাওক, বিভক্ত হোৱা দুয়ো অংশই বিকাৰ প্ৰাপ্তহে হয়। সাধাৰণতঃ উদ্ভিদ আৰু চেতন প্ৰাণীৰ কোষৰ মূল পাৰ্থক্য এই এটা। কিন্তু কি আশ্চৰ্য্যৰ বিষয় যে, "পুৰুভুজ" নামেৰে এটি চেতন পদাৰ্থ আছে তাক যত খণ্ডে কটা যায়, প্ৰত্যেক খণ্ডৰেপৰা এটা এটা নতুন পুৰুভুজৰ উৎপত্তি হয়; পুৰুভূজটো কেতিয়াও নমৰে। ইয়াৰ এই বিষয়ে ক্ৰিয়া ঠিক উদ্ভিদৰ দৰে।

এইদৰে তলৰ খাপৰ উদ্ভিদ আৰু চেতন পদাৰ্থৰ ইমান মিল যে, কোনো কোনো স্থলত উদ্ভিদ কোনটো আৰু চেতন পদাৰ্থ কোনটো ঠাৱৰকে কৰিব নোৱাৰি। "স্পঞ্জ" এটা কি বস্তু, তাক সকলোৱে দেখিছে; কিন্তু এই "স্পঞ্জ" উদ্ভিদেই নে চেতন বস্তুৱেই, ইয়াৰ সঠিক মীমাংসা এতিয়ালৈকে কোনেও কৰিব পৰা নাই। অৱশ্যে "স্পঞ্জ" লো, মাটি বা শিলৰ শ্ৰেণীৰ বস্তু নহয়।

এইদৰে আদি-মূলতে প্ৰায় একে ক্ৰিয়া, একে গুণবিশিষ্ট কোষেই এই দুয়ো জগতৰ ওপৰ খাপৰ বস্তুবিলাকত বেছি ভাৱে অমিল হৈ আহিছে, আৰু ব্যৱস্থা আৰু ক্ৰিয়াভেদে বেলেগ বেলেগ গুণবিশিষ্ট হৈছে।

উদ্ভিদজগতত সেই কোষৰেপৰা শেলাই, পুনী, ঢেঁকীয়া, লতা, গছ ইত্যাদিৰ উৎপত্তি হৈছে, আৰু চেতন প্ৰাণীত সামান্য কীটাণুৰপৰা পূৰ্ণ অৱয়ব বিশিষ্ট মানুহৰ সৃষ্টি হৈছে। উদ্ভিদজগতৰ কোষে মাটি আৰু বায়ুৰপৰা ৰস আকৰ্ষণ কৰি লব পৰা গুণতেই, ইটো কোষ সিটো কোষে সৈতে লগ-লাগি গছ-লতাৰ উৎপত্তি, বৃদ্ধি, বিকাশ কৰিছে আৰু গছৰ শিপা আৰু পাততে নিজৰ উপাদেয় বস্তু লব পৰা কৌশলৰ সৃষ্টি কৰিছে। চেতন প্ৰাণীৰ শৰীৰত কোষে নিজৰ উৎপত্তি আৰু বৃদ্ধি হব পৰা নাক, মুখ, লোমকূপ, অস্থি, চৰ্ম্ম ইত্যাদিৰ সৃষ্টি কৰিছে। এই দুয়ো জগতৰ কোষৰ ক্ষয় আছে ; কিয়নো বৃদ্ধি, বিকাশ ইত্যাদি কাৰ্য্যত কোষৰ শক্তিৰ ক্ষয় হয়। এই শক্তি পূৰাবলৈ কোষে বেলেগ বেলেগ বস্তুত বেলেগ বেলেগ গুণ আৰু ক্ৰিয়া অৱলম্বন কৰি বহিৰ্জগতৰপৰা সিহঁতৰ উপাদেয় বস্তু লৈছে। ওপৰৰ শ্ৰেণীৰ উদ্ভিদৰ বহিৰ্জগতৰপৰা লবৰ মূল উপায় হৈছে গছৰ শিপা, পাত, গছৰ গা ইত্যাদি ; আৰু ওপৰৰ শ্ৰেণীৰ চেতন প্ৰাণীৰ উপায় হৈছে নাক, মুখ, লোমকূপ ইত্যাদি। উদ্ভিদ শিপাৰে মাটিত পোত খাই থাকে। শিপাৰ কোষবিলাকত ছিদ্ৰ আছে, সেই ছিদ্ৰইদি মাটিৰ ৰস কোষত সোমায়, সেই ৰস ইটো কোষৰপৰা সিটো কোষলৈ যায়, এইদৰে গোটেই গছতে ৰস সঞ্চালিত হয় ; ৰস সঞ্চালিত হলে গছৰ প্ৰত্যেক কোষে সেই ৰসৰপৰা বল পায় আৰু বৃদ্ধি পায়। আকৌ, গছৰ পাতত এটি চমৎকাৰ কৌশল আছে। চেতন প্ৰাণীৰ গতিত যেনেকৈ লোমকূপ আছে, তেনেকৈ উদ্ভিদৰ পাতৰ মাজে মাজে ফুটা আছে। সেই ফুটাবিলাকেদি বায়ু সোমায় ; বায়ু সোমালে সেই বায়ুৰপৰা উদ্ভিদে তাৰ লাগতিয়াল অঙ্গাৰক গ্ৰহণ কৰি ৰাখে, অদৰকাৰী অম্লজান আকৌ সেই বিন্ধাৰে উলিয়াই দিয়ে, সেই অম্লজান বায়ুৰ লগতত মিহলি হয়। এইদৰে গছৰ কোষে উৎপত্তি, বৃদ্ধি, বিকাশপ্ৰাপ্ত হয় ; কোষ উৎপত্তি,

বৃদ্ধি, বিকাশ হলেই গছৰপৰা পাত, পাতৰপৰা ফুল, ফুলৰপৰা গুটি ইত্যাদি গছৰ জীৱনী কাৰ্য্য সম্পাদিত হয়।

চেতন প্ৰাণীৰ মুখ আছে; এই মুখেৰে বহিৰ্জগতৰ পৰা বস্তু খায়। এই বস্তু মুখ আৰু আহাৰবাহিনী নলীৰ সহায়ত পেটত পৰে। পেটৰ ৰাসায়ণিক ক্ৰিয়াত এই বস্তুৰ পৰিবৰ্ত্তন হয়। লাগতিয়াল ভাগ তেজলৈ পৰিণত হয়, সেই তেজ নাৰীয়ে নাৰীয়ে সঞ্চালিত হৈ শৰীৰৰ সকলো অঙ্গকে, অৰ্থাৎ শৰীৰস্থ সকলো কোষকে সজীৱ ৰাখে; আৰু অদৰকাৰী বস্তুবিলাক মল-মূত্ৰ দ্বাৰেদি উলিয়াই দিয়ে, আৰু লোমকুপেদি শৰীৰৰ দূষণীয় পদাৰ্থবিলাক ঘামৰূপে বাজ হয়। নাকেৰে আমি উশাহ লওঁ; সেই উশাহতে আমাৰ হাওঁফাওঁলৈ বায়ু প্ৰবেশ কৰে। বায়ু প্ৰবেশ কৰি শিৰাপ্ৰণালীয়ে শৰীৰৰ সকলো অঙ্গৰপৰা টানি আনি গোটাই থোৱা দূষিত তেজক শুদ্ধ কৰে; শুদ্ধ হলেই তেজ আকৌ সঞ্চালিত হয়। দূষিত পদাৰ্থ অৰাঙ্গক আকৌ নিশাহত ওলাই আহি বায়ুৰ লগত মিহলি হয়। উদ্ভিদে পুনৰ সেই অৰাঙ্গক গ্ৰহণ কৰি চেতন প্ৰাণীৰ উপযোগী অম্লজান উলিয়াই দিয়ে।

এতিয়া দেখা গল যে, উদ্ভিদ চেতন প্ৰাণীৰ উপযোগী, আৰু চেতন প্ৰাণী উদ্ভিদৰ উপযোগী। এইদৰে সংসাৰৰ সকলো বস্তুৱেই পৰস্পৰৰ উপযোগী। মূলতে সকলো বস্তু প্ৰায় একে; ক্ৰিয়া আৰু গুণ ভেদে বেলেগ বেলেগ শৰীৰত বেলেগ ক্ৰিয়া আৰু গুণবিশিষ্ট হয়। যিজনা পুৰুষে এইদৰে এই অসীম ব্ৰহ্মাণ্ডত সকলো বস্তুকেই পৰস্পৰৰ উপযোগী কৰি সৃষ্টি কৰিছে, সামঞ্জস্যত অসামঞ্জস্য দেখুৱাইছে, সেই জনা পুৰুষৰ শক্তি আৰু মহিমা কেনে অসীম !

# জাতীয় ভাব।

স্বজাতিৰ প্ৰতি মানুহৰ যি আন্তৰিক অনুৰাগ থাকে, সেয়ে জাতীয় ভাবৰ মূল, নাইবা সেই অনুৰাগেই ক্ৰমাৎ উৎকৰ্ষ প্ৰাপ্ত হৈ জাতীয় ভাবত পৰিণত হয়। জাতীয় ভাবৰ সূত্ৰ বুলি ইয়াকে আৰু বহুলৰূপে ব্যাখ্যা কৰা যায়, কিন্তু চমুকৈ ধৰিলে সেই সূত্ৰৰ নিচেই সাৰাংশ ইমানেই হে। দেশ, কাল আৰু পাত্ৰভেদে ইয়াৰ হীন-ডেঢ়ি ঘটিলেও, জাতীয়ভাব মানুহৰ স্বাভাৱিক গুণ, মানুহৰ আত্মসৃষ্টিৰ লগে লগেই ইয়াৰ সৃষ্টি। আন কি, কোনো কোনো ইতৰ জন্তুৰ ভিতৰতো সম্পূৰ্ণকৈ ফুটি নোলালেও এই ভাবৰ ভালেমান চিন্ দেখিবলৈ পোৱা যায়। অন্যান্য প্ৰবৃত্তিৰ দৰে মানুহৰ অন্তৰত এই ভাবৰ মূলেও জীৱনৰ আৰম্ভণৰেপৰা থিত্ লয়; বয়োবৃদ্ধি আৰু জ্ঞানবৃদ্ধিৰ লগে লগে মাথোন ইয়াৰ ক্ৰমোবিকাশ হবলৈ ধৰে। নিচেই আদি অৱস্থাত মানুহৰ অন্তৰত এই ভাব সম্পূৰ্ণে পশুধৰ্ম্মী। অতি কুমলীয়া লৰাৰ কোমল হিয়াৰ ওপৰেদি সময়ত এই ভাৱৰ স্বাভাৱিক নিজৰা জিৰ্-জিৰ্কৈ বাগৰি যোৱাৰ শব্দ মাথোন অনুমানত শুনা যায়, তাত বাজে লৰাৰ অজ্ঞানতা ঢাকনীৰ তলে তলে বৈ যোৱা সেই ভাবৰ জুৰিটিৰ বহুল তত্ত্ব পোৱা নাযায়। সেই ভাব তাৰ শাক্কাৰ উৎপত্তিস্থানৰপৰা যিমান মুকলিলৈ ওলায়, সিমান তাৰ উন্নতি আৰু অৱনতিৰ চিন্ ধৰিব পৰা হয়।

জাতীয় ভাব মানুহৰ এটি আন্তৰিক প্ৰবৃত্তি মাথোন কিন্তু মানুহৰ বাহ্যিক প্ৰকৃতিৰ লগত তাৰ এনে ওচৰ সম্বন্ধ যে, কাৰ্য্যস্থলত স্বভাৱতে এটিৰ দ্বাৰা আনটি চালিত হোৱা দেখা যায়। জাতীয় ভাব স্বাভাৱিক

প্ৰবৃত্তি হলেও, সি বাহ্যিক প্ৰকৃতিৰ দ্বাৰা পৰিচালিত হৈ লৌকিক কাৰ্য্যত প্ৰতিফলিত হোৱাৰ পাচত হে তাৰ সম্পূৰ্ণ থিতি অনুভৱ কৰিব পৰা যায়। সেই কাৰণে, এক মতে মানুহৰ বাহ্যিক প্ৰকৃতিকেই ইয়াৰ ক্ৰমোবিকাশৰ কাৰণ বুলি ধৰিব পাৰি। বিশেষ, একে দেশত জন্ম, একে দেশত প্ৰতিপালিত আৰু একে আচাৰ-ব্যৱহাৰৰ অনুগত মানুহৰ বহ্যিক প্ৰকৃতি একে গঢ়ৰ হোৱাৰ কাৰণেই সেই মানুহৰ আন্তৰিক প্ৰবৃত্তি-বিলাকো স্বভাৱতে একে গঢ়ৰ হৈ উঠে। সেই একে গঢ়ৰ বা একে প্ৰকৃতিৰ হোৱাটোৱেই স্বজাতিৰ প্ৰতি অনুৰাগ সঞ্চাৰৰ ঘাই কাৰণ। কথাটো আৰু মুকলি কৰি চোৱা যাওক। যেনে,—আমি স্বভাৱতে "আপোন" এই কথাটি বৰ ভাল পাওঁ; ইমান ভাল পাওঁ যে কথাটি মুখৰপৰা সম্পূৰ্ণকৈ ওলাবলৈ নৌ পাওঁতেই যেন তাক টানি আনি বুকত লমহি এনে লাগে। কিয়নো, 'আপোন' ভাবৰ মায়াতে মানৱাত্মা আবদ্ধ। আমি "আপোন" কথাটি যি দৰে ভাল পাওঁ, "আপোন" কথাৰ নিচেই আপোন ভাববিলাকো সেইদৰে ভাল পাওঁ। কিয়নো, ভালপোৱা কেৱল একে ঠাইতে জিলিকি থকা কোনো কঠিন পদাৰ্থৰ চিন্-চাব নহয়, ই অন্তঃকৰণৰ অতি কোমল অশংৰ পনীয়া পদাৰ্থ, শৰীৰৰ এক প্ৰধান অঙ্গক স্পৰ্শ কৰা মাত্ৰকে ই অন্যান্য সকলো অঙ্গকে শান্তি প্ৰদান কৰে। গতিকে, য'তে "আপোন" ভাবৰ যোগ, ত'তে আমাৰ ভালপোৱাৰ সংযোগ। একে ঠাইতে জন্ম, একে ঠাইতে প্ৰতিপালিত আৰু একে আচাৰ-ব্যৱহাৰৰ অনুগত মানুহৰ ভিতৰত পৰস্পৰৰ বাহ্যিক প্ৰকৃতি আৰু আন্তৰিক প্ৰবৃত্তিৰ "আপোন" সাদৃশ্য থকাৰ নিমিত্তেই, সেই মানুহৰ ভিতৰত ভালপোৱা আছে, জাতীয় ভাব আছে।

ওপৰত উনুকিয়াই অহা হৈছে যে "আপোন" সাদৃশ্য থকা একে ঠাইতে জন্ম, একে ঠাইতে প্ৰতিপালিত আৰু একে আচাৰ-ব্যৱহাৰৰ

অনুগত মানুহৰ মাজত ভালপোৱা বৰ্ত্তমান থকাৰ নিমিত্তেই সিবিলাকৰ অন্তৰত জাতীয় ভাবৰ সঞ্চাৰ হয়। এই কথা আৰু দৃঢ়ৰূপে সমৰ্থন কৰিবলৈ বিস্তাৰিত কাৰণ নদৰ্শাই এটি কথা উল্লেখ কৰিলেই তাৰ প্ৰমাণ যথেষ্ট হব যে, মানুহে নিজৰ মুখৰ আকৃতি যেনে কি হওক তাক দাপোনত চাই, আনতকৈ ভাল বুলিব নোৱাৰিলেও, আপোনা-আপুনি ভাল দেখে, চাই হে থাকিবৰ মন কৰে। সেইদৰে, অন্যান্য বিষয়তো যিহতে আপোনাৰ সাদৃশ্য দেখে তাকে, আনতকৈ ভাল বুলিব নোৱাৰিলেও, মানুহে নিজে ভাল পায়। এতিয়া দেখা যাওক যে, জাতীয় ভাবৰ এই বাই উপাদান "আপোন" সাদৃশ্য ঘাইকৈ কোনবিলাক বিষয়ত লক্ষিত হয়। সূক্ষ্ম দৃষ্টিৰে চালে মানুহৰ পিন্ধন-উৰণ, ফুৰণ-চাকন, খোৱা-লোৱা, খেতি-পথাৰ, বেহা-বেপাৰ প্ৰভৃতি সকলো বাহিক কাৰ্য্যতে এই সাদৃশ্য লক্ষিত হয়; কিন্তু স্থূল দৃষ্টিত (১) আকাৰ-সাদৃশ্য, (২) ভাষা-সাদৃশ্য, (৩) ধৰ্ম্ম-সাদৃশ্য, (৪) সামাজিক আচাৰ-ব্যৱহাৰ সাদৃশ্য, (৫) শাসন-প্ৰণালীৰ সাদৃশ্য এই কেইটাই প্ৰধান। যিবিলাক মানুহৰ ভিতৰত এই কেইটা সাদৃশ্যৰ লক্ষণ কোনো ৰূপে বিকৃত নোহোৱাকৈ লক্ষিত হয়, সেইবিলাক মানুহৰ হৃদয়ত স্বভাৱতে জাতীয় ভাবৰ সঞ্চাৰ হয়, আৰু তাৰ দ্বাৰা সহানুভূতিৰ সাৰ পাই সেই জাতীয় ভাবে সেইবিলাক মানুহৰ সমাজক্ষেত্ৰ উৰ্ব্বৰা কৰি তোলে; আৰু কালত সেইবিলাক মানুহেই একোটা উন্নত জাতিত পৰিণত হৈ উঠে।

(১) আকাৰ-সাদৃশ্য।—পোন-প্ৰথম দৃষ্টিত এই সাদৃশ্যে পৃথিবীৰ সমস্ত মানুহ জাতিক সামৰে; আৰু তাক নিষেধমুখে উপলব্ধি কৰা যায়। অৰ্থাৎ, প্ৰথমে মানুহ জাতিৰ আৰু অন্যান্য জন্তুৰ ভিতৰত আকাৰৰ বিসদৃশ্যতা সমৰ্থন কৰি এই সাদৃশ্য অনুভৱ কৰা যায়। এই সাদৃশ্যৰ লগত যি "আপোন" ভাবৰ যোগ আছে তাৰ প্ৰথমাৱস্থাত সি, প্ৰাণীজগতৰ বিবিধ জন্তুৰপৰা মানুহ জাতিক পৃথক্ কৰিছে। সেই অৱস্থাৰ

"আপোন" ভাবে আমাৰ অন্তৰত পৃথিবীৰ সমস্ত মানুহ জাতিৰ প্ৰতি অনুৰাগ জন্মায়; আৰু সেই অনুৰাগৰপৰা যি জাতীয় ভাবৰ উৎপত্তি হয়, সেই ভাব অতি প্ৰশস্ত আৰু সম্পূৰ্ণে উদাসী ; বিশ্বজনিন জাতীয় ভাবৰ এয়ে মূল-ভেঁটী । মানুহ প্ৰাণী কোনো হিংস্ৰক জন্তুৰ মুখত পৰি বিপদ গ্ৰস্ত হলে, নাইবা দাৰিদ্ৰ্য, ৰোগ কিম্বা অন্য কোনো আকস্মিক বিপদৰ দ্বাৰা আক্ৰান্ত হলে আমাৰ অন্তৰত সমান বা আপোন জাতিৰ দুখত যি স্বাভাবিক সহানুভূতি ওপজে, সেয়ে এই অৱস্থাৰ জাতীয় ভাবৰ মূল-কাৰণ, আৰু সেই থলতে সেই জাতীয় অনুৰাগৰ পূৰ্ণ বিকাশ হয় । কিন্তু, সেই অৱস্থাত আকাৰ-সদৃশ্যসম্ভূত জাতীয় ভাবৰ পূৰ্ণ বিকাশ নহয় । মানৱ কৌশলৰ প্ৰকৃতিগত নিয়মৰপৰা মন্দিৰৰ যি আঁহি পোৱা যায়, সেই আঁহিমতে জাতীয় মন্দিৰৰ অঙ্গ গঠন কৰিবলৈ সেই ভাবৰ অৱস্থাভেদ ঘটাই মূল-ভেঁটীৰপৰা তাক ক্ৰমাৎ সৰু কৰি নি ওপৰলৈ নিচেই চুচিমৰা কৰি তুলিবগৈ লাগে । সেই দৰে আকাৰ-সাদৃশ্যসম্ভূত জাতীয় ভাবকো ওপৰোক্ত মূল-ভেঁটীস্থিত অতি প্ৰশস্ত অৱস্থাৰপৰা ওপৰলৈ চাপখুৱাই নি ক্ৰমে চুচিমৰা কৰিবগৈ লগা হয় । অৰ্থাৎ, আকাৰ-সাদৃশ্যৰ "আপোন" ভাবৰ যোগ পৃথিবীৰ সমস্ত মানুহ জাতিৰপৰা ক্ৰমে একে দেশত জন্ম, একে সমাজত প্ৰতিপালিত, একে আচাৰ-ব্যৱহাৰৰ অনুগত ইত্যাদি বিশেষ বিশেষ অৱস্থালৈ ক্ৰমাৎ চাপি আহে । তাৰ লগে লগে, সেইদৰে স্বজাতিৰ প্ৰতি অনুৰাগো ক্ৰমে ঠেক অথচ ঘন হৈ উঠে ।

ভাষা-সাদৃশ্য ।—হাতী-চিকাৰীয়ে বনৰীয়া হাতীৰ চাহনৰ কোনো এটা হাতীক ফাঁদ লগাই বিপদগ্ৰস্থ কৰিলে সি তাৰ প্ৰকৃতিগত অস্পষ্ট বুলিৰে যি কাতৰুক্তি কৰে ; সেই উক্তি শুনা মাত্ৰকে গোটেই চাহন হাতীৰ অন্তৰত বিপদৰ এটি স্বাভাৱিক সাদৃশ্য ভাব ওপজে, আৰু ততালিকে আটাইবোৰে মিলি তাৰ উদ্ধাৰৰ নিমিত্তে চিকাৰি-শত্ৰুৰ হাতীক আক্ৰমণ

কৰেহি। কোনো এটা কুকুৰে ৰাতি হঠাৎ বিপদৰ গম্‌ ধৰি ভুকিবলৈ ধৰিলে, তাৰ ওচৰত থকা বা ভুকনিৰ ৰাৱ শুনা ঠাইত আনবোৰ কুকুৰে ততালিকে সেই ভুকনিৰ চেৰে চেৰে ভুকিবলৈ ধৰে। এঠাইত এটা শিয়ালে বা এটা কুকুৰাই ৰাগ দিয়া বা ডাক দিয়া শুনিলে আন ঠাইত আন শিয়াল বা কুকুৰাবোৰে সেই ৰাগ বা ডাক নিদিয়াকৈ ৰব নোৱাৰে। ইত্যাদি কাৰ্য্যৰপৰা জনা যায় যে, সামান্য স্পষ্ট উক্তিৰ সাদৃশ্যতে অজ্ঞান ইতৰ জন্তুৰ ভিতৰতো স্বাভাবিক সহানুভূতি, অনুৰাগ আৰু জাতীয় ভাবৰ চিন ফুটি ফুটি ওলায়! এতেকে বুদ্ধিমান, ক্ষমতাবান, জীৱশ্ৰেষ্ঠ মানুহ জাতিৰ নানা প্ৰকাৰে মনোভাৱ আৰু হৃদয়োচ্ছাস ব্যক্ত কৰিব পৰা, বৈয়াকৰণ নিয়মৰ চাকনিৰে চকা, স্পষ্ট অৰ্থযুক্ত, মাৰ্জ্জিত ভাষাৰ সাদৃশ্যই যে মানুহৰ অতি উন্নত আৰু উৰ্ব্বৰা হিয়াত সেই সহানুভূতি, অনুৰাগ আৰু জাতীয় ভাবৰ কেনে উৎকৃষ্ট ফল ধৰাব পাৰে, তাক সহজে অনুমান কৰিব পাৰি। আকাৰ-সাদৃশ্যৰ যি দৰে সম্যক্ ঐক্য ভাব নাথাকিলেও পৃথিবীৰ সমস্ত মানুহজাতিৰ ভিতৰত এটা সাধাৰণ মিল ভাব দেখা যায়, ভাষা-সাদৃশ্যৰ সকলো জাতিৰ ভিতৰ সেই প্ৰকাৰ মিল ভাব বিৰল। বৰঞ্চ, ভাষা-সাদৃশ্যৰ জাতিগত ইমান পাৰ্থক্য ৰৈছে যে, জগতৰ আজি এনে উন্নতিৰ দিনতো একে দেশতে অনেক ভাষাৰ প্ৰচলন আছে, আৰু কোনো কোনো পৰ্ব্বতীয়া বা অসভ্য জাতিৰ ভিতৰত মনৰ ভাৱ সলনা-সলনি কৰিবলৈ সৰু সৰু মেল বা খেলগত অসংখ্য স্বকীয়া দোৱান থকাও দেখা যায়। গতিকে আকাৰ-সাদৃশ্যৰপৰা মানুহৰ অন্তৰত যি সাধাৰণ জাতীয় ভাবৰ উদ্ভৱ হয়, ভাষা-সাদৃশ্যৰপৰা তেনে সাধাৰণ জাতীয় ভাবৰ জন্ম হোৱাটো আশা কৰিব নোৱাৰি। অথচ, নৈৰ বহল আৰু ঠেক ভাগত সোঁতৰ কোব আৰু পানীৰ গভীৰতাৰ যি প্ৰকাৰ হীন-ডেঢ়ি দেখা যায়, জাতীয় ভাবৰ এই দুই ভাগতো সেই প্ৰকাৰৰ হীন-ডেঢ়ি সততে বৰ্ত্তমান।

ইয়াৰপৰা বুজিব পাৰি যে, ভাষা-সাদৃশ্য মানুহৰ অন্তৰত জাতীয় ভাব আকাৰ-সাদৃশ্যতকৈ গাঢ়তৰ কৰে। এজন হিন্দুস্থানীয়ে হিন্দী ভাষাত, বঙ্গালীয়ে বঙ্গালী ভাষাত, অসমীয়াই অসমীয়া ভাষাত জাতীয় মঙ্গলার্থে দুটি চাৰিটি মৰ্ম্মভেদী কথাৰে সৈতে স্বজাতিৰপৰা যি সহানুভূতি লাভ কৰিব পাৰে, হিন্দুস্থানীয়ে অসমীয়া বা বঙ্গলা ভাষাত, বঙ্গালীয়ে হিন্দী বা অসমীয়া ভাষাত, আৰু অসমীয়াই হিন্দী বা বঙ্গলা ভাষাত নানা প্ৰকাৰ যুক্তিযুক্ত আৰু মৰ্ম্মভেদী কথাৰে সৈতে দীঘলীয়া বক্তৃতা দিও স্বজাতিৰ পৰা তেনে সবল সহানুভূতিৰ ভাগ পাবলৈ আশা কৰিব নোৱাৰে। বাস্তৱতে, যি আন্তৰিক ভাব ব্যক্ত কৰি অন্যৰপৰা আন্তৰিক অনুৰাগ আকৰ্ষণ কৰিব পাৰি, সেই ভাব অনুভৱ কৰাবলৈ ভাষা-সাদৃশ্য প্ৰধান উপায়; আৰু তাৰ দ্বাৰা জাতীয় ভাব সহজে সঞ্চাৰ আৰু গাঢ়তৰ হয়।

(৩) ধৰ্ম্ম-সাদৃশ্য।—পৃথিবীত ধৰ্ম্মশক্তি অমোঘ। ধৰ্ম্মভাবে মানুহৰ হিয়াত স্বাভাৱিক প্ৰবৃত্তিৰূপে ইমান দকৈ খিত্ লৈছে যে, ইয়াৰ সুগভীৰ মূলৰপৰা বৈ অহা আধ্যাত্মিক ভাবে সমস্ত পৰ্ব্বতাকাৰ প্ৰকাণ্ড বাধা-বিঘ্নকো সামান্য তৃণৰত উটাই লৈ যায়। অতি পূৰ্ব্বকালৰেপৰা ধৰ্ম্মভাবৰ একো-একোটি সামান্য আন্দোলনে কিমান ঠাইত কিমান তোলপাৰ লগাইছে, কিমান কি বিপ্লৱ ঘটাইছে পৃথিবীৰ বুৰঞ্জীয়ে তাৰ সাক্ষ্য দিব লাগিছে। মানুহৰ অন্তৰত যি ভাব যিমান প্ৰবল, তাৰ কাৰ্য্যও সিমান উগ্ৰ। সেইমতে সৰ্ব্বভাবগ্ৰাহী সৰ্ব্বশক্তিমান পৰমেশ্বৰৰ আৰাধনাৰে সৈতে সম্পৰ্ক থকা ধৰ্ম্মভাব মানুহৰ অন্তৰত যেনে প্ৰবল, তাৰ কাৰ্য্যও তেনে উগ্ৰ; গতিকে, সেই ধৰ্ম্মভাবৰ আপোন-সাদৃশ্যৰপৰা উৎপন্ন হোৱা অনুৰাগে জাতীয় ভাব অতি সহজে সঞ্চাৰ কৰে, আৰু কাৰ্য্যতো সি উগ্ৰভাবে ফলিয়ায়।

(৪) সামাজিক আচাৰ-ব্যৱহাৰৰ সাদৃশ্য।—এই সাদৃশ্য সততে ধৰ্ম্ম-সাদৃশ্যৰ লগতে যোগ থকা দেখা যায়, আৰু ইয়াৰ পৃথক্ বিচাৰ নকৰি ধৰ্ম্ম-সাদৃশ্যৰ লগতে দুটি-চাইটি কথাৰেই সামৰণি মাৰিব পৰা হলহেঁতেন; কিন্তু স্থলবিশেষে ধৰ্ম্মভাবৰ কাৰ্য্য-ক্ষেত্ৰতকৈ আচাৰ-ব্যৱহাৰৰ কাৰ্য্য-ক্ষেত্ৰ বহুল আৰু দুইৰো কাৰ্য্য-ফলৰ বিশেষ পাৰ্থক্য দেখা যায়। কিয়নো, একে সমাজৰ চতুঃসীমাৰ ভিতৰতে একে সামাজিক আচাৰ-ব্যৱহাৰৰ অনুগত বিভিন্ন ধৰ্ম্মাৱলম্বী লোকৰো স্থিতি থাকে। ধৰ্ম্মভাবসম্ভূত জাতীয় অনুৰাগ যিমান উগ্ৰ, সামাজিক আচাৰ-ব্যৱহাৰৰপৰা উৎপন্ন হোৱা অনুৰাগ আকৌ সিমান ধীৰ। এটি জ্বলন্ত অগ্নি, আনটি ভাপনাও চলোৱা উত্তাপৰ দৰে এটি তাপ মাথোন। কিন্তু, জ্বলন্ত অগ্নিৰ তেজ যিমান উগ্ৰ, সেই অগ্নি সিমান সোনকালে নিৰ্ব্বান হয়; আৰু উত্তাপ যেনে গহীন, সি তেনে সমভাৱে দীৰ্ঘকালস্থায়ী। সেই দৰেই, ধৰ্ম্মভাৱৰ সাদৃশ্যৰপৰা উৎপন্ন হোৱা অনুৰাগে জাতীয় ভাবত আপোন লক্ষ্যৰ আংশিক কাৰ্য্য সম্পাদন কৰাৰ পাচতে তাৰ নিবৃত্তি দেখা যায়; কিন্তু সামাজিক আচাৰ-ব্যৱহাৰৰ সাদৃশ্যে সঞ্চাৰ কৰা অনুৰাগে আপোন লক্ষ্যৰ নিৰ্দ্ধাৰিত কাৰ্য্য সততে সমভাৱে কৰিয়েই থাকে। আন আন সাদৃশ্যৰ গুণে সময়ত নিজৰ আৱশ্যকতা বুজিও জাতীয় ভাব ইচ্ছাধীন কৰি দেখুৱায়, কিন্তু এই সাদৃশ্যই মানুহক জাতীয় অনুৰাগ দেখুৱাবলৈ আপোনাৰ স্বভাৱৰ দ্বাৰাই বাধ্য কৰায়। কিয়নো, অন্যান্য বিষয়ত এক ক্ষণৰপৰা এক যুগলৈকে উদাসীন থাকিলেও, মানুহে ২৪ ঘণ্টাৰ দুঘণ্টা একেৰাহে আচাৰ-ব্যৱহাৰৰ তল নোহোৱাকৈ থাকিব নোৱাৰে। বহুকাল বা সততে এই সাদৃশ্যৰ অনুগত থকাৰ নিমিত্তেই, একে আচাৰ-ব্যৱহাৰৰ মানুহবিলাকৰ বাহ্যিক প্ৰকৃতি আৰু আন্তৰিক প্ৰবৃত্তিবিলাক প্ৰায় একে গঢ়ৰ হৈ উঠে; আৰু পূৰ্ব্বেই কোৱা হৈছে যে,

সেই একে গঢ়ৰ হোৱাটোৱেই জাতীয় অনুৰাগ উদ্ভৱৰ আই কাৰণ ।

(৫) শাসন-প্ৰণালীৰ সাদৃশ্য ।—একে ৰজাৰ শাসন-প্ৰণালী তেওঁৰ ৰাজ্যৰ সকলো প্ৰজালৈকে একে ; অৰ্থাৎ একে ৰাজ্যৰ প্ৰজা সকলোৰেই শাসনৰ একেবিধ নিয়ম আচৰি চলিবলৈ বাধ্য । এতেকে, সেই আচৰণ একে হোৱাটোও জাতীয় ভাব গাঢ়তৰ কৰাৰ অন্যতম কাৰণ । বিশেষ শাসনৰ টান বা ঢিলা নিয়ম সকলো প্ৰজাই সমানে অনুভৱ কৰে ; গতিকে সিবিলাকৰ ভিতৰত পৰস্পৰ সহানুভূতিও প্ৰবল, আৰু সেই প্ৰবল সহানুভূতিয়েই জাতীয় ভাব গাঢ়তৰ কৰাৰ এটা ডাঙৰ কাৰণ ।

ওপৰত "আপোন" সাদৃশ্যৰ প্ৰধান প্ৰধান ভাগ কেইটাৰ মাথোন লক্ষণ আৰু কাৰ্য্যৰ সংক্ষেপ বিৱৰণ দিয়া গল । ইয়াত বাজেও ওপৰত উনুকিউৱা পিন্ধন-উৰণ, চলন-ফুৰণ, খোৱা লোৱা প্ৰভৃতিৰ সাদৃশ্য ওপৰোক্ত পাঁচ প্ৰকাৰ প্ৰধান প্ৰধান সাদৃশ্যৰ সহযোগী বুলি ধৰিব লগীয়া । ওপৰত কোৱা পাঁচ প্ৰকাৰ প্ৰধান প্ৰাধান সদৃশ্যই জাতীয়ভাব মূলৰপৰা তাৰ গোটেই অঙ্গ গঠনত সহায় কৰে ; আৰু তাৰ তলতীয়া সৰু সৰু সাদৃশ্যই সেই ভাবৰ ভিতৰ আৰু বহিঁভাগৰ শ্ৰীবৃদ্ধি কৰে । এই সৰু সৰু সাদৃশ্যৰ ভিতৰত পিন্ধন উৰণৰ সাদৃশ্য বিশেষ কাৰ্য্যকৰী । এই সাদৃশ্যই মূলভেঁটীৰ আকাৰ-সাদৃশ্যৰ কাৰ্য্যৰ শেহছোৱাত সম্পূৰ্ণকৈ সহায় কৰে । আকাৰ-সাদৃশ্যে পোন-প্ৰথম দৃষ্টিত পৃথিৱীৰ সমস্ত জাতীকে সামৰে ; তাৰপৰা মানুহৰ আকৃতিগত প্ৰভেদানুসাৰে ক্ৰমে বিশেষ বিশেষ জাতিলৈ সিভাগ হৈ যায় । প্ৰথম দৃষ্টিত পৃথিৱীৰ সকলো জীৱ-জন্তুৰ ভিতৰত মানুহ জাতিৰ আকৃতিৰ বিশেষত্ব দেখা যায় ; তাৰ পাচে সূক্ষ্ম দৃষ্টিত মানুহ জাতিৰ ভিতৰতে মানুহৰ বেলেগ বেলেগ জাতিগত বিশেষত্ব ধৰা পৰে । আৰু, এই বিশেষত্বত পিন্ধন-উৰণে বিশেষকৈ সহায় কৰে ।

# ভবিষ্য জ্ঞান।

—:○:—

ভবিষ্যৎ জানিবলৈ মানুহ মাত্ৰৰেই বৰ আগ্ৰহ। এই আগ্ৰহৰ নিমিত্তে জ্যোতিষ, কাকচৰিত ইত্যাদি বিদ্যাৰ উদ্ভৱ হয়। মঙ্গল-চোৱাও ইয়াৰে শাখা-বিশেষ মাথোন। ইয়াত বাজেও মানুহে পশু-পক্ষীৰ উৰণ ফুৰণ, ভাব-ভঙ্গী চাই আগলৈ কি হব তাক অনুমান কৰে। এনে কথা কেৱল আমাৰ ভাৰতবৰ্ষতে নহয়, পৃথিবীৰ সকলো ঠাইতে এই সংস্কাৰ আছে। সকলো দেশৰ মানুহে পশু-পক্ষীৰ ভাব-ভঙ্গীত অৰ্থ আছে বুলি বিশ্বাস কৰে। এই বিশ্বাসৰ কিবা মূল আছে নে নাই তাকে বিচাৰ কৰাই এই প্ৰবন্ধৰ মুখ্য উদ্দেশ্য। ইয়াত জ্যোতিষৰ বা কাকচৰিতৰ গুণাগুণৰ বিচাৰ কৰা নহয়; কেৱল পক্ষীৰ উৰণ-ভ্ৰমণৰ বিষয়ে দু-আষাৰ কোৱা যাব। বহুতে কয় যে, যি কথা সমস্ত জগতে বিশ্বাস কৰে সি কেতিয়াও মিছা নহয়, আৰু তাৰ বিচাৰৰে বা প্ৰয়োজন কি? এইটো অৱশ্যে ভুল; জগতে বিশ্বাস কৰা কথাৰ ভিতৰতো অনেক মিছা কাণ-খোৱাৰ নিচিনা কল্পনামূলক কথা পোৱা যায়। শিয়ালৰ শিং, থেকেৰাৰ ফুল অনেক বস্তু এসময়ত জগতে বিশ্বাস কৰিছিল; অশিক্ষিত মানুহৰ ভিতৰত আজিও সেই ভাব প্ৰবল দেখা যায়। তেও সেইবোৰ বস্তু কোনো বিজ্ঞানবিদ্ পণ্ডিতে সঁচা বুলি কবলৈ সাহ নকৰে। পক্ষী-বিজ্ঞানো তদ্ৰূপ পদাৰ্থ। তাক সমস্ত পৃথিবীয়ে বিশ্বাস কৰিব পাৰে; কিন্তু সেই বুলি আমি আগ-গুৰি বিচাৰি নোচোৱাকৈ তা সঁচা বুলি ধৰিব নোৱাৰোঁ। চৰাই এটা জ্ঞানহীন জন্তু, সি যে ভৱিষ্যৎ জানে আৰু

উমাই থকা বিশ্বাস প্ৰবল হৈ জ্বলি উঠে । ফেঁচাই অন্য সময়ত নিওঁ বুলিলেও ভয় লাগে, কিন্তু সেই প্ৰকাৰ কাৰ্য্য নহলে ক্ৰমে তাক পাহৰি যায় । আৰু, অনেক সময়ত সেই ডাক শুনা নাযায় ; কিয়নো গভীৰ ৰাতি হে ফেঁচাই "নিওঁ" ডাক ডাকে ; তেতিয়া সকলো মানুহ নিদ্ৰাগত । কিন্তু ঘৰত টান নৰিয়া থাকিলে সেই দিনা মানুহে পৰ দিয়ে, উজাগৰ থাকে এতেকে ৰাতিৰ ভিতৰত যত যি হয় কব পাৰে । ইয়াৰ লগতে ৰাতি যে এনেয়ে ভয়ঙ্কৰ তাকো ধৰিব লাগে । দিনত যি কথাই ভয় লগাব নোৱাৰে ৰাতি সেই কথাই ভয়ঙ্কৰ হব পাৰে । দিনত ফেঁচাই "নিওঁ" নোবোলে, বোলাহেঁতেন বোধ হয় সিমান ভয় নালাগিলহেঁতেন ।

---

# কালিদাস আৰু শকুন্তলা ।

আজি দুহেজাৰমান বছৰ হল, এজনা মহাপুৰুষে উজ্জয়িনী নগৰ পোহৰ কৰিছিল, সংস্কৃত-সাগৰ মথি কাব্য-মাণিক উৎপন্ন কৰিছিল, কবি-সকলক মোহিত কৰিছিল, ৰস আৰু অলঙ্কাৰ মৌৰে ভাৰত-ভোমোৰাক মতলীয়া কৰিছিল ;—তেওঁৰ নাম কালিদাস, তেওঁ বিক্ৰমাদিত্যৰ নৱৰত্নৰ ভিতৰত সকলোতকৈ উজ্জ্বল ৰত্ন আছিল । আজি দুহেজাৰ বছৰ তেওঁৰ কাব্য, তেওঁৰ নাটক, তেওঁৰ কবিত্ব শক্তি, তেওঁৰ অনুপম উপমা, তেওঁৰ কবিতাৰ অনুপম সৰলতা আৰু মধুৰতা দেখি ভাৰত-জগত মোহিত হৈ আছে, সকলোৱে একবাক্যে তেওঁক ভাৰতৰ কবিসকলৰ মাজত সকলোতকৈ ওখ আসনত বহিবলৈ দিছে, সৰস্বতীৰ বৰপুত্ৰ বুলি পূজা কৰিছে । সংস্কৃত জনা লোকসকলে কালিদাসৰ অমৃতময় কাব্য আৰু নাটক-বিলাক পঢ়ি মোহিত হয়, আনবিলাকে তেওঁৰ সাধুকথা শুনি আচৰিত

হয়। যেনেকৈ ৰাম-কৃষ্ণৰ নাম ঘৰে ঘৰে, ব্যাস-বাল্মীকিৰ নাম ঘৰে ঘৰে, সেইদৰে কালিদাসৰ নামো ঘৰে ঘৰে। হিন্দুৱে কালিদাস পঢ়া গৌৰৱ বুলি ভাবে; হিন্দু কবিয়ে কালিদাসৰ আৰ্হিলৈ কবিতা লিখিবলৈ শিকে। এজন হিন্দু কবিয়ে কৈছে, বোলে মোৰ কপালত যেন কালিদাসৰ কবিতা জন্মে-জন্মে ঘটে!

ইউৰোপৰ লগত ভাৰতৰ চলাচল হোৱাত কালিদাসৰ ৰাজত্ব আৰু বাঢ়িল; এতিয়া ইউৰোপ আৰু আমেৰিকাৰ সভ্য জাতিবিলাকেও তেওঁক পূজা কৰিবলৈ ধৰিছে। জৰ্ম্মান, ইংৰাজ আদি জাতিয়ে কালিদাসৰ কাব্যবিলাক বৰ আদৰ কৰি পঢ়িবলৈ আৰু নিজ ভাষালৈ ভাঙ্গিবলৈ ধৰিছে। তেওঁলোকে এতিয়া বুজিছে যে, হিন্দুজাতি এসময়ত কাব্য জখলাৰ বৰ ওখ খাপলৈকে উঠিছিল।

কালিদাসে মানুহক যিমান মুহিব পাৰিছে আন হিন্দু গ্ৰন্থকাৰে সিমান পৰা নাই। সংস্কৃতত সকলোতকৈ ভাল নাটক কালিদাসৰ, ভাল খণ্ডকাব্য কালিদাসৰ। আন কোনো কবিয়ে তেওঁৰ দৰে সকলো বিষয়তে সমান ভাবে পাৰ্গতালি দেখাব পৰা নাই। আহা, কালিদাস কি অসাধাৰণ কবি! তেওঁৰ ৰচনা কেনে মধুৰ, কেনে সুললিত! তেওঁৰ কবিতা পঢ়া মাত্ৰকে হৃদয় আনন্দত নাচিবলৈ ধৰে, কাণত যেন স্বৰ্গৰ অপ্সৰাবিলাকৰ সুললিত গান হে প্ৰৱেশ কৰিলেহি! এটি এটি কবিতাৰ সৌন্দৰ্য্য আৰু চমৎকাৰিত্ব দেখি মন একেবাৰেই বিমোহিত হয়। ধন্য তুমি কালিদাস! জগতত চন্দ্ৰ-দিবাকৰ থাকেমানে তুমি কাব্য জগতত অধিপতি হৈ থাকিবাঁ।

কালিদাসৰ সকলো কাব্যৰ ভিতৰত "অভিজ্ঞানশকুন্তলম্" উৎকৃষ্ট। এজনা বিচক্ষণ লোকে কৈছে, "কালিদাসস্য সৰ্ব্বস্বমভিজ্ঞানশকুন্তলম্।" ইউৰোপৰ পণ্ডিতসকলেও শকুন্তলাক নশলাগি এৰা নাই। জাৰ্ম্মানি দেশৰ গেটি বুলি এজনা বিখ্যাত পণ্ডিতে কি কৈছে চাওক;—"হে

শকুন্তলা ! বসন্ত কালৰ ফুলৰ কলি, শৰৎ কালৰ ফল, আৰু যি যি বস্তুৰ দ্বাৰা মানুহৰ মন মোহিত, পুলকিত, তৃপ্ত, আৰু উন্নত হয়, সেই সকলো বিলাক বস্তুলৈ তোমাৰ মন গৈছে নে ?—নাইবা তুমি স্বৰ্গ আৰু পৃথিৱী দুইকো একেটা নামতে লগ লগাব খোজাঁ ? তেনেহলে মই তোমাৰ নাম কাঢ়োঁ, আৰু নাম কঢ়া মাত্ৰকে সেই সকলোবিলাক কৈ দিয়া হব ।”

স্বৰূপতে কালিদাসৰ শকুন্তলা এটি অনুপম বস্তু । বসন্তৰ ফুল, শৰতৰ ফল, স্বৰ্গ আৰু পৃথিবীত যি যি মনোহৰ বস্তু আছে, সেই সকলো-বিলাক অকল শকুন্তলাতেই পোৱা যায় । ইয়াক এশবাৰ পঢ়িলেও আমনি নালাগে । জগতত এনে এখন দ্বিতীয় নাটক আছে নে নাই বৰ সন্দেহৰ কথা । ভাৰতত কালিদাসৰ নিচিনা কবি নাই, অভিজ্ঞানৰ নিচিনা নাটক নাই, দুষ্মন্তৰ নিচিনা নায়ক নাই, শকুন্তলাৰ নিচিনা নায়িকা নাই, অনসূয়া আৰু প্ৰিয়ম্বদাৰ নিচিনা সখী নাই । যি কোৱাঁ, শকুন্তলাৰ সকলো সুন্দৰ, সকলো মনোহৰ ;—আগৰপৰা গুৰিলৈকে চমৎকাৰ । মহাভাৰতৰ কি এটা সামান্য উপাখ্যান লৈ কালিদাসে কি এটি অপূৰ্ব্ব আৰু উপাদেয় বস্তুৰ সৃষ্টি কৰি পেলালে, ভাবিলে বৰ আচৰিত হব লাগে ।

শকুন্তলা উপদেশেৰে ভৰা । ই এই সময়ৰ বিশেষকৈ উপযোগী । শকুন্তলাৰ প্ৰেম, সতীত্ব, কোমলতা আৰু কঠিনতা ; দুষ্মন্তৰ স্নেহ, ধৰ্ম্মনিষ্ঠা আৰু কৰ্ত্তব্যপৰায়ণতা, গুপ্ত প্ৰণয়, অবৈধ বিবাহ আৰু কৰ্ত্তব্যৰপৰা ভৰি পিছলাবৰ নিমিত্তে দুইৰো দুৰ্ঘোৰ পৰীক্ষাৰ সময়তো ধৰম আৰু নীতিৰ আশ্ৰয় লৈ থকাত দুইৰো মিলন আৰু সুখ, এইবিলাক কথা মন দি শিক্ষা কৰিব লগীয়া

# প্ৰাণীতত্ত্ব ।

বহুতৰ বিশ্বাস এই যে, মানুহে যিমান বিজ্ঞানৰ উন্নতি সাধন কৰে, সিমান স্বভাবৰ কাৰ্য্য-কলাপবিলাক দেখি তাৰ উৎপত্তিৰ কাৰণ স্থিৰ কৰিব পাৰি মানুহৰ বোধগম্য নোহোৱা ঈশ্বৰৰ অসীম ক্ষমতাৰ প্ৰতি আস্থা কমি আহে, সিমান মানুহে ঈশ্বৰৰ সমকক্ষ হব পাৰিব বুলি আশা কৰে । এই বিশ্বাসটি অমূলক ; কাৰণ ডাঙ্গৰ ডাঙ্গৰ বিজ্ঞানবিদ্ পণ্ডিতসকলে কৈছে যে, যিমান বিজ্ঞানৰ বাটত আগবঢ়া যায়, সিমান পৰমেশ্বৰৰ সৃষ্টিকৌশল বুজিব পাৰি তেওঁৰ অসাধাৰণ বুদ্ধি আৰু ক্ষমতাৰ চিনাকি পোৱা যায়, আৰু তেওঁৰ তুলনাত আমি যে কিমান নিকৃষ্ট তাকো সুন্দৰকৈ বুজা যায় ।

বৈজ্ঞানিক কল্পনাৰ বলত আমি জড়জগতৰ পৰিবৰ্ত্তনবিলাকৰ আদি-অন্ত বিচাৰি উলিয়াইছোঁ । এই কল্পনাৰ সহায়তে আমি পৃথিবী, চন্দ্ৰ, সূৰ্য্য প্ৰভৃতি সৌৰজগতৰ গ্ৰহবিলাকৰ প্ৰথমাৱস্থা কেনে আছিল তাক জানিব পাৰিছোঁ । অকল কল্পনাৰ ওপৰতে আমাৰ বৈজ্ঞানিক শিক্ষা হোৱা নাই । উন্নতিৰ সোঁতত নিতে ন-ন বৈজ্ঞানিক যন্ত্ৰবিলাকৰ আবিষ্কাৰ হব লাগিছে । এই যন্ত্ৰবিলাকৰ কাৰ্য্যৰ দ্বাৰা আমি পণ্ডিতসকলৰ অনুমানবোৰৰ সত্যতা প্ৰমাণ কৰি চাইছোঁ । এই আটাইবিলাক সাধাৰণ কথা । আন-আন গ্ৰহবিলাকৰ কথা এৰি অকল পৃথিবী সম্বন্ধীয় কথা-বোৰ আলচ কৰিয়েই তথা মানিব লাগে ।

পৃথিবীত প্ৰাণীৰ সৃষ্টি কৰপৰা হল ? জড়বস্তুৰ যোগত প্ৰাণৰ উত্তৱ হৈছে নে, ই এক পৰমেশ্বৰৰ সৃষ্টি ? এই কথা বৰ গুৰু, আৰু ই আমাৰ

আলোচনাৰ ভিতৰৰ নহয় । প্ৰাণ কি বস্তু প্ৰাণী মাত্ৰৰে সেই সম্বন্ধে এটা মুঠ-জ্ঞান আছে, সেই জ্ঞানটি কেনে তাক ভাষাৰে বিশদৰূপে বজোৱা টান । প্ৰত্যেক জীৱৰ এই সম্বন্ধে যি আত্ম-প্ৰত্যয় আছে সেয়ে যথেষ্ট । আমি মুঠতে ইয়াকে জানোঁ যে, জড় বস্তুৰ লগত প্ৰাণ লগ লাগি প্ৰাণী হৈছে ।

প্ৰাণীৰ উৎপত্তি আৰু পৰিবৰ্ত্তনৰ গতি নিৰ্ণয়ৰ আবিষ্কাৰ আধুনিক বৈজ্ঞানিক জগতৰ এটি বৰ ডাঙৰ ঘটনা । যেয়ে-সেয়ে দেখিছে যে, পৃথিবীত মানুহ, বান্দৰ, ঘোঁৰা, হাতী, গৰু মহ, চৰাই প্ৰভৃতি নানা শ্ৰেণীৰ জলচৰ প্ৰাণী, আৰু মাছ, কাছ প্ৰভৃতি জলচৰ প্ৰাণী আছে । তাত বাজেও গছ, লতা ইত্যাদি উদ্ভিদ প্ৰাণী পৃথিবীত আছে । এই আটাই-বিলাকৰ যে প্ৰথমতে একে উৎপত্তি ঠাই, এনেকুৱা মেৰপাকখোৱা প্ৰাণীসূত্ৰৰ যে আদিতে একেডালি মাথোন সোঁত আছিল, তাক ভাবিলেও আচৰিত হব লাগে । সুপ্ৰসিদ্ধ পণ্ডিত ডাৰউইনে প্ৰথমতে এই অচৰিত সত্য উলিয়াই সাধাৰণৰ চকুৰ আগত দাঙ্গি ধৰে ।

জীৱবিলাকৰ মাজত প্ৰাণৰ পৰিমাণৰ তাৰতম্য থকাৰ বাবে বেলেগ বেলেগ শ্ৰেণীত প্ৰাণীবিলাক ভাগ কৰিব পাৰি । মাছতকৈ হাঁহৰ প্ৰাণৰ পৰিমাণ বেচি ; বান্দৰতকৈ মানুহৰ প্ৰাণৰ পৰিমান বেচি ; সেই দেখি জীৱ-জখলাত মাছ, হাঁহ আৰু বান্দৰ মানুহৰ তলৰ খাপত থাকিব । জীৱ-জখলাৰ সকলোতকৈ ওখ ঠাই সম্প্ৰতি মানুহেই অধিকাৰ কৰিছে । পাচত যে কালৰ গতিত পৰিবৰ্ত্তন হৈ এই জখলাৰ অৱস্থা কেনেকৈ হবে তাক কোনে কব পাৰে । এই জীৱ-জখলাৰ নিচেই তলৰ খাপত প্ৰটোপ্লাস্ম্ বা প্ৰাণপঙ্ক নামে এবিধ প্ৰাণী আছে । সমুদ্ৰত ইহঁতৰ উৎপত্তি হয় । সাধাৰণতঃ দেখিলে ইহঁতৰ যে প্ৰাণ আছে তাক বুজা টান, ইহঁতৰ কোনো অঙ্গ বা ইন্দ্ৰিয় নাই । ডোখৰ-ডোখৰকৈ কাটি দিলেও প্ৰত্যেক

কটা অংশই একোটা বেলেগ বেলেগ প্ৰটোপ্লাস্ম্ হৈ উঠে, আকৌ কেইবা ডোখৰো একে লগ কৰি দিলে সেই আটাইবোৰে মিলি এটা জীৱৰ নিচিনা কাম কৰে। কোনো বিশেষ কোষৰ মাজত এই প্ৰটোপ্লাস্মৰ উৎপত্তি হলে তেতিয়া নিৰ্দ্দিষ্ট আকাৰৰ এটা জীৱৰ সৃষ্টি হয়, তেতিয়া সেই প্ৰাণীক জীৱ-জথলাৰ নিচেই তলৰ থাপৰ ওপৰত ঠাই দিয়া হয়। এনেকুৱা প্ৰথম নিৰ্দ্দিষ্ট আকাৰৰ প্ৰাণীবিলাকৰ অঙ্গ-প্ৰত্যঙ্গৰ সিমান ভেদাভেদ নাথাকে। জোক, কেঁচু প্ৰায় এই শ্ৰেণীৰ জীৱ। কোনো বস্তু ধৰিব লাগিলে সিহঁতে গাটোৰ এছোৱা দীঘলকৈ মেলি দিয়ে, বা কোনো বিপদৰ আশঙ্কা হলে তেতিয়াই গোটেই গাটো কোঁচাই ঘুৰণীয়া বাটলু-গুটিৰ দৰে হয়। কোনো আহাৰ খাব লাগিলে আহাৰীয় বস্তুটিৰ চাৰিওফালে মেৰাই ধৰি তাৰ সাৰ শুহি পেলায়।

এই প্ৰটোপ্লাস্ম্ অৱস্থাৰ পৰা উন্নতি হৈয়েই পৃথিবীত নানা জীৱ জন্তুৰ সৃষ্টি হৈছে। প্ৰকৃতিৰ আচৰিত প্ৰণালীৰ দ্বাৰা জীৱবিলাকৰ আদিতে একেটা উৎপত্তিৰ ঠাই হৈয়ো অনন্তকালৰ গতিত নানা শ্ৰেণীভেদ হৈছে। প্ৰত্যেক শ্ৰেণীৰ জীৱ, প্ৰাণীজগতৰ ক্ৰমিক উন্নতিৰ প্ৰত্যেক অৱস্থাৰ একোটা গড় মাথোন। এই ক্ৰমিক উন্নতি এটা বৰ ডাঙ্গৰ প্ৰাকৃতিক বিৱৰ্ত্তনৰ দ্বাৰা সধা হৈছে, আৰু সেই বিৱৰ্ত্তনৰ এতিয়ালৈকে শেহফল মানুহৰ সৃষ্টি। এই ক্ৰমোন্নতিসাধক পৰিবৰ্ত্তন সদায় চলি আছে আৰু ভৱিষ্যতলৈকো সেই দৰেই চলি থাকিব।

এতিয়া এনে প্ৰশ্ন হব পাৰে যে, প্ৰকৃতিৰ কি প্ৰণালী অনুসাৰে জীৱ জগতত শ্ৰেণীভেদ হৈছে। সেই প্ৰণালা এইবিলাক নিয়মৰ দ্বাৰা, যেনেঃ— (১) বৃদ্ধি আৰু পুনৰুৎপত্তি, (২) পুৰুষানুক্ৰমিক গুণাধিকাৰ, (৩) বহিৰ্জগতৰ অৱস্থাৰ আৰু ব্যৱহাৰ-অব্যৱহাৰৰ তাৰতম্য (৪) জীৱসমূহৰ ঘনবৃদ্ধি, সিহঁতৰ মাজত জীৱন ৰক্ষাৰ নিমিত্তে যুঁজ আৰু তাৰ ফল স্বৰূপ

প্ৰাকৃতিক নিৰ্ব্বাচনৰ দ্বাৰা হোৱা জীৱচৰিত্ৰৰ প্ৰকৃতিভেদ আৰু উন্নতিহীন জীৱৰ লোপ । এই কেইটা নিয়ম বৰ গুৰু আৰু বুজিবলৈ বৰ টান ; সেই দেখি এই বিষয় অলপ বিশদৰূপে বুজিবলৈ চেষ্টা কৰা যাওক ।

বৃদ্ধি আৰু পুনৰুৎপত্তিৰ এই দুটা গুণ সকলো জীৱৰেই আছে । সময়ৰ গতিত মানুহ, গৰু, ঘোঁৰা, চৰাই, তৃণ সকলো বাঢ়ে আৰু সিহঁতে সন্ততি উৎপাদন কৰি জীৱসংখ্যা বঢ়ায় । এই দুটা গুণ নথকা হলে জগতত প্ৰাণী নাথাকিলহেঁতেন ।

দ্বিতীয় নিয়মটি বৰ আৱশ্যকীয় । পৃথিৱীৰ সকলো প্ৰকাৰ জীৱই নিজ নিজ গুণ নিজ সন্তান-সন্ততিবিলাকক দি যায় । সকলোৱেই দেখিছে যে বহুত মানুহৰ কিছুমান ৰোগ সিহঁতৰ পূৰ্ব্বপুৰুষবিলাকৰপৰা অধিকাৰ কৰা । ডাক্তৰী শাস্ত্ৰত এনেকুৱা বহুত ঘটনাৰ কথা উল্লেখ কৰা আছে । উদাহৰণ স্বৰূপে এটা ঘটনা উল্লেখ কৰি এই কথাৰ সত্যতা দেখুৱা যাওক । এসময়ত অষ্ট্ৰেলীয়া দেশৰ এজন চহা মানুহে তাৰ ভেড়া পোৱালি এটাৰ ঠেংকেইটা আন-আন তাৰ সমনীয়া পোৱালীৰ ঠেঙতকৈ চুটি যেন দেখিলে ; ঠেং চুটি হোৱাৰ পৰা চহা মানুহটোৱে বুজিলে যে সেই ভেড়া পোৱালিটি ডাঙৰ হলেও আন ভেড়াৰ নিচিনাকৈ সি দেও দি চকোৱা পাৰ হৈ পলাব নোৱাৰিব । এইটো বৰ সুবিধা যেন দেখি সেই ভেৰাৰ যিবিলাক পোৱালিৰ সেইদৰে ঠেং চুটি হল সেইবিলাকক বেলেগে থৈ সিহঁতৰপৰা সন্ততি জন্মোৱালে । তেতিয়া সেই সন্ততিবিলাকৰ ঠেং চুটি হোৱা আৰু স্পষ্টকৈ দেখা গল । এই দৰে কেইবাবাৰো চুটি ঠেঙীয়া ভেৰা যোৰ মিলাই দিয়াৰপৰা এবিধ নতুন জাতৰ ভেড়াৰ সৃষ্টি হল । আগৰ পুৰুষৰ গুণবিলাক তাৰ পাচৰ পুৰুষে অধিকাৰ কৰাত সি কিছুমান নিয়মে কাজ কৰে ; যেনে, মতা জীৱটিৰ বিশেষত্ব সাধাৰণতঃ মতা সন্ততিয়ে অধিকাৰ কৰে ; মাইকীৰ বিশেষত্ব মইকী সন্ততিয়ে অধিকাৰ কৰে ।

আকৌ দেখা যায় যে, এটা জীৱৰ যি সময়ত এটা বিশেষত্ব অৰ্জা হৈছিল, তাৰ সন্ততিবিলাকেও পাচত জীৱনৰ ঠিক তেনে সময়তে সেই বিশেষত্ব অধিকাৰ কৰে। সেই নিয়মে কোনো এক শ্ৰেণীৰ জীৱবিলাকৰ বুৰঞ্জীৰ আদিতে অৰ্জা গুণবিলাকৰ চিন্ এই শ্ৰেণীৰ জীৱৰ প্ৰত্যেক পুৰুষৰ সন্ততিবোৰৰ প্ৰথম ভাগতে দেখিবলৈ পোৱা যায়; শেহভাগত অৰ্জা গুণ বা বিশেষত্ববিলাক জীৱনৰ পাচৰ ভাগত হে ফুটি ওলায়।

এতিয়া বহিৰ্জগতৰ বেলেগ বেলেগ অৱস্থাৰ গাবে আৰু অভ্যাস, ব্যৱহাৰ আৰু অব্যৱহাৰৰ দ্বাৰা জীৱবিলাকৰ কি নিয়মে লক্ষণভেদ হব লাগিছে তাক বিচাৰ কৰি চোৱা যাওক। বহিৰ্জগতৰ অৱস্থা বুলিলে বহুত কথা বুজায়; ইয়াত আমি জল-বায়ু, ঠাইৰ প্ৰাকৃতিক অৱস্থা প্ৰভৃতিৰ কথা উল্লেখ কৰিম। কোনো ঠাই গৰম বা শীতপ্ৰধান হলে সেই ঠাইৰ জীৱবিলাকো জল-বায়ুৰ সেই অৱস্থাৰ উপযোগী হব লাগিব, তেহে তিষ্ঠিব পাৰিব। জল-বায়ুৰ ওপৰত উদ্ভিজ বস্তুৰ অৱস্থাই যিমান নিৰ্ভৰ কৰে জন্তুৰ অৱস্থাই সিমান নকৰে। প্ৰাণীতত্ত্ববিদ্ পণ্ডিতসকলে দেখিছে যে, ঠাইৰ গুণৰ তাৰতম্যৰ পৰা জীৱবিলাকৰ মাজত প্ৰভেদ দেখা যায়। মহাদেশবিলাকত যিবিলাক চৰাই আছে, সেইবিলাকৰ বৰণ দ্বীপবোৰত থকা চৰাইৰ বৰণতকৈ বহুত উজ্জ্বল। সাগৰৰ দাঁতিত থকা গছ-গছনিৰ পাতবিলাক সাধাৰণতে বেচি ডাঠ দেখা যায়। এনেকুৱা উদাহৰণ আৰু বহুত পোৱা যায়। অভ্যাসৰ দ্বাৰা প্ৰাণী-বিলাকৰ মাজত বহুত প্ৰভেদ ঘটিছে, তাৰ এটি উদাহৰণ দেখুৱালেই হব। ঘৰচীয়া হাঁহতকৈ বনৰীয়া হাঁহৰ ঠেঙৰ ওজন বহুত কম। তাৰ কাৰণ এই যে, ঘৰচীয়া হাঁহ-বিলাকে ঠেঙেৰেই সদায় কাম কৰে, লৰি-চৰি ফুৰিব লাগিলে খোজ কাঢ়ে। কিন্তু বনৰীয়া হাঁহবিলাকে প্ৰায় সদায় উৰি ফুৰে, সেই দেখি সিহঁতৰ ঠেঙৰ সিমান কাম নহয়। এই কাৰণৰ নিমিত্তেই ঘৰচীয়া হাঁহৰ ঠেং বনৰীয়া

হাঁহৰ ঠেঙ্গতকৈ গধুৰ । ব্যৱহাৰ আৰু অব্যৱহাৰৰ কাৰ্য্যৰ উদাহৰণ প্ৰায় এনেকুৱা । কোনো বিশেষ অৱস্থাত পৰাৰ বাবে কেতিয়াবা কোনো প্ৰকাৰ জীৱৰ এটা বিশেষ অঙ্গৰ কাম নোহোৱা হৈ পৰে । তেনেকুৱা হলে সেই অঙ্গৰ ক্ৰমে হীন অৱস্থা হয় আৰু এই ৰকমে বহুত পুৰুষৰ পাচত হয়তো জীৱটিৰ সেই অনাৱশ্যকীয় অঙ্গটি লোপ পায় । অষ্ট্ৰীচ্ বা উট্ চৰায়ে কেতিয়াও তাৰ ডৌকা ব্যৱহাৰ নকৰে । কোনো বিপদ উপস্থিত হলে সি তাৰ দীঘল ঠেঙ্গেৰে লৰি পলায়, অথবা উপায়ন্তৰ নহলে তাৰ বলী ঠেংটোৰে লাঠি মাৰি শত্ৰুক বিমুখ কৰে । অনুমান কৰি জানিব পৰা যায় যে. উট্ চৰাইৰ পূৰ্ব্বপুৰুষবিলাকে সম্ভবতঃ ডৌকাৰ কোনো আৱশ্যক নেদেখি তাক ব্যৱহাৰ নকৰিছিল, বা কেতিয়াবা-কদাচিত হে কৰিছিল । এনেকুৱা হোৱাৰপৰা ঃউট, চৰাইৰ ডৌকাবোৰ দুৰ্ব্বল হবলৈ ধৰিলে আৰু ঠেঙ্গৰ কাৰ্য্য বাঢ়ি অহাত সেই অঙ্গৰ কালত ক্ৰমিক উন্নতি হবলৈ ধৰিলে । অৱশেষত উট্ চৰাইৰ ডৌকা দুখন কাম কৰিবলৈ একেবাৰে অক্ষম হৈ পৰিল আৰু ঠেঙ্গৰ শক্তি ইমান বাঢ়িল যে, তাৰ একে লাঠিতে ডাঙ্গৰ ডাঙ্গৰ জন্তুৰো প্ৰাণনাশ হব লাগিছে । কেকোৰা প্ৰভৃতি সদায় মাটিৰ তলত আন্ধাৰ গাঁতত সোমাই থকা বহুত জীৱৰ চকুৰ আৱশ্যক আৰু কাৰ্য্য প্ৰায় নথকাৰ বাবে সিহঁতৰ সেই অঙ্গ হীন বা বিকৃত হোৱা দেখা গৈছে ।

প্ৰাণীবিলাকৰ অপৰিসীম বৃদ্ধিয়েই সিহঁতৰ মাজত জীৱন ৰক্ষাৰ বাবে ঘটা যুদ্ধৰ মূল কাৰণ । প্ৰত্যেক জীৱই যিবিলাকৰ সন্ততি উৎপাদন কৰে, সেই আটাইবিলাক যদি তিষ্ঠিব পাৰি বাঢ়ে, তেনেহলে অতি অলপ কালতে পৃথিৱী প্ৰাণীৰে ভৰি পৰিব । কিন্তু তেনে কেতিয়াও নহয় । প্ৰাণীৰ সংখ্যা সৰহ হলে সিহঁতৰ মাজত নানা কাৰণৰ বাবে প্ৰতিদ্বন্দ্বীতা হৈ উঠে ; যি যোগ্য সি ৰক্ষা পায়, যি অযোগ্য সি নষ্ট পায় । জীৱন

ৰক্ষাৰ নিমিত্তে যুঁজ—এইটো অলপ চাবলগীয়া কথা। খাদ্য নোহোৱা সময়ত দুটা কুকুৰৰ মাজত জীৱন ৰক্ষাৰ কাৰণে যুঁজ হোৱা বুলিব পাৰি। মিচল্‌টো নামেৰে এবিধ গছত গজা উদ্ভিদ্ আছে। সেই বিলাক সাধাৰণতে আপ‍্‌ল গছত হয়। যদি একেডাল গছতে তেনেকুৱা বহুত মিচল্‌টো গজে, তেনেহলে এডালো বাঢ়িব নোৱাৰে, হেঁচাহেঁচি হোৱাত আটাইবিলাক মৰি যায়। আকৌ মিচল্‌টোবিলাক এডাল গছৰপৰা আন গছ এডাল হবলৈ চৰাইবিলাকৰ সহায়তা লাগে; কাৰণ চৰাই-বিলাকে সিহঁতৰ গুটিবিলাক নি আন গছৰ খোৰোঙত নেপেলালে আৰু আন উপায়ে সেই গছত মিচল্‌টো হব নোৱাৰে। চৰাইবিলাক সদায় মিচল্‌টো থকা গছলৈ নাহে; সেই দেখি ভাবি চালে মিচল্‌টোবোৰে আন আন বিবিলাক গছে ফল উৎপাদন কৰি চৰাইবিলাকক আকৰ্ষণ কৰে, তেনেবোৰ গছৰে জীৱন ৰক্ষাৰ কাৰণে প্ৰতিদ্বন্দ্বীতা কৰে। এই দৰে প্ৰতিদ্বন্দ্বীতা কৰি জীৱসংখ্যা নকমা হলে পৃথিবীত এক ভয়ানক ঘটনা হৈ উঠিলহেঁতেন! হাতীয়ে সকলোতকৈ কম সন্ততি উৎপাদন কৰে। ডাৰউইনে স্থিৰ কৰিছে যে, সাধাৰণতঃ হাতীয়ে ৩০ বছৰ বয়সৰপৰা পোৱালি জগাবলৈ আৰম্ভ কৰি, ৯০ বছৰ বয়সলৈকে তিনিবাৰ মাথোন পোৱালি প্ৰসব কৰে। এই নিয়মে চলি গলে, ৫০০ বছৰৰ মূৰত পৃথিবীত একেযোৰ হাতীৰপৰা ১৫ নিযুত হাতী উৎপন্ন হয়। কিন্তু হাতীৰ সংখ্যা ইমান সৰহ হলে কেতিয়াও আটাইবিলাক তিষ্ঠিব নোৱাৰে; সিহঁতৰ মাজত তেতিয়া প্ৰতিদ্বন্দ্বীতা হৈ সংখ্যা কমি যাব। আমি এতিয়া দেখিলো যে, কোনো জীৱৰ সংখ্যা পৃথিবীত সৰহ হলে সিহঁতৰ মাজত জীৱন-ৰক্ষাৰ কাৰণে যুদ্ধ হয়; তাত কিছুমান ৰক্ষা পায়, আনবিলাক মৰে। ইয়াৰ ৰহস্য কি বুজা যাওক। পৃথিবীত যেতিয়া জীৱবিলাক চাৰিওফালে ছিটিকি পৰিল, তেতিয়া সিহঁতৰ থকা ঠাইৰ মাজত প্ৰভেদ হবলৈ ধৰিলে।

কিছুমান গৰম দেশলৈ, কিছুমান শীতপ্ৰধান দেশলৈ, কিছুমান পৰ্ব্বতীয়া ঠাইলৈ, আনবিলাক ভৈয়ামৰ ফালে এই দৰে দিগদিহি গল। যিবিলাক পৰ্ব্বতপূৰ্ণ ঠাইবোৰলৈ গল, সিহঁতৰ ভিতৰত যিবিলাক পৰ্ব্বতৰ গুহাত থাকিবৰ উপযুক্ত আছিল সিহঁত ৰল, যিবিলাক অযোগ্য আছিল সিবিলাক মৰিল। সেইদৰে শীতপ্ৰধান ঠাইলৈ যোৱাবিলাকৰ মাজত যিবোৰ নোমাল আছিল বা যিবিলাকৰ জাৰ গুচাবৰ কোনো উপায় আছিল সিহঁত ৰল, বাকীবিলাক লোপ পালে। এইদৰে যিবিলাক ঠাইৰ প্ৰাকৃতিক অৱস্থাত উপযোগী হোৱাৰ বাবে তিষ্ঠিল সেই বলাকে সেই ঠাইবোৰতে থাকি বেলেগ বেলেগ বিশেষত্ব আৰ্জ্জিলে। সেইবোৰ বিশেষত্ব পুৰুষানুক্ৰমে প্ৰাণীবিলাকৰ মাজত চলি থাকি সিহঁত এক বেলেগ জাতীৰ প্ৰাণী হৈ উঠিল। এইদৰে কোনো কোনো শ্ৰেণীৰ একেবাৰে লোপ হৈছে, কিছুমানে কোনো বিশেষ ঠাইত পৰি সেই ঠাইৰ উপযোগী হোৱাত তাতে কোনো বিশেষ গুণ অধিকাৰ কৰি এক শ্ৰেণী নতুন জীৱৰ সৃষ্টি কৰিলে।

প্ৰাকৃতিক নিৰ্ব্বাচন বোলাত কি বুজা যায় তাৰ অলপ ভু বোধ কৰোঁ এতিয়া গোৱা গৈছে। আগেয়েই কৈছো যে, নানা কাৰণৰ বাবে জীৱবিলাকৰ মাজত বহুত প্ৰভেদ জন্মিছে। প্ৰত্যেক জীৱৰ বেলেগ বেলেগ ফালে পৰিবৰ্ত্তন হোৱাৰ বাবেই এনে প্ৰভেদ হৈছে। এই পৰিবৰ্ত্তনবিলাকৰ কিছুমান জীৱৰ নিমিত্তে উপকাৰী আৰু কিছুমান অনিষ্টকৰ। এই অনিষ্টকৰ পৰিবৰ্ত্তনবিলাক এৰি উপকাৰী পৰিবৰ্ত্তনবিলাক এক আচৰিত প্ৰাকৃতিক নিৰ্ব্বাচন বুলিছোঁ। যিবিলাক জীৱৰ উপকাৰী পৰিবৰ্ত্তন নহৈ কেৱল অনিষ্টকৰ পৰিবৰ্ত্তন হয় সিহঁত তিষ্ঠিব নোৱাৰে, কালত সিহঁতৰ বিনাশ হয়। এইদৰে এটা শ্ৰেণীৰ জীৱ অসুবিধাযুক্ত অৱস্থাত থকাৰ নিমিত্তে লোপ পাই জীৱমণ্ডলীৰ একোটা শ্ৰেণী হীন কৰিছে। লোপ পাই যোৱা প্ৰাণীবিলাক আৰু তুনাই পৃথিবীত নোলায়,

কাৰণ প্ৰাণীসূত্ৰৰপৰা সিহঁত ছিগি পৰিল। এতিয়াও ভূগৰ্ভৰপৰা সময়ে সময়ে সেই লোপপোৱা প্ৰাণীবোৰৰ কিছুমানৰ চিন্ দেখিবলৈ পোৱা যায়। ৰুচ্ দেশত আগেয়ে মামথ্ নামেৰে হাতীতকৈয়ো ডাঙ্গৰ নোম থকা এবিধ জন্তু আছিল; সেই জন্তু আজিকালি আৰু পৃথিবীত নাই, কিন্তু তাৰ হাড়-মূৰ এতিয়াও ৰুচ দেশৰ ফালে মাটিৰ তলত ওলায়। প্ৰাকৃতিক নিৰ্ব্বাচনৰ দ্বাৰা এই নিয়মে জীৱবিলাকৰ মাজত তাৰতম্য ঘটাৰ দ্বাৰা সিহঁতৰ এক ডাঙ্গৰ উপকাৰ সাধন হব লাগিছে। যিমান প্ৰভেদ বাঢ়িছে সিমান জীৱবিলাক নতুন নতুন জাতিত বিভক্ত হৈছে; সিমান সেইবাবে জীৱনৰক্ষাৰ কাৰণে কৰা যুঁজৰ তেজ কমিছে; কাৰণ একেৰকমৰ জীৱৰপৰা প্ৰভেদ ঘটি নানাবিধ জীৱৰ সৃষ্টি হোৱাৰপৰা সিহঁতৰ সংখ্যা কমি সিহঁতৰ মাজত প্ৰতিদ্বন্দ্বীতা লঘু হৈছে। প্ৰকৃতিৰ ইও এক আচৰিত কৌশল।

আমি আগেয়ে জীৱশ্ৰেণী এডাল জখলাৰে তুলনা কৰিছোঁ। আকৌ কওঁ যে, জীৱসমূহক ঘাইকৈ এডাল ডাঙ্গৰ গছেৰে ভালকৈ তুলনা কৰিব পাৰি। গছডাল মাটিৰপৰা ওপৰলৈ উঠোঁতে একেডাল ডাঙ্গৰ গুৰি হৈ থাকে, তাৰ ওপৰৰপৰা বেলেগ বেলেগ ডালত বিভক্ত হয়। গছডালৰ সৰু থাকোঁতে বহুত পোখা ওলায়, কিন্তু সেই আটাইবিলাক নাবাঢ়ে; কিছুমান ৰস নোহোৱা হৈ মৰি পৰে, কিছুমান হে বাঢ়ি ডাঙ্গৰ-দীঘল হয়। সিহঁতৰপৰা সেইদৰে আৰু বহুত সৰু ডাল হয়, তাৰে কিছুমান থাকে কিছুমান মৰে। মৰা ডালবিলাক ভাগি মাটিত পোতখাই থাকে। আমি জীৱবিলাকৰ যি ক্ৰমিক অভিব্যক্তি অলপ দেখুৱালোঁ, সিও ঠিক এনেকুৱাই।

বহুতে এই অভিব্যক্তিবাদৰ প্ৰতিবাদ কৰি কয় যে, যদি দৰাচলতে সকলো প্ৰকাৰ প্ৰাণী মূলতে একেটা উৎপত্তিৰপৰা জন্মিছে, তেনেহলে

আমি জীৱশ্ৰেণীক এনে অঙ্গহীন দেখোঁ কিয় ? যদি পৰিবৰ্ত্তনৰ সোঁতত জীৱবিলাকৰ বহুত জাতি লোপ পোৱাৰ বাবে তেনে অঙ্গহীন হৈছে, তেনেহলে ভূগৰ্ভত সেই আটাইবোৰ হেৰোৱা অঙ্গৰ চিন্ দেখা নাযায় কিয় ? কিন্তু অলপ ভাবি চালেই বুজিব পাৰি যে, আচলত ভূগৰ্ভৰ এতিয়াও উন্নতি হোৱা নাই। ভূগৰ্ভত আৰু কত কি আছে এতিয়াও আমি জানিব পৰা নাই। আৰু এটা কথা ; অঙ্গবিলাক একে সময়তে হীন হোৱা নাই, সেইবাবে একে ঠাইতে সিহঁতৰ চিন পোৱা টান। মাটিৰ তলত আটাইবিলাক লুপ্ত হোৱা জীৱৰ চিন্ বিচাৰি উলিয়াবলৈ আৰু কত যুগ লাগিব তাক কোনে কব পাৰে ? আকৌ এটা ঘাই আপত্তি এই যে, যদি একেটা মূল জীৱৰ পৰা সকলো জীৱৰ সৃষ্টি হৈছে তেনেহলে বিস্তীৰ্ণ সাগৰ আৰু অভেদ্য পৰ্ব্বতমালাৰ দ্বাৰা পৃথক হোৱা পৃথিবীৰ বেলেগ বেলেগ অংশত প্ৰায় একে ৰকমৰ জীৱ ক'ৰপৰা হল ? এইটো ভাবিব লগীয়া কথা। কিন্তু বৈজ্ঞানিক পণ্ডিতসকলে কয় যে, আজিকালি পৃথিবীৰ ওপৰ ভাগত যেনেকৈ মাটি আৰু পানীৰ ভাগ কৰা আছে আগেয়ে তেনে নাছিল। আগেয়ে সম্ভৱতঃ ডাঙ্গৰ ডাঙ্গৰ মহাদেশবিলাক লগ-লগা আছিল। আটলাণ্টিক মহাসাগৰত বহুত দ্বীপমালাৰপৰা এইটো অনুমান হয় যে, এক সময়ত ইউৰোপ আৰু আমেৰিকাৰ মাজত সাগৰৰ ব্যৱধান নাছিল। সকলো বৈজ্ঞানিকেই স্বীকাৰ কৰে যে, যি সমুদ্ৰ আগেয়ে বহুত দ আছিল কালত সিও এতিয়া বাম হৈ আহিছে। সেই নিয়মে বাম পানীও দ হৈছে। যদি এনে এক সময়ত ডাঙ্গৰ মহাদেশ-বিলাক আৰু দ্বীপবোৰ একেলগে থুপ্ খাই আছিল, তেনেহলে তেতিয়াই যে জীৱবিলাক পৃথিবীৰ চাৰিওফালে বিস্তাৰিত হৈ গৈছে তাত একো সন্দেহ নাই। ইয়াত বাজেও, প্ৰকৃতিৰ আৰু, বহুত আচৰিত কৌশলৰ দ্বাৰা জীৱবিলাকক চাৰিওফালে ছটিয়াই দিয়া গৈছে। গছৰ গুটি বতাহত

উৰি বহু দূৰৈ ঠাইলৈ গৈ তাত আকৌ গছ গজায়। জলপ্লাবন, বতাহ আৰু কেতিয়াবা চৰাইৰ সাহায্যত বহুত পানীত থকা জীৱ আৰু উদ্ভিদ প্ৰাণী এঠাইৰ পৰা আন ঠাইলৈ যাব পাৰে।

আমি ওপৰত প্ৰাণীবিলাকৰ সাধাৰণতঃ ঘটা শাৰীৰিক অভিব্যক্তিৰ কথা কলোঁ। তাত বাজেও প্ৰাণীৰ মানসিক জগতত যে কি এক আচৰিত অভিব্যক্তি ঘটিছে তাক আলচ কৰিলে আৰু তধা মানিব লাগে। সাগৰৰ বস্তু প্ৰটোপ্লাস্মৰপৰা ক্ৰমিক অভিব্যক্তি হৈ শেহফল মানুহ হল; কিন্তু কি বস্তুৰপৰা অভিব্যক্তি হৈ মানুহৰ অন্তৰত সোমাই থকা ওখ ভাব আৰু প্ৰবৃত্তিবিলাক—ধৰ্ম্মজ্ঞান, ন্যায়-অন্যায়বোধ প্ৰভৃতি উৎপন্ন হল তাক নিৰ্ণয় কৰা টান। মানুহৰ এইবিলাক ভাব-প্ৰবৃত্তি যি মূল উপকৰণৰ অভি-ব্যক্তিৰপৰা হৈছে, সি কি, তাৰ আলোচনা, আমি প্ৰটোপ্লাস্মৰ ভিতৰত প্ৰাণ কৰ পৰা হল, এই কথাৰ আলোচনাৰ নিচিনাকৈ ইয়াতে এৰিলোঁ।

---

# আগৰ দিন।

—০:*:০—

## প্ৰজা।

অসম দেশৰ প্ৰজা প্ৰধানকৈ দুই ভাগে বিভক্ত। প্ৰথম কাঁড়ী, দ্বিতীয় চমুৱা। কাঁড়ী খেলেই আহোমসকলৰ শাসনৰ নিয়মমতে অতি তলতীয়া শ্ৰেণীৰ বা সাধাৰণ প্ৰজা। পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙ্গৰীয়াই কৈছিল, বোলে "কাঁড়ী কঠিয়াতলী"। কাঁড়ীৰপৰা মানুহ চমুৱা হয়, আৰু চমুৱাৰপৰা বিষয়া হয়। কাঁড়ী-পাইক ৰজা আৰু ৰাজ্যৰ অধীন। যাবতীয় কাৰ্য্য কাঁড়ীয়ে কৰে; আৱশ্যক হলে অস্ত্ৰ লৈ ৰণলৈকো যায়। চমুৱা পাইকে নিৰ্দ্দিষ্ট কাৰ্য্য মাত্ৰ কৰে, কিন্তু চিপাহী নহলে অস্ত্ৰ

ধৰি ৰণলৈ নাযায় । কোনো এসময়ত এই দেশৰ এনে অৱস্থা আছিল যে, সকলো প্ৰজাই সকলো ৰাজকীয় কাৰ্য্য কৰিছিল । তেতিয়া শিক্ষিত আৰু বিশেষ সৈন্য নাছিল । দেশৰ সকলো প্ৰজাই অস্ত্ৰ লৈ ৰণলৈ গৈ বিদেশী লোকৰে সৈতে যুদ্ধ কৰিছিল । বিশেষ বিশেষ কাৰ্য্যৰ নিমিত্তে লোকৰ আৱশ্যক হোৱাত চমুৱা শ্ৰেণী হল । আৰু সেইসকল লোকৰ দ্বাৰাই কাৰ্য্য কৰাবৰ কাৰণে কেতবিলাক বিষয়া নিয়োজন কৰা হৈছিল । বিষয়া সকলে মাসিক নিৰ্দ্দিষ্ট টকা নাপাইছিল । সেই সকলে নিজে প্ৰতিপালিত হবলৈ কেতবিলাক পাইক বা মানুহ পাইছিল । সেই মানুহৰ দ্বাৰাই তেওঁবিলাকৰ প্ৰয়োজনীয় সকলো কাৰ্য্য কৰাইছিল আৰু ৰজা আৰু ৰাজ্যৰ অৰ্থে যি নিৰ্দ্দিষ্ট কাৰ্য্য কৰিব লাগে তাকো সমাধা কৰিছিল । এইৰূপে বিষয়াৰ অধীনৰ চমুৱা মানুহবোৰে নিৰ্দ্দিষ্ট কাৰ্য্য মাত্ৰ কৰিছিল । কাঁড়ী মানুহবোৰৰো সেইৰূপ নিৰ্দ্দিষ্ট কাৰ্য্য আছিল । চমুৱা খেলতো কাঁড়ী বা অতি তলতীয়া শ্ৰেণীৰ প্ৰজা আছিল । কাঁড়ী শব্দৰ নানা জনে নানা অৰ্থ কৰে । সেই কালৰ যুদ্ধৰ প্ৰধান অস্ত্ৰ কাঁড় লৈ যুদ্ধলৈকো যাব লগাত পৰাৰ কাৰণেই, বোধ হয় কাঁড়ী বুলিছিল । চমুৱা হলে মানুহৰ বিশেষ কোনো এটা নিৰ্দ্দিষ্ট কাৰ্য্য কৰা লোকৰ শ্ৰেণীলৈ যায় । সি আৰু সাধাৰণ কাৰ্য্য কৰা লোকৰ শ্ৰেণীত নাথাকে । কিয়নো, কাঁড়ীয়ে সকলো কাৰ্য্যকে কৰে । কোনো সময়ত আকৌ কোনো নিৰ্দ্দিষ্ট কাৰ্য্য কৰা শ্ৰেণীলৈ নিনিয়াকৈও ৰজাই চমুৱা কৰিব পাৰে আৰু কৰিছিল । চমুৱাৰ অনেক খেল বা বিভাগ । কাৰ্য্য বা ব্যৱসায় অনুসাৰে খেল বোলে । যেনে, সোণাৰীৰ খেল, গায়ণৰ খেল । অনেক চমুৱা খেল একত্ৰিত হৈ যি জন বিষয়াৰ অধীন, সেইসকল লোকক সেই বিষয়াৰ মেলৰ লোক বোলে । যেনে, ঢেঁকিয়াল ফুকনৰ মেলৰ সোণাৰীৰ খেল । বিশেষ বিশেষ কেতবিলাক খেল একেলগ হৈ কোনো ঠাইত

থাকিলেও কেতিয়াবা সেই সমুদায় এখন খেল বুলিছিল। যেনে, বৰ ফুকনৰ মেলৰ নগঞা খেল। কোনো খেলৰ সকলো মানুহ একেলগে নাথাকে। একে খেলৰ মানুহ অনেক ঠাইত থাকিব পাৰে। তাৰ দ্বাৰা তাৰ খেলৰ স্বত্বৰ ব্যাঘাত নজন্মে, কেৱল সেই লোকে সৰ্ব্বদায় সেই খেলৰ নিৰ্দ্দিষ্ট কাৰ্য্য কৰি থাকিব লাগে। যদি কোনো লোকে এইৰূপ কাৰ্য্য নকৰে তাক "ভগনীয়া" বোলে। ভগনীয় খেলৰ বিষয়াই বলেৰে নিৰ্দ্দিষ্ট কাৰ্য্য কৰাব পাৰে। ব্ৰাহ্মণসকলৰ ভিতৰতো কাঁড়ী আছিল; কিন্তু সেই সকলে হীনকাৰ্য্য নকৰিছিল; আন কাঁড়ী বুলিলে সকলো কাৰ্য্যকে কৰিব লাগে। কাঁড়ীৰপৰা চমুৱালৈ যদি কোনো লোক যায়, তাৰ নাম কাঁড়ীৰ কাকতৰপৰা কটাব লাগে; আৰু কটোৱা বিধানো আছিল। নাম নকটালে সি যেই কি বিষয় পাওক, কাঁড়ীয়েই থাকিল। বকতিয়ালৰ বৰবৰুৱাই এদিন কাঁড়ীৰ হিচাপ লোৱাত এদল কাঁড়ীৰ মাজত এটা পাইক নোলাল। সেই পাইকটো কলৈ গল, এই বিষয় অনুসন্ধান হবলৈ ধৰিলে। কাঁড়ী গোপন কৰা এটা গুৰু অপৰাধ। বিষয়াৰ প্ৰতি বৰবৰুৱাৰ বৰ ক্ৰোধ হল আৰু তেওঁক দণ্ড কৰিবৰ স্থিৰ হল। সেই বৰবৰুৱাই যেতিয়া দণ্ড বিহিবলৈ মন কৰিলে, তেতিয়া এটা বৰাই মৰণত শৰণ কি আঁঠুকাঢ়ি বৰবৰুৱাত জনালে, "দেউতা ঈশ্বৰ, ছাঁ লেখিছে; গা লেখিলেই পাইক ওলাব।" এই কথা শুনা মাত্ৰেই বুদ্ধিমান বৰবৰুৱাই জানিলে যে, তেওঁ নিজেই সেই কাঁড়ী পাইক। পিচে ৰাজেশ্বৰসিংহ স্বৰ্গদেৱত জনাই, তেওঁ কাঁড়ীৰ কাকাতৰপৰা ওলাই চমুৱাত সোমাল।

কাঁড়ীৰপৰাই নাম কাটি ৰজাই সত্ৰ বা দেৱালয়ৰ পাইক বা ভকত কৰে আৰু কোনো লোকক বন্দী দিয়ে। চাইটা মানুহে এটা গোট পাইক হৈছিল, আৰু এটাই এপোৱা। কাঁড়ী কি চমুৱা উভয়তে এইৰূপ গোট

গণনা। প্ৰতি কাঁড়ী পাইকে এটি নিৰ্দ্দিষ্ট সময় পৰ্য্যন্ত ৰজাৰ বা বিষয়াৰ কাৰ্য্য কৰিব লাগে। সেই কাল অতীত হলে আন পাইকে তাক সলনি দিয়ে। খাটনিৰ কাল দহ দিনেই অতি ন্যূন। চমুৱা হৈ যিবিলাক মানুহ কোনো বিশেষ খেলত সোমায় সিও এই দৰেই কোনো এসময়ত খাটনি ধৰে। সময়ে সময়ে খাটনিৰ কালৰ ন্যূনাধিক্য হয়। চমুৱা খেলৰ লোকসকলে সেই খেলৰ লোকে যি কাৰ্য্য কৰিব লাগে, সেই কাৰ্য্য সৰুৰেপৰা শিক্ষা কৰে। শিক্ষিত হলেই সেই কাৰ্য্যত প্ৰবৃত্ত হয়। যেতিয়ালৈকে শিক্ষাত নুঠে, তেতিয়ালৈকে সি কাৰ্য্যত হাত নিদিয়ে। যেনে, সোণাৰীৰ খেলৰ লোকসকলে সৰুৰেপৰা সোণাৰীৰ কাৰ্য্য শিক্ষা কৰে। যেতিয়া ৰজাঘৰীয়া কাম কৰিব পৰা হয়, তেতিয়াহে সেই কাৰ্য্যত সোমায়।

কাঁড়ী পাইকৰ এটা নিয়ম এই যে, ১৬ বছৰ নহয়মানে সি পাইকৰ গণনাত নপৰে; ১৬ বছৰ হৈ গলেই সি পাইকৰ গণনাত পৰে। পিচে, পাইকৰ গণনাত পৰে এই ভয়তে মুনিহ লৰাবিলাকে অনেক বয়সলৈকে কাপোৰ নিপিন্ধিছিল। কাঁড়ী পাইকৰ ওপৰত যি বিষয়া থাকে, সেই বিষয়াই সময়ে সময়ে খাটনি খাটিবৰ যোগ্য মানুহ বিছাৰি ফুৰিছিল। অনেক বিষয়ে আকৌ পাইক গোপন কৰিছিল; ধৰা পৰিলে সেই বিষয়াই উগ্ৰদণ্ড পাইছিল। কাঁড়ী আৰু চমুৱা বিনে মহন্ত, ভকত, দেৱলীয়া, পাইক আৰু গোলাম এই কেইবিধ প্ৰজাও আছিল। এক প্ৰকাৰ এই পাঁচ বিধ প্ৰজাও চমুৱা। কোনো সত্ৰ বা ধৰ্ম্মালয়ত যিসকলে ধৰ্ম্ম-চৰ্চ্চা কৰে আৰু দেশত ধৰ্ম্ম প্ৰবৰ্ত্তায়, সেই সকলেই মহন্ত। সেই সত্ৰৰ আৰু মহন্তৰ সেৱা-শুশ্ৰূষা কৰিবলৈ যি লোক নিযুক্ত হয় সেইবোৰ ভকত। কোনো দেৱতাৰ বা দেৱমন্দিৰ কৰ্ম্ম-কাৰ্য্য চলাওঁতা লোকক দেৱলীয়া বোলে। সত্ৰ আৰু দেৱালয়, অথবা কোনো অৱস্থাৰ আন কোনো

বিষয়াৰ কাজ-কাম কৰা লোকবিলাকক পাইক বোলে। কোনো লোকৰ দাসত্ব কৰা লোকবিলাকেই গোলাম। গোলামৰ ওপৰত গৃহস্থৰ সম্পূর্ণ কর্ত্তৃত্ব; তাক দান, বিক্রয় হস্তান্তৰ কৰিব পাৰে। পুত্র-কন্যাৰ ওপৰতো পিতৃ-মাতৃৰ সেইৰূপ স্বত্ব। যিসকল লোকক ৰজাই কোনো ধর্ম্মালয় বা দেৱালয়ত, অথবা আন কোনো লোকক সমর্পন কৰে, তাৰ ৰাজদণ্ড বিনে ৰাজকীয় সকলো বাব গুচে; অর্থাৎ ৰজাঘৰৰ কৰ, কাটল, পদ, পঞ্চক, বেঠ, বেপাৰ, জলকৰ, ঘৰক্ষাৰ, চোৰ, ছিনলা, ধুমছি, মাড়েশা, দান, খুত, দণ্ড, বন্ধ, হাট, ঘাট, চকী, ফাট এইবোৰৰ দায়ৰপৰা সেইবোৰ মানুহ মুক্ত হয়। যাক সেইবোৰ মানুহ দিয়া হয়, সেই সকলেই সেইবোৰ বাব লব পাৰে। আমি যি সময়ৰ কথা লিখিছোঁ সেই সময়ত অসম দেশৰ প্রজাৰ সংখ্যা ২৪ লক্ষৰ অধিক নাছিল।

---

# মিলন-মহিমা।

মিলনেই উৎপনৰ মূল। যতে মিলন, ততে উৎপন্। যি মিলনত উৎপন্ নাই, সি বঁজা। যি বঁজা, সি অসাৰ; তাৰ মিলনত ফল নধৰে। এই স্বাভাৱিক স্বীকার্য্যৰ গাত গঁঢ়িলা লৈ কোৱা যায় যে সৃষ্টিৰ মূলতে মিলন; মিলনৰ বিকাশেই সৃষ্টি।

মিলনৰ বিকাশ সৃষ্টি; সৃষ্টিৰ বিকাশ জগত। এতেকে, জগতৰ মূলতো মিলন। মিলণৰ গুণতে জগতৰ স্থিতি, আৰু মিলনৰ ক্ষয়তে তাৰ লয়। এই নৈসর্গিক নিয়মানুসাৰেই জগতৰ সৃষ্টি-স্থিতি-প্রলয়ৰ কার্য্যক্রম্ অনাদি পাতনৰেপৰা অদ্যাপি অবিচালিতভাৱে চলি আহিছে।

হিন্দুৰ সৃষ্টিচিন্তামতে এই তিনি মূল কাৰ্য্যক্ৰম্ প্ৰৱৰ্ত্তোৱা তিনি মহা-শক্তিক ক্ৰমে ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ ৰূপে ধাৰণা কৰা হয় । অৰ্থাৎ বিশ্বনিয়ন্তা ঈশ্বৰে ব্ৰহ্মাৰূপে জগত সৃষ্টি কৰে, বিষ্ণুৰূপে সেই সৃষ্টি পালন কৰে, আৰু ৰুদ্ৰৰূপে যথা সময়ত আপোনাৰ সৃষ্টি সংহৰি লয় । পৰোক্ষে, এই তিনি মহাশক্তিৰ সন্মিলনতে জগত তিষ্ঠি আছে; অন্ততঃ দুই শক্তিৰ মিলন নহলে, জগত তিষ্ঠিবই নোৱাৰে । কিয়নো, পালন নহলে সৃষ্টি ৰব নোৱাৰে; আন হাতে, সংহাৰ নহলে অকল পালনৰ গুণত জগতৰ কলেৱৰ ক্ৰমাৎ বাঢ়ি গৈ সৃষ্টিৰ স্থিতিলৈ স্থান নোহোৱা হবগৈ ।

মিলন মানৱ সংসাৰৰো মূলবস্তু । ওপৰত আঁকিউৱা সৃষ্টি কৌশল অনুসাৰেই মানৱ সংসাৰ মিলনৰে বিকাশ মাথোন । স্ত্ৰী-পুৰুষৰ মিলনত সন্তানৰ জন্ম; ভিন্-ভিন্ সতি-সন্তানৰ সন্মিলনত সংসাৰৰ উৎপত্তি । পাৰিয়ালীক মিলনৰ সবলতাই সংসাৰৰ সজীৱতা; সেই মিলনৰ অভাৱতে সংসাৰৰ মৰামুছা অৱস্থা । যি সংসাৰত মিলনৰ সাৰ যিমান ডাঠ্, সেই সংসাৰ সিমান টনকিয়াল; যি সংসাৰত মিলনসাৰ যিম্যান পনীয়া সেই সংসাৰ সিমান মৰামুৱা । তাৰোপৰি, মিলাপ্ৰীতিয়েই সাংসাৰিক সুখ-শান্তিৰ মূলকাৰণ । যি সংসাৰত সেই অতি লাগতিয়াল মূলকাৰণৰ অভাৱ নাই, সেই সংসাৰ সততে সৰবৰহী, সি সদায় উন্নতিমুখীয়া; যি সংসাৰত সেই মূলকাৰণৰ অভাৱ, সেই সংসাৰ সততে শুকান, সি সদায় পতনমুখীয়া ।

সমাজ সংসাৰৰে এটা বহল চিত্ৰ মাথোন । সংসাৰৰ সকলো নীতি নিয়মেই সমাজতো খাটে । এতেকে, মিলনেই সমাজৰো মূল-মোচোৰা । সামাজিক লোকৰ সমিলমিলত সেই মোচোৰা ক্ৰমাৎ আট খাই গাঁঠি বান্ধ ললেই সমাজৰ অস্তিত্ব স্থায়ী হয়; সামাজিক লোকৰ

অমিল অবর্গতা হেতুকে মূলমোচোৰা ক্ৰমাৎ মেল খাই গৈ গাঁঠি বান্ধ নোলোৱা হলেই সমাজৰ অস্তিত্ব অঠাৰব হৈ পৰে। ইয়াৰ ব্যাখ্যা বহলোৱাৰ সকাম নাই; কিয়নো কাৰ্য্যতঃ পটন্তৰ আমি প্ৰত্যহ দেখিব লাগিছোঁ। সেই পটন্তৰেই আমাৰ মনত ধ্ৰুৰূপ বিশ্বাস জন্মায় যে, সন্মিলনেই সমাজৰ জীৱন সন্মিলনতে সমাজৰ স্থিতি, আৰু সন্মিলনৰ গুণতে সমাজৰ শ্ৰীবৃদ্ধি। গতিকে, সেই সৃষ্টি-নীতিৰ বিপৰ্য্যয় ঘটিলেই সমাজ দুৰ্ব্বল হয়; শেহান্তৰত সি ক্ৰমাৎ ক্ষয় গৈ অস্তিত্ব হেৰুৱায়। বিশেষতঃ, সমাজ এক ঠাইতে ঠিহিৰা লাগি থকা মানৱ চিন্তালোচনাৰ ফল নহয়; তাৰ উৰ্দ্ধ বা অধোগতি অনিৰ্ব্বাৰ্য্য।

সমাজৰ সীমা বহল হৈ গৈ সি জাতীয় সীমাত লয় পায়। যেতিয়া সেই মতে অনেক সমাজ লয় গৈ এটা জাতি গঠিত হয়, তেতিয়া ওপৰত আঁকিয়াই অহা মিলনৰ আকৃতিও সেই অনুক্ৰমে বহল হবলৈ ধৰে; তেতিয়া তাৰ উদ্দেশ্যও ভালেমান গুণে বাঢ়ি যায়! গতিকে, তেতিয়া মানুহৰ সঙ্কল্প গধুৰ, কাৰ্য্যক্ষেত্ৰ বহল, আৰু সাধনা মহান্ হৈ উঠে। সেই কাৰণে সেই গধুৰ সঙ্কল্পৰ গুটি বহল কাৰ্য্যক্ষেত্ৰত সিঁচি তাৰ মহান্ সাধনা গজাবলৈ মিলন সন্মিলন, আলোচনা-সমালোচনা আদিৰ কাৰ্য্য অপৰিহাৰ্য্য হৈ উঠে।

এতেকে, মুঠৰ ওপৰত, মিলনেই উন্নতিৰো মূল। মিলন নাথাকিলে সন্মিলন নাই; সন্মিলন নহলে উন্মিলন নহয়। আন হাতে, উন্মিলনৰ অভাৱ থাকেমানে জাতীয় জাগৰণ অসম্ভৱ; জাতীয় জাগৰণে চকু নেমেলায়মানে স্বদেশ উন্নতিৰ বাট দেখা নাযায়, আন্ধাৰত খপিয়াব লগাত পৰে।

---

# মনুষ্যৰ আদি অৱস্থা।

অনেক জ্ঞানীলোকে, ঘাইকৈ ডাক্তৰ ডাৰুইনে কয় যে, মানুহ একেবাৰেই মনুষ্যৰূপে সৃষ্ট হোৱা নাই। অতি ক্ষুদ্ৰ কীটে ক্ৰমে উন্নত হৈ বান্দৰৰ অৱস্থা পালে; সেই বান্দৰৰ উন্নত অৱস্থাই মানুহ। মানুহৰো প্ৰথম অৱস্থা বান্দৰ বা আন সামান্য জন্তুতকৈ শ্ৰেষ্ঠ নাছিল। মনুষ্য জাতিৰ কোনো কোনো ভাগ সভ্য হৈ মনুষ্য নামৰ গৌৰৱ বাঢ়িছে। মানুহবিলাকে নো পশু গুচি কেনেকৈ কি নিয়মৰ দ্বাৰা মনুষ্যত্ব পালে, ডাক্তৰ ডাৰুইনে তাক ভালকৈ দেখাইছে। কিন্তু, সেই কথা বুজোৱা এই ৰচনাৰ উদ্দেশ্য নহয়; আদি অৱস্থাত মনুষ্যজাতি যে সামান্য জন্তুতকৈ শ্ৰেষ্ঠ নাছিল, আমি তাকেহে কব খুজিছোঁ। এতিয়াও নানা ঠাইত যিবিলাক হাবিয়লীয়া অসভ্য মানুহ আছে, সেই বিলাককলৈ চালেই আমাৰ কথাৰ প্ৰমাণ পোৱা যায়। মানুহৰ যি আহাৰ, চৰাই পহুৰো সেয়ে আহাৰ। মানুহৰ ঘাই আহাৰ ফল, মূল আৰু মঙ্গহ; চৰাই-পহুৱেও সেই বিলাককে খাই জীয়াই থাকে; কিন্তু মানুহ যিমান সভ্য হয় তেওঁ খোৱা বস্তুকো সিমান ভালকৈ ৰান্ধে। সামান্য জন্তুৱে কেচা খায়। মানুহেও নিচেই আদি অৱস্থাত সামান্য জন্তুৰ দৰে কেঁচা বস্তু খাইছিল, পিচে ক্ৰমে জুইৰ ব্যৱহাৰ জানি খাদ্য বস্তু ৰান্ধিবলৈ শিকিলে; কিন্তু অসভ্য মানুহে সভ্যৰ দৰে ৰান্ধিব নাজানে; আৰো অনেক অসভ্য জাতিয়ে এতিয়াও কেঁচা মঙ্গহ খায়, আৰু তাৰ দ্বাৰায়ে সভ্যজাতিয়ে নানা প্ৰকাৰে ৰন্ধা বস্তু খোৱাৰ সমান তৃপ্তি পায়। নগাবিলাকে মৰা হাতীৰ মঙ্গহ এখন চাঙ্গত থৈ তলত জুই জালি ধোঁৱা দিয়ে; সেয়ে তাৰ উত্তম আহাৰ। ফুয়েজি নামেৰে এজাতিয়ে মাছ ধৰি কেঁচাই খায়; আৰু সাগৰৰ দাঁতিত

মৰা তিমি পালে, সি যিমান কি গেলা আৰু দুৰ্গন্ধীয়া হওক, শিয়াল কুকুৰৰ দৰে জাকে জাকে গৈ তৎক্ষণাৎ তাক পেটত ভৰায়; সেই জাতিৰ মৰা আৰু তিৰুতাবোৰে কুকুৰে সৈতে একেলগে চিল মাছৰ কেঁচা মঙ্গহ খায়। তুৰুকীৰ মোগলবিলাকে গৰুৰ মঙ্গহ কেঁচাই খায়, আৰু তাৰ পেটৰ ভিতৰত মুখ সুমাই তেজ পিয়ে। আবিচিনিয়াৰ মানুহবিলাকে জীয়া গৰুৰ গাৰ মঙ্গহ কাটি ছোবাই খোৱাৰ কথা আমি শুনিছোঁ। মানুহৰ জীৱন ৰাখিবৰ যাই উপায় আহাৰ, তাৰ পাচতে কাপোৰ। সভ্য মানুহক, অকল জাৰৰ নিমিত্তেই নহয়, লাজ গুচাবৰ আৰু শোভা বঢ়াবৰ কাৰণেও কাপোৰ লাগে; কিন্তু নিচেই অসভ্যাৱস্থাত মানুহে কাপোৰৰ ব্যৱহাৰ মুঠেই নাজানিছিল, তাৰ পাচতো জাৰৰপৰা ৰক্ষা পাবৰ কাৰণেহে তাৰ আৱশ্যক হল; কিন্তু এতিয়াও অনেক জাতিৰ মানুহ বান্দৰৰ দৰে নাঙ্গঠ্ হৈয়ে আছে। কোনোৱে কঁকালত কিছুমান গছৰ পাত আৰি লয়। লাজ গুচাবৰ নিমিত্তে অসভ্য জাতিৰ তিৰোতাই হে কাপোৰ পিন্ধে; মতাই কাপোৰ নিপিন্ধাৰপৰা একো লাজ নাপায়। অষ্ট্ৰেলিয়াৰ মানুহ আৰু ফুয়েজি জাতিয়ে জাৰকালি মাথোন কাপোৰ পিন্ধে; আন সময়ত নাঙ্গঠ হৈ ফুৰে। আৰ্ম্মেনিয়াৰ তিৰোতাবোৰো নাঙ্গঠ্ হৈ থাকে। নিউকেলেডোনিয়া আৰু হটেণ্টৰ তিৰোতাবিলাকে লেংটি মাৰে, মতাবোৰ গোটেই নাঙ্গঠ্। নিউকেলেডোনিয়াৰ বিয়া কৰা তিৰোতাই মাথোন লেংটি পিন্ধে, অবিবাহিতা তিৰোতাৰ লেংটিতো স্বত্ব নাই। কোনো অসভ্যজাতিৰ মতাই কাপোৰ পিন্ধে, তিৰোতাবোৰ সদায় নাঙ্গঠ। ট্ৰিনিটি মাজুলী আৰু আফ্ৰিকাৰ লাৰি নামেৰে নগৰত এই দস্তুৰ প্ৰচলিত। আধা নাঙ্গঠ্ বা গোটেই নাঙ্গঠ আৰু অনেক মানুহ আছে।

সভ্যজাতিৰ ভিতৰ পিতৃ মাতৃ, আৰু বুঢ়া লোক মানী; কিন্তু

অসভ্যজাতিৰ দস্তুৰ তাৰ বিপৰীত। কামস্কট্‌কাৰ মানুহবিলাকে সিহঁতৰ বুঢ়া পিতাকক আৰু মাকক মাৰি সিহঁতৰ মঙ্গহেৰে কুকুৰক আহাৰ দিয়ে। কোৰিয়া জাতিয়ে বুঢ়া মাক-বাপেকক বধ কৰা সিহঁতৰ কৰ্ত্তব্য কাম বুলি ভাবে। নিউকেলেডোনিয়াৰ মানুহবিলাকে বুঢ়া মাক-বাপেকক নিৰ্জ্জন হাবিত এৰি থৈ আহেগৈ। ফিজি মাজুলীৰ নিয়ম মতে পিতৃ-মাতৃক বধ কৰা পুণ্যৰ কাম; তাৰ মানুহবিলাকে মিতিৰ-কুটুম মাতি আনি বৰ ৰঙ্গেৰে বাপেক-মাকক ফাঁচি দিয়ে। আমেৰিকাৰ আউ নামেৰে জাতিয়ে বুঢ়া মানুহক বধ কৰে। মাচাপি কাফ্ৰিবিলাকে বুঢ়া মানুহক ঘৰৰ পৰা খেদাই দিয়ে; অনাহাৰত গছৰ তলত বা বাঁহতলত তাৰ মৃত্যু হয়। পুৰ্ব্বে বেকৃটিয়াৰ মানুহে বুঢ়া আৰু নৰীয়া মানুহক কুকুৰৰ হতুৱাই খুৱাইছিল।

এইবিলাক জাতিৰ আচৰণলৈ চালে মনুষ্য যে আদি অৱস্থাত সামান্য জন্তুৰ নিচিনা, আৰু কোনো কথাত তাতকৈও হীন আছিল, তাৰ সংশয় থাকেনে? কোনো কোনো জাতি এতিয়া সভ্য হৈ শ্ৰেষ্ঠ জীৱ হৈছে, আনবিলাক আদি অৱস্থাতে এতিয়ালৈকে আছে, আৰু এতিয়া যিবিলাক জাতি সম্পূৰ্ণ বা আধা সভ্য হৈছে, সিবিলাকৰ পূৰ্ব্বপুৰুষবিলাকে যে এক কালত ওপৰত কোৱা কোনো কোনো জাতিৰ নিচিনা আছিল, তাত সংশয় নাই।

---

# ক্ষমা।

—:•:—

ক্ষমা স্বৰ্গীয় বস্তু;—ক্ষমা মানুহৰ সুখ, জগতৰ শান্তি। ক্ষমা তেজস্বী সকলৰ তেজ, তাপসসকলৰ বেদ, সত্যপৰয়াণৰ সত্য। ক্ষমা দয়াময়

পিতাৰ কণ্ঠমালা। সকলো মানুহ প্ৰকৃত ক্ষমাশীল হোৱা হলে এই সংসাৰ সোণৰ হলহেঁতেন, দুখ-কুবঁলায়ে আবৰি থকা এই পৃথিবীত স্বৰ্গৰ জেউতি পৰিলহেঁতেন।

ভাই, আমি যে নিতৌ অলেখ ঘিণ-লগা কাম কৰিছোঁ, তাৰ নিমিত্তে কেতিয়াবা বেজাৰ কৰিছোঁ নে? কেতিয়াবা নিজক ধিক্কাৰ দি দোটোপা অনুতাপৰ চকু-লো টুকিছোঁ নে? কিন্তু হাঁয়, আনৰ অলপমান দোষ দেখিলেই আমাৰ গা কুহ্‌কুহাই উঠে; দোষীক আমি নানা তৰহেৰে দণ্ড দিবলৈ বিচাৰি ফুৰোঁ; আৰু নিজৰ গাত ঘূণ থাকিলেও তাক ঢাকি থব খোজোঁ। নিজৰ দৰে আমি আনৰ প্ৰতিও এনে উদাৰ হোৱা হলে অশান্তি হাই-উৰুমি অনেক কমিলহেঁতেন।

ক্ষমাৰ বিপৰীত ক্ৰোধ বা খং। মানুহে খঙৰ বেগত ভাল-বেয়া একো নিবিচাৰে, যিহকে মন যায় তাকে কৰে। খং-ৰূপ মদ খাই মতলীয়া হোৱা মানুহে নানাবিধ অপকৰ্ম্ম কৰে। জুইয়ে যেনেকৈ দম্-দম্ কৰে জ্বলি উঠি নিমিষতে অনেক বস্তু পুৰি পেলায়, খঙাল মানুহৰ খঙেও টিক্-টিক্ কৰে উঠি ক্ষন্তেকতে অনেক অনিষ্ট ঘটায়। সেই সময়ত খঙালে দাপোনত নিজৰ মুখ চালে খঙৰ ৰূপ দেখি নিজে নিজেই লাজ পাব। জুই নুমালে যেনেকৈ জুৰালত ছাইখিনিহে পৰি থাকে, খঙালেও সেই দৰে খং মাৰ গলে নিজৰ দুষ্কাৰ্য্যৰ নিমিত্তে মাটি যেন হৈ মূৰে-কপালে হাত দি ভাবিবলৈ ধৰে।

ধৰ্ম্মবীৰ চেণ্ট্‌ পলে কৈছে, "যদিও তোমাৰ সময় বুজি প্ৰকৃত ঘটনাত খং কৰিব লগীয়াত পৰে, তেওঁ খঙৰ উদ্ৰেকত কোনো নৃশংস কাণ্ড আচৰণ নকৰি, ঘটনা শেষ হোৱাৰ পাচতে খঙকো মনৰপৰা বাজ কৰিব লাগে। যিদিনা খং কৰাঁ, সেই দিনাৰ বেলিটো যেনে তোমাৰ খঙৰ ওপৰতে মাৰ যাবলৈ নাপায়।" ক্ৰোধে মানুহৰ হৃদয় তিল তিল কৰি

খাই পেলায় । ক্ৰোধৰ দ্বাৰাই জগত ধ্বংসৰ বাটলৈ যাব খোজে । কিন্তু ক্ষমাই শান্তিৰ জিৰণি-থাটলৈ টানি আনিব খোজে ।

ক্ষমা ধীৰ প্ৰশান্তময়ী মূৰ্ত্তি । ক্ষমাৰ কাষত বহিলে মানুহে সুখ-শান্তিৰ জিলিঙনি দেখা পাব । পাঠক—পাঠিকা আহঁা, আমি আমাৰ সৰু সৰু ভাই-ভনীবিলাকক ক্ষমা কৰোঁ, সংজুৰাক ক্ষমা কৰোঁ, এই পৃথিবীৰ আটাইকে ক্ষমা কৰি আটাইৰে মঙ্গলকাঙ্খী হওঁ । এই বিশ্ব-সংসাৰৰ সকলো নৰ-নাৰী এক পৰমপিতা পৰমেশ্বৰৰ সন্তান । মানুহৰ চকুত ওখ-চাপৰ, দুখীয়া-চহকী জ্ঞান আছে । কিন্তু, সেই করুণাময় পৰমেশ্বৰৰ ওচৰত সকলো সমান । তেওঁ সামান্য গুড়িপৰুৱা, বালিচাঁহীৰপৰা মহাকায় গজহস্তীলৈকে সকলোকে সমান দয়াৰ চকুৰে চাব লাগিছে । যি ঘোৰ মহাপাপী, যি ঈশ্বৰৰ নাম শুনিলে ধাৰাষাৰে গালি বৰষে, তাক তেওঁ অপাৰ মৰম কৰিব লাগিছে । এতেকে, যদি আমি আমাৰ "ভাই" মানুহক ক্ষমা নকৰোঁ তেন্তে আমি কি বুলি পৰমেশ্বৰৰ ওচৰত নিজ অপকৰ্ম্মৰ নিমিত্তে ক্ষমা মাগিম ?—বাইবেলত কৈছে, "পাকক ঘিণ্ কৰিবাঁ, কিন্তু পাপীক ঘিণ্ নকৰিবাঁ" এইকথা যেন আমি নাপাহৰোঁ ।

ক্ষমা দুই প্ৰকাৰ । এক ক্ষমা পশুবিলাকৰ ধৰ্ম্ম, আন ক্ষমা ঈশ্বৰৰ অলঙ্কাৰ । দুটা চালুকীয়া লৰাই মৰামৰি কৰি, দুয়ো মুখ ওফোন্দাই এপাচিমান কৰি নিজ নিজ মাকৰ আগত গোচৰ দিলেগৈ । চিৰকালৰ নিমিত্তে কেৱে কাকো নামাতিবলৈ প্ৰতিজ্ঞা কৰিলে । কিন্তু, এপৰমান বেলিৰ পাচত দেখিবলৈ পাবাঁ, হালেই ডিঙ্গিত ধৰা-ধৰি কৰি হাঁহি হাঁহি উমলিব লাগিছে । এনে ক্ষমাই পশুবিলাকৰ ধৰ্ম্ম । পাহৰণ আৰু উদাসীনভাবৰ দ্বাৰাই এই ক্ষমাৰ সঞ্চয় হয় । লৰাৰ কথা এৰি দিয়া ; বুঢ়া অথচ শিক্ষিত মানুহেও বহুদিন হলে পাহৰণ আৰু উদাসীন ভাবৰ দ্বাৰাই ক্ষমা কৰে । অপকাৰীৰ অপকাৰৰ নিমিত্তে প্ৰতিহিংসা ৰূপ জুই ভস্ম-

তক্ কৰে জ্বলি থাকিলেও দিন যতই পুৰণি হয়, মনো ততই ক্ৰমে অসাৰ হৈ যায়। স্বয়ং ঈশ্বৰ যি ক্ষমাগুণেৰে বিভূষিত মানুহ মাত্ৰেই সেই ক্ষমা গুণৰ প্ৰয়াসী হব লাগে। আচলতে উদাসীন ভাব নেদেখুৱাই অপকাৰীক উপকাৰৰ দ্বাৰাই ক্ষমা প্ৰকাশ কৰাকেই প্ৰকৃত ক্ষমা বোলা যায়। আমি যি পৃথিবীত বাস কৰিছোঁ, সেই পৃথিবীয়েই আমাক প্ৰকৃত ক্ষমা শিক্ষা দিব লাগিছে। খেতিয়কে পৃথিবীৰ বুকত হাল-কোৰ বাই অনাবৰত ঘা লগাব লাগিছে; পৃথিবীয়ে কিন্তু তাত কোপ নকৰি আমাক ফল-ফুল শস্যাদি দান কৰি সুখে ৰাখিছে। যি জোপা গছৰ ছাঁত দুপৰৰ ৰদত ভাগৰুৱা বাটৰুৱাই এক্ষন্তেক জিৰায়, সেই গছত বাটৰুৱাই কুঠাৰৰ ঘাপ্ মাৰিকে জানো গছে ছাঁ নিদিয়াকৈ থাকে? মেঘবিলাকে যি সূৰ্য্যৰ কিৰণমালাক নষ্ট কৰে, সেই সূৰ্য্যেই নানা ঠাইৰপৰা ভাপ তুলি মেঘৰ পোহপালৰ যোগাৰ্কী হৈছে। এনে বিলাক ক্ষমাই স্বৰ্গীয় ক্ষমা।

ভাৰতবৰ্ষৰ ৰাজপ্ৰতিনিধি মেয়োৰ নাম বুৰঞ্জী পঢ়া পাঠকে অৱশ্যে জানে। তেওঁ কলীয়াপানী (আণ্ডামান দ্বীপ) চাবলৈ গৈ ছেৰ আলিৰ, ছুৰী কটাৰীৰ দ্বাৰা আহত হৈ যেতিয়া মৰে, তেতিয়া ইংলণ্ডত থকা তেওঁৰ লৰা দুই বিজুলী ডাকত বাতৰি পঠিয়ালে, "ছেৰ আলি, আমি তোমাক ক্ষমা কৰিছোঁ; ঈশ্বৰেও তোমাক ক্ষমা কৰক।" কুমলীয়া সাধু লৰাৰ কি সদ্ভাব! প্ৰিয় পাঠক-পাঠিকা, আমাৰ মনতো যেন এনে সদ্ভাব ওপজে।

মহাত্মা যীশুখ্ৰীষ্টক যেতিয়া ইহুদীবিলাকে ধৰি আনি ক্ৰচত বিদ্ধ কৰে তেতিয়া সেই ঘোৰ যন্ত্ৰণাতো তেওঁ ঈশ্বৰৰ ওচৰত এই বুলি প্ৰাৰ্থনা কৰিলে, "পিতা, ইহঁতক (ইহুদীবিলাকক) ক্ষমা কৰা, ইহঁতে যে অন্যায় কৰিছে তাক জনা নাই।" এনে ক্ষমাত যে কি বৰ্ণনাতীত নোৱৰা আনন্দ পোৱা যায় তাক ক্ষমা কৰোঁতাইহে জানে।

জগতৰ আগত অসমীয়া বীৰ-নাৰীৰ বিৰত্বৰ আদৰ্শ দাঙি ধৰিব পাৰিলোঁ হেতেন নে ?

আমি কওঁ, আমাৰ এই বুৰঞ্জীবোৰ ওলাওক, তাত থকা মনোৰম আখ্যানবোৰ বাইজৰ মাজত প্ৰচাৰিত হওক ; তেতিয়া বিদেশী নাটক আৰু উপন্যাসৰ অনুবাদ গুচিব, অসমীয়া নাটক আৰু উপন্যাস ৰচনাৰ আহিলা-সম্বল পৰ্ব্বত-পৰিমাণে প্ৰচুৰ হব। তেতিয়া দেখিব অসমীয়া সাহিত্যত এটি নতুন প্ৰাণ, আৰু অসমীয়া জাতিয়ত্বত এটি নতুন জাগৰণৰ আবিৰ্ভাব হৈছে।

মহাৰাজ লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ সময়ত দিহিঙীয়াৰ ডেবেৰা বুঢ়াপানীফুকনৰ পুতেক বৰৈ ডুবলীয়া পানী-ফুকন বোলা এজন অসমীয়া সেনাপতিৰ দুৰ্জ্জয় বাৰত্ব, অপৰিসীম সাহ, অখণ্ড ৰাজভক্তিৰ দৃষ্টান্ত আপোনালোকৰ আগত আজি আমি দাঙি ধৰিলোঁ।

কি কি কাৰণত মোৱামৰীয়াই দেশত বিদ্ৰোহৰ অগনি জ্বলাইছিল তাক আপোনালোকে জানে। ১৬৯১ (ইং ১৭৬৯) শকৰ কাতি মাহত লক্ষ্মীসিংহ স্বৰ্গদেৱে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা প্ৰমুখ্যে বিষয়াসকলৰ সৈতে আলচ কৰি ডুৱৰাৰ ঘৰৰ হৰনাথ ভিতৰুৱাল ফুকনক স্বনীয়া হেংদান এখন খিলাত সি সেনাপতি বৰণ কৰি এটা ডাঙৰ ফৌজ লগত দি মোৱামৰীয়াৰ বিৰুদ্ধে ৰণলৈ পঠিয়ালে। ডিবৰুৰ দক্ষিণ পাৰে অসমীয়া সেনাই কোঁঠ দিলেগৈ, আৰু ডিবৰুত দলঙ দি ক্ৰমে আগবাঢ়িবলৈ ধৰিলে। পিচত নৰাণে আহি সেই দলঙ কাটি দিলে, অসমীয়া সেনাক মৰাণে আগভেটি ধৰিলে, সেনাক ৰচদপাতি যোগোৱা চাউল-সমলীয়াবোৰো অসমীয়া সৈন্যৰ ওচৰ চাপিব নোৱাৰিলে ! খাবলৈ নাপাই অসমীয়া সেনাৰ দুৰ্ঘোৰ বিলৈ হল। ঔ টেঙা, ঢেকীয়া, কচু,

কাকগাজ আদি খাই কোনোমতে অসমীয়া সেনাই প্ৰাণ প্ৰবৰ্ত্তাবলৈ ধৰিলে। মানুহবোৰ ক্ষীনাই শুকাই যাবলৈ ধৰিলে, আৰু ডাঙৰ হল, জৰ গ্ৰহণীত পৰি বিস্তৰ মানুহ হানি হল। তথাপি সেনাপতি ফুকনে মৰাণৰ হাতত আত্মসমৰ্পণ নকৰি নানা নিৰ্য্যাতন সহি থাকিল।

এই ৰণত মৰাণে অতি চক্ৰান্তেৰে অসমীয়া তিনজনা কোঁৱৰক হাত কৰি ললে। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ তৃতীয় পুত্ৰ বাটথৰীয়া ৰৰজনা গোঁহাঞিদেৱৰ বা মেহনমালা কোঁৱৰ বসন্তত ভুগি শৰীৰ-বিকৃত হোৱাৰ কাৰণে ৰাজ-সিংহাসনলৈ অযোগ্য হৈছিল। ৰাজেশ্বৰসিংহ স্বৰ্গ দেৱে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ পৰামৰ্শ প্ৰবল হোৱাত সিংহাসনৰ কণ্টক দূৰ কৰিবলৈ ককাইদেৱক মোহনমালা গোঁহাঞিদেৱক ৰাজ্যৰ পৰা বাজ কৰি দিলে। ইয়াত ক'বলৈ গলে স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ গাত দোষ অকনো নাই, কিন্তু স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ অন্তিমকালৰ ব্যৱস্থা আছিল তেওঁৰ পাঁচোজনা কোঁৱৰ জ্যেষ্ঠানুক্ৰমে ৰাজ্য ভোগ কৰিব। ইয়াতে মোহনমালা গোঁহাঞিদেৱে বিষম বেজাৰ আৰু অপমান পাইছিল, আৰু কীৰ্ত্তিচন্দ্ৰৰ বিৰুদ্ধে কক্ষা বাখিছিল, আৰু পাৰিলে ৰাজ-পাটত উঠাৰ অভিসন্ধি তেওঁ কেতিয়াও এৰা নাছিল। ৰাজেশ্বৰসিংহৰ গদেৱৰো চাৰি-জনা কোঁৱৰ আছিল—১ম কান্দুৰা গোঁহাঞি, ২য় চাৰুসিংহ মাজিওজনা গোঁহাঞি, ৩য় ৰত্নেশ্বৰ সৰুজনা গোঁহাঞি, ৪ৰ্থ স্বৰ্গদেৱে পাতত উঠা কালত জন্মহোৱা পাট-কোঁৱৰ। ৰাজেশ্বৰ সিংহৰ জীৱিত অৱস্থাতে কান্দুৰা গোঁহাঞিদেৱ গড়গাৱঁত স্বৰ্গী হয়। ভোগবাৰীত তেওঁৰ মৈদাম বন্ধা হয়। মাজিওজনা গোঁহায়ে চাৰিঙীয়া মেল আৰু সৰুজনা গোঁহায়ে সৰুমেল খাইছিল। স্বৰ্গদেৱ লক্ষ্মীসিংহই সিংহাসনত উঠাত কণ্টকশূন্য হবৰ মনেৰে ভতিজাক মাজিওজনা গোহাঞি আৰু সৰুজনা গোঁহাঞিক নগা পৰ্ব্বতৰ দাঁতিত থকা দুৰ্গম নামৰূপলৈ খেদি পঠিয়ালে, আৰু

মৰাণ-বিদ্বেষ দমাই ৰাখিবলৈ আকমীয়াৰ মাজত ঢক তুলি দিলে যে মোহনমালা গোঁহাঞিদেৱৰ পুতেকক মৰাণে ৰজা পাতিছে ; কিন্তু প্ৰকৃত কথা মৰাণৰ মাজত গুপ্ত থাকিল ।

হৰনাথ ফুকন আৰু তেওঁৰ সেনাৰ দুৰ্ঘটনাৰ কথা ফুকনৰ কাঠৰ মানুহ এটাই গৈ স্বৰ্গদেৱক ৰাজসভাতে জনালে । এই কথা শুনি পাত্ৰমন্ত্ৰী সকলো নিষ্প্ৰাণ হল, আৰু সকলোৱে আলচ কৰি মৰীয়াৰ উৎপাত দমাবলৈ বিস্তৃত আয়োজনৰ উদ্দেশ্যে গুৱাহাটীৰ পৰা দুৱৰাৰ ঘৰৰ বৰফুকন, দিহিঙ্গীয়াৰ পানীফুকন, দুই ৰাজখোৱা আৰু লুকী ৰাণীৰ দুই ৰজাপোৱালিক শীঘ্ৰে উজনীলৈ মতাই অনালে । এই সকলোকে লৈ বৰচ'ৰাত পুনৰ আলচ হল । দেশ-প্ৰেমিক পাত্ৰ-মন্ত্ৰী ডা-ডাঙৰীয়া ফা-ফুকন বৰুৱা বিষয়াসকলে কলে,—"স্বৰ্গদেৱ, ভিত-ৰুৱাল ফুকনক ধৰি নিলে বুলি আমি কিয় ৰণ এৰিম ? স্বৰ্গদেৱৰ বন্দীবেটা অনেক আছে । স্বৰ্গদেৱে যিৰূপ আজ্ঞা যাক কৰিব তাক আচৰিব লাগে ।" এনেসময়ত ১৬৯১ শকৰ আহিনৰ পাঁচদিন যাওঁতে আকাশত অমঙ্গল-সূচক নেজাল তৰা ওলাল । স্বৰ্গদেৱৰ আজ্ঞামতে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই সৈন্য-সামন্ত দি দিহা-দিহি সেনাপতিসকলক পঠালে । নামৰূপত সোণৰূপৰ ভণ্ডাৰ আছিল, তাক মৰাণৰ পৰা ৰক্ষা কৰিবলৈ স্বৰ্গদেৱে বৰবৰুৱাক বিশেষকৈ আদেশ দিলে । এই আদেশ মতে, নাওশলীয়া ফুকনৰ পুতেক জবকিয়াল গোঁহাঞি, বৰ অভয়পুৰীয়া ৰাজখোৱা, ফোটা বৰফুকনৰ বাহৰ পানী অভয়পুৰীয়া ৰাজখোৱা, বৰ-গোঁহাঞি পৰীয়া সৰু অভয়পুৰীয়া ৰাজখোৱা, এইসকলে নামৰূপৰ ফালে যাত্ৰা কৰিলে । নামৰূপ পোৱাৰ আগতে ঘলীঘাটত মাৰাণৰে সৈতে এওঁলোকৰ ৰণ লাগিল, ৰণত হাৰি এওঁলোকে মৰাণক বৰিলে । গুৱাহাটীয়া ডেকাফুকন, ঘোৰাৰ বৰবৰুৱা, চিকণ বঙ্গালৰ দুই পুতেক

ফুকনৰ দাগিৰ দোৱাল মানুহ এইসকল গৈ তিমেনুৰ মুখত কোঠ দি থাকিল। আৰু মই-বৰুৱা সেনাপতিয়ে চাংমাইৰ পাঁচ হাজাৰ মানুহ লগত লৈ সৰিয়হচাটৰ বাটেদি গল। চাংমাই পাওঁতেই এজোলোকৰ ৰণ লাগিল। দিহিঙ্গীয়াৰ ডেবেৰা পানীফুকনৰ পুতেক বৰৈ দুৱলীয়া ফুকনে পানীফুকনৰ দাগিৰ দোৱাল মানুহখিনিৰ সৈতে ধাই-আলিৰ বাটেদি গল। দুৱলীয়া ফুকনৰ পিছত বৰকাকতী পৰ্ব্বতীয়া বৰু ৱ গল। লিকচন বচা-ৰাজখোৱা (আগৰ লিকচন আহোমৰ বৰা) গা-মানুহ সৈতে পৰ্ব্বতৰ আলিয়ে গল। এইদৰে মৰাণক ভেটিবলৈ বিস্তৰ আয়োজন চলিল।

ইতিমধ্যে মৰাণৰ প্ৰতাপ দিনকদিনে বাঢ়িবলৈ ধৰিলে। দিহিঙ্গলৈকে মৰাণৰ সীমা হৈ মৰাণৰ তলতীয়া গাঁও-ভুঁই বাঢ়িলে। আৰু মোনমালা গোঁহাঞিৰ পুতেক সিংহাসনত বহিছে বুলি মৰাণে ঢৌ তুলি দিয়াত আমাৰ বহুত মানুহে মৰাণক বৰিলেগৈ। মৰাণে হাতত টোকোন লৈ মাটিত খুন্দিয়াই শব্দ কৰি "অষ্টভুজে সপ্তভুজে চতুৰ্ভুজে ৰাখে, তাৰ দাই তাকে কাটে, তাৰে হিলৈ তাকে মাৰে, চতুৰ্ভুজে ৰাখে" এই বুলি নাম গাই ভয় খুৱাই আমাৰ মানুহক ক্ৰমান্বয়ে নিজৰ দলত ভুক্ত কৰি ললে। এই চতুৰ্ভুজ মোৱামৰীয়াৰ মহাজন আছিল। তেওঁৰ পুতেক বায়ন ডেকাৰ মন্ত্ৰাণামতে মোৱামৰীয়া শিষ্যৰ পৰা নামমূৰি থেৰ এটা আৰু বেতসূত এটা, কামি এটা, এইদৰে তোলো হল, আৰু নামমূৰি মাটি এচপৰা তুলি বৰভেটি বন্ধোৱা হল, আৰু সেই বেট কামি থেৰেৰে এটা ঘৰ সজোৱা হল। ইয়াৰ পৰা মহন্তই অনুমান কৰিব পাৰিলে মোৱামৰীয়াৰ প্ৰজা-শক্তি কিমান।

মোৱামৰীয়া সাম-দান-ভেদ-বিগ্ৰহ এই সকলো নীতিতে পৈণত আছিল। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ লগত অভয় ভণ্ডাৰী বুলি মানুহ এটা

আছিল, তাৰ পুতেক অম্বৰীশ, স্বৰ্গদেৱৰ চাকৰতো কিছুমান লিগিৰাই পাচনি থাটি আছিল। সিইঁতে মৰাণৰ পৰা মনে মনে বিচ্ পত বা ভেটি থাই ৰাঘমৰাণক ৰজাঘৰীয়াক সকলো কথা জনায়গৈ। এইদৰে মৰাণ ৰবৰবৰা আৰু স্বৰ্গদেৱৰ আদেশ আৰু দিহা-পোহাৰ সন্তেদ লবলৈ ধৰিলে।

আমি ওপৰত কৈছোঁ বৰৈ ঢুৰলীয়া পানীফুকনে সৈন্য লৈ ধাইআলিৰ বাটে মৰাণক ভেটিবলৈ গৈছিল। এইজনা অসমীয়া সেনাপতিৰ দেশপ্ৰেম, ৰাজভক্তি, কৰ্ত্তব্যনিষ্ঠতা আদিৰ কথা শুনিলে বিস্ময় মানিব লাগিব

ঢুৰলীয়া পানীফুকন ৰাঘমৰাণৰ সমুখাসমুখি হল। টোকোন ধৰ মৰাণসৈন্যেৰে পৰিবেষ্টিত ৰাঘমৰাণে পানীফুকনক কলে,—“ফুকন, তই কাক নো ৰণ কৰ? বৰজনা গোঁহাঞিৰ পুতেক হে ৰজা। ভিতৰুৱাল ফুকনে সসৈন্যে আহি আমাক বৰিছে, তাক তই দেখা নাই? আৰু দিহিঙৰ সীমালৈকে সকলো লোকজনে আমাক বৰিছে।”

অসমীয়া সেনাপতি বৰৈ ফুকনদেৱ ৰাঘমৰাণৰ কথাত ভোল যোৱা মানুহ নাছিল, তেওঁ কলে,—“স্বৰ্গদেৱ পাটতে আছে, তই মৰাণৰ কথাৰে মই তোক বৰিম নে? মই দিহিঙ্গীয়াৰ ঘৰৰ লৰা। এই মুৰেৰে স্বৰ্গদেৱক সেৱা কৰিছোঁ, আনক ৰজা কিয় লম?”

ফুকনৰ নিৰ্ভীক বচন শুনি ৰাঘমৰাণে সসৈন্যে ফুকনক খেদি পাহিলে। ফুকনৰ লগৰ সকলো মানুহ দিহিঙ্গে-দিপাঙ্গে পলাই ফাঁত মাৰিলে, অসংখ্য সশস্ত্ৰ মৰাণৰ সমুখত বীৰদৰ্পে থিয় হৈ থাকিল ঢুৰলীয়া পানীফুকন সেনাপতি আৰু তেওঁৰ লগৰ তামোলকটা লিগিৰাটি। নিৰুপায় হৈ দুয়ো পিঠীয়া-পিঠীকৈ থাকিল।

বাঘই এইবাৰ ভাবিলে—“অকলা এক ফুকনে আমাৰ অসংখ্য

মৰাণৰ আগত কি তিষ্ঠিব ? এইবাৰ ফুকনে আমাক নিশ্চয় বধিব।” কিন্তু ফুকন নিৰ্ব্বাক নিষ্কম্প, বাঘই ফুকনক কলে,—“ফুকন, এতিয়াও ?”

ফুকনে আকৌ বীৰ-পুৰুষৰ দৰে উত্তৰ দিলে,—“মই পূৰ্ব্বেই বুলিছোঁ, মৰাণ, তোত মই নবহোঁ।” ফুকনৰ হাতত ধেণুকাৰ, চোকৰ তৰোৱাল, তামোলকটাৰ হাতত দা-বৰ্ছি। ইয়াৰেই সৈতে বিচক্ষণ অসমীয়া ৰাজবিষয়া আৰু সুনিপুণ যুজাৰু দিহিঙ্গীয়াৰ ডেবেৰা পানী-ফুকনৰ পুতেক সমৰ-কৌশলত সুশিক্ষিত বৰৈ দুবলীয়া পানীফুকন আৰু তেওঁৰ গা-ৰখীয়া লিগিৰা তামোলকটাই মৰাণৰ সৈতে এপৰ বেলা যুজি মৰাণৰ ভালেমান মানুহ কাটি মাটিত বগৰাবলৈ ধৰিলে।

পাঠক চাওক, এই দৃশ্য কেনে মৰ্ম্মস্পৰ্শী ! এফালে মৃত্যুক তাচ্ছিল্য কৰা অসমীয়া সেনাপতি আৰু তেওঁৰ প্ৰভুভক্ত লিগিৰা, আনফালে অগণ্য সশস্ত্ৰ মৰাণ-সেনানী ! যেন বীৰ অভিমন্যুৱে শত কৌৰবৰ আস্ফালনক পদাঘাত কৰি বীৰতেজেৰে যুদ্ধ কৰি মৃত্যুগঙ্গাৰ আশ্ৰয় লৈছে !

ফুকনক মৰণে চৌপাশে বেৰি ধৰিলে, তথাপি ফুকনে বীৰদৰ্পে থিয় হৈ থাকিল। তাৰ পিছত মৰাণৰ সৈতে তেওঁৰ কঁড়িয়া-কঁড়ি লাগিল। ফুকনে কাঁৰ নিক্ষেপ কৰি মৰাণৰ সৈন্যক দূৰতে ওফোৰাই আছিল, সেই কাঁড়ৰ আঘাতত বহুত মৰাণে প্ৰাণত্যাগ কৰিলে। এনেতে ফুকনৰ কাঁড় অন্ত পৰিল। ফুকন নিৰস্ত্ৰ হৈ কালৰূপী মৰাণৰ সম্মুখত নিৰ্ভয়ে থিয় দি থাকিল।

বাঘই ফুকনক সুধিলে,—“ফুকন, এতিয়াও ?” মৃত্যু অনিবাৰ্য্য জানিও ফুকনে উত্তৰ দিলে,—“মই পূৰ্ব্বেই বুলিছোঁ, মৰাণ, তোত মই নবহোঁ।

এনেতে মৰাণে পাছফালৰ পৰা দুৱলীয়া ফুকনৰ গাত জাঠিৰে খোচ মাৰিলে, সেই জাঠি পিঠিয়ে সোম   কদি ওলাল, ফুকনে ৰব নোৱাৰি হামখুৰি খাই   ল। পৰে'তে মৰাণে তেওঁক কাটিলে। তামোলকটাই বহুত পৰ   ক ৰক্ষা কৰি যুঁজ কৰি আছিল, তাকো মৰাণে কাটিলে। এইদৰে এই দুজনা বীৰপুৰুষে মৰাণৰ শৰণ লৈ জন্ম-ভূমিক পুণ্য কৰি থৈ গল।

পাঠক, ইয়াৰ পিছত আলেক্‌জেণ্ডাৰ, নেপলিয়ন, পৃথ্বীৰাজ আৰু ৰাণা প্ৰতাপসিংহৰ বীৰত্বৰ কাহিনী পঢ়ি আপুনি সোৱাদ পাৰনে? ধন্য দিহিঙ্গীয়াৰ ঘৰৰ দুৱলীয়া পানীফুকন! ধন্য সামান্য তামোলকটা লিগিৰা। তোমালোকৰ শোণিত-বিন্দুৰে ধাই-আলি পবিত্ৰ হৈছে, তোমালোকৰ বীৰত্ব, তোমালোকৰ প্ৰভুভক্তিয়ে নিৰ্জ্জীৱ অসমীয়াৰ প্ৰাণত নতুন তেজ সঞ্চাৰ কৰিব।

পাঠক, আমাৰ দেশ ইমান দুখীয়া নে? দুৱলীয়া ফুকন আৰু তামোলকটাই প্ৰাণত্যাগ কৰা ঠাইত যুগমীয়া স্মৃতিচিহ্ন আমি তুলিব নোৱাৰোঁ নে?

ওপৰৰ বৰ্ণনাত আমাৰ এতিলমানো কল্পনা নাই। বুৰঞ্জীৰ সত্যক সল্পনাৰে অতিৰঞ্জিত কৰি বুৰঞ্জী বুলি প্ৰচাৰ কৰাৰ সমান গৰ্হিত কাম আন একো নাই বুলি আমাৰ বিশ্বাস। অসমীয়াৰ জাতীয় বুৰঞ্জীত ইমানবোৰ ৰোমাঞ্চকৰ সত্য ঘটনা আছে, সি নিজগুণেই উত্তেজক তাত কল্পনাৰ ৰহণ সানি পতুমৰ পাহীত ৰূপ চৰাবলৈ যাব নালাগে।

যি জাতীৰ তেনে বুৰঞ্জী নাই, তেনে বীৰত্বৰ আৰু স্বদেশাৰ্থে প্ৰাণ বিসৰ্জ্জনৰ জলন্ত আদৰ্শ নাই, তেওঁলোকে কল্পনাৰ সহায়েৰে নতুন বীৰ, নতুন বীৰাঙ্গনা অভিনৱ মনেপতা বিচিত্ৰবীৰ্য্যৰ সৃষ্টি কৰক। সত্য-

প্ৰিয় বুৰঞ্জীপ্ৰাণ অসমীয়াই ভুলে-চুকেও সেই সৃজন-লীলাৰ চাবি চাঁপত ভৰি দিবৰ সকাম নাই।

বীৰবৰ ডুৱলীয়া পানীফুকনৰ মৃত্যুৰ পিছত কি হল তাৰ অতি সংক্ষিপ্তকৈ আভাস দিওঁ। তেওঁৰ পিছ দিহিঙীয়াৰ বুঢ়াপানীফুকন পিছলৈ বৰফুকন হয়গৈ। হৰনাথ ভতকুৱাল ফুকন মৰাণৰপৰা পলাই গৈ চিলমাৰীত আছিল। তেৰেঁা পিছলৈ বৰফুকন হৈ নানা ঠাইত মোৱামৰীয়াৰ সংঘৰ্ষণত আহি যুদ্ধবিগ্ৰহাদিত লিপ্ত থাকে। এৱেঁই বদনচন্দ্ৰ বৰফুকনৰ পিতৃদেৱ। তাৰ পিছত অসমীয়া পাত্ৰ-মন্ত্ৰীসকলৰ যড়যন্ত্ৰ মতে মণিপুৰৰ ৰাজকন্যা, ৰাজেশ্বৰসিংহৰ আইকুঁৱৰী-দেউ আৰু পিছলৈ ৰাঘমৰাণৰ ভাৰ্য্যা কুৰঙ্গনয়নীয়ে ৰাঘমৰাণক কৰঙণত তৰোৱালে ঘা মাৰে। তাহানি ডুৱলীয়া ফুকনৰ দৰে ৰাঘয়ো হামখুৰি খাই পৰে, তাতে তেওঁক কটা হয়। স্বৰ্গদেৱ লক্ষ্মীসিংহই আকৌ সিংহাসন লাভ কৰে। পিছে গৌৰীনাথ সিংহ ৰজাৰ দিনত মৰাণে পুনৰ দেশত বিদ্ৰোহ তোলে। কুঐেঞগঞা ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাঞি ডাঙৰীয়াই মৰাণক যতে-ততে ভেটি অৱশেহত ইংৰাজৰ সহায়েৰে বিদ্ৰোহ একেবাৰে দমন কৰি ৰাজ্যৰ জেঙা-জঞ্জাল ভাঙি দেশত শান্তিৰ স্থাপনা কৰে। দেশ-প্ৰেমিক পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ ভঙা ৰাজ্যত শান্তি-স্থাপনৰ বিষয়ে ১৭২৫ শকত আমাৰ এজন অসমীয়া লিখকে কৈছে,—"সেই বেলা মহামন্ত্ৰী বুঢ়াগোঁহাঞি ডাঙৰীয়াই পক্ষীয়ে যেনেকৈ শিশুটিক পখাৰে আৱৰি ৰাখে, সেইৰূপে ডাঙৰীয়াই দেশখন ৰক্ষা কৰিছিল।" আৰু প্ৰায় সেই সময়তে শ্ৰীকান্ত সূৰ্য্যবিপ্ৰ নামে এজন বিচক্ষণ কবিয়ে গাইছে,—

জয়তি কমলেশ্বৰ সিংহ মহাৰাজ। যাৰ কীৰ্ত্তি-ইন্দু ৰাজে পৃথিবীৰ মাজ॥...
তান মহামন্ত্ৰী পূৰ্ণানন্দ মহাধীৰ। বুঢ়াগোহাঞিপাত্ৰস্থিত পৰমসুধীৰ॥
মহামন্ত্ৰীকুলে জন্মি প্ৰবীণতা হইল। ৰাজমন্ত্ৰী হুয়া তেনে প্ৰকাশিয়া বৈল॥

অগাধ জলত মগ্ন নৌকা বিতোপন। যেন কোন সুবুদ্ধে কৰিলা উত্তাৰণ॥
যেনমতে ভগ্নৰাজ্য কৰিলা বিচাৰ। বুদ্ধিবলে ইটোদেশ কৰিলা উদ্ধাৰ॥
পুৰুষ উত্তম বৰ গুণৰ সাগৰ। ৰঞ্জয় সবাৰে চিত্ত কৰিয়া বিচাৰ॥
নাহি কতো তানসম গুৰু ভজনত। নকৰয়ো ক্ৰোধ আতি সদায়ে মনত॥
নকৰে নৈৰাস মন লোক সমস্তৰ। লাৱণ্য শৰীৰ চাৰু বচন মধুৰ॥
যাৰ যশ ৰাশি সুধা দেশ দেশান্তৰী। আনন্দ লভিয়া ঘোষে তাক পান কৰি।......
এইমতে প্ৰকাশন্ত মহামন্ত্ৰী ৰাই॥ ন্যায় বিবেচনা কৰি তিনি পথ চাই॥

---

# আশা।

—:*:—

আমি পাঁচ ইন্দ্ৰিয়েৰে যি জানিব পাৰোঁ তাৰ স্থিতি প্ৰত্যক্ষ সঁচা, যুক্তিৰ দ্বৰাই যাক ধৰিব পাৰো তাৰ স্থিতি যুক্তিযুত সচাঁ; আৰু যাক ইন্দ্ৰিয়েৰে জানিব নোবাৰো, যুক্তিৰে চুকি নাপাওঁ তাৰ স্থিতি মিছা। এই সংসাৰ সঁচা, মিছা আৰু যুক্তিসিদ্ধ এই তিনিবিধ বস্তু বা ভাবেৰে পূৰ্ণ। এই তিনিবিধৰে সঁচা আৰু মিছা সীমাবদ্ধ। সঁচাৰ সীমা চকুৰে দেখোঁ, মিছাৰ সীমা বোধশক্তিৰে বুজিব পাৰো। যাৰ স্থিতি সীমাবদ্ধ, তাৰ প্ৰতি এই অনন্ত উন্নতিশীল জগতত আগ্ৰহ প্ৰবল নহয়। যি কথা এবাৰ জানি উঠা যায়, জানিবলৈ আৰু বাকী নাথাকে মানুহে অকল সেই কথা লৈয়ে সংসাৰ যাত্ৰা ভাল নাপায়। তাৰ প্ৰমাণ, মানুহে অধিকাৰ কৰাৰ পাচত অভিলষিত ঠাইত পূৰ্ব্বৰ সুখ নেদেখে, আন কোনো নতুন বা উচ্চ স্থান অধিকাৰ কৰিবলৈ ইচ্ছা কৰে। সেই ইচ্ছা মানুহ প্ৰাণীৰ স্বভাৱিক গুণ। সেই কাৰণে, যেতিয়া প্ৰত্যক্ষ সঁচা আৰু অধিকাৰ কৰা ঠাইত বা বস্তুত সুখ নলগা হয়,

তেতিয়া কোনো যুক্তিসিদ্ধ নতুন বা উচ্চ স্থান বা বস্তু অধিকাৰ কৰিবলৈ মানুহে প্ৰথমে এটি ইচ্ছা কৰে; ক্ৰমে সেই ইচ্ছা যুক্তিৰ বলত বলৱতী হৈ আসাত পৰিণত হয়গৈ।

আমি যাক পাঁচ ইন্দ্ৰিয়েৰে বুজিব নোৱাৰোঁ, সি সঁচা হলেও, তাক প্ৰত্যক্ষ সঁচা বুলিব নোৱাৰি। কাৰণ, যাক আমি কাৰ্য্যত পৰিণত হোৱা বাহ্যিক চকুৰে দেখিবলৈ নাপাওঁ, সি কেৱল চিন্তাচালক জ্ঞান চকুৰে মানত হে সঁচা। সেই কাৰণে, আমি ইন্দ্ৰিয়অগোচৰ সঁচা ভাগকে যুক্তিযুত সঁচা বুলি ধৰিছোঁ। মানুহে প্ৰথমে আৰু সততে প্ৰতক্ষ সঁচালৈ হে খেদে; তাৰ চালক হৈছে আশা, আৰু তাৰ আদি-গতিও আশাৰে অটি স্ফূৰ্ত্তি। মানুহে ভ্ৰান্তিমূলক সঁচাৰ পিচত লৰি অন্তত যেতিয়া মিছা পায়গৈ তেতিয়া সেই থিনিতে হতাশ ভাবৰ বাধকে আশা-স্ফূৰ্ত্তিৰ খৰতৰ গতি ৰোধ কৰে, আৰু তাতে মিছাৰ সীমা দেখিবলৈ পোৱা যায়। আৰু, যি প্ৰত্যক্ষ সঁচা, অৰ্থাৎ যাক আমি বাহ্যিক চকুৰে কাৰ্য্যত পৰিণত হোৱা দেখিবলৈ পাওঁ, তেনে অভিলষিত বস্তু লাভ কৰা মাত্ৰকে মনত শান্তি ওপজে, আৰু তাতে সেই আশাৰ নিবৃত্তিও দেখিবলৈ পাওঁ। এতিয়া দেখা গল যে, মিছা আৰু প্ৰত্যক্ষ সঁচা যেনে সীমাবদ্ধ, তাৰ প্ৰতি আশাও তেনে সীমাবদ্ধ। আন হাতে, যি কেৱল যুক্তিসিদ্ধ অৰ্থাৎ যাৰ সত্যতা কেৱল অন্তৰ্জগতত হে প্ৰকাশ পায়, আৰু যাক, কেৱল চিন্তাপৰিচালক জ্ঞানচকুৰে মাথোন দেখিবলৈ পোৱা যায়, তাৰ সদায় উৰ্দ্ধগতি; আৰু সেই উদ্গতি অনন্ত। সেই কাৰণে, সেই বস্তুৰ প্ৰতি যি আশা জন্মে, সেই আশাৰ সোঁত অবিশ্ৰান্ত, আৰু তাৰ নিবৃত্তিও ব্যাহিক চকুৰে দেখিবলৈ পোৱা নাযায়।

ওপৰত উনুকিওৱা হৈছে যে এই সংসাৰ সঁচা, মিছা, আৰু যুক্তিসিদ্ধ এই তিনিবিধ বস্তু বা ভাবেৰে পূৰ্ণ। আৰু সততে মানুহে মিছাৰ পিচত

নৰিবলৈ ভাল নাপায় ; জানি-শুনি কেৱে মিছাৰৈ আশাও নকৰে । গতিকে, মিছা আশাৰ অস্তিত্বও মিছা । তাৰ পাছত, স‍ঁচাও দুবিধ ; এবিধ প্ৰত্যক্ষ স‍ঁচা, আৰু ইবিধ যুক্তিযুত স‍ঁচা । এতেকে, তাৰ লগে লগে অস্তিত্বযুত আশাও দুবিধ ;—এবিধ সীমাবদ্ধ আশা আৰু ইবিধ অবিশ্ৰান্ত আশা । সীমাবদ্ধ আশাৰ সংখ্যা অলেশ, আৰু অবিশ্ৰান্ত আশাৰ সংখ্যা একেটি মাথোন । গতিকে, যদ্যপি সংসাৰৰ মিছা, স‍ঁচা আৰু যুক্তিসিদ্ধ ভাগ মতে আশাৰো মিছা আশা, সীবাবদ্ধ আশা আৰু অবিশ্ৰান্ত আশা নামে তিনি বিধ আশাৰ নাম লব পাৰি, তথাপি প্ৰকৃত পক্ষে শেষোক্ত দুবিধক হে আশা বুলি ধৰিব লগীয়া ।

আশা সংসাৰ-বান্ধনীয়ৰ ঘাইসূত্ । এই সূত্ ছিগিলে বা ঢিলা হলেই মানুহে সংসাৰ-বৃত্ত ঘূৰিবলৈ অক্ষম হৈ পৰে, বা ঘূৰোঁতে অশেষ ব্যতিক্ৰম ঘটে । যহা অৱৰ্ত্তমান জগতৰ অদৃশ্য অকৰ্ষণ শক্তি হঠাৎ বিনাশ পালে যেনেকৈ জগতৰ গতি বা স্থিতিৰ একো চিন্ নোহোৱা হৈ পৰিব, এই অদৃশ্য আশা-সূত্ ছিগিলে মানুহৰো গতি বা স্থিতিৰ একো ঠিক্ নোহোৱা হব । সেই কাৰণে, সেই আকৰ্ষণ শক্তিৰ প্ৰৱৰ্ত্তক স্থষ্টিকৰ্ত্তাৰ নিয়মানুসৰৱে সংসাৰৰ প্ৰত্যক্ষ স‍ঁচা ভাগত মানুহক অসংখ্যাত সীমাবদ্ধ আশাই চাৰিওফালৰপৰা টানি ধৰি থিয় কৰি ৰাখে ; আৰু যুক্তিসিদ্ধ স‍ঁচা ভাগত একেটি মাথোন অবিশ্ৰান্ত আশাই মানুহক একেভাৱে উৰ্দ্ধদৃষ্টিত স্থিৰ ৰাখে । এতেকে, এই দুবিধ আশাৰ সামঞ্জস্যতেই মানুহৰ সংসাৰৰো স্থিতি বুলিব লাগে । সংসাৰৰ প্ৰত্যক্ষ স‍ঁচা ভাগত আশাৰ সংখ্যা অলেখ, আৰু যুক্তিসিদ্ধ স‍ঁচা ভাগত একেটি মাথোন লোৱাৰ বিশেষ কাৰণ আছে । অৰ্থাৎ, প্ৰত্যক্ষ স‍ঁচা ভাগত চলা মানুহেই প্ৰকৃত সাংসাৰিক মানুহ । সিবিলাকে সততে সংসাৰ-সাগৰৰ মাজত জীৱন-নাৱ চলাব লাগে । সংসাৰ-সাগৰৰ ভয়ঙ্কৰ মূৰ্ত্তি দেখিলে নিলগাত হিয়া

কঁপে ; দিনে-ৰাতিয়ে আপদৰ ঢৌৱে আফালিব লাগিছে । সেই ঢৌৰ মাজত জীৱনতৰী এৰি দি স্থিৰে থকা সুকঠিন কাৰ্য্য । গতিকে, নৈসৰ্গিক নিয়মানুসাৰে জীৱনতৰী অসংখ্যাত সীমাবদ্ধ আশাডোলেৰে আৱদ্ধ হৈ সংসাৰ-সাগৰৰ চাৰিও পাৰত মায়া-মোহৰ খুটিত বন্ধা আছে । কিন্তু সেই আশাডোল ৰবৰ এঠাৰ দৰে স্থিতিস্থাপক ; সময়ত বিপদ-ধুমুহা আহি সংসাৰ-সাগৰৰ ঢৌৰ কোব প্ৰৱল কৰিলেই জীৱন-তৰীয়ে ইকাতি-সিকাতি কৰিবলৈ ধৰে । সেই কাৰণে, তাৰ মাস্তুলৰ নিচেই ওপৰত সংসাৰৰ যুক্তিসিদ্ধ সঁচা ভাগৰ অবিশ্ৰান্ত আশাৰ ডোল লগাই অনন্ত আকাসৰপৰা এক অনন্ত শক্তিয়ে তাক স্থিৰ কৰি ধৰি ৰাখিছে ।

জগতত যিমান দিন মানুহৰ জীৱন-সংগ্ৰাম চলি থাকিব, যিমান দিন 'তুমি' 'মই' "তেওঁ" ভাবৰ প্ৰভেদ থাকিব, আৰু যিমান দিন সৃষ্টি আৰু স্ৰষ্টাৰ বেলেগ ভাবে মানুহৰ হিয়াত ঠাই পাব, সিমান দিনলৈকে এই সংসাৰ মোহময় আৰু মায়াময় । মানুহে এই মোহিনী সংসাৰত মায়া-মৰীচিকাৰ মাজেদি কেৱল আশাৰ কৰুণ বাণীৰ গম্ ধৰিহে গন্তব্য বাট দেখিছে, বা লক্ষ্য ঠাইৰ ফালে দোখোজ আগ বাঢ়িছে । নহলে, আজি জগতৰ এনে উন্নতিৰ দিনত নিতান্ত দীন-দৰিদ্ৰ লোকত্ব অস্তিত্ব লোপ পালেহেঁতেন । বিজুলীৰ ক্ষন্তেকীয়া চমকনিৰ দৰে মাজে-সময়ে আশা-চাকিৰো দুছাটি-এছাটি পোহৰ নপৰা হলে, সংসাৰ-যাত্ৰাত সহায়-সাৰথীহীন নিতান্ত দুৰ্ব্বল যাত্ৰীবিলাকে বহু দূৰণিতে প্ৰাণ এৰিব লগা হলহেঁতেন । এতেকে, মুঠ কৈ চালে দেখা যায় যে, মানুহ-জীৱন-গছৰ গুৰিতে আশাৰ বীজ ; মাজত আশাৰ গা-গছ আৰু অসংখ্য ঠাল-ঠেঙুলি ; আৰু নিচেই আগত আশা-ফল । এনে আধাৰে কবলৈ গলে, মনুষ্য জীৱন আশাৰে ৰূপান্তৰ মাথোন ।

# ফুলৰ চানেকী।

—— ০ ——

## বাগ্দেবী-বন্দনা

নাজানো পূজাৰ বিধি, বন্দনাৰ ৰীতি,
বীণাপাণি বাগ্দেবি! চৰণ তোমাৰ
কিৰূপে পূজিম হাঁয়, বন্দিম কিমতে!
বজোৱাঁ অনন্তকাল সঞ্জীৱনী বীণা,
গহীন জোঁকাৰে তাৰ কঁপাই বননি,
সৰায় কল্পনা-ফুল কবি ফুলনিত।
সুৰবুজা আদিগুৰু স্বৰ্গী কবিসৰে
সুৰস্থতা বাছি লই ৰচিলে কতনা
সঞ্জীৱনী মালা। অনুপম শোভা তাৰ
জিলিকে চৌপাশে আজি কাব্যকাননত।
সি দীপ্তিৰ প্ৰভাৱত হই দীপ্তিমান,
আধ্য কবিসৰে, গুৰুপদ অনুসৰি,
ৰচিলে কতনা আৰু দীপ্তিময়ী মালা,
মনেধৰা চেৰে বান্ধি। হাঁহে মাতৃভাষা
উলাহত আজি, পিন্ধি পুত্ৰে ৰচা হাৰ।
নুবুজোঁ বীণাৰ সুৰ,—মূৰুখ সন্তান—
নকঁপে ফুলৰ ঠাৰি; নসৰে এপাহী
বাজী ফুল অভাগাৰ কল্পনা-চকুত!
তথাপি হৃদয়তন্ত্ৰী বাজি উঠে ঘনে,

আবেগত বেগ পাই পূৰ্ণ বাসনাত।
শুক্ৰদীপ্তি আগ কৰি—অন্ধৰ চকুত
যেন প্ৰদীপৰ তাপ—উমানে উমানে
ছুটি ফুল, এৰি যোৱা, পাইছোঁ বিচাৰি;
হাবিয়াষ, ৰচোঁ তাৰে বনফুল চাকি।
নোশোভে ই মাতৃকণ্ঠ, নুজুৰায় হিয়া;
থাকিব এপাশে পৰি পাদপদ্ম চুই;—
দিয়াঁ সুৰ দেবি, ৰচোঁ দুখীয়াৰ মালা।

---

## প্ৰহ্লাদচৰিত্ৰ।

### স্তুতি।

ব্ৰহ্মা সিদ্ধমুনি আদিও নপাৰে
পূজিবে তোমাৰ পাৱ।
কিবা স্তুতি-নতি কৰিবোহোঁ আমি
অসুৰ ক্ৰূৰ স্বভাৱ॥
ধন-জন-তপ প্ৰভাৱে তোমাক
আৰাধিবে শক্য নাই।
গজেন্দ্ৰে কেৱলে ভকতি কৰিলে
পৰম আপদ পাই॥
যিটো চণ্ডালই কায়-বাক্য-মনে
সদায়ে সুমৰে হৰি।
আছে বাৰ ব্ৰত যিটো ব্ৰাহ্মণৰ
সিসে শ্ৰেষ্ঠ আতকৰি॥

সিটো মহাগৰ্ব্বী বিপ্ৰে আপোনাক
পৱিত্ৰ কৰিবে নাৰে ।
ভকত-চণ্ডালে আপোনাকো তাৰে,
সমস্তে কুল উদ্ধাৰে ।
তুমি জগজীৱ তোমাক পূজিলে
মিলে আপোনাত যাই ।
যেন মুখশ্ৰীক প্ৰতিবিম্ব মুখে
দেখিয়া দৰ্পণ চাই ॥
হেন জানি মই মতি অনুসাৰে
ভজিলোঁ তোমাৰ পাৱ ।
ব্ৰহ্মা আদি দেৱ- গণ ডৰে মৰে
এৰিও ক্ৰুদ্ধ স্বভাৱ ॥
ভয়ঙ্কৰ ৰূপ দেখিয়া তোমাৰ
প্ৰভু, ভয় মোৰ নাই ।
সংসাৰ-চক্ৰৰ নিকাৰ দেখিয়া
সদায়ে ধাতু উৰাই ॥
তোমাৰ চৰণ- ছত্ৰৰ ছাঁয়াক
কৈসানিনো দিবাঁ মোক ।
কহিয়ো উপায় কিমতে এৰাওঁ
নিদাৰুণ দুখ-শোক ॥
তযু হস্ত-পদ্ম শিৰে দিলাঁ মোক
কি ভৈল মহা আহ্লাদ ।
ব্ৰহ্মা-হৰ-লক্ষ্মী- দেবী নতু পান্ত
তেসম্বো হেন প্ৰসাদ ॥

সমস্ত ভূতৰ তুমিসে আতমা
হৃদয় পৰম গুৰু ।
তথাপি সেৱাৰ অনুসাৰে কৃপা
কৰাঁ যেন কল্পতৰু ॥
কিমতে ভকতি কৰোঁ, পঞ্চেন্দ্ৰিয়ে
পঞ্চদিকে লাগি ধৰে ।
যেন গৃহস্থক অনেক সপত্নী
সকলে আকুল কৰে ॥
ভৱ-বৈতৰণী মাজে মজিলোঁহোঁ
নেৰে মোক শোক-ভয় ।
তোমাৰ চৰণে শৰণ লৈলোঁহোঁ
কৃপা কৰাঁ কৃপাময় ॥

---

## উষা ।

নিশা অৱসানপ্ৰায় । নিজম সৃষ্টিয়ে
লাহে লাহে লভিছে চেতনা ;
ভাগৰ টোপনি মায়া ক্ৰমে আঁতৰিছে,
সুমৰি উঠিছে প্ৰাণ-বীণা ।

*

সপোনৰ লীলা-খেলা প্ৰকৃতিয়ে ভুলি
ধৰিছেহি দিঠকৰ মোৰ ;
দৃষ্টিহীন সজাগেৰে উমানত শুনে
নিজানত উটি অহা সুৰ ।

*

ভাবত পুৰঠ্‌ হলসৃষ্টিৰ অন্তৰ,
ৰাঙ্গলী ৰহণ তাৰ চিন্‌ ;
ৰূপান্তৰ তাৰে মাথোঁ শোণিত সাগৰ,
প্ৰান্ত তাৰ অনন্ততলীন্‌ ।

*

মথিছে সংসাৰ-সোঁত বিশ্বৰ চৌতাই
তেজ-পানী ক্ৰমে ঘন্‌ হয় ;
প্ৰকৃতিৰ কপালত সেন্দুৰৰ ফোঁট,
পূব শিৰে অৰুণ উদয় ।

*

কোমল জেউতিফেৰি উষাৰ কিৰণ,
তেজী জ্যোতি অৰুণৰ ভাতি ;
পবিত্ৰ মিলন ফলে শান্তিময়ী প্ৰভা,
—দিনৰ পোহৰ একোছাটি ।

*

জনম কৰম পাচে মৰম বুকত,
সন্তানৰ জিৰণিৰ ৰীতি ,
সাগৰ বুকৰ খেলে পুণ্যশোভা ধৰি
অৰুণৰ অনুৰূপ সিটি ।

*

দুটি ৰূপ এটি হয় সৃষ্টি পাতনিত,
মিলনত লয় অভগন ;
প্ৰকৃতি কুমাৰে তাৰ বিলায় চানেকী,
—পৃথিবীত উষাৰ হৰণ ।

*

এয়ে সৃষ্টি উত্‌পতি, এয়ে আৰাম্ভণ,
সংসাৰৰ যত ৰীতি-নীতি ;
ইয়াৰে চানেকী উঠে নব জীৱনত,
সাধেমানে যত উৎনতি ।

*

কৰমৰ অনুগামী কীৰ্ত্তিৰ নিচান,
পিচলই ধাউতি সদায় ;
উৰেমানে উলাহত, জাতীয় জীৱন
উন্নতিৰ লাচত উধায় ।

*

যাত্ৰী-নাওঁ যাওঁ-যাওঁ নিৰক্ষি লগৰী,
যাতৰাৰ শুভক্ষণ গণি ;
ৰিণি-ৰিণি দেখা যায়, আহে ভটীয়াই
লুইতৰ পানীধাৰ মনি ।

*

ভাটী ভাগে আছেমানে জাতীয় সঙ্গতি
লগে-ভাগে যাব ভটীয়াই ;
পছিমীয়া বেহা লই ঘূৰিব সন্ধিয়া
জননীক দিবহি গতাই ।

*

কতনা সন্ধিয়া বেলি দিনে মাৰ যায়,
নিতে নৱ জনম কাৰণ ;
নেদেখা-ভাগৰ নবে দিনে দেখা পায়
নিতে নৱ উষাৰ হৰণ ।

*

দুপৰ সূকয়ে আৰু মাজনিশা ৰাতি
বিপৰীত উৎপতি নয় ;
দিনে দুই অৱসান, নিজম সংসাৰ
দুটিবাৰ সচেতন হয় ।

*

জগতৰ উৎগতি গতি অবিৰাম,
সৃষ্টি স্থিতি আছে যত দিন ;
অমৰণ অভগৰ উষাৰ মিলন,
আজীৱন উন্নতিৰ চিন্ ।

---

## দ্ৰৌপদীৰ বিলাপ ।

দ্ৰুপদ-নন্দিনী মনে গুণি, স্বামীসকলৰ বাক্য শুনি,
ৰাজহংস গতি চলি গৈলা ধীৰে ধীৰ ।
যথাতে আছন্ত দেৱ হৰি, নৃপতি সকলে মধ্য কৰি,
তথাতে চলিলা, বহে নয়নৰ নীৰ ॥
নেতৰ বসন পৰিধান, মাথাত মালতী কৰে ঘ্ৰাণ,
প্ৰবাসৰ কষ্টে তনু ভৈলা অতি ক্ষীণ ।
যতেক বিপত্তি মনে স্মৰে, শোকে নয়নৰ নীৰ জৰে,
পূৰ্ণচন্দ্ৰ যেন কলঙ্কে ভৈলা মলিন ॥
মাধৱৰ গৈয়া সমীপত, দ্ৰুপদ-নন্দিনী উপগত,
মাথে বস্ত্ৰ দিয়া বচন বুলিলা শোকে ।
দেখা দেখা মোক দামোদৰ, অনাথিনী নাই মোতপৰ,
দেখিলা বিপত্তি কুৰুসমাজৰ লোকে ॥

চুলে ধৰি দুঃশাসন বাঘে, ধৃতৰাষ্ট্ৰ শ্বশুৰৰ আগে,
ঘসাইলেক মোক অনাথিনী পৰবাসু ।
পাঞ্চপতি মোৰ সেই থানে, বিলাই বিপত্তি ভৈলমানে,
আগতে আছিলা গান্ধাৰিণী জেষ্ঠ্যা শাশু ॥
পাঞ্চপতি সমে পাশা জিনি, দাসী কৰিলেক দুৰ্য্যোধনি,
লাজ কৰিলেক ভীষ্ম শ্বশুৰৰ আগে ।
সি বেলাত মোৰ নাহি আন, তোমাৰ চৰণ কৰি ধ্যান,
নাৰায়ণ নাম সুমৰিলোঁ অনুৰাগে ॥
তেবে সমস্তৰে দিলে বৰ, পাঞ্চপাণ্ডৱৰ ধনু-শৰ,
উদাস কৰিলোঁ পাঞ্চপতি সমে মাগি ।
কৌৰৱে আলচি কৰি সাস, পাঞ্চপাণ্ডৱৰ বনবাস,
চঙ্কাই খেদিলা ঘোৰ অৰণ্যক লাগি ॥
সিটো কৌৰৱৰ অপমান, বিলাই বিপত্তি ভৈলমান,
ভীমৰ বচনে আনক দিলা বঢ়াই ।
ধৰ্ম্ম নৃপতিৰ অভিপ্ৰায়, তুমি যাইবা কৌৰৱৰ ঠাই,
সাম্যতা বচন বুলিবা সবে বুজাই ॥
ই বেলি কৌৰৱে আন এৰি আমাক মাৰিবে জুইত পুৰি,
তেৱে পৰাক্ৰম ভীমৰ সিজে বঢ়াই ॥
ধিক্কাৰ ভীমৰ বাহুবল, ধিক্ অৰ্জ্জুনৰ ধনু-শৰ,
ক্ষত্ৰিয় জাতিৰ হেন শোকাতুৰ তনু ।
অসামৰ্থ্য ভৈলে দোষ নাই, নলুংসক ভৈলা পাঞ্চ ভাই,
লোৰাঁ দামোদৰ এসম্বাৰ পাঞ্চ ধনু ॥
দ্ৰুপদ ৰাজাৰ বিদ্যমানে, যজ্ঞবেদী আতি শুদ্ধ থানে,
জনম লভিলোঁ দ্ৰুপদে তুলিলে মোক ।

ধৃষ্টদ্যুম্ন আদি মোৰ ভাই, পিতা দ্ৰুপদেও বৰ চাই,
সজ-সিদ্ধ কুলে বিবাহ দিলন্ত মোক ॥
যাৰ স্থকোমল বাক্য সাধু, পাণ্ডু নৃপতিৰ কুলৱধু,
প্ৰিয় ভাৰ্য্যা ভৈলোঁ। পাঞ্চভাই পাণ্ডৱৰ ।
তুমি যাৰ সখি গদাপানি, আমি অসামৰ্থ্য কোন মানি,
গুণি চোৱাঁ দুখ কোন গুণে হীন-পৰ ॥

---

## বন্তি ।

শুভদিন ভটীয়াই কালসাগৰক পাই
মাৰ যায় আন্ধাৰি অসম ;
আঁৰলত ভাগ্যলক্ষ্মী নীৰৱে বিনাই শুনা,
—প্ৰাণে-শুনা, শুনাতে নিজম ।

*

কতবাৰ চিপিয়ালে নিচলা সন্তান সৱে
জ্বলাবৰ হেতু জ্ঞান দীপ্তি ;
উলাহ শলিতা পুৰি জ্বলিল বিবিধ বাতি,
ৰাখিবৰ নহল যুগুতি !

*

এতেকতে একেগোট ঠান্‌বান্ অসমীয়া
ঘৰভঙ্গা ঈৰ্ষাভাব এৰি ;
নিচলাৰ সাঁচতীয়া পকাতেল একোটোপা
দিছে আহি ক্ষুদ্ৰ বেহী ভৰি ।

*

উছাহৰ শলাকানি দিছে পাৰি হৃদয়ত,
চুহি-চুপি থাকঁা বুলি জ্বলি,
যতকাল "অসমীয়া" গুটুকাব নামগুৰি,
আকর্ষণী হেন্দোলনী মেলি।

*

তুখীয়াৰ ধুপ্‌—দীপ, ক্ষুদ্র ক্ষুদ্র বৰঙনী,
একেগছ আলো কৰি চোৰা
শোকেচেপা মাতিৰিয়ে অযুত উছাহে দাঙ্গি
জ্বলা বন্তি হাতে তুলি লোৱা

*

বন্তিৰ পোহৰ পাই ভাগ্যলক্ষ্মী মিটিকায়,
সৌভাগ্যৰ বিৰিঙ্গে জেউতি
ভাৰতৰ এচুকত অসমৰ ভাগ্য জ্বলে,
সন্তানৰ উলাহিত মতি।

*

যেয়ে যতে আছাঁ ৰই তুখুনীৰ ভাগ্যধৰ,
নিমাখিত যত নাতি-পুতি ;
গাৱে-ভুঞে চুকে-কোনে, লোৱাঁ তুলি একে চাবে
হাতে-হাতে বন্তি এটি এটি।

হৰমোহন ।

পাচে ত্ৰিনয়ন, দিব্য উপবন,
দেখিলন্ত বিদ্যমান ।
ফল ফুল ধৰি, জকৃমকৃ কৰি,
আছে যত বৃক্ষমান ॥
শিৰীষ, সেউতী, তমাল, মালতী,
লবঙ্গ, বাগী গুলাল ।
কৰবীৰ, বক, কাঞ্চন, চম্পক,
ফুলে ভৰে ভাগে ডাল ॥
সেৱালী, নেৱালী, পলাশ, পাৰলী.
পাৰিজাত, যুথী, জাঁই ।
বকুল বন্দুলী, আছে ফুলি ফুলি,
তাৰো সীমা সংখ্যা নাই ॥
কনোৰ কনাৰী, কদম্ব, বাবৰী,
নাগেশ্বৰ, সিংহ, চম্পা ;
অশোক অপাৰ, দেৱনা, মদাৰ,
মণিৰাজ, ৰাজচম্পা ॥
কুন্দ, কুৰুবকৃ, কেতেকী, তগৰ,
গন্ধে মোহে বহু দূৰ ।
গুটিমালী, ভেণ্টি, ৰঙ্গীন, ৰেৱতী,
মকৰা, মধাই, ধুস্তৰ ॥
চন্দন অগৰু, দিব্য কল্পতৰু,
দেৱদাৰু পদ্মবাসি ।

প্ৰতি গছে-গছে, ভিণ্ডা বান্ধি আছে,
সুবৰ্ণ মাণিক খচি ॥
মণি মৰকত, স্থলী নানা মত,
দীপ্তি কৰে তাৰ কাছে।
মহা মনোহৰ, দীৰ্ঘ সৰোবৰ,
তাৰ মাজে মাজে আছে ॥
চাৰিও কাষৰে, প্ৰবাল বাথৰে,
বান্ধিলা বিচিত্ৰ কৰি।
বৈদূৰ্য্যৰ বাট, স্ফটিকৰ ঘাট,
মৰকত থাট খৰি ॥
সুবৰ্ণ-কমল, ভেট, উতপল,
ফুলি ফুলি আছে ৰঞ্জি।
শোভে চক্ৰবাক্, ৰাজহংস জাক্,
মৃনাল ভুঞ্জে উভঞ্জি ॥
কোণ্ডা, কঙ্ক, বক্, বিবিধ চটক্,
ভ্ৰময় নিৰ্ভয় ভাৱ।
অমৃত সমান, জল কৰি পান,
ত্যজে সুললিত ৰাৱ ॥
চাৰিও পাৰত, দিব্য পুষ্প যত,
গন্ধে দশোদিশ বাসে।
অনেক ভ্ৰমৰে বেঢ়িয়া গুঞ্জৰে,
মধুপান অভিলাষে ॥
যত দিব্য পক্ষী, ফল ফুল ভক্ষি,
কাঢ়য় সুস্বৰ ৰাৱ।

কুহু কুহু ধ্বনি, কোকিলৰ শুনি,
বহয় মলয় বাৱ ॥

---

## বিজুলী ।

চমকে ৰেখাটি মাথোঁ। হুৰ-হুৰণিত
জগত জিলিকি উঠে ;
মূহুৰ্ত্তে বিয়াপি যায় কুশল পোহৰ,
অপায় নাথাকে মুঠে' ।

*

দেৱতা বিহাৰে ক্ৰীড়ি স্বৰ্গত ওপৰে,
তলত পৃথিবী নৰ ;
মাজতে ডাৱৰ পাতি ভুমুকনি মৰা
বিজুলী বসতি ঘৰ ।

*

নৰৰ অসাধ্য যিবা সাধে পচাৰতে,
দিব্যজ্ঞানজ্যোতি মেলি,
ৰক্ষা কৰে মৰ্ত্ত্যলোক পথ পোহৰাই,
আন্ধাৰ অপায় ঠেলি ।

*

অযুত যোজন জুৰি ছিগা ব্যৱধান
বিজুলী শক্তিৰ কলে,

নিমিষে চপাই ধৰ,—বাতৰি ছেগেৰে
নোকোৱা কথাৰ ছলে ।

*

অসীম শকতি তাৰ নৰ কৌশলত,
নিতে নৰ সৃষ্টি পাতে ;
কৌতুহল আগলই, বাঢ়েমানে আগ
আগলৈ ৰিঙাই মাতে ।

*

অনন্ত উন্নতি গতি মহিমা অপাৰ,
সৃষ্টি জুৰি স্থিতি যাৰ ;
তাৰে গতি, তাৰে কীৰ্ত্তি, মহা স্থিতিৰীতি,
হেৰা, বিজুলী, তোমাৰ !

*

অভাৰত উৎপন্ যতেক উন্নতি,
বিচাৰাঁ তাকেই তুমি ;
দেখাতে অভাৱ ঘন ডাৱৰেৰে ঢকা
দুখুনী অসম ভূমি ।

*

বিজুলীৰ আবিৰ্ভাব উদ্ধাৰ কাৰণ,
উঠে ডাৱৰ ভেদাই ;
অসম আকাশ ঘূৰি নৱ জেউতিৰে ।
চোৱাঁ উজ্জলে ঘনাই ।

## প্ৰাৰ্থনা ।

তুমি চিত্তবৃত্তি মোৰ, প্ৰৱৰ্ত্তক নাৰায়ণ,
তুমি নাথ মই নাথৱন্ত ।
চৰণ-ছত্ৰৰ ছাঁয়া, দিয়া দূৰ কৰা মায়া
কৰাঁ দয়া মোক ভগৱন্ত ॥
তুমি মোৰ অন্তৰ্য্যামী, তযু ভৃত্য ভৈলোঁ আমি
জানি কৃপা কৰাঁ হৃষীকেশ ।
দন্তে তৃণ তুলি লওঁ, যিমতে সেৱাত ৰওঁ,
দিয়াঁ মোক সেহি উপদেশ ॥
তুমি ভক্তকল্পতৰু, বাহিৰে ভিতৰে গুৰু,
তুমি বিনে নাহি মোৰ আৰ ।
কৃপা কৰাঁ হে হৰি, চৰণত ৰক্ষা কৰি,
দিয়াঁ মোক সেৱা-ৰস সাৰ ॥
তুমি হৰি কৃপাময়, বাহিৰত গুৰু ৰূপে,
অনুগ্ৰহ কৰি আছাঁ মোক ।
অন্তৰ্য্যামী গুৰু ৰূপে, তাকে সত্য কৰাঁ মোৰ,
তযু নামে সদা ৰতি হোক ॥
পদ্মসম নাভি যাৰ, প্ৰণামোহোঁ বাৰম্বাৰ,
নমোঁ দিব্য পদ্মমালাধাৰী ।
নমো পদ্মসম-নেত্ৰ, পদ যাৰ শতপত্ৰ,
নমোঁ ভকতৰ ভয়হাৰী ॥
মোৰ সম পাপী লোক, নাহিকে ই তিনি লোক,
তুমি সম নাহি পাপহাৰী ।

হৃদ্-সৰোবৰ মাজে,
আশাৰ পদুমে সাজে,
মনৰ উলাহে ;
ভাবৰ ভোমোৰা সৰে,
গুণ্ গুণ্ গুণ্ ৰৱে,
ঘূৰিছে চৌপাশে ।

*

মানস-নিকুঞ্জ ভৰি,
কল্পনা পখিলা উৰি,
ফুৰে কি বিচাৰি !
সৌন্দৰ্য্য আপুনি আহি,
শোভে আলাসত ভাহি,
উলাহ বিস্তাৰি ।

*

চিন্তা-সোঁত ধীৰে বলি,
মিলিছে কৰ্ম্মৰ থলি,
শতধাৰে বই ;
কুল্ কুল্ কুল্ কৰি,
চেতনাৰ সুৰ ধৰি,
ঘূৰিছে নৰই ।

*

সুৰত সজাগ হই,
শান্তিৰ আঁজলি লই,
প্ৰকৃতি সুন্দৰী ;

বিলাৰ খুজিছে ভৰে,
হিয়াৰ মৰম সৰে,
আদৰি-সাদৰি।

*

নিয়তিৰ আজ্ঞা পাই,
মলয়া কটকী যায়,
ঘৰাৰে ঘৰাৰে ;
কাণে কাণে উৰি উৰি,
ঝিণি ঝিণি সুৰ ধৰি,
আবাহন কৰে।

*

আহা আহা শিশুগণ,
স্বদেশৰ আশাধন,
মিলি ভাতৃভাৱে ;
প্ৰকৃতি কোলাত উঠি,
শান্তিৰ আঁজলি মথি,
বিলোৱা সবাৰে।

*

চেতনা উদিছে চোৱা,
বল-বুদ্ধি-সাহ লোৱা ;
দেশৰ দুৰ্গতি
আজি—আনন্দৰ দিনে—
দূৰ কৰা প্ৰাণপণে ;
—দেশ-হিতে ব্ৰতী।

---

## পুৱা।

গহীন পুৱতী নিশা; নিটাল জগত,
কতো নাই জোনাকৰ চিন ;
নিমাত বিশ্বৰ বাঁহী, নিজম চেতনা,
সুৰভুলা জীৱনৰ বীণ।
জীৱনৰ যুজ এৰি, কাম-কৰ্ম্মী দুয়ো,
শঁতাইছে যুঁজৰ ভাগৰ ;
বিয়াপি অসীম বিশ্ব, আন্ধাৰ এলাহ,
গতিহীন স্থিতি জগতৰ।
কোনোবা দেশৰপৰা ধীৰ সোঁত বলি
আহিছে এখনি জুৰ নৈ ;
ৰিণিকি ৰিণিকি এটি নীৰৱ কবিতা
বাজিছে বুকত ৰৈ ৰৈ।
জোনাক জোনাক বুলি জীৱন বিচাৰি
আন্ধাৰত প্ৰকৃতি আতুৰ ;
জোনাক-জীৱন খুজি ওপঙ্গি ফুৰিছে
নিকুঁত আকুল এটি সুৰ।
কাতৰ সুৰত পমি নিয়ম বিহোঁতা,
প্ৰকৃতিৰ প্ৰবোধি মনক ;
দিবলৈ মনে মনে জোনাক-জাননী,
পঠিচছে পুৱাৰ বতাহক।
স্বৰ্গৰ বাতৰি পাই অপেক্ষি জোনাক,
প্ৰকৃতিৰ উদ্ধাৰল চিত ;

বলিছে শীতল বায়ু, নাচিছে লতাই
ফুলকলি হাঁহিছে থুপিত ।
ছুটিমান জোনাকৰ সোণোৱালি ৰেখ
লাহে লাহে ভৈয়াম নামিছে ;
সৃষ্টি-পাতনিৰ সেই জীৱন্ত ছবিটি
ঘূৰি আহি ভুমুকি মাৰিছে ।
লোকালোক সাগৰত উটিবুৰি ফুৰা
জীৱনৰ পবিত্ৰ ভাবটি,
আধা আলো আধা ছাঁত, ফুলোঁ ফুলোঁ কৰি,
প্ৰকৃতিক ধৰিছে সাৱটি ।
জিলিঙনি এটি আহি, পদুম বনত
স্বৰগৰ ৰহণ ঢালিছে ;
অকলশৰীয়া ছুটি পদুম কলিয়ে
চুমা খাই হালিছে জালিছে ।
স্বৰ্গৰ জেউতি দেখি, ৰাজহাঁহ জুৰি
প্ৰেমৰ আলচ ভুলি গৈ ;
চিত্ৰৰ পুতলিপ্ৰায় আছে থৰ লাগি
ইটিয়ে সিটিক চাই ৰৈ ।
আকো ঘুমটি ত্যজি নিজম চেতনা
লাহে লাহে সজাগ হইছে ;
পাহৰা সুৰটি ঘূৰি বজাবৰ গুণে
বীণখনি হাতত লইছে ।
বৰষাঁ অনন্ত কাল জ্ঞানৰ পোহৰ,
জ্যোতিৰ্ম্ময়ী জোনাকী সবিতা,

বজোৱাঁ অনন্তকাল পঞ্চমত তুলি,
বীণাপাণি, কোমল কবিতা।

---

## গুহাত।

অহ, কিনো বিতোপন শোভা মনোহৰ ;
নিজান তলিত ইঁহে প্ৰকৃতিৰ ঘৰ।
চাৰিফালে পৰ্ব্বতৰ সৌন্দৰ্য্য নিজৰা ;
বাগৰি অজস্ৰ ধাৰে মিলিছে এডৰা !
শীতল পাটিত যেন প্ৰকৃতি সুন্দৰী.
লভিছে বিশ্ৰাম আহা সৌন্দৰ্য্যে আবৰি।
সংসাৰৰ দুষ্ট বায়ু নপশে ইঠাই,
শান্তিৰ শীতল ছায়া মিলিছে সদায়।
অধৰ্ম্মৰ পৰাক্ৰম, চিন্তাৰ বিকাৰ,
জয়ী-পৰাজয়ী আৰু জীৱন-যুঁজৰ,
ইসৱ অশান্তি ছাঁয়া নপৰে সমূলি,
সৌন্দৰ্য্যে সইতে শোভে প্ৰকৃতিয়ে মিলি।
বাঞ্চোঁ। এই ছাঁয়াতেই জুৰাও জীৱন,
লভোঁ। ইহ জনমৰ সুখৰ মৰণ !
বাহিৰত মউমাত ভিতৰত হুল,
সংসাৰী বান্ধৱ লই নহওঁ ব্যাকুল।
বনৰ হৰিণা স'তে ফুৰি ডিঙ্গি ধৰি,
লভিম পৱিত্ৰ সুখ আপোন পাহৰি।
সংসাৰৰ গীত-বাদ্য, কপটতা সুৰ,
নাবাজে কাণত আৰু সুললিত মোৰ ;—

বনৰ বিহগ-গান, শুদ্ধ তাল-মান,
শুনি তুষ্ট হব মোৰ মুকলি পৰাণ ।
সুশীতল তৰুতল আৰু কুঞ্জবন,
বিধাতা কল্পিত বহা বৈৰাগী কাৰণ,
শোভিছে আপোন মনে, লাগিছে প্ৰাণত,
নকৰোঁ পলম আৰু সংসাৰ হাটত !
বননিৰ বনফুল তুলি আনি কত,
ভকতি আঁজলি ধৰি ঢালি চৰণত,
নিজান গুহাত হাঁয় হই একচিত,
আৰাধিম ইষ্টদেৱ, সাধিম উচিত ।
ইহেন নিৰ্ম্মল সুখ মিলে যদি হায়,
সৌন্দৰ্য্য-প্ৰাণত মোৰ প্ৰাণক মিলাই ;
নালাগে সংসাৰ সুখ অশান্তিৰ মাজে,
[illegible] ঘূৰাব মন মনুষ্য সমাজে ।
ধন্য ঋষি, যোগীন্দ্ৰ, জীৱন তোমাৰ ;
মানৱ জনমে তুমি প্ৰকৃত কুমাৰ ;
কৰ্ত্তব্যৰ গূঢ় অংশ কৰি সাৰোগত,
সাধিছোঁ স্বৰগ-সিদ্ধি থাকি মৰতত ।
কি যে ভাব !—লভোঁ যেন ইহেন জীৱন,
শান্তিৰ চৰণ সেবি জুৰাওঁ পৰাণ ;
ইহেন মন্দিৰ মাজে হই একচিত,
দেৱতা-সুখৰ ভাগ সাধোঁ পৃথিবীত !

## সুখ-গীত ।

১

জিলিকা পাখিৰে হাঁহে
ৰবিৰ কিৰণ ;
জিলিকি পখিলা নাচি
ফুৰে অগণন ।
যতনৰো জিলিকনি
চোৱাঁ হেৰা চোৱাঁ,
সোণালী ৰেণুৰ মউ-
মাখি ভাৰবোৱা ।

২

জীৱনৰো আলিকাষে
ফুৰিছে উফৰি ;
জিলিকি স্বপ্নৰ সুখ—
মৰম লাহৰী ।
স্বপ্ন গুচি এয়ে সঁচা
চকুৰ আগত ;
যদি চাব জানা এই
সুন্দৰ জগত ।

৩

চোৱাঁ যেন চোৱাঁ হেৰা
জিলিকনি মৰা,
সংসাৰৰ সুখবোৰ
উৰি উৰি ফুৰা ।

নথে-মাটি লেখা-জোখে
তলমুৰ হই,
নুফুৰিবা পৃথিবীত
পথিলা নেচাই।

---

## কৰ্ত্তব্য।

পুৱাতে সৌন্দৰ্য্য খেলা পূবালি মেঘত,
সুৰ্য্যৰ সজাগ বিশ্ব প্ৰকৃতি বুকত।
হালি-জালি গছ-লতা জপ-মন্ত্ৰ স্বৰে,
কুলু কুলু তটিনীয়ে ঈশগান ধৰে।
পখীয়ে ডালত পৰি ধৰেহি সঙ্গীত,
ঈশ-গুণ-গানময় অতি সুললিত।
পতিত পাৱন পূত ধীৰে ধীৰে বই,
যতেক পাপৰ ধূলি দই দূৰলই,
বিশুদ্ধ অসীম বিশ্ব কৰেহি আপুনি,
পৰম সুখত সুখী দয়াসিন্ধুমণি!
সোণালি ৰথত চৰি সুকজ কোৱঁৰে,
"কৰ্ত্তব্য" ঈশ্বৰ-আজ্ঞা জগতে প্ৰচাৰে।
লাহে লাহে দিনমণি দীন-দয়াকাৰী;
আজ্ঞাধীন দেৱ-দূত, নিজ ব্ৰত স্মৰি,
ধৰ্ম্মৰ জেউতি মেলি,—সোণোৱালি ৰেথ,—
নিয়তিৰ গতি ধৰি ভ্ৰমে বহু দেশ।

সঙ্গ-বৰ সুখী-দুখী নকৰে বিচাৰ,
সৰ্ব্বত্ৰ সমান ভাৱে কৰে সুবিচাৰ ;—
হিমালয় হিমচূড়া যিৰূপে শোভিত,
গভীৰ গহ্বৰ হাঁহে একেটি হাঁহিত,
ৰজাৰ দেউল আৰু দৰিদ্ৰ কুটিৰ
উভয়ে সমান ভাগী সুবৰ্ণ জ্যোতিৰ
ইদৰে ঘোষণা কৰে ঘূৰি অবিচ্ছেদ,—
'ঈশ্বৰ-মন্দিৰ মাজে নাই ভেদাভেদ' ।
স্বাৰ্থহীন গছ-লতা আপুনি তাপিত,
ছাঁয়া দি জুৰায় কত তাপিতৰ চিত ।
অবিৰাম গতি কৰি দয়াৱতী নই,
সন্তাপীৰ শোক-তাপ মচিছে নৰই ;
কত যে গায়িকা পখী নিজ মান ভুলি,
ধৰিছে মধুৰ গীত পঞ্চমত তুলি ;
অবুজ ভাষাৰ তান অফুট কথন,
ভাবুকৰ কাণে শুনে অমিয়া বচন ।
পৱন অমিততেজা উগ্ৰ দণ্ডধাৰী,
মুহূৰ্ত্তে ডুবায় বিশ্ব প্ৰলয়-সংহাৰী ;—
কিন্তু কি যে ঈশ্বৰৰ অভেদ্য কৌশল,
ভৃত্যভাবে চিৰকাল সেৱে জীৱদল ।
সন্ধিয়াৰ লগে লগে ডুবে শ্ৰান্ত ৰবি,
—কৰ্ত্তব্য সাধন সুখ মনমোহা ছবি !
লগতেই গছ-লতা নিজম পৰিল ;
নীৰৱে ডালৰ পখী বিশ্ৰাম লভিল ;

পথিকে জিৰণি ললে পই গছতল ;
পৱন তটিনী হুয়ো শুশ্রূষাতে ৰল ।

---

## -সঙ্গীত ।

শোকৰ কবিতা ৰচি, দুখাৰি চকুলো মচি
নকৰঁা জীৱন মিছা নিশাৰ সপোন ।
অসাৰ সংসাৰ ভাই, ইয়াত সকাম নাই,
মোহময় মায়াময় সকলো মাথোন ॥
পুত্র-কন্যা পৰিবাৰ, কোন তৰ তুমি কাৰ
বুলি হেৰা অকাৰ্য্যত নকৰঁা বেজাৰ ।
কলাঘূমটীয়া হই, আতমা যে আছে ৰই,
জানিবা মৰণ নাই এই আতমাৰ ॥
অস্থায়ী মানৱ দেহা, কৰিম দুদিন বেহা,
কৰিম দুদিন মাথোঁ সংসাৰ হাটত ।
দুদিনৰ অন্ত হলে, আয়ুষ টুকাই গলে,
সুন্দৰ দেহাৰ ঠাই শেষ শ্মশানত ॥
চকু, কাণ, নাক যাব, হাড় ছাল সাং হব,
মাটিৰ মানুহ তুমি মাটিত মিলিবাঁ ।
অবিনাশী নিত্যধন, অমৰণ অভগন,
অনন্ত উন্নতিশীল আতমা জানিবা ॥
সদায় চকু-লো-টোকা, দুখত মগন থকা
ভোগ সুখ জীৱনৰ উদ্দেশ্য নহয় ।
এনে ভাৱে কাম কৰা, দিনে যেন আগ বাঢ়া,

পল পল দণ্ড কৰি, সময় গইছে উৰি,
পাথলগা কাঁৰৰ নিচিনা অবিৰাম ।
বহুদূৰ আছে গতি, সময় তাকৰ অতি,
কৰিব লগীয়া আমি আছে বহু কাম ॥
দিন যায়, আহে ৰাতি, আয়ুষ্ গইছে টুটি,
লাহে লাহে চমূ চাপি আহিছে মৰণ ।
সংসাৰ- যুঁজৰ ঠাই, শুবৰ সকাম নাই,
কাছি পাৰি যুঁজা সবে কৰি প্ৰাণপণ ॥
এলাহ-নিঙালি থোৱা, বীৰ বেশ গাত লোঁৱা
নহবাঁ মৰাৰ প্ৰায় মানুহ সন্তান ।
নহবাঁ গৰুৰ দৰে, —খুচিলেহে খোজ ধৰে !—
ৰণত বীৰেন্দ্ৰ বুলি হোৱা খ্যাতিমান ॥
কল্পনা-চকুৰে চোৱা, যেনেকি সুন্দৰ পোৱাঁ,
নকৰিবা দূৰ ভবিষ্যৎ পতিয়ন ।
অতীত মৰিল গল, তাৰ কথা অন্ত হল,
মনৰপৰাই তাক কৰা বিসৰ্জ্জন ॥
যিহকে আগত পোৱাঁ, ততালিকে কৰি যোৱাঁ,
জীৱন্ত জাগ্ৰত বৰ্ত্তমান সময়ত ।
সাহক সাৰথি কৰা, কৰ্ত্তব্যৰ পাচে লৰাঁ,
ঈশ্বৰ করুণাময় আছে ওপৰত ॥
মহা-মহা পুৰুষৰ, চানেকীৰে জীৱনৰ,
আমিও কৰিব পাৰোঁ জীৱন গঢ়িত ।
অভিনয় শেষ হলে, জীৱনৰ অন্তকালে,
থই যাব পাৰোঁ খোজ সময় বালিত ॥

কেতিয়াবা হব পাৰে, কোনো দুৰ্ভগীয়া নৰে,
জীৱন-সমুদ্ৰ মাজে নাও বুৰ গই।
অঠাই পানীত পৰি, ফক্‌বক্‌ কৰি কৰি,
ঢউৰ কোবত যদি আহি পাৰ পায়॥
দেখি সেই খোজবোৰ হব তাৰ আশা ঘোৰ,
সাহ কৰি খোজে খোজে খোজ লব পাৰে।
তেনেহলে বলা ভাই, শুবৰ সকাম নাই,
অপূৰ্ব্ব জেউতি চোৰা 'উন্নতি'ৰ শিৰে॥
শিকা সবে পৰিশ্ৰম, শিকাহে নীতি-ধৰম,
নেভাবিবা সুখ-দুখ কিনো কপালত।
কৰ্ত্তব্যৰ পাচে লৰা, ক্ৰমাগত কাম কৰা,
ফলাফল ফলদাতা বিভুৰ হাতত॥

## ধুমুহা।

মুকলি হিয়াৰ, মুকলি দুৱাৰ,
কত ভাব আহে যায়,
কল্পনা-বিহাৰী, কল্পনা-নগৰী,
নিফুট বাঁহীটি বায়।
অতীত-ভবিষ্য, চকুৰ অদৃশ্য,
দুখনি সুন্দৰ থান;
স্মৃতিৰ পথত, কল্পনা ৰথত,
জোৰেহি মিলন তান।

সোঁৱৰণী পট, আনন্দ জগত,
মধুৰ মিলন কথা ;
ভৱিষ্য মূৰতি. আশাৰ ছবিটি;
মৰমে মৰমে গঁথা।
পাহৰা সুঁৱৰি, বিমানত চৰি,
উটি-বুৰি ফুৰে মন ;
আকাশী স্বপ্নৰ, সাজি সুখ-ঘৰ,
আকুল উদাস প্ৰাণ।
নিৰ্ম্মল আকাশ, কত হাবিয়াষ,
পিন্ধিব মুকুতা মণি ;
স্বৰ্গ-অপেস্বৰা, আপোন-পাহৰা
তুলিছে আনন্দ ধ্বনি।
সুখ-গীত শুনি, ভাবে ভাব টানি,
ওপঙ্গি ফুৰিব দেখি ;
ঘাই ভাবঘুৰি, ম'ৰাচালি ধৰি,
উৰিল বিচাৰি সখী।
অকলশৰীয়া, প্ৰাণ মতলীয়া,
থাকোঁতে সমস্যা চাই।
সংসাৰ-ধুমুহা, নাই উৰাদিহা,
আহিল ধূলি উৰাই।
মুকলি হিয়াৰ, জপালে দুৱাৰ,
ক'ৰ ভাব গ'ল কেনি!
ঢাকনী চকুত, বসুধা বুকুত,
—এয়ে সুখ, সামৰণি।

# নৱবৰ্ষ ।

১

নৱ বৰষৰ নবীন সঙ্গীত
কাণত হইছে ধ্বনি,
দূৰ ভৱিষ্যৰ আশাৰ বেণুটি
শুনা যায় ৰিণি ৰিণি ।

২

অসীম অনন্ত কালৰ সাগৰ
জনম নজনা ঠাই ;
মৰণ ক'তনো সিয়ো অগোচৰ,
আগ গুৰি একো নাই ।

৩

অনন্ত সাগৰ গৰজিছে সদা,
ঢউৰ উপৰি ঢউ ;
তাৰে এটি ঢউ মাৰ গল আজি
কাজত একোকে নউ ।

৪

আশাৰ মোহন মূৰতি আগত
হিয়াত কৰি থাপন ;
নৱ বৰষক নবীন উছাহে
আনো কৰি আবাহন ।

৫

পুৰঁতী নিশাৰ কুলিয়ে পুৰাতে
মঙ্গল উৰুলি গাই,
নৱ বৰষৰ দিলেহি জাননী
মলয়া চোঁৱৰ লই ।

৬

হেঙ্গুলি বোলৰ নতুন কিৰণে
গগন উজ্জ্বল কৰে ;
বন-দেবী সনে ফল-ফুল আনি
তোমাৰ যোগান ধৰে ।

৭

ঘৰ-বাৰী মচি গৰু-গাই ধুই,
নতুন কাপোৰ লই ;
নতুন সাজেৰে উৎসৱৰ মাজে,
আদৰি আনিছে গই ।

৮

স্বৰগ, মৰত, প্ৰকৃতি, মানুহ,
সকলো আনন্দময় :
মেঘে মেঘে মিলি সাবটাসাবটি,
জগত কবিতাময় ।

৯

চাওঁতে চাওঁতে পল পল কৰি,
দ্বাদশে মেলানি ললে ;
সৰিৎ, সাগৰ, আকাশ, পৃথিবী,
বিদায় সঙ্গীত গালে ।

চাওঁতে চাওঁতে এখোজ বঢ়ালোঁ।
মৰণ দেশৰ পোনে ;
জীৱন-বুৰঞ্জী মেলি এবে চোৱাঁ
হাৰিল জিকিল কোনে।

১১

নতুন তেজেৰে নতুন বলেৰে,
নতুন টঙ্গালি লই ;
প্ৰতি মুহূৰ্ত্ততে আগ বাঢ়োঁ। বলাঁ,
'অতীত' নিদিওঁ ঠাই।

১২

ওপৰে ঈশ্বৰ দাময় পিতা,
তলত মানুহ ভাই ;
সাহে বুকু বান্ধি বলাচোঁ সকলো,
জগত জিনিম গই।

১৩

কুল্ কুল্ কুল্ বইছে তটিনী
সদায় সিন্ধুৰ ফালে,
আমি কি মানৱ নিজ লক্ষ্য লই,
নেযাম কোনোবা কালে ?

১৪

নীল আকাশত হাতীপটি মাজে
তৰাই পাতিছে খুল ;
সেই বুলি কোনো তৰাই নকৰে
আপোন লক্ষ্যৰ ভুল।

১৫

নতুন বছৰে দিছে সোঁৱৰাই
আমাক আপোন কাজে,
নতুন উৎসাহে চওঁ বলাঁ সৱে
বিজয়ী জগত মাজে ।

১৬

সৌভাগ্য-বেলিৰ হিৰণ-কিৰণ
পূবত ফুটিছে সৌৱা,
হাতত পতাকা লই বলাঁ সৱে,
উলাহ সঙ্গীত গোৱাঁ ।

---

## নীৰলে ।

ৰবাঁ, ক্ষন্তেক নীৰলে । প্ৰকৃতি বুকত
শুনা, নিফুট সুৰেৰে,
সুৰতে মিলায় সুৰ নিমাতী বীণাৰ
কোনে জানো সুৰ ধৰে !
চউপাশে জড়প্ৰায় পৰ্ব্বতৰ শাৰী
কি জানো মনতে গুণি,
লাগিছে তবধ ; অহ, একলীয়া হই
কিনো দৰে আছে শুনি !
ডালত পখীটি পাৰি ডিঙ্গি ভাঙ্গি ভাঙ্গি
কি জানো কি শুনে হায় ;

ভাবত বিভোল, যেন ভাবে কি বাণীৰে
 ধৰি চকু পিৰিকায় !
গভীৰ নিজম গুহা গহীন সাজেৰে,
 বুকুত সাবটি হাত,
একেঠৰে আছে শুনি, নিজাম নিটাল,
 সাৰস্নুৰ নাই গাত !
একেটি তানতে মিলি আৰু এটি সুৰ
 উঠে বিশ্বযন্ত্ৰ এৰি ;
ইবাৰ গানৰ সুৰ বুজোঁ বুজোঁ যেন
 স্বৰ্গীয় বুজনি ধৰি ।—
মাতে যেন আগ লই । কি জানো ক'লই
 আতমা উৰিব খোজে ;
মুখত নুফুতে কথা, নীৰৱে শুনিয়ে
 হায়, কি জানো কি বুজে !
'নটাল সাগৰপ্ৰায় আৰাধনা গান
 গভীৰ তানেৰে ধৰে ;
আকাশ পাতাল জুৰি হিয়াভেদী ভাৱে
 শুনা, প্ৰতিধ্বনি কৰে ।
জগতৰ প্ৰাণ লই একেটি মুঠিতে
 আহা, বিশ্ব ৰচোঁতাই
ঐক্যতানে দিয়ে তান;---------উৎসাহৰ সোঁত
 চোৰা, বলিছে ঢৌৱাই !

---

## আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্ৰা ।

অকস্মাৎ কিয় আজি সুৰলোকে
আনন্দৰ ধ্বনি উঠিছে ঘনে ।
গাইছে গন্ধৰ্ব্বী, নাচিছে ত্ৰিদিব,
লৰে দেৱদূত আনন্দমনে ॥
কিয় জ্যোতিৰ্ম্ময় স্বৰ্গৰ দুৱাৰ
অকস্মাৎ আজি মুকলি হল ।
লগে দেৱ-বালা সৰস্বতী আই
বিমান পথত অপেক্ষি ৰল ॥
ইকি! ইকি! চোৱাঁ, অসম-গৌৰৱ,
ভাৰতৰ ধন আনন্দৰাম ।
সুবৰ্ণ ৰথত আলোকি বিমান
কৰিছে প্ৰয়াণ শান্তিৰ ধাম ।
চোৱাঁ চোৱাঁ ললে সৰস্বতী আই
উলাহ মনেৰে কোলাত তুলি ।
পানী কৰি তেজ খাটি মোৰ গুণে
কত ভাগৰেৰে আহিছা বুলি ॥
পিয়ালে অমৃত, পাৰিজাত মালা
দিলে তুলি শিৰে দেৱ-সমাজ ।
বাজিল দুন্দুভি, 'পাণিনি' 'অমৰ'
পিন্ধালে আপুনি দেৱৰ সাজ ॥
পদ্ম-আসনত বহুৱালে চোৱাঁ,
সৰস্বতী আই আকোৱালি ধৰি ।

সৌৰভৰ দৰে শুৱালে আনন্দ,
হাঁহিলে ত্ৰিদশ দেৱনগৰী ॥
আনন্দ, তুমিতো দেৱ সমাজত
চিৰশান্তি পালাঁ আনন্দলোকে।
কিন্তু তললই চোৱাঁ এটিবাৰ
কি হল পৃথিবী তোমাৰ শোকে ॥
হাহাকাৰ ধ্বনি উঠিল জগতে
"ভাৰতত আৰু আনন্দ নাই"।
ধ্বনিছে পৱন বিনাই চৰায়ে
"ভাৰতত আৰু আনন্দ নাই" ॥
কোনে আৰু হাঁয়, জগতবাসীক
বিলাব সংস্কৃত কবিৰ ভাব।
কাব্য-বুৰঞ্জীৰ সাগৰক মথি
নিতেন অমৃত কৰিবপ্ৰস্ৰাৱ ॥
চোৱাঁ কথা কব নজনা তোমাৰ
জননী অসম পৰিল জঁয়।
দুখুনীৰ ভাগ্যে এটি মাত্ৰ ৰত্ন
তাকো হেৰুৱালে, প্ৰাণে কি সয়!
ইমান অমূল্য আদৰৰ ধন
ভক্তিৰ আধাৰ আছিল বুলি।
আজিহে দেখিলে অসমবাসীয়ে
হৃদয়-দুৱাৰ কৰি মুকলি ॥
সকলোৱে যেন হৃদয়ৰ ধন
নিলে কোনোবাই বলেৰে কাঢ়ি।

মোহোৱাতে পুৰ আনন্দৰ জোন
বেজাৰ-ৰাহুৱে পেলালে গ্ৰাসি ॥
কেন্দ্ৰৰূপে থাকি শিশু অসমৰ
দেখাই দৃষ্টান্ত সাধু শিক্ষাৰ ।
হলাঁ অকস্মাৎ মাজ সাগৰত
ধ্ৰুৱতৰা দৰে মেঘৰ আৰ ॥
শক্তিশেলপ্ৰায় বিৰহে তোমাৰ
ভেদিলে মৰম অ-মীয়াৰ ।
যত দিন শিৰে বৰ তেজ-সোঁত
বৰ লগে লগে ব্যথা ইয়াৰ ॥
পৰিবৰ্ত্তকাৰী কাল সোঁতে নিতে
নতুন স্মৃতিকো নিব চোঁৱাই ।
চিৰকীৰ্ত্তি সাধু দৃষ্টান্ত তোমাৰ
—শোক অসমৰ বৰ উধায় ॥

---

## কবি-প্ৰাণ ।

কবিৰ অন্তৰখনি আলসুৱা অতি
তুমি তাত নিদিবা যাতন,
কবিৰ প্ৰাণৰ কথা বুজিবা কি তুমি,
তোমাৰ যে উপকৰা মন ?
চিকমিক তলি দেখা নিজবাৰ দৰে
নিতে জানা কবিৰ হৃদয়,

আবেগৰ কণা তাত উৰি উৰি ফুৰে
নাই শোক অশান্তিৰ ভয়।

হে তাৰ্কিক জ্ঞানগৰ্ব্বী, নেচাপিবা কাষ
তোমাৰ সি তৰ্কজাল লই
কবিৰ অন্তৰখনি পুণ্য তপোবন,
যুক্তিহীন ভকতি-আলয়।
প্ৰাণহীন কাঠ হাঁহি, বিদ্ৰূপৰ ঢউ
—প্ৰতিধ্বনি সংকীৰ্ণ প্ৰাণৰ,
থক দূৰ-দূৰণিতে নিদিবা বিঘিনি
প্ৰেমভৰা কৰিব অন্তৰ।

কবিৰ হৃদয় বেৰি ফুলিছে এখনি
বিতোপন সুগন্ধ ফুলনি,
তাৰ প্ৰতি গছে ফুলে দিমগই ঢালি
সাতোখন তীৰথৰ পানী।
তুমি যদি চাপা কাষ, কুসুম কানন
চোৱা মাত্ৰে জঁয় পৰি যায়,
তোমাৰ চকুত আছে মৰণৰ বাণ,
উশাহত বিঘিনি অপায়!

তুমি য'ত আছা সি যে যোজনৰ পথ
তাৰপৰা শুনি পোৱা টান,
কবিৰ প্ৰাণত থকা নিকুঞ্জ বনৰ
শতমথী বিহঙ্গৰ গান।

তুমি যদি চাপা কাষ, তোমাৰ ভয়ত
বিহঙ্গই এৰিব কূজন,
তোমাৰ চৰণধ্বনি মৃত্যুৰ প্ৰহৰী
শুনা মাত্ৰে জীৱন্তে মৰণ।

কাষৰৰ শিলাময় গিৰি-হিয়া ভেদি
চোৰাঁ সউ নিজৰা ওলায়,
কৰিব প্ৰাণেদি বয় কুল্ কুল্ সুৰে
অন্তহীন প্ৰেমগীতি গাই
যদিও নিজৰা তান বিশ্ব বিয়পিছে,
তুমি তাক শুনিবা কিমতে ?—
তোমাৰ কাণত বাজে ভীষণ ৰাগিণী
শ্মশানৰ হুমুনীয়া স'তে !

তুমি থাকা নিলগতে, তোমাৰ কাৰণে
নাই ঠাই কবি-কাননত
—তুমি পাপী, আবেগৰ সোণালী কিৰণ
নিজিলিকে তোমাৰ প্ৰাণত
তুমি যদি চাপা কাষ, কৰিব হৃদয়
পুষ্পহীন মৰুভূমি হ'ব,
ভৰপূৰ আবেগৰ প্ৰেমৰ সলনি
বৈৰাগ্যৰ মহাসিন্ধু ব'ব !

এতিয়া কবিৰ প্ৰাণ স্বৰ্গ-প্ৰভাময়,
সংসাৰৰ মলিনতা নাই,

তোমাৰ পৰশ পালে লুকাব জেউতি,
হিয়া হ'ব যাতনাৰ ঠাই,
অন্তিমৰ আভাসত কান্দিব আতমা,--
ছাৰখাৰ দেহা-প্ৰাণ-মন,
প্ৰলয়ৰ পয়োধিত বুৰিব সিদিন
দুপৰতে তৰুণ তপন !

---

## অনুতাপ।

কি কাম কৰিলোঁ মই দেখিছোঁ কণ্টকময়
এই যে পৃথিবী,—হাঁয় সমুলক্ষে মৰিলোঁ।
সাধু সঙ্গ পৰিহৰি, পাপীৰ লগত পৰি,
পাপৰ বান্ধেৰে মই দুটি পাৱ বান্ধিলোঁ॥
লভি জ্ঞান-জ্যোতিকণা, বিবেচিলোঁ শুদ্ধমনা,
হৰিত থাপিম ভক্তি ;—কিন্তু পাপ কৰিলোঁ।
মায়াদেবী মিঠামাতে, মৰীচিকাময় হাতে,
আবৰিলে চকু যেবে পৃথিবীত জন্মিলোঁ॥
হলোঁহি মদত মত্ত পৰি পাচে যৌৱনত,
সাধু-সঙ্গ পৰিহৰি, দুষ্ট সঙ্গে মিলিলোঁ।
মদান্ধ হৰিণ যেনে, আগ-পাচ মনে মনে,
নুগুণি সাধুৰ কথা বহুদূৰে ত্যাজিলোঁ॥
দেখিলোঁ কণ্টক আগে, যেন জন্মেজয় যাগে,
আকৰ্ষণী মন্ত্ৰে নাগ মৃত্যুকুণ্ডে পৰিলোঁ।

গম্ভীৰ দীঘিকাবাৰি, চিন্তি মনে মনহাৰী,
নাভাবি কি পৰিণাম, মহোল্লাসে জাপিলোঁ ॥
কিন্তু কি কৰিম হায়, নৰকৰ কুণ্ডপ্ৰায়,
—উঠিবৰ চেষ্টা মিছা, হায় মই বুজিলোঁ !
এবে মই নাৰায়ণ, যেন পক্ষী পক্ষহীন,
কৰা ৰক্ষা এইবাৰ, মিছা প্ৰাণ ধৰিলোঁ । ।
অন্ধকূপে আছোঁ মই, তুমি বিনে ৰক্ষা নাই,
পতিত-পাৱন, ৰাখাঁ, সমূলঞ্চে ডুবিলোঁ ॥

---

## সাংসাৰিক লীলা ।

জানাতো সৃষ্টিৰ লীলা বিধিৰ হাতত ;—
প্ৰকৃতি-পুৰুষ যিবা মানৱ-মানৱী ।
সৃষ্টিৰ পাতনি ৰূপে মায়াৰ বিকাশ,
জগতৰ সৃষ্টি পাছে ; আৰু জীৱগণ ।
স্বৰগ, মৰত আৰু পাতাল নামত,
ত্ৰিজগত নিৰমাণ ; ব্ৰহ্মাণ্ডৰ ভাগ ।
স্বৰগত দেৱগণ উচ্চতম প্ৰাণ,
উচ্চতম ভোগ অধিকাৰী । সেই মতে
আবিৰ্ভাব, দেৱলোকে প্ৰকৃতি পুৰুষ ;
মৰত্তত একাকাৰ মানৱ সমাজ ।
বহুকাল ভুঞ্জি পাচে প্ৰকৃতি বিলাস,
বাঢ়িল সংসাৰমায়া দেৱ-সমাজত ।

একাকাৰ মানবৰ ধাবেবোৱা সুখ,
দেখি হিংসা উপজিল দেৱতা-প্ৰাণত।
দেৱতা-সেৱক নৰ। তাৰ সুখ-শান্তি
অমৰ বাঞ্ছিত! দেখি হিংসা-দ্বেষ যত,
লাজ-অপমানে দহিলে দেৱতা-প্ৰাণ;
আৰোপিলে বিধাতাত পক্ষপাত দোষ।
চলিলে ত্বৰিতে পাচে দেৱকুলমণি,
নিবেদিলে মনোদুখ বিধাতা পাৰত।
দেৱতা স্তুতিত হল সুপ্ৰসন্ন বিধি,
প্ৰতিশ্ৰুত সৃষ্টিকৰ্ত্তা দেৱৰাজ পাশে,—
ঘটাব সৃষ্টিত পুনু যুগুত সংস্কাৰ।
প্ৰণমি প্ৰভুৰ পদ, হৰিষ অন্তৰে
উলটিল দেৱৰাজ, পূৰ্ণ-মনোৰথ।
নামিল বিধাতা পাচে, হেমকুট-গিৰি;
ললেহি আসন, জুৰি সৃষ্টি-গুণ-গান।
প্ৰকাশিলে দিব্য জ্যোতি নৰলোক মাজে।
উন্মত্ত মানৱকুল, উত্ৰাৱল চিতে
ছিটিকি চলিল হায়, ঈশ-জ্যোতি কাষে,
উন্মত্ত ফৰিং যেন প্ৰদীপৰ ফালে!
চাপিল যেতিয়া কাষ নৰ-সৃষ্টি বেৰি,
সম্বোধি বুলিলে প্ৰভু সকৰুণ বাণীঃ—
"জানা পুত্ৰ নৰগণ! সৃষ্টিৰ মহিমা,
উদ্দেশ্য ইয়াৰ এক নিগূঢ় কাৰণ।
বহুৰূপে তুষ্ট মই বহু নামধাৰী,

বহুৰূপী সৃষ্টি মোৰ ব্ৰহ্মাণ্ড বিয়াপি।
মানৱৰ একাকাৰ, নালাগে মনত,
দেৱতাৰ অনুৰূপ বাঞ্ছো নৰলোকে।
প্ৰত্যেক মানৱ দ্বিধা হোৱাঁ আজ্ঞা মোৰ;
এক হন্তে দুই যেবে— প্ৰকৃতি পুৰুষ।"
আজ্ঞা মাত্ৰে হল দুই প্ৰত্যেক মানৱ,
প্ৰকৃতি-পুৰুষ সৃষ্টি, মানৱ-মানবী।
সেই হন্তে অৰ্দ্ধাঙ্গিনী প্ৰথম স্ৰজন।
ইৰূপে স্ৰজিলে যেবে মানৱ সংসাৰ,
আবৰিলে দুটি চকু মায়াৰ ঢাকনে।
অপূৰ্বব লীলা এক, সংসাৰ মহিমা,
থিতাপিলে প্ৰতি প্ৰাণে অভেদ্য কৌশলে।
অনন্ত মায়াৰ মাজে লীলাবান নৰ
লীলাবতী নাৰী সতে কৰি সানমিহলি,
সমুদায় অৰ্দ্ধ-অৰ্দ্ধাঙ্গিনী, নৰ-নাৰী,
সিঁচিলে চৌপাশে বিধি, আদেশি পুনৰঃ—
"যোৱা বুৰি অৰ্দ্ধঅঙ্গ, নিজ অৰ্দ্ধাঙ্গিনী
বিচাৰি মিলিবা সবে। মিলনৰ ফলে
পাবাঁ এক অতৃপ্ত সম্ভোগ। অন্ত তাৰ
নাপাবাঁ জীৱনে। পোহৰ জেউতি যেনে
বঢ়ায় আন্ধাৰে; ৰূপহীৰ চৰে ৰূপ
কৃষ্ণ কেশপাশে; সেই ৰূপে দুখ তাপ,
ৰোগ-শোক, ভয়-ভ্ৰম, বিৰহ সন্তাপে
চৰাব নিতকে সেই সুখৰ জেউতি।

ভাগ্যে যাৰ মিলে ঠিক নিজ অৰ্দ্ধাঙ্গনা,
সুখ-শান্তি ৰক্ষা তাৰ পূৰ্ণ-মিলনত ;
নতুবা অমিল ভাৱে অসুখী সংসাৰ ।
পালিবাঁ আজিৰ হন্তে সংসাৰ ধৰম,
চলিব ই সৃষ্টি-ৰীতি যুগ-যুগান্তৰ ।”
অন্তৰ্দ্ধান মহাপ্ৰভু! চলিল বৈকুণ্ঠে ।
মায়াৰ ঢাকনী তলে বিভোল মানৱে
আৰম্ভিলে মহামেলা, সাংসাৰিক লীলা ।

---

## উলাহ ।

যুতীয়ে সুধিলে যতন কৰি
কচোন মালতী বাই,
আহিল মধুৰ মাধবী মাহ,
কেতিয়া ফুলিবি তই ?
চাৰিব্ ৰিব্ মলয়া বলিছে,
কুলিয়ে মাতিছে ঘনে ;
বিৰিখে ধৰিছে নতুন পাত,
তই আছ মনে মনে ।
মনৰ হৰিষে নিকুঞ্জ লতা
পিন্ধিছে নতুন সাজ ;
তই হে কেৱল এনেই আছ
নাকত লাগিছে লাজ ।

আমন্দে গোলাপ ফুলিছে আজি
উলাহত ঠাই নাই
তই নো কেতিয়া বিকসিত হবি
কচোন মালতী বাই !
মল্লিকা, তগৰ, দোপাতী আদি
হ'ল সৱে প্ৰফুল্লিত ;
বসন্তৰ বা চৰায়ে পাই
ধৰিছে মধুৰ গীত ।
ফুলিছে বকুল, নাহৰ, বকৃ,
গধুলিগোপালচয়,
আৰু যত ফুল ফুলিছে সৱে,
নুফুল নো কিয় তই ?

---

## মিলন-মহত্ত্ব ।

স্বৰ্গ মৰ্ত্ত্য মিলনৰ
সাক্ষ্য দিয়ে আকাশে সাগৰে ;
পাতালকো কৰে একে
চামে চামে মিলন-আকৰে ।

*

সুমেৰু কুমেৰু মিলে,
—মেৰুদণ্ড সুৰপতি জোঁটা ;

বিষুব-বাম্মনী মেৰ,
ভূমণ্ডল আঁকোৱালি অটা।

*

উদয় অচল স’তে
অস্তাচল ধ্রুব সম্মিলন:
পীতাম্বৰ পূজাৰিয়ে
পুৱা সন্ধ্যা কৰে আৱাহন।

*

পদ্ম-ৰাগ সূৰুযত
—দিনমান মিলন-পোহৰ,
চন্দ্রপ্রভা কুমুদত
মিলনৰ হিয়া-সৰোবৰ।

*

প্রতিভাত প্রকৃতিত
পুৰুষৰ মিলন-মহিমা;
সৃষ্টিৰ স্বীকার্য্য ৰেখা
বিয়াপিছে, নাই তাৰ সীমা।

*

সখি মিলনৰ ফল,
কৃষ্ণার্জ্জুন,—গীতা উৎপত্তি;
মানৱাত্মা মুক্তি হেতু
জগতত শ্রেষ্ঠ ধৰ্ম্মভেটি।

*

স্বষ্টি স্থিতি প্ৰলয়ৰ
সম্বন্ধ নিৰ্ব্বন্ধ গূঢ়তত্ব;
একৰ কাৰণে তিনি,
—বিশ্বপ্ৰাণ, মিলন-মহত্ত্ব ।

অন্ত ৷

# শুদ্ধৱণী ।

এই তাঙ্কৰণ স্বদেশত নিভ াজকৈ ছপোৱাত যত্নৰ কোনো ক্ৰুটি হোৱা নাছিল, কিন্তু নানান বেমেজালিত মাজে মাজে এটি দুটি ভুল বৈ যোৱাত তাৰ শুধৰণী দিয়া হ'ল ।

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ৭ | ২ | ৰজ | ৰজা |
| ,, | ৮ | শেষ | বিশেষ |
| ২৫ | ২৩ | তান্ | তাৰ |
| ৫৫ | ... | মানব জাতিৰ সভ্যতা | অৰ্থব্যৱহাৰ |
| ,, | ১৭ | ওকনীয়া | আওকণীয়া |
| | ১ | কে | কলে |
| ৮২ | ১১ | ... | যুগৰ |
| ৮৫ | ১৫ | ক্ৰিয়া | ক্ৰিয়া |
| ৯৪ | ৭ | ে ই | সেই |
| ১০১ | ৩ | ... | পশু-পক্ষীৰ |
| ১০২ | ৪ | কৰহঁক | কৰোহঁক |
| ১২ | ৭ | আমক | আমাক |
| ১৩১ | ১৩ | পৰিহেতেন | পাৰি েহেঁতেন |
| ,, | ১৬ | অপৰাজয় | অপৰাজেয় |
| ,, | ১৯ | বিবঙ্গনাই | বীৰাঙ্গণাই |
| ,, | ২১ | গাভকৰ | গাভৰু |
| ১৩২ | ১ | বিৰত্বৰ | বীৰত্বৰ |

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ১৩২ | ৭ | জাতিয়ত্বত | জাতীয়ত্বত |
| ,, | ১৮ | সি | দি |
| ,, | ২১ | নবানে | মৰাণে |
| ১৩৩ | ২ | সুকাই | শুকাই |
| ,, | ৪ | নিৰ্য্যাতন | নিৰ্য্যাতন |
| ,, | ৭ | মেহনমালা | মোহনমালা |
| ,, | ১৬ | ব গৰ্দেৱৰো | স্বৰ্গদেৱৰো |
| ১৩৪ | ১ | গোঁহায় | গোঁহাঞি |
| ,, | ১৬ | কোঠালৈ | কোঁঠলৈ |
| ১৩৫ | ৯ | কথ | কথা |
| ১৩৬ | ১ | অকমীয়াৰ | অসমীয়াৰ |
| ,, | ৫ | কাঠৰ | কোঁঠৰ |
| ,, | ৭ | ামৰীয়াৰ | মোৱামৰীয়াৰ |
| ,, | ১১ | বৰু া | বৰুৱা |
| ,, | ২২ | ঘলী ঘাটত মাৰাণেৰে | দীঘলীঘাটত মৰাণেৰে |
| ১৩৭ | ৭ | বৰু | বৰুৱা |
| ,, | ১২ | মোনমালা | মোহনমালা |
| ,, | ১৯ | তোলো | তোলা |
| ১৩৮ | ৪ | মৰাণ | মৰাণে |
| ,, | ১১ | ধৰ | ধাৰী |
| ১৩৯ | ১২ | অসমীয় | অসমীয়া |
| ,, | ১৬ | মৰণে | মৰাণে |
| ১৪০ | ২ | সোম া কদি | সোমাই বুকেদি |

| পিঠি | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ১৪০ | ৩ | প ল | পবিল |
| ,, | ৪ | প্ৰ ক | প্ৰভুক |
| ,, | ৫ | মবাণব শবণ লৈ | মৰাণৰ শৰণ নলৈ<br>মৰণৰ শৰণ লৈ |
| ,, | ১৭ | সম্পনাবে | কম্পনাৰে |
| ,, | ,, | কবি | কৰি |
| ১৪১ | ৭ | বদনছন্দ্ৰ | বদনচন্দ্ৰ |
| , | ২৪ | হইল | হৈল |

# বিজ্ঞাপন

পেঞ্চনভোগী এক্‌ষ্ট্ৰা এচিষ্টেণ্ট কমিচনাৰ

অনৰেবল ৰায়বাহাদুৰ ৺ফণিধৰ চলিহা

ৰচিত

## আহি-চৰিত্ৰ

সাহিত্যিক পেঞ্চনাৰ

শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱাৰ

পিতৃদেৱ

৺ঘিণাৰাম গোহাঞি বৰুৱা।

বেচ খনে ।০ সিকি এটি মাথোন।

প্ৰাইজ আৰু উপহাৰৰ নিমিত্তে উপযুক্ত কিতাপ।

কলপতীয়া চিয়াঁহিৰে হাতীদঁতীয়া পিছল চিকচিকীয়া কাগজত ধুনীয়াকৈ ছপোৱা।

কিতাপ পোৱাৰ ঠিকনা,—

লীলা এজেঞ্চি,—তেজপুৰ।

# বিজ্ঞাপন।

সাহিত্যিক লেখকৰ মাননীয় শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱাৰ তলত নাম দিয়া কিতাপবিলাক আমাৰ ওচৰত বিচাৰিলে পোৱা যাব।

| | কিতাপৰ নাম। | দাম |
|---|---|---|
| ১। | লীলা (কাব্য) | ॥০ |
| ২। | মানৱ দিন (কাব্য, হাতে লিখা অৱস্থাত) | ২৲ |
| ৩। | জুৰণি (কবিতা) | ।৵০ |
| ৪। | ফুলৰ চানেকী (কবিতা-সংগ্ৰহ, হাতে লিখা অৱস্থাত) | ২৲ |
| ৫। | ল'ৰাৰী (উপন্যাস) | ১৲ |
| ৬। | ভানুমতী (উপন্যাস) | ॥০ |
| ৭। | জয়মতী (নাটক) | ৸০ |
| ৮। | গদাধৰ (নাটক) | ৸০ |
| ৯। | লাচিত বৰফুকন (নাটক) | ১৲ |
| ১০। | সাধনী (নাটক) | ৸০ |
| ১১। | গাওঁবুঢ়া (নাটক) | ॥০ |
| ১২। | টেটোনতামুলি (নাটক) | ॥০ |
| ১৩। | ভুত নে ভ্ৰম (নাটক) | ॥০ |
| ১৪। | ভাৰতবৰ্ষৰ বুৰঞ্জী (হিন্দু ৰাজত্ব) | ॥০ |
| ১৫। | মহাৰাণী (ভিক্টোৰীয়া চৰিত) | ।০ |
| ১৬। | আদিশিক্ষা (আদিছোৱা, সচিত্ৰ) | /০ |
| ১৭। | আদিশিক্ষা (মাজছোৱা, সচিত্ৰ) | ৵০ |
| ১৮। | আদিশিক্ষা (শেহছোৱা, সচিত্ৰ) | ।০ |
| ১৯। | নীতি-শিক্ষা (আদিছোৱা, সচিত্ৰ) | ॥০ |
| ২০। | নীতি-শিক্ষা (মাজছোৱা, সচিত্ৰ) | ৸০ |
| ২১। | নীতি-শিক্ষা (শেহছোৱা) | ১৲ |
| ২২। | সাহিত্য-সংগ্ৰহ (সপ্তম তাঙ্গৰণ) | ১॥০ |
| ২৩। | জীৱনী-সংগ্ৰহ (চৰিতাৱলী চৰিত্ৰ) | ২৲ |
| ২৪। | ভূগোল-দৰ্পণ (পৃথিবীৰ বিৱৰণ) | ॥০ |
| ২৫। | আসামৰ বুৰঞ্জী (সচিত্ৰ) | ১॥০ |
| ২৬। | বুৰঞ্জীবোধ (সচিত্ৰ) | ৸০ |
| ২৭। | শিক্ষাবিধি (শিক্ষকৰ হাতৰ পুথি) | ১॥০ |
| ২৮। | দেশী কছৰৎ (ব্যায়াম শিক্ষা, সচিত্ৰ) | ৸০ |
| ২৯। | সভাপতিৰ অভিভাষণ (সাহিত্য-সম্মিলনী) | ১৲ |
| ৩০। | ঐ ঐ (ছাত্ৰ-সম্মিলন) | ৸০ |
| ৩১। | ঐ ঐ (আসাম কন্‌ফাৰেঞ্চ) | ১৲ |
| ৩২। | শ্ৰীকৃষ্ণচৰিত (আদিছোৱা, বাল্যলীলা খণ্ড) | ২৲ |
| ৩৩। | ঐ (মাজছোৱা যৌৱনলীলা খণ্ড) | ৩৲ |
| ৩৪। | ঐ (শেহছোৱা, অন্ত্যলীলা খণ্ড) | ২॥০ |